
দক্ষিণ পট
৪৬ তম সংখ্যা
সম্পাদিকা ঃ ভবিতা দাস
Nayan

# সম্পাদনা সমিতি



ড° ৰমেশ চন্দ্ৰ কলিতা
মুখ্য উপদেষ্টা



ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
উপদেষ্টা



ড° গাৰ্গী চক্ৰবৰ্তী
তত্বাৱধায়িকা



সুনীল তালুকদাৰ
শিক্ষক সদস্য



মানস প্ৰতিম বৰুৱা
শিক্ষক সদস্য



জয়ন্ত কুমাৰ বৈশ্য
শিক্ষক সদস্য



দুৰ্লভ নাৰায়ণ সিংহ
শিক্ষক সদস্য



জয়জিৎ ডেকা
শিক্ষক সদস্য



ভবিতা দাস
সম্পাদিকা



হীৰকজ্যোতি নাথ
সম্পাদনা সহযোগী



ৰঞ্জন হাজৰিকা
সম্পাদনা সহযোগী



দীপাংকৰ দাস
সম্পাদনা সহযোগী



ভাৰ্গৱ কলিতা
সম্পাদনা সহযোগী



পলাশজ্যোতি দাস
সম্পাদনা সহযোগী



কল্পজিৎ কলিতা
চিত্ৰ শিল্পী



চিন্ময় কুমাৰ দাস
চিত্ৰ শিল্পী



নয়ন জ্যোতি দাস
চিত্ৰ শিল্পী



ভুমন জ্যোতি দাস
চিত্ৰ শিল্পী

# দক্ষিণ পট

## দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ  বাৰ্ষিক মুখপত্ৰ

৪৬ তম সংখ্যা ■ ২০১৭-২০১৮ ইং বৰ্ষ

# DAKSHIN PAT

An Annual Publication, Dakshin Kamrup College

Vol.-46 ■ 2017-18

তত্বাৱধায়িকা
ড° গাৰ্গী চক্ৰৱৰ্তী

সম্পাদিকা
ভবিতা দাস

# দক্ষিণ পট

৪৬ তম সংখ্যা

(২০১৭-২০১৮ ইং বৰ্ষ)

**সম্পাদনা কক্ষত...**


মুখ্য উপদেষ্টা ঃ ড° ৰমেশ চন্দ্ৰ কলিতা

উপদেষ্টা ঃ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া

তত্বাৱধায়িকা ঃ ড° গাৰ্গী চক্ৰৱৰ্তী

সম্পাদক ঃ ভবিতা দাস

শিক্ষক সদস্য/সদস্যাঃ সুনীল তালুকদাৰ
মানস প্ৰতিম বৰুৱা
জয়ন্ত কুমাৰ বৈশ্য
দুৰ্লভ নাৰায়ণ সিংহ
জয়জিৎ ডেকা

সম্পাদনা সহযোগী ঃ হীৰক জ্যোতি নাথ
ৰঞ্জন হাজৰিকা
দিপাংকৰ দাস
ভাৰ্গৱ কলিতা
পলাশজ্যোতি দাস

বেটুপাত ঃ নয়নজ্যোতি দাস (সন্মুখ)
পৰাগ কলিতা (শেষ)

স্কেছ আৰু অলংকৰণঃ কল্পজ্যোতি কলিতা, নয়নজ্যোতি দাস, চিন্ময় কুমাৰ দাস, ভূমন জ্যোতি দাস

সামগ্ৰিক পৰিকল্পনা ঃ সম্পাদিকা

মুদ্ৰণ ঃ মালিয়াটা অফছেট প্ৰেছ
মিৰ্জা -৭৮১১২৫
ই-মেইল : maliyataoffset@gmail.com


বিঃদ্ৰঃ
- এইবেলিৰ ৪৬ সংখ্যক ‘দক্ষিণ পট’ত প্ৰকাশিত লেখাসমূহ লেখা আহ্বানৰ বাবে জাননীযোগে দিয়া চৰ্তসমূহ মানি মৌলিকভাৱে ৰচনা কৰা বুলি ভাবিয়েই নিৰ্বাচন কৰা হৈছে। সেয়ে লেখাসমূহৰপৰা সৃষ্টি হোৱা যি কোনো বিতৰ্ক আৰু বিসংগতিৰ বাবে সম্পাদনা সমিতি দায়ী ন'হব; সংশ্লিষ্ট লেখক-লেখিকাসকল দায়বদ্ধ হ'ব।
- বিভিন্ন প্ৰবন্ধসমূহৰ স'তে সংযোজিত ফটোসমূহ ইন্টাৰনেটৰপৰা সংগ্ৰহ কৰা হৈছে।

# উচৰ্গা



**ড° প্ৰমোদ ভট্টাচাৰ্য**
*বিশিষ্ট সাহিত্যিক*



**মুনীন বৰুৱা**
*ছবি নিৰ্মাতা*

পবিত্ৰ স্মৃতিত 'দক্ষিণ পট'ৰ ৪৬ তম সংখ্যাটি উচৰ্গা কৰিলোঁ।

সম্পাদনা সমিতি
**দক্ষিণ পট**

# অশ্ৰু–অঞ্জলি



ভাস্কৰ কলিতা



নৰেন কলিতা



কাশ্যপ নাথ

**প্ৰয়াত নৰেন কলিতা**

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য

**প্ৰয়াত ভাস্কৰ কলিতা**

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সুদক্ষ আৰক্ষী বিষয়া

**প্ৰয়াত কাশ্যপ নাথ**

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ।

**লগতে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ—**

**অটল বিহাৰী বাজপেয়ী** (ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী), **ষ্টেফিন হকিং** (পদাৰ্থ বিজ্ঞানী)

**দিপালী বৰঠাকুৰ** (সুগন্ধি গায়িকা), **কল্পনা লাজমী** (ছবি নিৰ্মাতা)

**ৰাম গোস্বামী** (সাহিত্যিক), **আনন্দ কুমাৰ** (নাট্যকাৰ)

**যোগেশ চন্দ্ৰ পাল** (ব্যৱসায়ী), **গুণ ভূঞা** ()

লগতে

*জ্ঞাতে অজ্ঞাতে মৃত্যুক আকোৱালি লোৱা পৃথিৱীৰ যিকোনো প্ৰান্তৰ আদৰ্শনীয় ব্যক্তিসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলোঁ।*

— সম্পাদনা সমিতি

***"দক্ষিণ পট" ৪৬ তম সংখ্যা***

# সিদ্ধাৰ্থ ভট্টাচাৰ্য্য

**Siddhartha Bhattacharya,** M.A., LL.B

Cabinet Minister
Department of Education
Guwahati Development Department,
Department of Law and Justice
Government of Assam

সত্যমেৱ জয়তে

Block-D, 4th Floor,
Assam Secretariat,
Dispur, Guwahati- 781006,
Assam
Tel No.: 0361-2237267
Mobile No.: 94350-10789
E-mail.: siddharthabhatta@gmail.com
ministeredu26@gmail.com




## শুভেচ্ছা

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ উদ্যোগত মহাবিদ্যালয়ৰ মুখপত্ৰ 'দক্ষিণ পট'ৰ ৪৬ তম্ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছো।

উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে দক্ষিণ কামৰূপ মহাবিদ্যালয়ে অঞ্চলটোৰ লগতে সমাজৰ উত্তৰণত অৱদান আগবঢ়াই আহিছে। বিদ্যায়তনিক দিশৰ লগতে মহাবিদ্যালয়খনে শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক দিশত সমগ্ৰ অঞ্চলটোত এক নতুন চিন্তা-চৰ্চাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে।

'দক্ষিণ পট' সৰ্বাংসুন্দৰ ৰূপত প্ৰকাশিত হৈ মহাবিদ্যালয়ৰ সফল যাত্ৰাত অৰিহণা যোগাব বুলি কামনা কৰিলোঁ।

# গৰীয়সী

**GARIYOSHI**

Monthly Assamese Magazine



Telephone : 0361 - 2660102, 2661359-60
Fax : 0361 - 2660594, 2666356

SAHITYA-PRAKASH
TRIBUNE BUILDINGS
GUWAHATI-781 003, ASSAM


মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বিদ্যায়তনিক অৱদানে অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক বাতাবৰণ উন্নত কৰি তুলিছে। মহাবিদ্যালয়খনিয়ে ছাত্ৰ-সমাজক উপযুক্ত আৰু সমাজ-সচেতন কৰি তুলিছে। ই প্ৰতি বছৰে ৪৫ বৰ্ষ ধৰি ‘দক্ষিণ পট’ নামে এখনি সাহিত্যগুণবিশিষ্ট মুখপত্ৰ প্ৰকাশ কৰি আহিছে। এইবাৰো ৪৬ তম সংখ্যাটি প্ৰকাশ কৰিবৰ বাবে আয়োজন চলাইছে। ই বৰ সুখৰ কথা। আশা কৰিছোঁ, — শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু যোগ্য লোকৰ অৱদানেৰে ‘দক্ষিণ পট’ সমৃদ্ধ হ’ব।

‘দক্ষিণ পট’ লৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ। ইতি —

১৯ ডিচেম্বৰ, ২০১৮
গণেশগুৰি ৰাজাবাৰী পথ
গুৱাহাটী — ৮

# অধ্যক্ষৰ একলম...



ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয় অসমৰ আগশাৰী মহাবিদ্যালয়সমূহৰ ভিতৰত এখন। মহাবিদ্যালয়খনি বৃহত্তৰ দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলৰ উপৰিও অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ মিলনস্থলী। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনেই আমাৰ মহাবিদ্যালয়ৰ মূল লক্ষ্য। এই লক্ষ্য আগত ৰাখিয়েই তেওঁলোকৰ বিদ্যায়তনিক দিশৰ লগতে খেল-ধেমালি, ক্ৰীড়া, সমাজ-সেৱা, সাহিত্য চৰ্চা আদি দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈ আহিছে। এনে লক্ষ্যৰ অংশ হিচাপে সাহিত্য চৰ্চাৰ কঠিয়াতলী স্বৰূপ 'দক্ষিণ পট' প্ৰতি বছৰে নিয়মীয়াকৈ প্ৰকাশ পাই আহিছে। ইয়াত মহাবিদ্যালয় পৰিয়ালৰ আগ্ৰহী সকলো সদস্যৰ স্বৰচিত গল্প, কবিতা, প্ৰবন্ধ, ৰম্য ৰচনা, নাটিকা আদিয়ে একাৰ্থত 'দক্ষিণ পট' আমাৰ মহাবিদ্যালয়ৰ এখনি দলিল স্বৰূপ। ইতিমধ্যে প্ৰকাশিত সংখ্যাসমূহৰ লেখাবোৰৰ মাজত অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ পূৰ্বঠ লেখাৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলৰ লেখাত মৌলিক প্ৰতিভাৰ পৰিচয় পোৱা গৈছে। সময়ে সময়ে অসমৰ বিভিন্ন প্ৰান্তত মহাবিদ্যালয়সমূহৰ আলোচনী প্ৰতিযোগিতাত পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। ই আমাৰ বাবে অতিশয় গৌৰৱৰ বিষয়। ভৱিষ্যতেও অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত 'দক্ষিণ পটে' এনে গৌৰৱ বুটলিবলৈ সক্ষম হ'ব বুলি আশা কৰিলোঁ।

আলোচনী এখনৰ সকলো কাম সুকলমে তদাৰক কৰি প্ৰকাশ কৰাটো অতিশয় কষ্টসাধ্য কাম। এই ক্ষেত্ৰত আলোচনী বিভাগৰ তত্বাৱধায়িকা তথা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° গাৰ্গী চক্ৰৱৰ্তী আৰু আলোচনী সম্পাদিকা ভবিতা দাসৰ মই শলাগ লৈছো। আলোচনীখনৰ এই সংখ্যাটিৰ সকলো কামতে আৰম্ভণিৰে পৰা লাগি থকা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মানস প্ৰতিম বৰুৱা, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক সুনীল তালুকদাৰ আৰু অসমীয়া বিভাগৰ অধ্যাপক এডৱাৰ্ড ষ্টেডী চাংমাক মই ধন্যবাদ জনাইছোঁ। সম্পাদনা সমিতিত থকা অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ সদস্যবৃন্দৰ নেৰানেপেৰা প্ৰচেষ্টাত 'দক্ষিণ পট'ৰ এই ৪৬ তম সংখ্যাটি প্ৰকাশৰ পথত বুলি জানিব পাৰি মই অত্যন্ত সুখী হৈছো। প্ৰকাশ পাবলগীয়া সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশিত হৈ ওলাব বুলি মোৰ দৃঢ় বিশ্বাস আছে। আটাইকেইজনৰ প্ৰতি মই কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

**ড° ৰমেশ চন্দ্ৰ কলিতা**
অধ্যক্ষ
দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা

# From the teacher's desk…



While getting involved with the process of publishing the 46th Issue of ***Dakshin Pot***, one thought has repeatedly been bothering me- why there is less and less quality write ups from students when enrolment is clearly on the rise? Is it simply the overwhelming influence of social media and Internet that is hampering serious in-depth study? Or is it something to do with the constant pressure on students to perform, to deliver and be in the hunt which contributes to the lack of reading other than their prescribed syllabi?

Inspite of all the challenges or constraints that one might come across there is no denying the fact that reading and writing contributes effectively in the growth of students. What kindles and sustains the creative fire in a writer is not original story lines no one has ever considered in the history of literature. It's what Anne Lamott once said, " I write books I 'd love to come upon". When we sit down to read a story or s novel, questions like, "What do I love about the book? What doesn't work? How could I put a fresh twist to the story? "help us to become a better writer. Even if one is not a 'writer' per se, writing can be highly beneficial. It enables working through feelings, staying positive, expressing one's thoughts more clearly etc.

More and more writing and reading is recommended when one wants to make a mark as a writer. More writing is an obvious one since practice leads to perfection. But writing in a vacuum won't do much good. Reading exposes us to different styles of writing, other voices, other forms and different genres of writing. Reading widens our horizon.

One useful idea is to read things one hadn't thought about reading. Reading everything- trash, classics, good and bad- does help in forming ideas and developing the thought processes. It's said, "The better he knows the product, the better the salesman". The analogy is telling: the better you know how language operates, the better you'll be able to 'sell' it- and yourself-when writing.

Paul Graham said, "Writing doesn't just communicate ideas; it generates them". So get reading, get writing, and watch the ideas start flowing!

**Dr. Gargee Chakarvarty**
Teacher-in charge
Dakshin Pat

# সম্পাদকীয় চিন্তা



## অভিজ্ঞতাৰ বাবে প্ৰয়োজন খোজৰ

ব্যক্তিগতভাৱে মই কোনোদিনে ভৱা নাছিলোঁ যে এদিন মই এখন আলোচনী সম্পাদনা কৰিবলৈ পাম। অথচ মই অথবা আমি এখন আলোচনী সম্পাদনা কৰি উলিয়ালোঁ যিটো কথা মোৰ পক্ষে কল্পনাৰো অতীত আছিল।

**আলোচনী আমাক এখন আলোচনী কিয় লাগে?**

আমাক এখন আলোচনী এই কাৰণে লাগে যে আলোচনীখনৰ মাধ্যমেৰে আমি আমাৰ মহাবিদ্যালয়ৰ বুদ্ধিমত্তা, চিন্তাধৰণ অথবা তেওঁলোক কি ধৰণৰ আদৰ্শৰে, কোন দিশে বৰ্তমানৰ যুৱপ্ৰজন্ম অনুধাৱিত হৈছে তাৰ আভাস পাবলৈ সক্ষম হওঁ। আৰু এই আভাসৰ পৰাই আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে আমাক আমাৰ সঠিক বাটটোত আগবঢ়াই দিবলৈ চেষ্টা কৰিব পাৰে। অৰ্থাৎ, মহাবিদ্যালয়ৰ আলোচনী এখন চেকনীৰ লেখিয়া যিয়ে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্তাক পৰীক্ষা কৰে। এই ফালৰ পৰা মহাবিদ্যালয়ৰ আলোচনী শিক্ষাৰ এটা প্ৰধান অংগ, আন কথাত মহাবিদ্যালয় অথবা শিক্ষানুষ্ঠানৰ ৰাজহাড় বুলি আলোচনী এখনক গণ্য কৰিলেও ভুল কোৱা নহ'ব। এনে এক মহৎ কামৰ অংশীদাৰ হ'বলৈ পাই আমি নিজকে ধন্য মানিছোঁ। মোৰ জীৱনত ই মোৰ বাবে এটা অপূৰ্ব অভিজ্ঞতা হৈ ৰ'ব। কিয়নো ইয়াৰ আগতে মই কোনো আলোচনী সম্পাদনা কৰি পোৱা নাছিলোঁ। কিন্তু, এই কামটোৱে আমাক এটা গুৰুত্বপূৰ্ণ শিক্ষা প্ৰদান কৰিলে। আমি জানিলোঁ সমাজত আলোচনীৰ প্ৰয়োজনীয়তা, সমাজত সাহিত্যৰ গুৰুত্ব; কিয় সেই তাহনিতে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম হৈ আলোচনীৰ মাধ্যমেৰে সমাজত সাহিত্য প্ৰচাৰৰ, সমাজখন নিকা কৰি ৰখাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। জানিলোঁ, ইয়াৰ বাবে কেনেকৈ আগবাঢ়িব লাগে আৰু এই আটাইখিনি ব্যক্ত কৰি শেষ কৰিব নোৱাৰা অনুভৱ, অভিজ্ঞতাই আমাক পিছৰ জীৱনত সহায় কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

এই গোটেইখিনি কাম সম্ভৱপৰ হৈ উঠিল মাত্ৰ আমি প্ৰথমতে আগবঢ়োৱা প্ৰথম খোজটোৰ পৰাহে। অৰ্থাৎ, অভিজ্ঞতা লাভ কৰিবলৈ আমি যদি প্ৰথম খোজ নেপালোহেঁতেন অন্যাৰ্থত আগ নাবাঢ়িলোহেঁতেন তেন্তে হয়তো আপুনি আমাৰ মহাবিদ্যালয়ৰ কৰ্মৰাজি পঢ়িবলৈ পোৱাৰ সুবিধাৰ পৰা বঞ্চিত হ'লহেঁতেন। পোনপটীয়াকৈ আমি বুজাব বিচাৰিছোঁ যে, অভিজ্ঞতা লাভ কৰিবৰ এটাই উপায় কাম কৰিবলৈ আৰম্ভ কৰা। আমি অভিজ্ঞতা সফল বা বিফল পাব পাৰোঁ কিন্তু বিফলতাৰ অভিজ্ঞতাও সফলতাৰ বাবে আগবঢ়াৰ খোজ।

এই আলোচনীখনে কেৱল আমাকেই এটা অভিজ্ঞতা প্ৰদান কৰা নাইবা ইয়াৰ শেষ ইয়াতেই হৈ নাযায়। ইয়াত প্ৰকাশ পোৱা প্ৰত্যেকটো লেখাৰ গৰাকীয়ে এটা নতুন অভিজ্ঞতাৰে তুষ্ট হ'ব পাৰিছে লগে লগে পাঠক পাইছে এটা নতুন লেখা-পঢ়াৰ অভিজ্ঞতা। অভিজ্ঞতাই সকলো। ইয়েই জীৱন জীয়াৰ প্ৰকৃত প্ৰেৰণা। সেইবাবে আমি এতিয়া ক'ব খোজো; যিকোনো কাম এটা কৰাৰ আগমুহূৰ্তত তাৰ ফলাফলত গুৰুত্ব দিয়াতকৈ উচিত কামটোৰ পৰা তোমাৰ বা আপোনাৰ কি এনে অভিজ্ঞতা হ'ব যিয়ে আপোনাক ভৱিষ্যৎ জীৱনত সহায় কৰিব। কিয়নো আমি কাইলৈৰ কথা চিন্তা কৰা বন্ধ কৰি দিলে আমাৰ প্ৰগতিৰ বাট স্তব্ধ হৈ ৰ'ব। যিদৰে অভিজ্ঞতাবিহীন, চিন্তাবিহীন, স্বাৰ্থপৰা কিছুমান মানুহৰ কৰ্ম-কাণ্ডত অসমখন ৰসাতলে যাব ধৰিছে।

বৰ্তমানৰ পৃথিৱীখন বৰ ভয়ংকৰ হৈ যাব ধৰিছে। সৰলতৰ কৰাৰ চেষ্টাত প্ৰক্ৰিয়াবোৰ হ'ব ধৰিছে জটিল। চৌদিশে চলিছে এক মিছা প্ৰতিযোগিতা। (Virtual Competition) মিছা প্ৰতিযোগিতাখন চলাবলৈ আগভাগ লৈ বিশ্বায়নে। মানুহবোৰে নিজক পাহৰিবলৈ আৰম্ভ কৰিছে, মনত ৰাখিছে — মাত্ৰ-লাভ-লোকচান-সময়ৰ হিচাপ। সকলো ব্যস্ত অংকৰ হিচাপত। লাভৰ অংক, লোকচানৰ অংক, সময়ৰ অংক, Social Sites চলিছে কেইটামান অংকক কেন্দ্ৰ কৰি ( 0 আৰু 1)। চৌপাশে এক অৰাজকতা, অসুস্থিৰতা, সকলোবোৰ মানুহ জ্ঞানী-অজ্ঞানী এনে পৰিৱেশত থাকি জ্ঞানশূন্যৰ হৈ পৰিছে আৰু আৰ্জিব লাগিছে - কিছুমান এনে অভিজ্ঞতা যিবোৰৰ প্ৰকৃত জীৱনৰ সৈতে কোনো সম্পৰ্কই নাই।

মানুহবোৰে পাহৰিব ধৰিছে পখিলাৰ সৌন্দৰ্য্য, ৰ'দৰ জিকমিকনি, ফুলৰ গোন্ধ, উইচিৰিঙাৰ মাত, ৰাতিৰ তৰাবুলীয়া আকাশ, উফন্দি উঠা সাগৰৰ ঢৌ। ইত্যাদি ইত্যাদি কতনা কথা।

আৰু এই সকলোবোৰ পুনৰাই উদ্ধাৰ কৰিব লাগিব নিজকে, মুকলি হ'ব লাগিব এই পাকলগা মিছা পৃথিৱীৰ শিকলিৰ পৰা আৰু ইয়াৰ বাবে আমি কৰিব লাগিব সংগ্ৰাম। সংগ্ৰামে আনিব অভিজ্ঞতা, অভিজ্ঞতাই কঢ়িয়াব জীৱনৰ সুখ, জীৱন জীয়াৰ আনন্দ।

সম্পাদক যদিও অ-সম্পাদকীয় হিচাপে বহু কথাই লিখা হ'ল। সৰ্বশেষত 'দক্ষিণ পট' প্ৰকাশৰ ক্ষেত্ৰত আৰু ইয়াৰ সম্পাদনাৰ ক্ষেত্ৰত থাকি যাব পৰা ভুল-ভ্ৰান্তিৰ বাবে আপোনালোকৰ ওচৰত আমাৰ ক্ষমা প্ৰাৰ্থনা। অভিজ্ঞতাবিহীন হৈ অভিজ্ঞতা এটা লাভ কৰাৰ ক্ষেত্ৰত আপোনাৰ মনলৈ এয়া আমাৰ খোজ, আমাৰ মহাবিদ্যালয়খনৰ খোজ; আশাকৰোঁ আপুনি ইয়াক গ্ৰহণ কৰি গঠনমূলক দিহা পৰামৰ্শ আগবঢ়াব। যিসকল মহানুভৱ ছাৰ-বাইদেউ, মহাবিদ্যালয়ৰ কৰ্মচাৰী, আৰু সমূহ ডিকেচিয়ানৰ গঠনমূলক সহযোগিতাই 'দক্ষিণ-পট'ৰ ৪৬ তম সংখ্যাটি সজাই-পৰাই তোলাত হাত আগবঢ়ালে তেওঁলোকৰ ওচৰত মই আৰু আমি সম্পাদনাৰ সমিতিখন সদায় ঋণী হৈ থাকিম।

**ভনিমা দাস**
সম্পাদিকা
দক্ষিণ পট

# একাঁজলি কৃতজ্ঞতা

## যিসকলৰ পৰা অনুপ্ৰেৰণা আৰু সহায় লাভ কৰিলোঁ —

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা আৰু উপাধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া।

তত্ত্বাৱধায়ক ড° গাৰ্গী চক্ৰৱৰ্তী।

অধ্যাপক সুনীল তালুকদাৰ, মানস প্ৰতিম বৰুৱা, এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা, দেবেন্দ্ৰ শৰ্মা, জয়ন্ত কুমাৰ বৈশ্য, দুৰ্লভ নাৰায়ণ সিংহ, জয়জিৎ ডেকা, লগতে অনা শিক্ষক-কৰ্মচাৰী যতীন্দ্ৰ মেধী, নয়নমণি কলিতা প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শ্ৰদ্ধাৰ অধ্যাপ-অধ্যাপিকাবৃন্দ আৰু অনাশিক্ষক কৰ্মচাৰীবৃন্দ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাবৃন্দ, লগতে ৪৬ তম সংখ্যক 'দক্ষিণ পট'ৰ লেখক-লেখিকা ( লেখা প্ৰকাশিত নোহোৱা সকলো)ৰ লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকল। মোৰ বন্ধু অৰুণা, ডিম্পী, মাজনী, বনশ্ৰী, হিৰামণি, ৰিমা ৰাজবংশী, হিৰক জ্যোতি নাথ, ৰঞ্জন হাজৰিকা, দিপাংকৰ দাস, ভাৰ্গৱ কলিতা, দাদা তুল্য সঞ্জীৱ কলিতা, ঋতু শইকীয়া, ইতিহাস বিভাগৰ সহপাঠীবৃন্দ, মোৰ অন্যান্য শুভকাংক্ষীসকল।

মালিয়াটা অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰী মনোজ কুমাৰ দাস প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দ।

এইসকল আটাইৰে ওচৰত মোৰ আন্তৰিক কৃতজ্ঞতা, শলাগ তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদিকা

**দক্ষিণ পট**

# সূচীপত্ৰ

## অসমীয়া বিভাগ

### প্ৰবন্ধ


- দক্ষিণ কামৰূপৰ অন্যতম জনজাতি  হাজংসকলৰ পৰিচয়/**চিম্পু কলিতা**/১
- বীণা বৰুৱাৰ 'জীৱনৰ বাটত'... এটি চমু আলোচনা/**মনালিছা কলিতা**/৩
- সমাজ গঠনত নামঘৰৰ ভূমিকা/**ধনমণি দাস**/৬
- সমাজ জীৱনত লোকগীত সমূহৰ প্ৰভাৱ আৰু গুৰুত্ব/**গীতিকা দাস**/৯
- দেওধনী নৃত্য/**দুলুমণি ৰাভা**/১০
- কিতাপ আৰু কিছু চিন্তা/**মধুশ্ৰী সাউদ**/১১
- ভাৰতীয় ৰাজনীতি আৰু যুৱ সমাজ/ **সাগৰিকা তালুকদাৰ**/১২
- প্ৰজেক্ট **"HAARP"**/**শ্ৰীচন্দমণি শৰ্মা**/১৩
- জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ ভাৰতত দুৰ্নীতি নিবাৰণৰ অন্যতম পূৰ্বচৰ্ত/ **চিন্ময়ী দাস**/১৫
- পৰৱৰ্ত্তী বৈদিক যুগৰ সমাজ (এক চমু আলোচনা)/ **যোগেশ কুমাৰ কলিতা**/১৮
- অসমৰ গ্ৰাম্য জীৱনত লোক চিকিৎসা/ **সুনীল তালুকদাৰ**/২০


### গল্প


- আশাৰ ৰেঙণি/**হিমাশ্ৰী কুমাৰী**/২৩
- পৰিবৰ্তন/**জুৰি ঠাকুৰীয়া**/২৪
- জতুগৃহ/**চয়নিকা দাস**/২৫
- এইটো মোৰ প্ৰেম কাহিনী/**দীপাংকৰ দাস**/২৮
- ওভটনী যাত্ৰা/**মনোজ কুমাৰ দাস**/৩১
- আচামী/**পৰিমিতা দত্ত বৰুৱা**/৩২
- কৃষ্ণ জনম/**হীৰেণ কলিতা**/৩৪
- উদ্দীপ্তা/**হিমাদ্ৰী শৰ্মা**/৪৩


### কবিতা


- বসন্তৰ পথাৰ তোলৈ বাট চাই ৰ'লো/**এড্‌ৱাৰ্ড ষ্টেভী এন্ চাংমা**/৪৯
- অলংকৃতা/**ৰুমি কলিতা**/৫০
- তোমাৰ অপেক্ষাত/**বাসুদেৱ দাস**/৫১
- অপেক্ষাত/**জিন্টি শৰ্মা**/৫২
- নিজৰ লক্ষ্য হেৰুৱাই পেলোৱা মানুহজন/**পংকজ ৰাভা**/৫২
- এক্সপ্লোৰা-সংযোগ সেঁতু/**সঞ্জীৱ কলিতা**/৫৩
- ইমান সহজ নাছিল/**জয়জিৎ ডেকা**/৫৪
- ফাগুন/**চয়নিকা দাস**/৫৫
- বিচ্ছেদৰ অশ্ৰু/**দীপাঞ্জলি দাস**/৫৫
- এড্‌ভান্টেজ আছাম/**জয়ন্ত কুমাৰ বৈশ্য**/৫৬
- হেঁপাহৰ টঙীঘৰ/**স্কাইলেগু এন্ চাংমা**/৫৭
- মানুহবোৰে ঘৰিয়াল পুহিছে/**ঋতু শইকীয়া**/৫৮

## কথোপকথন শিতান


- হাড়গিলা বাইদেউৰ গ্ৰীণ অস্কাৰ যাত্ৰা/**মানবেন্দ্ৰ কলিতা**/৫৯
- ৰাজীৱ কলিতাৰ সৈতে এখন্তেক.../৬১
- বিনোদ শৰ্মাৰ সৈতে এখন্তেক.../৭০
- হিৰকজ্যোতি দাস সৈতে এখন্তেক.../৭৩


## বিবিধ


- খাপছাৰা/শৈলেন দাস/৭৬
- স্মৰণীয় অভিজ্ঞতা/**জয়শ্ৰী দাস, নিৰ্মালী বড়া, কংকনা বড়া**/৭৮


## ENGLISH SECTION


- Prominent Indian English Writers (Fiction) from North East-An Overview /**Dr. Gargee Chakraborty**/81
- The Ladies to Leh NIRDHAR/**Kukee Das**/85
- Who has said and what has been said about Mathematics?/**Nakul Deb Goswami**/87
- Feminism Beyond Caste, Class & Gender : Analysing Ambedkar's Thoughts & Contributions/ **Sourabh Jyoti Sharma**/89
- BIOTECHNOLOGY -Its Scope and Prospects in India/**Dr. Durlav Nr. Singha**/93
- English literature and women writings – a brief overview/**Geetima Nath**/95
- William Wordsworth – Pioner of Romantic Age/**Manash Jyoti Kalita**/97
- Gravitational Wave : Ripples in Spacetime curvature/**Dr. Jananendra Upadhyay**/100
- Charles Dickens as a Victorian novelist/**Kalpajyoti Majumdar**/103


## ভিতৰ চ'ৰা


— **দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা (২০১৬-১৭ ইং বৰ্ষ)**/১০৫

— **অধ্যক্ষৰ আদৰণী ভাষণ**/১০৬

— ANNUAL ACTIVITY REPORT OF N.S.S. UNIT/১০৯

— *CAMPS/ ACTIVITIES OUTSIDE THE COLLEGE*/১১০

— **বিভাগীয় প্ৰতিবেদন**/১১১-১৩৩

— PRINCIPAL AND TEACHING STAFF OF OUR COLLEGE/১৩৫

— NON - TEACHING STAFF OF OUR COLLEGE/১৩৪

— Result of H.S. Final Examination (Arts & Science)/১৩৬

— Result of T.D.C. Final Examination (Arts & Science)/১৩৭

— STUDENTS SECURING POSITIONS AND HIGHEST MARKS /১৩৮

— AWARD FOR ACADEMIC EXCELLENCE/১৩৯

— **আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়কসকল**/১৪০

# প্ৰবন্ধ



“যিকোনো শ্ৰেষ্ঠ সাহিত্যই মানুহৰ তনু-মন-প্ৰাণ একে সময়তে আলোকিত আৰু মাধুৰ্যমণ্ডিত কৰি তোলে। শ্ৰেষ্ঠ সমালোচনাই সেই ৰসৰ ভোজত সাহিত্যৰ কোনটো ভোজ্যবস্তুৱে কোন ৰসনাক কেনেকৈ কিমানখিনি পৰিতৃপ্ত কৰি তুলিব, তাৰ সংবাদ সবিস্তাৰে যোগান ধৰে। দৰাচলতে, সকলো শ্ৰেষ্ঠ সমালোচনাৰ প্ৰকৃত শ্ৰেষ্ঠতা এইটো দিশতে কেন্দ্ৰীভূত হৈ থাকে। সিদ্ধান্ত যেনেকৈ সমালোচনাৰ বৌদ্ধিক প্ৰক্ৰিয়া, ৰসাস্বাদন তেনেকৈ সমালোচনাৰ নান্দনিক চেতনাৰ ফলশ্ৰুতি। তাকে সুচাৰুৰূপে সম্পাদন কৰিবলৈ হ'লে সমালোচনা নিজেই এক সৃষ্টিধৰ্মী শিল্পবস্তু হৈ পৰিবলগীয়া হয়।”



# ৰূপান্তৰৰ খনিকৰ
# মহাপুৰুষ শংকৰদেৱ

।। ধনমণি দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ(বিজ্ঞান)

পৃথিৱীৰ জীৱশক্তিৰ জন্মৰ অহৰহ সোঁতৰ মাজত এনেকুৱা কিছুমান মানুহ বা মহাপুৰুষৰ জন্ম হয়, যিবিলাকৰ কৰ্ম, আদৰ্শ তথা ব্যক্তিত্বই সময়ৰ বলুকাত আঁকি থৈ যায় মচিব নোৱাৰা খোজৰ চাপ। তেনে এগৰাকী শালপ্ৰাংশু বিদ্বান ব্যক্তি আছিল মহাপুৰুষ শংকৰদেৱ। তেওঁৰ বিশালকায় পাণ্ডিত্য, ব্যক্তিত্ব তথা কৰ্মই নিৰ্মাণ কৰিছিল এখন সুস্থ-সবল, গণতান্ত্ৰিক ভাৱধাৰাৰ সমাজ। আমি জানো যে যেতিয়াই মহাপুৰুষ শংকৰদেৱৰ জন্ম হৈছিল তেতিয়াই অসমৰ আকাশ-বতাহত তেওঁৰ প্ৰতিভা আৰু সৃষ্টিৰে পোহৰেৰে জিলিকাই তুলি এক নব্য দিগন্তৰ সূচনা কৰিছিল। পূৰ্বৰে পৰা প্ৰচলিত পৌৰাণিক, অগণতান্ত্ৰিক তথা ঠেক মানসিকতাযুক্ত জনসমাজ ধ্বংস কৰাৰ যিবিলাক চিন্তাই অসমখনক সকলোফালৰ পৰাই অনুন্নত আৰু জুৰুলা কৰিবলৈ ওলাইছিল, সেইবিলাক চিন্তাক নিৰ্মূল কৰি আধ্যাত্মিকতাপূৰ্ণ এখনি চিৰসুন্দৰ সমাজ গঢ়াত শংকৰদেৱৰ অৱদান আছিল চিৰস্মৰণীয় তথা উল্লেখযোগ্য। শংকৰদেৱে বিজ্ঞানসন্মত চিন্তাধাৰাৰে প্ৰৱৰ্তন কৰা ধৰ্ম-সাহিত্য-সংস্কৃতিয়ে অসমৰ জনমানসত বিস্তৃত প্ৰসাৰতা লাভ কৰি সমগ্ৰ অসমখনক নতুনকৈ প্ৰতিষ্ঠা কৰাৰ দৃষ্টান্ত প্ৰতিগৰাকী সমাজ সচেতন লোকৰ নখ দৰ্পণত।

ৰূপান্তৰৰ খনিকৰ মহাপুৰুষ শংকৰদেৱৰ অপৰিসীম কৰ্মক বিচাৰ-বিশ্লেষণ কৰাৰ ধৃষ্টতা আমাৰ দৰে নিঃকিনৰ নাই যদিও এইটো অনস্বীকাৰ্য যে গুৰুজনাই ধৰ্ম, সাহিত্য, সমাজ আৰু সংস্কৃতিৰ পথাৰখন চহকী কৰি তুলিবলৈ কৰা প্ৰচেষ্টা অগোঁধ লোকৰ পক্ষেও সহজে বোধগম্য আছিল। প্ৰকৃতাৰ্থত গুৰুজনাই সেই সময়ৰ শ্বাসৰুদ্ধকাৰী সমাজ জীৱনৰ পৰা নিমাখিত জনসাধাৰণক সত্য-সুন্দৰৰ পথেৰে পৰিচালিত কৰিবৰ কাৰণে ৰূপান্তৰক মহান মন্ত্ৰৰূপে ব্যৱহাৰ কৰিছিল। নিম্নলিখিত বিষয়ত গুৰুজনাৰ ৰূপান্তৰ সম্পৰ্কে চমু আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰিছোঁ।

**মানৱ সভ্যতাৰ উত্তৰণ ঃ**

“ধন্য ধন্য কলিকাল
ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বৰিষে।”

ভাৰতভূমি পৃথিৱীৰ ইতিহাসত নিঃসন্দেহে এক স্বমহিমাৰে উজ্জ্বল-সুজ্জ্বল ৰূপত বৌদ্ধিক দক্ষতা সাহিত্য-সংস্কৃতিৰ নিচান উৰুৱাই প্ৰতিষ্ঠিত এক মহান ভূমি আৰু এই মহান ভাৰতক বিশ্বৰ প্ৰান্তে-প্ৰান্তে চিনাকি কৰাই দিয়াসকল চিৰদিন আটাইৰে শ্ৰদ্ধাৰ পাত্ৰ। এইটো সন্দেহাতীত যে আসুৰিক বৰ্বৰ দানৱীয় প্ৰকৃতিৰ মানৱীয় প্ৰমূল্য উপলব্ধি কৰিব নোৱাৰা বৃহৎ লোকক ৰূপান্তৰৰ পথেৰে আলোকময় কৰি বিশ্বৰ বুকুত তুলি ধৰাৰ আঁৰত আছে এচাম স্ব-মহিমাৰে অন্যায়-অনীতি ওফৰাই সভ্যতাৰ আলোকেৰে সঠিক দিশেৰে জনসাধাৰণক পৰিচালিত কৰাৰ স্বৰ্ণিল সপোন দেখা পুণ্যাত্মা। অন্যায়ৰ সংহাৰ আৰু ন্যায়ৰ প্ৰতিষ্ঠাৰে অসমত জন্ম লোৱা নিজস্ব বৌদ্ধিক জ্ঞানেৰে সমাজ, ধৰ্ম, সাহিত্য তথা বৈজ্ঞানিকতাৰ দিশত অতুলনীয়ভাৱে উত্তৰণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰা সকলৰ ভিতৰত এনে এগৰাকী হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। যিগৰাকী মহান পুৰুষে ভগৱান শ্ৰীকৃষ্ণই অতুলনীয় বুদ্ধিদীপ্ত কৰ্মৰাজিৰে, হাঁহি-ধেমালিৰে দিয়া উচ্চ দাৰ্শনিক চিন্তাক প্ৰাণত প্ৰতিষ্ঠা কৰি ৰূপান্তৰৰ মহান মন্ত্ৰেৰে দীক্ষিত হৈ সমাজ-জীৱন কলুষিত কৰিব বিচৰা দুষ্কৃতিৰ শগুণজাকক বিনাশ কৰি ন-সুৰুযৰ ন-দীপ্তিৰে সমাজখনে আলোকময় কৰি তুলিব বিচাৰিছিল।

**ধৰ্মীয় ৰূপান্তৰ ঃ** গুৰুজনাৰ ধৰ্মীয় চিন্তাধাৰা বৰ উদাৰ আছিল। মহাপুৰুষজনাৰ কৰ্মময় তথা সৃষ্টিময় জীৱনৰ এক উল্লেখযোগ্য অৱদান আছিল একশৰণ হৰিনাম ধৰ্মৰ বিৱৰ্তন, যাৰদ্বাৰা সৰ্বসাধাৰণ লোকে যাগ-যজ্ঞাদি, আড়ম্বৰপূৰ্ণ পূজা-পাতলৰ পৰা আঁতৰি আহি ভক্তিধৰ্মৰ প্ৰতি আকৃষ্ট হৈ এটি পৰিশীলিত ধৰ্মীয় জীৱন-যাপন কৰাৰ শিক্ষা লাভ কৰিছিল। তেওঁ ভাবিছিল যে প্ৰাক শংকৰী কালৰপৰা প্ৰচলিত ধৰ্মীয় ব্যৱস্থাই সমাজখনক পৰিশীলিত মাৰ্গেৰে পৰিচালিত নকৰে। কাৰণ যি ধৰ্মই সমাজত হিংসাৰ বিষবাষ্প ছটিয়ায়, যি ধৰ্মৰ দ্বাৰা নীৰিহ-নিষ্পাপী জীৱ-জন্তুৰে হিংসা অসূঁয়াৰ চাকনৈয়াত আৱদ্ধ হৈ মৃত্যুক সাবটিবলগীয়া হয় সেই ধৰ্মৰ দ্বাৰা সমাজত কেতিয়াও শান্তিৰ বিৱৰ্তন হ'ব নোৱাৰে। সেয়েহে গুৰুজনাই "সৰ্বধৰ্মান পৰিত্যাজং মামেকং শৰণং ব্ৰজ। অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি বা শুচঃ" —শাস্ত্ৰোত্তম গীতাৰ এই শেষ সিদ্ধান্ত তথা মহাবাণী সৰোগত কৰি বিশ্বৰ স্ৰষ্টা, নিয়ন্ত্ৰক, পালনকৰ্তা, চিৰশ্বাশ্বত, বিশ্ব প্ৰপঞ্চ, সত্য-শিৱ-সুন্দৰৰ সাধক দৈৱকীনন্দন শ্ৰীকৃষ্ণক একশৰণ হৰিনাম ধৰ্মৰ বেদীত প্ৰতিষ্ঠা কৰি উপাসনা দেৱতাৰ শ্ৰেষ্ঠত্বৰ স্বীকৃতি দিয়াইছিল এক শৰণ হৰিনাম ধৰ্মৰ বিৱৰ্তনেৰে। আৰু গুৰুজনাৰ এই নৱ প্ৰতিষ্ঠিত এক শৰণ হৰিনাম ধৰ্মই ধৰ্মান্ধতা তথা কৰ্মান্ধতা, অন্ধবিশ্বাস, কুপ্ৰথাৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈ অহা অসমীয়া জাতিক উদ্ধাৰ কৰি ধৰ্মীয় সংস্কাৰ সাধন কৰিছিল। একেশ্বৰবাদ আৰু ভক্তিয়ে আছিল তেওঁৰ নামধৰ্মৰ মূল বিষয়স্বৰূপ। এক কৃষ্ণত শৰণৰ যোগেদি গুৰুজনাই সেই সময়ৰ বিভিন্ন ধৰ্মীয় পন্থাসমূহক একত্ৰিত কৰি অনৈক্যৰ মাজত একতা স্থাপন কৰিছিল।

*"কৃষ্ণসে পৰম দেৱ কৃষ্ণক কৰিও সেৱ*
*কৃষ্ণত সৰ্বদা দিয়া মতি।*
*আছে হৃদিপথ মাজে ঈশ্বৰ কৃষ্ণত বাজে*
*আন কোন দেৱে দিব গতি।।"*

(ভাগৱত)

হৰিভক্তি ৰাজমাৰ্গ। গুৰুজনাই কলিকালত কৃষ্ণৰ কীৰ্ত্তনেই মোক্ষ প্ৰাপ্তিৰ শ্ৰেষ্ঠপথ আৰু হৰিনাম ধৰ্মই যুগধৰ্ম বুলি কৈছে। সেয়েহে তেওঁ সৰ্বদায়ে কৃষ্ণৰ শ্ৰৱণ-কীৰ্ত্তন কৰিবলৈ উপদেশ দি কীৰ্ত্তনত লিখিছে—

*"কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হব মন।*
*সৰ্বদায়ে কৰিবেক কৃষ্ণৰ কীৰ্ত্তন।।"*

কেৱল সেয়াই নহয় একশৰণ হৰিনামধৰ্মৰ স্বচ্ছতা আৰু প্ৰাধান্যতা সম্পৰ্কে গুৰুজনাই স্পষ্ট মত আগবঢ়াইছে। গোবিন্দ ভূঞাৰ পুত্ৰ শাক্ত মাধৱদেৱে শংকৰদেৱৰ লগত ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কে যি ভীষণ তৰ্কযুদ্ধত লিপ্ত হৈছিল, সেই তৰ্কযুদ্ধৰ শেষ যুক্তি হিচাপে মহৰ্ষি ব্যাসদেৱ প্ৰণিত শ্ৰীমদ্ভাগৱতৰ অন্তিম সিদ্ধান্তৰ শ্লোকটো দৃষ্টান্তক্ৰমে উল্লেখ কৰিছিল—

*"যথা তৰোমূল নিযেচনেন তৃপন্তিতৎস্কন্ধভূজোপ্ৰশাখাঃ।*
*প্ৰাণোপ্ৰহাৰচ্ছ যথোন্দ্ৰিয়ানাং, তথৈৱ সৰ্বচনমুচ্যতে জায়াঃ।।"*

**সাহিত্যত ৰূপান্তৰ ঃ** গুৰুজনাৰ সময়ক শংকৰী যুগ বুলি কোৱা হয়। শংকৰী যুগত প্ৰৱৰ্তন কৰা একশৰণ হৰিনামধৰ্মৰ প্ৰচাৰ, প্ৰসাৰ আৰু ঈশ্বৰৰ তত্ব, মাহাত্ম্য জনসাধাৰণৰ মাজত বিলাই দিবলৈ গুৰুজনাই সাহিত্যক এক বিশেষ মাধ্যমৰূপে ব্যৱহাৰ কৰিছিল। শংকৰী যুগত গুৰুজনাৰ দ্বাৰা প্ৰণিত যিমানখিনি সাহিত্যই অসমীয়া সাহিত্যত এক বিশেষ স্থান অধিকাৰ কৰি এক প্ৰকাৰৰ ৰূপান্তৰ আৰু নতুনত্ব সাধিত কৰিছিল, সেয়া কোনো অসমীয়া সাহিত্যৰ সাহিত্যিকে আজিলৈকে সম্ভৱপৰ কৰি তুলিব পৰা নাই। সাধাৰণতে গুৰুজনাৰ সাহিত্য আছিল ঈশ্বৰবাদমূলক। তেওঁ ৰচনা কৰা সকলো উপাখ্যানমূলক, তত্বমূলক, অনুবাদমূলক, গীত-মাতমূলক ৰচনাত ঈশ্বৰৰ প্ৰাসঙ্গিকতা আছিল গুৰুত্বপূৰ্ণ। কাৰণ যিসময়ত মানুহে ধৰ্মান্ধতাৰ গহ্বৰত পৰি ঈশ্বৰ কি, ধৰ্ম কি বুজি পাবলৈ সক্ষম হোৱা নাছিল, সেই সময়তে গুৰুজনাই তেওঁৰ ৰচনাৰীতিৰ মাজেৰে সমাজক ধৰ্ম আৰু ঈশ্বৰক পৰিচয় কৰাই দিছিল। পূৰ্বৰে পৰা প্ৰচলিত সংস্কৃত সাহিত্যৰ যোগেদি অশিক্ষিত, হোজা, সাধাৰণ, গাঁৱলীয়া মানুহৰ যে বৌদ্ধিক উত্তৰণ তথা জ্ঞানৰ বিকাশ নহয় সেইকথা গুৰুজনাই উপলব্ধি কৰি তেওঁৰ সকলো ৰচনা অসমীয়াতে প্ৰণিত কৰি মানুহৰ সহজবোধ্য কৰি তুলিছিল। প্ৰকৃতাৰ্থত গুৰুজনাৰ এনে মৌলিক চিন্তাপ্ৰসূত ৰচনাৰাজিয়েই অসমীয়া ভাষা সাহিত্যৰ বুনিয়াদ গঢ়ি থৈ গৈছিল। শংকৰী সাহিত্যৰ মূল ধাৰা কৃষ্ণ সংস্কৃতিৰ গূঢ়াৰ্থ বিভিন্ন ৰচনাৰাজিৰ মাজেৰে তেওঁ জনসমাজত আৰু ব্যক্তিৰ হৃদয়ত প্ৰবাহিত কৰি থৈ গৈছিল। অইন নালাগে আমি যদি তেওঁৰ অঙ্কীয়া নাটকেইখনৰ ভাষালৈ লক্ষ্য কৰোঁ তেনেহ'লে অনুমেয় হয় যে জনসাধাৰণক ভগৱৎপ্ৰেমী কৰিবলৈ, ঈশ্বৰৰ মাহাত্ম্য প্ৰচাৰ কৰিবলৈ আঞ্চলিক ভাষাত নাট ৰচনা কৰি যি অহোপুৰুষাৰ্থ কৰিছিল, সেয়াই শংকৰদেৱক উত্তৰ ভাৰতবৰ্ষৰ দেশীয় তথা আঞ্চলিক ভাষাত প্ৰথম নাট্যকাৰৰূপে স্বীকৃতি প্ৰদান কৰিছিল। কেৱল সেয়াই নহয় অঙ্কীয়া নাটৰ কথাবস্তু ব্ৰজাৱলী ভাষাত ৰচনা কৰি তেওঁ প্ৰথম অসমীয়া গদ্য সাহিত্যৰ জনকৰূপে অভিহিত হৈছিল।

**সামাজিক ৰূপান্তৰ ঃ** মহাপুৰুষ শংকৰদেৱ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সমাজ সংগঠক। বিশাল ব্যক্তিত্বৰ সৰ্বাধিকাৰী মহাপুৰুষ শংকৰদেৱে আছিল বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰথম আৰু প্ৰধান প্ৰৱক্তা, যিয়ে নিজ কৰ্ম তথা অৱদানেৰে শত শত যুগ ধৰি সমাজক ধ্বংসৰ গৰাহত পেলাই অহা সামন্তবাদী আৰু পুৰোহিততন্ত্ৰৰ কৱলৰ পৰা মুক্ত কৰাৰ প্ৰয়াস কৰিছিল। ই বিনাদ্বিধাই আৰু নিঃসন্দেহে অনুমেয় যে মধ্যযুগৰ অসমত অপশক্তিৰ বিনাশত থানবান হৈ যাব ধৰা মৃত্যুমুখী অসমীয়া জাতিৰ সমূহীয়া তথা উমৈহতীয়া জীৱনত সঞ্জীৱনী সৃষ্টি কৰি শান্তি-সম্প্ৰীতিৰ এক পৰিশীলিত ধাৰা বোৱাঁই মানুহক একত্ৰ কৰাৰ ক্ষেত্ৰত শংকৰদেৱেই আছিল প্ৰথম তথা প্ৰধান

আৰু বিশিষ্ট অসমীয়া সমাজ সংগঠক। গুৰুজনাৰ সমাজ ৰচনা কৰাৰ প্ৰথম আৰু প্ৰধান লক্ষ্য আছিল জাতি-ভেদ, বৰ্ণ বিচাৰ আদিৰ দৰে অসামাজিক প্ৰথাবোৰ নিৰ্মূল কৰা। বৰ্ণ বিচাৰ, উচ্চ-নীচৰ ভেদাভেদে সাধাৰণ শ্ৰেণীৰ মানুহক ক্ৰমান্বয়ে সামাজিক মৰ্যাদা, অধিকাৰৰ পৰা আঁতৰাই ৰাখি সমাজচ্যুত কৰিছিল কেৱল সামন্তবাদী আৰু পুৰোহিততন্ত্ৰৰ প্ৰত্যক্ষ আধিপত্যৰ বাবে। সেয়েহে সমাজত শান্তি সম্প্ৰীতিৰ ধাৰা বোৱাঁই দিয়াটোৱে আছিল শংকৰদেৱৰ সমাজ একত্ৰিকৰণৰ মূল উদ্দেশ্য। য'ত জীৱ, ত'ত শিৱ...... এই কথাষাৰ অনুকৰণ কৰি গুৰুজনাই সকলো প্ৰাণীৰ আত্মাকে ৰাম বুলি জ্ঞান কৰাৰ লগতে সকলো শ্ৰেণীৰ মানুহৰ তথা প্ৰাণীৰ মৰ্যাদা একে বুলি অভিহিত কৰিছিল। এটা কথা স্মৰ্তব্য আৰু স্পষ্ট যে বৃহত্তৰ অসমীয়া সমাজখন উন্নতিৰ ঋণাত্মক পথলৈ আগবঢ়াৰ সংকটপূৰ্ণ ক্ষণত শংকৰদেৱে যি উদাৰ মহানুভৱতা, অহোপুৰুষাৰ্থ তথা নিঃস্বাৰ্থ সাধনাৰে প্ৰগতিশীলতা আৰু আধুনিকতাৰ মহান মন্ত্ৰেৰে দীক্ষিত হৈ সকলো দিশতে সমাজখন সৰ্বাঙ্গসুন্দৰ কৰি থৈ গ'ল, সিয়ে শংকৰদেৱক ইতিহাসৰ স্বৰ্ণিল পৃষ্ঠাত চিৰদিনলৈ, যুগ-যুগান্তৰলৈ শ্ৰেষ্ঠ সমাজসেৱক তথা সংগঠকৰ বিভূষণ পিন্ধাই ৰাখিব। কাৰণ ভাৰতবৰ্ষই জন্ম দিয়া ধৰ্মগুৰুসকলৰ এনে কিছুমান গুণ, ব্যক্তিত্ব, কৰ্ম, আদৰ্শ দেখা পোৱা নাযায়, যিবিলাকৰ ব্যক্তিত্ব, কৰ্ম, আদৰ্শই শংকৰদেৱৰ দৰে সমাজ ৰূপান্তৰ কৰি চিৰ নতুনত্বৰ বীজ ৰোপণ কৰি থৈ গৈছিল। এইক্ষেত্ৰত আমি দৃষ্টান্তৰ স্বাৰ্থত এইটো উনুকিয়াব পাৰো যে শংকৰদেৱৰ চিৰ জ্যোতিষ্মান ব্যক্তিত্বই কেৱল ধৰ্মপ্ৰচাৰ আৰু সংস্কৃতি বীক্ষাতে সীমাবদ্ধ হৈ থকা নাছিল, তেওঁৰ ব্যক্তিত্বত এক বিশেষ নৱচেতনাৰ উন্মেষ ঘটিছিল যি চেতনাই সমগ্ৰ অসমীয়া জাতিটোক উজ্জীৱিত কৰি কলুষ কালিমাৰ প্ৰবাল গৰাহত ধ্বংস হৈ যোৱা সমাজখনক পুনৰ গঢ়ি তুলিছিল। নাৰী, পুৰুষ, ডেকা-গাভৰু, আবাল বৃদ্ধ বণিতাৰ পৰা ক্ৰমান্বয়ে প্ৰতিটো জাতি জনজাতিৰ মানুহৰ বাবে ধৰ্মৰ দুৱাৰ নিঃস্বাৰ্থভাৱে খুলি ৰাখিছিল—

*"জাতি অন্ত্যজাতি আতি সবাকো পবিত্ৰ কৰে*
*সমস্ত প্ৰাণীৰ মনোনীত।*
*অতি অপ্ৰয়াসে তৰে সকল পাতক হৰে*
*কহিয়ো হেনসে প্ৰায়চিত্ত।"*

(ভাগৱত)

**সংস্কৃতিত ৰূপান্তৰ ঃ** অসমীয়া সাংস্কৃতিক জীৱনত সঞ্জীৱনী তথা প্ৰাণ সৃষ্টিত শ্ৰীমন্ত শংকৰদেৱ এগৰাকী যুগন্ধৰ মহাপুৰুষ যাৰ সাংস্কৃতিক কৰ্ম তথা ব্যক্তিত্ব আৰু ঐতিহ্যই অসমীয়া সংস্কৃতিক স্বকীয় ৰূপ আৰু দৰ্শন দি গৈছিল। শংকৰদেৱে অসমীয়া সংস্কৃতিৰ মূল সুঁতিত যি মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থৈ গৈছিল, তাৰ আধাৰতেই অসমীয়া সংস্কৃতিয়ে প্ৰবাহমান ধাৰাৰে পথচ্যুত নোহোৱাকৈ আজিৰ অৱস্থাত উপনীত হৈছেহি। প্ৰাক-শংকৰী কালৰ পৰা প্ৰচলিত অসমীয়া সংস্কৃতিত শংকৰদেৱে যি নতুন দৰ্শন প্ৰতিষ্ঠা কৰিলে, সি হ'ল অসমীয়া সংস্কৃতিৰ ধাৰাটোক উন্নত আৰু বিকাশশীল কৰাৰ স্বাৰ্থত সাংস্কৃতিক ৰূপান্তৰ। ক'বলৈ গ'লে অসমীয়া সংস্কৃতিৰ গুৰিতেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাম উল্লেখযোগ্য। তেওঁক অসমীয়া সংস্কৃতিৰ প্ৰাণ তথা প্ৰতিষ্ঠা পুৰুষ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। গুৰুজনাই গভীৰ সংস্কৃতিবীক্ষাৰে বিজ্ঞানসন্মত আৰু প্ৰগতিশীল দৃষ্টিভংগীসন্মত শংকৰী সংস্কৃতি প্ৰৱৰ্তন কৰি জাতীয় সংস্কৃতিক উচ্চতৰ মৰ্যাদা, আদৰ্শ আৰু গভীৰ প্ৰমূল্যবোধ প্ৰদান কৰিছিল। তেওঁ যদি সৌ তাহানিতে শংকৰী সংস্কৃতি প্ৰৱৰ্তন কৰি থৈ নগ'লহেঁতেন তেতিয়াহ'লে অসমীয়া সংস্কৃতিৰ স্বৰূপ কেতিয়াবাই নগ্ন হৈ গ'লহেঁতেন আৰু আমি সাংস্কৃতিক বিকাশশীল অসমীয়া জাতি বুলি গৌৰৱ কৰাৰ কোনো কাৰণ বা যুক্তি বিচাৰি নাপালোহেঁতেন। শংকৰী সংস্কৃতিৰ উপাদান নৃত্য, গীত, বাদ্য, ভাওনাই অসমীয়া সংস্কৃতিত আত্মপ্ৰকাশ কৰি জাতীয় জীৱনক এক বিশেষ বিশিষ্টতা আৰু বৈচিত্ৰ প্ৰদান কৰিলে। এই সকলোবোৰে অসমীয়া সংস্কৃতিৰ ধাৰাটোক ৰূপান্তৰ সাধনেৰে এক বৰ্ণিল সাংস্কৃতিক ঐতিহ্যলৈ উন্নীত কৰাই নহয় আনকি নাট্য সাহিত্যৰ জন্ম দিও এক নতুনত্ব আনি দিলে। কাৰণ যিটো সময়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলেই নহয় সমগ্ৰ ভাৰতবৰ্ষতে নাট্য সাহিত্যৰ অভ্যুদয় ঘটা নাছিল সেই সময়তে তেওঁ নাট ৰচনা কৰি ভাওনা সংস্কৃতিৰ জৰিয়তে অসমীয়া সাংস্কৃতিক সত্বাক নিজস্ব গৰিমা, ঐতিহ্য তথা বৈবিধ্য প্ৰদান কৰি থৈ গৈছিল। তেওঁ একনিষ্ঠ সাধনা, প্ৰজ্ঞা, অহোপুৰুষাৰ্থৰে যি সংস্কৃতিবীক্ষা কৰিলে সিয়ে সংস্কৃতিৰ বৰপথাৰক এক বিচিত্ৰ ৰূপান্তৰ প্ৰদানেৰে এক নৱৰূপ, অপৰূপেৰে জিলিকাই তুলিলে। সেয়েহে অসমৰ বিশিষ্ট পুৰুষ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সৌ তাহানিতে শ্ৰীমন্ত শংকৰদেৱক অসমীয়া সংস্কৃতিৰ গুৰুৰূপে প্ৰতিষ্ঠা কৰি থৈ গৈছিল।

**অভিমত ঃ** মহাপুৰুষ গুৰুজনাৰ ৰূপান্তৰৰ চিন্তা আৰু সৃষ্টিয়ে পোন্ধৰ শতিকাৰ পৰা অসমৰ সমাজ জীৱনৰ উত্তৰণত গভীৰ প্ৰভাৱ পেলাই আহিছে। এটা কথা সত্য যে পঞ্চদশ শতিকাৰ অৱক্ষয়িত আৰু কণ্টকাকীৰ্ণ সমাজখনক মহাপুৰুষ গুৰুজনাই যদি তেওঁৰ ত্যাগ আৰু অহোপুৰুষাৰ্থৰে সৌ তাহানিতে অৱসানিত কৰি থৈ নহ'লহেঁতেন, তেনেহ'লে অসমীয়া জাতিয়ে আজিলৈকে প্ৰগতিশীলতাৰ পোহৰ দেখিবলৈ সক্ষম নহ'লহেঁতেন। এটা শব্দত ক'ব গ'লে তেওঁৰ ৰূপান্তৰ— অসমীয়া জাতিক তথা অসমীয়া ধৰ্ম, সাহিত্য, সমাজ আৰু সংস্কৃতিক মহাসংকটৰ পৰা উদ্ধাৰ কৰি চিৰ উন্নত কৰা এক মহান ৰূপান্তৰ। ■


**সহায় লোৱা হৈছে ঃ**

১। জ্যোতিপ্ৰসাদৰ শংকৰদেৱ অন্বেষণ— মৃণাল কুমাৰ বৰুৱা (স্মৃতিগ্ৰন্থ 'বান্ধৱ কৃষ্ণ' বঙাইগাঁও)

২। কৰুণাসিন্ধু (সুন্দৰপুৰ, শিৱসাগৰ)



# বৰ্তমান ভাৰতবৰ্ষত জাতিগত সংৰক্ষণ ব্যৱস্থা

।। ভাস্কৰ দাস
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

বৰ্তমান ভাৰতবৰ্ষৰ সংবিধানখন স্বাধীনতা আন্দোলনৰ সময়ত দেশৰ ভাগ্যপ্ৰণেতা মহান ব্যক্তিসকলে প্ৰায় দুই বছৰ এঘাৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি উলিয়াইছিল। সংবিধান সভাৰ সদস্যসকলে নিজৰ স্বাৰ্থ পূৰণৰ বাবে যুক্তি আগবঢ়োৱাৰ পৰিৱৰ্তে নীতিৰ ভিত্তিত সমৰ্থন আগবঢ়াইছিল। এই কথাই ইয়াকে প্ৰমাণ কৰে যে, তেওঁলোকে কোনো ধৰণৰ ঠেক মনোবৃত্তিৰ পৰিৱৰ্তে এক সামূহিক সচেতনতাহে দেখুৱাইছিল যাতে সকলোকে সমানে আগবঢ়াই লৈ যাব পাৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতীয় সংবিধানখন কাৰ্যকৰী কৰা হয়। ভাৰতৰ শিক্ষা মন্ত্ৰালয়ে ১৯৫৪ চনত জাতিগত আৰম্ভণি কৰে। ভাৰতবৰ্ষৰ সংবিধানৰ ১৫নং অনুচ্ছেদ অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে কোনোধৰণৰ বৈষম্য নাথাকিব। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ত উচ্চ বৰ্ণৰ মানুহে দলিত তথা পিছপৰা শ্ৰেণীটোক নিৰ্মম আৰু অমানুষিক ব্যৱহাৰ কৰিছিল। সেই সময়ত মহান মহান ব্যক্তিসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত ভাৰতবৰ্ষত প্ৰচলিত জাতিগত বৈষম্যৰ মনোভাৱ নাইকিয়া কৰি দেশত সমতা স্থাপন কৰিব বিচৰা হৈছিল।

১৯৫৪ চনত ভাৰতৰ শিক্ষা মন্ত্ৰালয়ে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে শৈক্ষিক অনুষ্ঠানসমূহত ২০% আসন সংৰক্ষণ আৰু নামভৰ্তিৰ বাবে ৫% নম্বৰ হ্ৰাসৰ ব্যৱস্থা কৰে। ইয়াৰ মূল উদ্দেশ্য আছিল দলিত শোষিত শ্ৰেণীটোক উচ্চ শ্ৰেণীটোৰ লগত সমপৰ্যায়ৰ কৰি তোলা। প্ৰথমে এই ব্যৱস্থা মাত্ৰ দহ বছৰৰ বাবে কৰা হৈছিল। ভবা হৈছিল যে এই দহ বছৰৰ ভিতৰত তেওঁলোক উচ্চ শ্ৰেণীটোৰ সমপৰ্যায়ৰ হ'ব আৰু দেশত সমতা স্থাপনৰ পথ মুকলি হ'ব। কিন্তু সময়ৰ সোঁতত সংৰক্ষিত আসনৰ সংখ্যা হ্ৰাস পোৱাৰ পৰিৱৰ্তে বৃদ্ধিহে হ'বলৈ ধৰিলে। এনে অৱস্থাত ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে ১৯৯২ চনত সাধাৰণ জনতাৰ মৌলিক অধিকাৰ খৰ্ব হোৱাৰ আশংকাত সংৰক্ষিত আসনৰ সংখ্যা ৫০% তকৈ অধিক হ'ব নোৱাৰিব বুলি সীমাবদ্ধতা আৰোপ কৰে। কিন্তু যিটো সময়ত এই ব্যৱস্থাৰ সৃষ্টি কৰা হৈছিল, সেই সময়ত দেশৰ অৱস্থা আৰু বৰ্তমান সময়ত দেশৰ অৱস্থাৰ মাজত বহুখিনিয়েই পাৰ্থক্য। বৰ্তমান ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত সংৰক্ষণ ব্যৱস্থাই সমতা স্থাপনৰ বিপৰীতে অসমতাৰহে সৃষ্টি কৰিছে। সেয়া যি নহওক, জাতিগত সংৰক্ষণ ব্যৱস্থাই কিছু কিছু ক্ষেত্ৰত সুবিধা আগবঢ়োৱাৰ লগতে অসুবিধাৰো সৃষ্টি কৰিছে। ইয়াৰ কিছুমান **সুবিধা** হ'ল—

১। জাতিগত সংৰক্ষণ ব্যৱস্থাই সমাজৰ দলিত বা পিছপৰা শ্ৰেণীটোক তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰি সমাজৰ আগবঢ়া শ্ৰেণীটোৰ লগত সমানে আগবাঢ়ি যাবলৈ সুবিধা প্ৰদান কৰে।

২। জাতিগত সংৰক্ষণ ব্যৱস্থাই সমাজৰ পিছপৰা শ্ৰেণীটোক কিছুমান সামাজিক ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত মাত মতাৰ সুবিধা প্ৰদান কৰে।

৩। ই পিছপৰা বা দলিত শ্ৰেণীটোক ৰাজহুৱা বা ব্যক্তিগত খণ্ডত উচ্চ পদ লাভ কৰাত আৰু সেৱা আগবঢ়োৱাত সহায় কৰে।

৪। মানৱ অধিকাৰ খৰ্ব হ'লে ই মানুহক ন্যায়ৰ বাবে যুঁজিবলৈ উৎসাহিত কৰে।

৫। সংৰক্ষণ ব্যৱস্থাই সমাজৰ ধনী শ্ৰেণীৰ উন্নয়ন প্ৰক্ৰিয়া নিম্নগামী কৰি তোলে আৰু সমাজৰ পিছপৰা শ্ৰেণীটোৰ উন্নয়ন প্ৰক্ৰিয়া উৰ্দ্ধগামী কৰি তোলে।

**অসুবিধাসমূহ ঃ**

১। জাতিগত সংৰক্ষণ ব্যৱস্থাক ৰাষ্ট্ৰৰ ঐক্য আৰু অখণ্ডতা বিৰোধী আখ্যা দিব পাৰি। কিয়নো এই ব্যৱস্থাৰ ফলত মানুহৰ মাজত পৰস্পৰ বিৰোধী মনোভাৱৰ সৃষ্টি হয়।

২। জাতিগত সংৰক্ষণ ব্যৱস্থাই 'জাতিভেদ প্ৰথা'ৰ ভেটি আৰু অধিক মজবুত কৰি তুলিছে। দেশৰ স্বাধীনতাৰ মহান প্ৰণেতাসকলে 'জাতিভেদ প্ৰথা'ৰ বিলোপ সাধন কৰিব বিচাৰিছিল। কিন্তু জাতিগত সংৰক্ষণ ব্যৱস্থাৰ ফলত ইয়াৰ ভেটি আৰু অধিক শক্তিশালীহে হোৱা দেখা যায়।

৩। যিকোনো এটা জাতিক সম্পূৰ্ণৰূপে পিছপৰা বুলি আখ্যা দিয়াটো জাতিগত সংৰক্ষণ ব্যৱস্থাৰ এটা ডাঙৰ ভুল। এটা জাতিৰ নগণ্য সংখ্যক বা সৰহসংখ্যক মানুহৰ অৱস্থা দুৰ্বল হ'ব পাৰে। কিন্তু তাৰ ভিত্তিত সমগ্ৰ জাতিটোকেই দুৰ্বল বা পিছপৰা জাতি বুলি আখ্যা দিয়া অযুক্তিকৰ আৰু সেই জাতিটোৰ প্ৰতি কৰা এক বৃহৎ অপমান।

৪। বৰ্তমান সময়ত আসন সংৰক্ষণ ব্যৱস্থাটো হৈছে এটা 'ভোট বেংক'ৰ ৰাজনৈতিক খেলহে। পিছপৰা জাতিটোৰ বিকাশ সাধনৰ যি মহান উদ্দেশ্য লৈ জাতিগত সংৰক্ষণ ব্যৱস্থাৰ সৃষ্টি কৰা হৈছিল তাৰ ব্যৱহাৰিক আৰু নৈতিক মূল্য কেতিয়াবাই নোহোৱা হৈছে। বৰ্তমান সময়ত মাত্ৰ ভোট লাভ কৰি চৰকাৰ গঠন কৰাৰ আশাত কোনো ৰাজনৈতিক দলে এই ব্যৱস্থাৰ ব্যৱহাৰিক মূল্য নাই বুলি জানিও জাতিগত সংৰক্ষণ ব্যৱস্থাটো নোহোৱা কৰিবৰ বাবে উচিত পদক্ষেপ হাতত ল'ব পৰা নাই। কিয়নো এই ব্যৱস্থা নোহোৱা কৰা মানেই দেশৰ মুঠ জনসংখ্যাৰ ৩৩% অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ভোট লাভৰ পৰা বঞ্চিত হোৱা। গতিকে কোনো ৰাজনৈতিক দলে এই ব্যৱস্থাৰ বিলোপ সাধন কৰি এই ৩৩% ভোট লাভৰ পৰা বঞ্চিত হ'বলৈ সাজু নহয়।

৫। বৰ্তমান সময়ত অসংৰক্ষিত জাতিৰ মানুহখিনিয়ে বহুতো চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। যাৰ ফলত তেওঁলোকে এতিয়া নিম্ন শ্ৰেণীলৈ পৰ্যবেসিত হ'বলৈ চেষ্টা কৰে। গতিকে যিকোনো মানুহে এতিয়া উচ্চ পৰ্যায়লৈ যাব বিচৰাৰ সলনি নিম্ন পৰ্যায়লৈহে ঢাল খাব বিচাৰে। ইয়ে দেশৰ জনসাধাৰণৰ মানসিক অৱস্থাৰ অৱক্ষয়ৰ দিশটোকে নিৰ্দেশ কৰে।

৬। জাতিগত সংৰক্ষণ ব্যৱস্থাই সমাজৰ পিছপৰা আৰু আগবঢ়া উভয় জাতিৰ মাজতেই বিকাশৰ মনোভাৱত বাধাৰ সৃষ্টি কৰি আহিছে যাৰ ফলত দুয়োটা শ্ৰেণীয়েই নিজৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশ সাধন কৰিবলৈ চেষ্টা কৰা দেখা নাযায়। এফালে পিছপৰা শ্ৰেণীটোৱে আসন সংৰক্ষণ হোৱা হেতুকে নিজৰ ব্যক্তিত্বৰ তথা সামৰ্থৰ পূৰ্ণ প্ৰয়োগ নকৰে আৰু আনফালে অসংৰক্ষিত জাতিটোৰ সৰহ সংখ্যক লোকেই সংৰক্ষণ ব্যৱস্থাটোৰ বাবে আসন নাপাব বুলি নিৰুৎসাহিত হৈ নিজৰ ব্যক্তিত্বৰ তথা সামৰ্থ সম্পূৰ্ণ প্ৰয়োগ নকৰে।

৭। এই ব্যৱস্থাই দেশৰ সামগ্ৰিক উন্নয়নত বাধাৰ সৃষ্টি কৰে। বিভিন্ন ক্ষেত্ৰত যোগ্যজনতকৈ জাতিকহে বেছি গুৰুত্ব প্ৰদান কৰা হয়। ফলস্বৰূপে যোগ্যকেইজন পিছপৰি ৰয় আৰু তুলনামূলকভাৱে অযোগ্য কেইজন আগবাঢ়ি যায়। যাৰবাবে দেশৰ অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক, ব্যৱসায়িক, সামাজিক আদি সকলো দিশতে অৱক্ষয় হয়।

১৯৫৪ চনত শিক্ষা মন্ত্ৰালয়ে জাতিগত সংৰক্ষণ ব্যৱস্থাৰ পথ মুকলি কৰি দিয়াৰ মূল উদ্দেশ্য আছিল সমাজৰ পিছপৰা বা দলিত শ্ৰেণীটোক শোচনীয় অৱস্থাৰ পৰা উদ্ধাৰ কৰি তেওঁলোকক উচ্চ শ্ৰেণীৰ লগত সকলো দিশতে সমানে আগবাঢ়ি যোৱাত সুবিধা প্ৰদান কৰা। প্ৰথম অৱস্থাত এই ব্যৱস্থা মাত্ৰ দহ বছৰৰ বাবেহে কৰা হৈছিল যদিও বৰ্তমান প্ৰেক্ষাপটতো এই ব্যৱস্থা বাহাল আছে। ভাৰতৰ স্বাধীনতাৰ সময়ৰ দলিত শ্ৰেণীটোৰ যি অৱৰ্ণনীয় অৱস্থা আৰু বৰ্তমান সময়ৰ পিছপৰা জাতিটোৰ অৱস্থাৰ মাজত আকাশ-পাতাল পাৰ্থক্য থকা দেখা যায়। কিয়নো বৰ্তমান কোনো এটা জাতিৰ এক সংখ্যক বা সৰহ সংখ্যক মানুহ পিছপৰা হ'ব পাৰে, কিন্তু তাৰবাবে সমগ্ৰ জাতিটোকেই পিছপৰা বুলি আখ্যা দিয়াটো মুৰ্খামীৰ বাহিৰে অন্য একো নহয়।

আকৌ, জাতিগত সংৰক্ষণ ব্যৱস্থাই দেশৰ প্ৰকৃতাৰ্থত যোগ্যখিনিক আঁতৰাই সংৰক্ষিতখিনিক আসনৰ সুবিধা কৰি দিয়াৰ ফলত যোগ্যখিনিৰ বহুতে নিৰুৎসাহিত হৈ অন্য দেশত গৈ কৰ্মসংস্থাপন লাভ কৰিছে। বৰ্তমান বিশ্বৰ উন্নত দেশসমূহৰ সৰহসংখ্যক কৰ্মকৰ্তাই ভাৰতীয় মূলৰ। তদুপৰি, এই ব্যৱস্থাৰ আন এক উদ্দেশ্য আছিল সমাজৰ জাতিগত বৈষম্য নোহোৱা কৰা। কিন্তু বৰ্তমান এই জাতিগত সংৰক্ষণ ব্যৱস্থাই সমাজত সমতা স্থাপন কৰাৰ পৰিৱৰ্তে অসমতাহে স্থাপন কৰিছে। পৰিশেষত ক'ব পাৰি যে, যদিহে দেশত সংৰক্ষণ ব্যৱস্থাটোৰ সা-সুবিধাখিনি প্ৰকৃতাৰ্থত হৰিজন বা পিছপৰা অথবা দলিতজনক প্ৰদান কৰিব পৰা যায় আৰু মেধা, যোগ্য অথবা প্ৰকৃত কৰ্মকুশলতাৰ ভিত্তিত কৰ্মসংস্থানৰ ব্যৱস্থা কৰিব পৰা যায়, তেতিয়াহ'লে আমাৰ দেশ ভাৰতবৰ্ষই অতি শীঘ্ৰেই এখন উন্নত দেশ হিচাপে বিশ্বৰ দৰবাৰত জিলিকি উঠিব।■

(লেখাটো প্ৰস্তুত কৰোতে ইণ্টাৰনেটৰ তথ্যৰ সহায় লোৱাৰ হৈছে।)



# শিশু শ্ৰমিক

## এক ভয়াবহ সমস্যা

**।। তপন মজুমদাৰ**

স্নাতক পঞ্চম ষাণ্মাসিক (কলা)

আজি আমাৰ সমাজখন উন্নতিৰ শিখৰত প্ৰায় উৰিবলৈ লোৱা আমিবোৰে দেখি আছোঁ। কিন্তু এই উন্নতিৰ সমান্তৰালভাৱে এতিয়াও নানা সমস্যাৰে সমাজখন জৰ্জৰিত। এই সমস্যাবোৰৰ ভিতৰত এটা প্ৰধান আৰু গুৰুত্বপূৰ্ণ সমস্যা হৈছে শিশু শ্ৰমিক সমস্যা, যিটো সমস্যাই বৰ্তমান সমাজত এক ভয়াবহ পৰিণতিৰ সৃষ্টি কৰিছে। গোটেই বিশ্বৰ ভিতৰত ভাৰতবৰ্ষ এনে এখন দেশ য'ত শিশু শ্ৰমিকৰ হাৰ সকলোতকৈ বেছি। ভাৰতবৰ্ষৰ দৰে দেশৰ বাবে এয়া এক অতি হৃদয় বিদাৰক ঘটনা কিয়নো যিখন দেশৰ এচাম লোকে পঞ্চতাৰকাযুক্ত হোটেলত আহাৰ গ্ৰহণ কৰিবলৈ অভাৱনীয় হাৰৰ ধন ব্যয় কৰিব পাৰে, তেনে সময়তে এচাম শিশুই দুবেলা দুমুঠি অন্নৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। নগৰ অঞ্চলতকৈ গাঁও অঞ্চলত শিশু শ্ৰমিকৰ সমস্যা অধিক ভয়াবহ। এক সমীক্ষাত দেখা গৈছিল যে, ৬০% শিশু শ্ৰমিক ১০ বছৰতকৈ কম বয়সৰ, ৩৬% শিশু শ্ৰমিক গৃহ কাৰ্যত নিয়োজিত হৈ আছে, ২৩% শিশু শ্ৰমিক বিভিন্ন ধৰণৰ ব্যৱসায়-প্ৰতিষ্ঠানত নিয়োজিত হৈ আছে। আকৌ কিছু শিশুৱে পিতৃ-মাতৃৰ আৰ্থিক দৈন্যতাৰ বাবে মানুহৰ ঘৰে-ঘৰে কাম কৰিবলগীয়া হয় বা ৰাস্তাই-ঘাটে ভিক্ষা কৰিবলগীয়া হয়।

আমাৰ দেশত দুখীয়া শ্ৰেণীৰ লোকৰ সংখ্যা বেছি, আৰু এই শ্ৰমিকসকল বেছিভাগেই দুখীয়া শ্ৰেণীৰ পৰা অহা। বেছিভাগ দৰিদ্ৰ পৰিয়ালৰ হোৱা বাবে পেটৰ ভোক নিবাৰণৰ অৰ্থে নিজৰ ল'ৰা-ছোৱালীক শ্ৰমিক শ্ৰেণীটোলৈ ঠেলি দিয়া দেখা যায়। সেই দৰিদ্ৰ পৰিয়ালবোৰৰ এষাৰেই কথা যে, পঢ়ি শুনি একো লাভ নাই। শ্ৰম কৰি, উপাৰ্জন কৰি পেটৰ ভোক নিবাৰণ কৰিবলৈ আৰু ঘৰখন চলাবলৈ শ্ৰমিক হ'বই লাগিব। এনেদৰে নিজৰ পিতৃ-মাতৃয়ে নিজৰ আৰ্থিক অনাটনৰ বাবে নিজৰ সন্তানক শিশু শ্ৰমিক হিচাপে গঢ়ি তুলিবলৈ বাধ্য হৈ পৰিছে। ফুল কুমলীয়া ওমলি-জামলি স্কুল গৈ

পঢ়া সময়তে সিহঁত হৈ পৰে একোটা কোনো মালিকীস্বত্ব প্ৰতিষ্ঠান নাইবা কোনো গৰাকীৰ তলতীয়া শ্ৰমিক।

বৰ্তমান ভাৰতবৰ্ষৰ বিভিন্ন ধৰণৰ কল-কাৰখানা থকা দেখা যায় আৰু এই কল-কাৰখানাসমূহ প্ৰধানতঃ শিশু শ্ৰমিকৰ জৰিয়তে পৰিচালিত হৈ আছে। তেনেকুৱা প্ৰধান কাৰখানাসমূহ হৈছে— অসম আৰু দাৰ্জিলিঙৰ চাহ শিল্প, চুৰাটৰ বস্ত্ৰশিল্প, শিৱকাশীৰ আতচবাজী আৰু জুইশলা শিল্প ইত্যাদি। প্ৰাপ্ত পৰিসংখ্যামতে বিশ্বৰ মুঠ শিশু শ্ৰমিকৰ সংখ্যা হৈছে ৫৫ নিযুত। ভাৰতবৰ্ষৰ শিশু শ্ৰমিকৰ সংখ্যা প্ৰায় ১৩ নিযুত, সৰ্বমুঠ শিশু শ্ৰমিকৰ প্ৰায় ২৫% ভাৰতীয়। ভাৰতীয় শিশু শ্ৰমিকৰ ৭১% গ্ৰাম্য অঞ্চলৰ আৰু বাকী ২৯% নগৰ অঞ্চলৰ। দিনকদিনে ভাৰতবৰ্ষত দৰিদ্ৰতা, পাৰিবাৰিক বিপৰ্যয়, পৰম্পৰাগত শিক্ষাব্যৱস্থা, দুৰ্নীতি, শোষণ, আইন-শৃংখলাৰ অৱনতি, সামাজিক নিৰাপত্তাহীনতা, বিশ্বত সংঘটিত হৈ থকা সাম্প্ৰদায়িক সংঘাত, আক্ৰমণ আৰু যুদ্ধৰ ফলত প্ৰতিবছৰে বহুতো শিশু শ্ৰমজগতত সংগ্ৰাম কৰিবলগা হৈছে।

এই দুৰ্ভগীয়া শিশুসকলে নানা ধৰণৰ গ্লানি লৈ জীৱন নিৰ্বাহ কৰিবলগীয়া হয় আৰু শিশুসকলে শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল হৈ পৰে। অনেক শিশুৱে এনে দুৰ্বলতাৰ বাবে মাদক দ্ৰব্য সেৱন, বিকৃত যৌনাচাৰ, সামাজিক অপৰাধ ইত্যাদিৰ সৈতে পৰিচিত হৈ পৰে। আকৌ বহুতে অন্ধকাৰ জীৱনত সোমাই পৰে, হয়তো সস্তীয়া ধনৰ লোভত সিহঁতৰ মাজৰ পৰাই কোনোবা সন্ত্ৰাসবাদী বা অমানৱীয় কাৰ্যৰ সৈতে জড়িত হৈ পৰিব আৰু ভাৰতৰ শান্তি-বিঘ্নিত হৈ পৰিব।

ভাৰতত সংবিধান আৰু চৰকাৰৰ বিভিন্ন আঁচনি থকা সত্বেও শিশু শ্ৰমিকসকলে খাদ্য, শিক্ষা, বস্ত্ৰ আৰু বাসস্থান আদিৰ পৰা বঞ্চিত হৈ আছে। চৰকাৰে দৰিদ্ৰতা নিৰ্মূল কৰিব পৰা নাই বা দৰিদ্ৰ পৰিয়ালৰ সন্তানৰ বাবে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই বাবেই শিশু শ্ৰমিকৰ সমস্যাটো অধিক জটিল হৈ আহিছে। জীৱন নিৰ্বাহৰ বাবে দৰিদ্ৰ পৰিয়ালৰ শিশুসকলে শ্ৰমজগতত প্ৰৱেশ কৰিবলৈ বাধ্য হৈছে। শিশু শ্ৰমিকৰ সমস্যা সমাধান কৰিবলৈ প্ৰচলিত আইন যথেষ্ট নহয়। আইনে কেতিয়াও কোনো সমস্যা সমাধান কৰি দিব নোৱাৰে যদিহে জনসাধাৰণৰ সহযোগিতা নাথাকে। সেয়েহে সমাজত প্ৰচলিত শিশু শ্ৰমিকৰ সমস্যাটো জনসাধাৰণে সমাধান কৰি এক বিকল্প দৃষ্টি গ্ৰহণ কৰি সেই শিশুসকলৰ স্বাৰ্থৰ হকে কিছু কাম কৰি শিশুসকলক উৎসাহিত কৰিব পাৰে।

আজিৰ সমাজ তথা চৰকাৰে এই সমস্যাৰ সমাধানৰ কাৰণে কি উপায় লৈছে বা লোৱাটো উচিত তাক বিশ্লেষণ কৰা মানুহৰ সংখ্যা নিচেই তাকৰ। যাৰ ফলস্বৰূপে আজি আমি পৃথিৱীৰ ভিতৰত শিশু শ্ৰমিকৰ সংখ্যাৰ ক্ষেত্ৰত শীৰ্ষস্থান দখলৰ কুখ্যাতি লাভ কৰি আছোঁ। এইসকল শিশু শ্ৰমিকৰ ভৱিষ্যত কি হ'ব পাৰে আমিবোৰে ভৱাটো নিতান্তই প্ৰয়োজন। এচাম দৰিদ্ৰ পৰিয়ালে দ্ৰাৰিদ্ৰতাৰ তাড়নাত

“আইনে কেতিয়াও কোনো সমস্যা সমাধান কৰি দিব নোৱাৰে যদিহে জনসাধাৰণৰ সহযোগিতা নাথাকে। সেয়েহে সমাজত প্ৰচলিত শিশু শ্ৰমিকৰ সমস্যাটো জনসাধাৰণে সমাধান কৰি এক বিকল্প দৃষ্টি গ্ৰহণ কৰি সেই শিশুসকলৰ স্বাৰ্থৰ হকে কিছু কাম কৰি শিশুসকলক উৎসাহিত কৰিব পাৰে।”

পৰি নিজৰ ল'ৰা-ছোৱালীক শ্ৰমকাৰ্যত নিয়োজিত কৰিবলগীয়া হয়। এচাম পৰিয়ালৰ আকৌ ল'ৰা-ছোৱালীয়ে দুই-তিনি বছৰ বিদ্যালয়লৈ যোৱাৰ পাচত বাদ দি কাম কৰিবলৈ লোৱাও দেখা যায়। স্কুলৰ যাৱতীয় যা-যোগাৰ পৰিয়ালে বহন কৰিব নোৱাৰে, ফলস্বৰূপে সেই চাম হৈ পৰেগৈ শ্ৰমিক। শিক্ষা সংস্থাৰ পৰা চলোৱা এটা সমীক্ষামতে বছৰি প্ৰায় ৩৫% ল'ৰা আৰু ৩৯% ছোৱালীয়ে এনেদৰে স্কুল বাদ দিয়ে।

আজি আমাৰ ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যতে শিশু শ্ৰমিক সমস্যাই গা-কৰি উঠিছে, কিন্তু আমিবোৰে তাক আওকাণ কৰি চলি আছোঁ। আচলতে চৰকাৰী আইনমতে ১৪ বছৰৰ অনুৰ্দ্ধৰ কোনো শিশুৱে কাম কৰিব নোৱাৰে আৰু যদি কৰে তেন্তে মাক-বাপেক বা যাৰ তলতীয়া হৈ কাম কৰিব তাক উচিত শাস্তি বিহা হ'ব। কিন্তু আইন কিমান আন্তৰিকতাৰে অনুসৰণ কৰি অহা হৈছে অথবা নিয়ম মনা মানুহ আছেইবা কেইজন। সকলোৱে ব্যস্ত নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ।

গতিকে, চৰকাৰে যাতে শিশু শ্ৰমিকৰ সমস্যা সমাধানৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি শিশুসকলৰ ভৱিষ্যত গঢ়ি তোলে আৰু সেই শিশুসকলে যাতে এজন-এজন সফল ব্যক্তিৰূপে নিজকে প্ৰতিষ্ঠা লাভ কৰিব পাৰে, সেয়াই আমাৰ আশা।■

# মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ দৃষ্টিপাত



।। চিম্পু কলিতা
স্নাতক ষষ্ঠ যাণ্মাসিক

বৈচিত্ৰময় বিষয়বস্তুৰে বিস্তৃত পটভূমিত উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যক সুকীয়া মাত্ৰা প্ৰদান কৰা ঔপন্যাসিক গৰাকীয়েই হৈছে ড° মামণি ৰয়ছম গোস্বামী। চুটিগল্পৰ মাজেৰে আত্মপ্ৰকাশ কৰা গোস্বামীয়ে পৰৱৰ্তী সময়ত উপন্যাস ক্ষেত্ৰলৈ আগবাঢ়ে আৰু উপন্যাস সৃষ্টিৰ মাজেদিয়ে তেওঁ অধিক খ্যাতি অৰ্জন কৰে। বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু গাম্ভীৰ্য, বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰৰ ৰূপায়ণ, নিপীড়িত জনৰ প্ৰতি অনুকম্পা, শ্ৰমিকৰ দুৰ্দশাৰ ছবি, ভাষাৰ কৌশলী প্ৰয়োগে গোস্বামীৰ উপন্যাসক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে।

মামণি ৰয়ছম গোস্বামীৰ প্ৰথম উপন্যাস হ'ল 'চেনাবৰ সোঁত' (১৯৭২)। চেনাবৰ সোঁত শোষিত শ্ৰমিকৰ জীৱনৰ দুখ-দুৰ্দশা, অতৃপ্তি আৰু আৰ্তনাদৰ কাহিনী। উপন্যাসখন যে শ্ৰমিক জীৱনৰ সঁচা ঘটনাৰ ভিত্তিত ৰচিত সেই কথা ঔপন্যাসিকাই উপন্যাসখনৰ পাতনিতেই উল্লেখ কৰিছে। তেওঁ লিখিছে— "১৯৬৬ চনতে এই উপন্যাস লিখা হৈছিল। কাশ্মীৰৰ চেনাব নদীৰ ওপৰত বন্ধা দলং এখনৰ শ্ৰমিকসকলক কেন্দ্ৰ কৰি এই উপন্যাসখন ৰচনা কৰা হৈছে। এয়া মোৰ প্ৰথম উপন্যাস। সেই সময়ত চেনাবৰ পাৰত শ্ৰমিকৰ কেম্পত থাকি এই উপন্যাস লিখা হৈছে। বয়স কম আছিল বাবে অভিজ্ঞতা কিছু কম আছিল, কিন্তু নিজ চকুৰে দেখা শ্ৰমিকৰ জীৱনৰ এয়াই এক দলিল আছিল। কিছু ৰহণ মাত্ৰ দিয়া হৈছে।" উপন্যাসখনত পাওঁ যে দলং নিৰ্মাণ কৰিবলৈ অহা কোম্পানীৰ মালিকে শ্ৰমিকসকলক কামত খটুৱাই কাম আদায় কৰিছে। শ্ৰমিকসকলে দুখ-দুৰ্গতিৰ দ্বাৰা জুৰুলা হৈছে। দাম্পত্য জীৱনৰ সাধাৰণ আনন্দ উপভোগৰ পৰাও সিহঁত বঞ্চিত। মালিকৰ শোষণ আৰু অস্থায়ী শিবিৰত থাকি কষ্টকৰ জীৱন সিহঁতৰ সংগী হৈ পৰিছে। উপন্যাসখনত ধাৰাবাহিকতা ৰক্ষা কৰা কাহিনীৰ সলনি যতি পৰা কাহিনীহে লাভ কৰা যায়। তথাপি লেখিকাই কাহিনীটোৰ মাজেৰে সমাজ সচেতন মনৰ পৰিচয় ডাঙি ধৰিব পাৰিছে। ইয়াৰ লগতে তেওঁ উপন্যাসখনত শ্ৰমিকৰ শোষণ, দুৰ্দশা, আশা, হতাশা, যৌনতা আদিৰ এখন চিৰশাশ্বত চিত্ৰ অংকিত কৰিছে।

ড° গোস্বামীৰ দ্বিতীয়খন উপন্যাস 'নীলকণ্ঠী ব্ৰজ' এখন সামাজিক আৰু অপৰম্পৰাবাদী উপন্যাস। এগৰাকী অকালবিধৱা গাভৰুৰ জীৱনৰ ছিন্ন ঘটনাক কেন্দ্ৰ কৰি আগবাঢ়ি যোৱা কাহিনীভাগত হিন্দুৰ পৱিত্ৰ ধৰ্মস্থান মথুৰাৰ গুণ-গৰিমা প্ৰকাশ পোৱাৰ লগতে তাৰ কদৰ্য আৰু বিনাশী ৰূপটোও অতি স্পষ্ট ৰূপত পৰিলক্ষিত হৈছে। 'নীলকণ্ঠী ব্ৰজ'ত ঔপন্যাসিকাই অংকিত কৰিছে সংৰক্ষণশীল হিন্দু সমাজৰ ধৰ্মীয় ৰীতি-নীতিৰ নামত চলা অমানৱীয় ৰূপৰ সঁচা কাহিনী। এইখন উপন্যাসতো শোষণৰ নগ্ন ৰূপ দেখিবলৈ পোৱা যায়। এই শোষণ মথুৰা-বৃন্দাবনত ধৰ্মীয় জীৱন-যাপন কৰা গাভৰু বিধৱাৰ ওপৰত। সমাজৰ এটি কলংকিত দিশ উদঙাই তাৰ বিৰুদ্ধে কৰা ঘোষণাৰ বাবে তেওঁ এই উপন্যাসখন লিখিছে।

... ড° গোস্বামীৰ উপন্যাসসমূহ বিশ্লেষণত এই কথা প্ৰতীয়মান হয় যে তেওঁ য'তেই অত্যাচাৰ, অনাচাৰ, অন্যায় হোৱা দেখিছে তাৰেই তেওঁ ওচৰ চাপি উপন্যাসৰ ৰূপ দিছে। সেয়ে তেওঁৰ উপন্যাসত সবাতোকৈ অবাঞ্চিত আৰু নিষ্পেষিত নাৰী আৰু শ্ৰমিক শ্ৰেণীৰ লোকৰ কাহিনীয়ে অগৌণ স্থান অধিকাৰ কৰিছে।

ড° ৰয়ছম গোস্বামীৰ আন এখন উপন্যাস হ'ল 'অহিৰণ'। 'অহিৰণ' উপন্যাসৰ অধ্যয়নে স্বাভাৱিকতে লেখিকাৰ 'চেনাবৰ সোঁত' উপন্যাসৰ কাহিনীলৈ মনত পেলায়। এইখন উপন্যাসৰ পটভূমি মধ্যপ্ৰদেশৰ অহিৰণ নদীৰ একুৱেডাক্ট নিৰ্মাণত কাৰ্যৰত বনুৱাৰ শোষিত, বঞ্চিত জীৱনৰ ওপৰত ৰচিত। 'অহিৰণ' আৰু 'চেনাবৰ সোঁত' উপন্যাস দুখনৰ কাহিনী, চৰিত্ৰ একে পৰ্যায়ৰ। লেখিকাৰ চাক্ষুষ অভিজ্ঞতা ভিত্তিত ৰচিত এই উপন্যাসখনত প্ৰধান অৱলম্বিত চৰিত্ৰ বনুৱাবোৰ থাকে অস্থায়ী বাঁহ-বেতৰ ঘৰত। এই ঘৰসমূহ হাঁহি, আনন্দ, সুখ-স্বাচ্ছন্দৰে পৰিপূৰ্ণৰ যিদৰে চিন, ঠিক সেইদৰে প্ৰতাৰণা, হিংসা, ঈৰ্ষা আৰু পাই হেৰুওৱাৰ বেদনাৰে জৰ্জৰিত। উপন্যাসখনৰ কাহিনী অসংলগ্ন আৰু বিক্ষিপ্ত হ'লেও ঔপন্যাসিকাৰ নিপুণ বৰ্ণনাভংগীৰ ফলত একেডাল মালাৰ দৰেই সজ্জিত হৈ আছে।

ড° মামণি ৰয়ছম গোস্বামীৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হৈছে 'মামৰে ধৰা তৰোৱাল'। এইখন উপন্যাসৰ বাবেই তেখেতে সাহিত্য অকাঁডেমী বঁটা লাভ কৰিছিল। এইখন উপন্যাসত বিক্ষিপ্ত ধৰণৰ কিছুমান ঘটনাৰ মাজেদি শ্ৰমিক জীৱনৰ দুখ-দুৰ্দশা, যন্ত্ৰণা, আশা-আকাংক্ষা, হতাশাগ্ৰস্থতা আদি দেখুওৱা হৈছে। মূলত মানৱতাবাদী ভাৱধাৰাৰে উপন্যাসখনৰ কাহিনীবস্তু নিৰ্মিত। নাৰী জীৱনৰ আৰ্তনাদ, কৰুণা উপন্যাসখনৰ কাহিনীৰ উপজীব্য। সাই নদীৰ একুৱেডাক্ট নিৰ্মাণ কাৰ্যত নিয়োজিত শ্ৰমিকসকলৰ হা-হুমুনিয়াহেৰে উপন্যাসৰ কাহিনীবস্তু ভাৰাক্ৰান্ত। শ্ৰমিকসকল, সিহঁতৰ নেতা আৰু লোকেল লীডাৰেই উপন্যাসখনৰ মূল চৰিত্ৰ হিচাপে ধৰা দিছে। উপন্যাসখনৰ আৰম্ভণিতে লেখিকাই উপন্যাসখনৰ সৃষ্টিৰ আঁৰৰ কাহিনী ডাঙি ধৰিছে— "ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰৰ একুৱেডাক্ট বন্ধাৰ সময়ত কিছুদিন ৰাক ছাইটত থকাৰ সুযোগ পাইছিলোঁ। শ্ৰমিকসকলক ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ সৌভাগ্য ঘটিছিল। সেই সময়ত শ্ৰমিকসকলৰ এটি ধৰ্মঘট ঘটিছিল। এই ধৰ্মঘটটোক কেন্দ্ৰ কৰিয়েই এই উপন্যাসখন ৰচনা কৰা হৈছে।"

'আধালেখা দস্তাবেজ' গোস্বামীৰ এখন আত্মজীৱনীমূলক উপন্যাস। ইয়াত ঔপন্যাসিকাই ব্যক্তিগত জীৱনৰ কাহিনী অতি নিৰ্মমভাৱে আৰু মুকলিমূৰীয়াকৈ প্ৰকাশ কৰি প্ৰকাশশৈলীৰ মনোহাৰিত্বৰে গ্ৰন্থখনি আত্মজীৱনীৰ পৰা আত্মজীৱনীমূলক উপন্যাসলৈ ৰূপান্তৰিত কৰিছে। এগৰাকী নাৰীৰ সংঘাতেৰে পৰিপূৰ্ণ আৰু বৈচিত্ৰ্যৰে কৌতুহলপূৰ্ণ জীৱনৰ এনে কাহিনীয়ে সহজতে পাঠকৰ গভীৰ অন্তস্থলীত ভীষণ তোলপাৰ লগায়। সেয়ে ব্যক্তিগত কাহিনী হৈও সি হৈ পৰিছে ৰসোত্তীৰ্ণ উপন্যাস সাহিত্য।

মামণি ৰয়ছম গোস্বামীৰ অন্যতম এখন উপন্যাস হৈছে 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'। ১৯৮৪ চনত দিল্লীত ৰাজনৈতিক পটভূমিত সংঘটিত হোৱা গণহত্যাৰ পটভূমিত উপন্যাসখন ৰচিত। উপন্যাসখনত নৰহত্যাৰ কৰুণ সুৰ শুনা যায়। লেখিকাৰ কথাত ইয়াৰ স্পষ্ট উল্লেখ আছে "১৯৮৪ চনৰ দিল্লী ৰায়তৰ নৃশংস বৰ্ণনাসমূহৰ কিছুমান খবৰ মোক পাঞ্জাৱী কবি আৰু মোৰ অতি প্ৰিয় পাঞ্জাৱী ছাত্ৰ জগতাৰ সিঙে দিছিল। সেই সময়ত ৰাষ্ট্ৰীয় কাগজত প্ৰকাশ পোৱা প্ৰায় সকলো খবৰৰে ক্লিপিংসমূহ জগতাৰে মোক দিছিল। স্বাধীনতাৰ পাছত হোৱা আটাইতকৈ নৃশংস হত্যাকাণ্ডৰ মই নিজে সাক্ষী আছিলোঁ। ৰায়তৰ দ্বাৰা পীড়িত জাহাংগীপুৰী আৰু কল্যাণপুৰীলৈ মই গৈছিলোঁ আৰু পীড়িতসকলৰ মই খবৰ লৈছিলোঁ। এই উপন্যাসখনত এই মাৰাত্মক ঘটনাৰ এটি সামান্য ৰেঙনিহে দেখা যাব। ইয়াৰ বীভৎসতা আৰু ভয়ংকৰতা বৰ্ণনা কৰাৰ শক্তি মোৰ কলমৰ নাই।"

তেখেতৰ অন্য এখন উপন্যাস 'দঁতাল হাতীৰ উয়ে খোৱা হাউদা'। এখন বৈষ্ণৱ সত্ৰৰ সত্ৰাধিকাৰৰ ঘৰত সংৰক্ষণশীলতা, স্বাধীনতা আন্দোলন আৰু কানি নিবাৰণৰ আন্দোলনৰ পটভূমিত ড° মামণি ৰয়ছম গোস্বামীয়ে এই উপন্যাসখন ৰচনা কৰিছে।

গতিকে ড° গোস্বামীৰ উপন্যাসসমূহ বিশ্লেষণত এই কথা প্ৰতীয়মান হয় যে তেওঁ য'তেই অত্যাচাৰ, অনাচাৰ, অন্যায় হোৱা দেখিছে তাৰেই তেওঁ ওচৰ চাপি উপন্যাসৰ ৰূপ দিছে। সেয়ে তেওঁৰ উপন্যাসত সবাতোকৈ অবাঞ্চিত আৰু নিষ্পেষিত নাৰী আৰু শ্ৰমিক শ্ৰেণীৰ লোকৰ কাহিনীয়ে অগৌণ স্থান অধিকাৰ কৰিছে। শোষিত শ্ৰমিকৰ দুখৰ হুমুনিয়াহ, নিৰ্যাতিত শ্ৰমিকৰ যন্ত্ৰণা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু সেই উপলব্ধিৰে হুবহু ছবি প্ৰকাশ পাইছিল তেওঁৰ উপন্যাসত। ■

**সহায়ক গ্ৰন্থ ঃ**

১। নগেন ঠাকুৰ ঃ এশ বছৰৰ অসমীয়া উপন্যাস

২। ঐ ঃ অসমীয়া উপন্যাসৰ পৰিক্ৰমা

# উপস্থাপন



**নীলোৎপল কুমাৰ ।।**
স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)

আমাৰ সোণৰ অসমখনত বহুতো মামৰে ধৰা ঘটনা-পৰিঘটনা সংঘটিত হোৱা পৰিলক্ষিত হৈ আছে বিগত কিছু বছৰৰ পৰা। আচলতে যাৰ মূৰত মামৰে ধৰা চিন্তাবোৰে বাহ লয় তেনে লোকেই তেনে কাৰ্য সম্পাদন কৰাত আগভাগ লয়। যিটো সময়ত মংগল গ্ৰহত মানুহে কেনেকৈ ৰেষ্টুৰেণ্ট খুলিব পাৰে তাৰ কথা চিন্তা কৰি আছে, তেনে সময়তেই আকৌ কিছুমান মানুহে সেই আৱৰ্জনাৰ দ'মেই হৈ আছে এই অসমত। বিভিন্ন সমস্যাই জুৰুলা কৰি আছে আমাৰ অসমখনৰ লগতে সমগ্ৰ ভাৰতবৰ্ষত। ডাইনী, যৌতুক, অন্ধবিশ্বাস আদিৰ কৱলতেই সীমাবদ্ধ আছে, যাৰ বাবে একোখন সাংস্কৃতিক মঞ্চতো তাৰেই প্ৰতিকাৰসমূহ উপস্থাপিত কৰিবলগীয়া হয়।

বৰ্তমান আমি বহুত ঘটনাই ঘটি থকা দেখিবলৈ পাই আছোঁ। যিবোৰৰ যোগাত্মক আৰু ঋণাত্মক প্ৰভাৱ আমাৰ সমাজত অবিৰাম দৃশ্যমান। বিভিন্ন ঘটনাসমূহৰ লগত নিতান্তই জড়িতসকলৰ মানসিকতাৰ দিশ পৰিলক্ষিত, কিন্তু আমি ব্যৰ্থ! বিভিন্ন কাৰণ— দৈনন্দিন জীৱন, সামাজিক জীৱন এই সকলোবোৰৰ উদ্‌যাপনত আমি কেতিয়া কিছুমান কামৰ সীমাৰেখা অতিক্ৰম কৰিলোঁ তাৰ সঠিক প্ৰমাণ আজি হয়তো বিচাৰিলেও পোৱা নাযাব। আমি মানুহ হত্যা কৰিব শিকিছোঁ, এজনক আঘাত কৰি কাপোৰ খুলি, বিভিন্ন ধৰণে অপদস্থ কৰি আমোদ লাভৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। বহু কাৰণতেই আমি আজি স্ব-পতন দেখিবলগা হৈছে। এইবোৰৰ বিশ্লেষণো বহুত বিশাল, যি বিশ্লেষণ সেই শ্ৰেণীৰ মানুহৰ বাবে আমনিদায়ক, যিসকল বৰ্তমান অসমত অমানৱীয়তাৰ ধ্বজাবাহক হিচাপে কৰ্মৰত। আজি আমি আমাৰ মানসিকতাৰ বিশ্লেষণ কৰাৰ অত্যন্ত প্ৰয়োজনীয় হৈছে। আৰু এই বিশ্লেষণে নতুনভাৱে মানুহক জীৱনমুখী কৰিব পাৰিব বুলি জ্যেষ্ঠ, বৌদ্ধিক মহল, চেতনাশীল যুৱ সমাজৰ গাঢ় বিশ্বাস। আৰু সেইখিনি সাকাৰ কৰাৰ আগত আমাৰ প্ৰাথমিক কামখিনি হ'ব আমি নিজকে সু-ব্যক্তি হিচাপে গঢ়ি তোলাৰ কচৰৎ কৰা। বিগত দিনসমূহত আমাৰ জাতিটোলৈ কলংক কঢ়িয়াই অনাৰ দৰে পৰিস্থিতি কিছুমানৰ সন্মুখীন হৈছে অসমীয়া মানুহ। যিবোৰ ঘটনাই আনকি শিশুসকলকো প্ৰভাৱিত কৰি আছে। বিশেষকৈ কিছুমান স্ব-প্ৰভুত্ব প্ৰদৰ্শন কৰা মানুহৰ কাৰণে আমি আজি চৰম লজ্জিত। নিঃসন্দেহে চৰম লজ্জানত, দুৰ্বিসহ কৰুণ ইতিহাস অসমত ৰচিলে "অভি-নীল" কাণ্ডই। তাৰোপৰি বিভিন্ন ঠাইত সংঘটিত হোৱা মৰেল পুলিচগিৰীৰ ঘটনায়ো অস্থিৰতা বঢ়াইছে অসমত। এই সকলৰো যেন কিছু যুক্তি অটল! কাৰণ আমাৰ দেশৰ আইন ব্যৱস্থাৰ ওপৰত বহুতৰ আস্থা নোহোৱা হৈ আহিছে। আৰু সেইবাবেই তেওঁলোকে হৈ পৰে নিজেই ফাষ্টট্ৰেক আদালত। পঢ়ুৱৈৰ মন জাগ্ৰত কৰাৰ উদ্দেশ্যে ছবিৰ সহায়ত কিছু উপস্থাপন কৰাৰ প্ৰচেষ্টা কৰিছো।

**যৌতুক প্ৰথা ঃ**

জ্ঞানৰ উত্তৰণ ঘটা আমাৰ অসমখনত প্ৰকৃতাৰ্থত মানুহবোৰ কিমান জ্ঞানী হৈছে সেয়া বিচাৰ্যৰ বিষয়। সেইবাবেই হয়তো পুৱা দূৰদৰ্শনৰ সন্মুখত বহিলেই আমি পুৰণিকলীয়া যেন অনুভৱ হোৱা বাতৰিবোৰ চাবলগাত পৰোঁ।

*(পতি আৰু পত্নীৰ কথোপকথন, কথোপকথন বিতৰ্কৰ মাজলৈ গতি কৰে, তাৰ পিছত কাজিয়ালৈ)*

পতি ঃ কি ভাবিছা? সম্ভৱ হ'বনে নহ'ব?
পত্নী ঃ কি? কি বস্তু? কি সম্ভৱ হোৱাৰ কথা কৈছা?
পতি ঃ মোৰ ডিমাণ্ড।
পত্নী ঃ কিহৰ ডিমাণ্ড তোমাৰ?
পতি ঃ ২৫ লাখ
পত্নী ঃ কিয় দিম তোমাক ২৫ লাখ?
পতি ঃ কাৰণ তোমাক মই বিয়া কৰাই আনিছোঁ।
পত্নী ঃ অ' ময়োতো বিয়া হৈ আহিছোঁ।
পতি ঃ তাৰমানে....... কি ক'ব বিচাৰিছা?





পত্নী ঃ তুমি মোক বিয়া কৰোৱাৰ অৰ্থ কি ? মই কিবা নিবিদা নেকি যে তুমি ২৫ লাখ ডিমাণ্ড কৰিবা। তোমাৰ কিহৰ ইমান আব্দাৰ ? এনেকুৱা হ'লে ময়েই তোমাক বিয়া কৰালো হৈ নহয়। তুমি কিয় নক'লা বিয়াৰ আগত ?

পতি ঃ ঠাট্টা নকৰিবা।

পত্নী ঃ তেনেকুৱা কামো নকৰিবা। কি কাৰণত তুমি মোৰ পৰা টকা লোৱা ? মই কি তোমাৰ বোজা ? জীৱনটো কি কেৱল টকাৰেই চলাম বুলি ভাবিছা নেকি ? সহযোগী নালাগে তোমাক ? বিয়া কি টকা ঘটিবলৈ কৰাইছিলা নেকি ?

ওপৰত এটা নমুনা দেখুওৱা হ'ল। যৌতুকৰ নামত বহু বোৱাৰী নিৰ্যাতিত হৈছে, হত্যা কৰা হৈছে। আচলতে কথাটো কি ? ল'ৰা পক্ষৰ ইমান দাম যে ছোৱালীজনী বিয়া কৰাবলৈ টকাৰ দাবী আগতে দিয়ে। জীৱনটোত দুয়োৰে মাজত যাৰ বাবে হয় এক চৰম শত্ৰুতা আৰু সেই শত্ৰুতাই কেতিয়াবা কালৰূপ ধাৰণ কৰে আৰু বোৱাৰী হত্যাৰ দৰে ঘটনা সংঘটিত হয়। আমি কেতিয়াবাই জাগিবৰ হৈছিল অথচ এতিয়াও জাগা নাই যাৰ বাবে হয়তো এনেবোৰ ঘটনা প্ৰায় দৈনন্দিন ঘটি আছে।

**অন্ধবিশ্বাস ঃ**

এটা হীন মনোবৃত্তি বহু আগৰ পৰাই সাধাৰণ জনমানসত সিঁচৰতি হৈ আছে। সি লাগিলে ডাইনী হওঁক, ক'লা যাদু আনকি সোপাধৰাই হওঁক এইবোৰে একোটা মানসিক ব্যাধি হিচাপে আৰম্ভ হৈ সামাজিক ব্যাধিলৈ পৰিবৰ্তিত হৈছে। আৰু এই ব্যাধিয়ে সমাজখন গ্ৰাস কৰি পেলাইছে। এই ব্যাধিবোৰৰ বিষয়ে বহুতে বহুত লিখি আহিছে জনগণৰ সজাগতাৰ স্বাৰ্থত। কিন্তু সাকাৰ হোৱা নাই বাবে এই যুদ্ধখন এতিয়াও চলাই ৰাখিবলগীয়াত পৰিছে।

এতিয়াও যিবোৰ মানুহৰ মগজুত বিজ্ঞানমনস্কতাৰ সঠিক প্ৰভাৱ পৰা নাই সেইসকল ব্যক্তিয়েই ইয়াৰ বাবে দায়ী। দায়ী কিছু পৰিমাণে আমাৰ প্ৰচলিত শাসন ব্যৱস্থা।

অতীজৰে পৰা আজি পৰ্যন্ত আমাৰ সমাজত এটা অন্ধবিশ্বাস অব্যাহত আছে আৰু সেয়া হৈছে ডাইনী। এই অন্ধ বিশ্বাসৰ কবলত পৰি পুৰুষ-মহিলা সকলো নিৰ্যাতিত হ'বলগীয়া হৈছে (যদিও মহিলাৰ তুলনাত পুৰুষৰ সংখ্যা কম)। ই এক সামাজিক ব্যাধি। নিজৰ জীৱনত ব্যতিব্যস্ত এচাম মানুহে নিজৰ জীৱনতে বাট হেৰুৱাই, সমস্যা সমাধানৰ বাট ধূসৰ দেখি আনৰ দৃষ্টিকটুতাৰ ফল বুলি ভাবি আনলৈ চোঁচা লয়। আৰু যাৰ বাবে এইবোৰ হৈ আছে বুলি ভাবিবলৈ আৰম্ভ কৰে, লাহে লাহে তেওঁ হৈ পৰে সকলোৰে বাবে ডাইনী।

যদিও এই বিষয়টো সম্বন্ধে বহুতো লিখকে লিখিছে, তথাপিও স্মৰণ্য আকৌ এবাৰ যে প্ৰকৃত শিক্ষাৰ চৰম অভাৱৰ বাবে নীৰিহসকল কোনো ক্ষমতাশালীৰ দ্বাৰা শোষিত হ'বলগীয়াত পৰে। এনে ধৰণৰ ঘটনাসমূহৰ প্ৰতি সাধাৰণ মানুহ বেছি আকৃষ্ট, আৰু তেওঁলোকৰ আকৃষ্টতা যেন ঘটনাসমূহৰ পক্ষে যোগাত্মক। অৰ্থাৎ উপভোগৰ প্ৰতি আকৃষ্টতাৰ উপস্থিতি দেখা পোৱা যায় তেওঁলোকৰ প্ৰকাশভংগীমাত। লাহে লাহে এজনে এটা ঘোচা, আনজনে দুটা ঘোচা দি দুৰ্বিষহ কৰে এটা জীৱন, পৰিয়াল। চিন্তাৰ ৰিক্তৰকাশতাৰ ফলত আমাৰ সমাজখনত বিভিন্ন ধৰণৰ নিম্নমুখীতা বিৰাজ কৰি আছে। ক'লা-যাদু, সোপাধৰাও আনকি আমাৰ সমাজৰ বাবে এক গুৰুতৰ ব্যাধি হ'বলৈ গৈ আছে। কোনো এটা নিজৰ এলেকাত অচিনাকীৰ আগমন দেখিলেই কোনো দুষ্কৃতিকাৰী বা সোপাধৰা বুলি সন্দেহ কৰি মাৰ-পিট কৰি হত্যাৰ অপচেষ্টা চলাই বেমাৰী মস্তিস্কৰ গৰাকীয়ে। ক'লা যাদুৰ গ্ৰাসজনিত ৰোগতো আক্ৰান্ত এই সমাজ। বিভিন্ন জৰা-ফুকা কৰি, বিভিন্ন সামগ্ৰীৰ ব্যৱহাৰ কৰি মন্ত্ৰবিদ্যাৰ সহায়ত আনৰ ভাল-বেয়া আদি কৰা, এইবোৰতেই জৰ্জৰিত পিছপৰা অঞ্চলসমূহ। নিজৰ পৰা হেৰাই যোৱা, পথ এৰি বিপথে ধাৱমান হোৱা আচলতে চিন্তাৰ দিক্‌বিদিক হেৰোৱা পথৰ পথিক তেওঁলোক। এইবোৰৰ কঠোৰ পৰিক্ৰমাত আৱদ্ধ হৈ আমাৰ সভ্য-শিক্ষিত সমাজো কিছু দ্বিধাগ্ৰস্ত।

আমি সকলোৱে বিচাৰোঁ— এখন সুন্দৰ, সু-সংবদ্ধ, সুশিক্ষিত, সুগঠিত নিৰ্মল সমাজ। কিন্তু যিহেতু এই সমাজখন বহু অতীজৰে পৰাই আমাৰ ইয়াতেই আছিল আৰু সেয়ে নিশ্চিতভাৱে অতীজৰ কাৰ্য-ক্ৰিয়াৰ কিছু ঋণাত্মক প্ৰভাৱ আজিৰ সমাজে ভোগাটো স্বাভাৱিক যদিও বাঞ্চনীয় নহয়। সমাজখন সুন্দৰ কৰাৰ অৰ্থে আমি অন্ততঃ যিসকলে মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ গৈ শিক্ষা লওঁ, প্ৰচেষ্টা হাতত ল'বই লাগিব। কাৰণ আমি কিতাপত পঢ়া কথাবোৰ পিছপৰা ঠাইসমূহ গৈয়েই নাপায়, যাৰবাবে আজিও এনে কাণ্ডসমূহ অব্যাহত আছে। গতিকে, আমাৰ সমাজখনক বিভিন্ন গুৰুতৰ ব্যাধিৰ পৰা মুক্ত কৰি আমি এখন সুস্থ-সবল সমাজ হিচাপে গঢ় দিয়াৰ পথত অগ্ৰসৰ হ'ব লাগে। কদৰ্যময় সমাজখন নিকা কৰি শান্তি-সম্প্ৰীতিৰ এখন সমাজ প্ৰতিষ্ঠা কৰাই আমাৰ উদ্দেশ্য হোৱা উচিত। ■



# দক্ষিণ কামৰূপৰ সত্ৰ সংস্কৃতি ঃ এক অৱলোকন

**।। অৰ্চনা মহন্ত**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

'দক্ষিণ কামৰূপ' বুলিলে পূৱে ধাৰাপুৰৰ পৰা পশ্চিমে বকোলৈ আৰু উত্তৰে পলাশবাৰীৰ পৰা দক্ষিণে চান্দডুবি ৰাজাপাৰালৈ বিস্তৃত অঞ্চলটোক সামৰি ল'ব পাৰি। জনসাধাৰণৰ বাবে ই এনে এটা অঞ্চল য'ত সাহিত্য-সভ্যতা, কৃষ্টি আদি একত্ৰিতভাৱে ঠাহ খাই আছে। সাধাৰণতে এই অঞ্চলৰ মানৱ জীৱন 'একশৰণ ভাগৱতী নাম ধৰ্ম'ৰ দ্বাৰা দীক্ষিত হোৱা দেখা যায়।

যেতিয়া অসমীয়া জাতীয়-জীৱন অন্যায়, অপ্ৰীতি, অন্ধবিশ্বাসে পঙ্গু কৰি তুলিছিল, সেই সময়তে সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মৰ  নৱৰূপৰ প্ৰচাৰেৰে নৱবৈষ্ণৱ ধৰ্ম নাম দি সমাজ সংস্কাৰৰ আন্দোলন আৰম্ভ কৰিছিল। দেৱতাৰ নামত পশুবলি, নৰবলিকে ধৰি অসমীয়া সমাজত বিকৃতভাৱে প্ৰচলিত ধৰ্মীয় আচাৰৰ শূন্যতা পোনপ্ৰথমে তেৰাৰ দৃষ্টিতেই ধৰা পৰিছিল। তেৰাই জনসাধাৰণক সমতাৰ জয়গানেৰে জাতপাত, উচ্চ-নীচৰ ভেদভাৱ আঁতৰাই এক প্ৰাণৰ মহামন্ত্ৰেৰে আটাইকে আকোঁৱালি ল'বলৈ শিকাইছিল। গুৰুজনাৰ ভক্তিধৰ্ম আৰু মানৱতাৰ বাণীয়ে অসমৰ বুকুত নৱ-সংস্কৃতিৰ বৰভেটি স্থাপন কৰিছিল। শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মক চমুকৈ 'ভক্তিধৰ্ম' বা 'একশৰণ ভাগৱতী নামধৰ্ম' বুলি কোৱা হয়। এই ধৰ্মৰ মূল তত্ত্ব হ'ল— একমাত্ৰ পৰম ব্ৰহ্মাৰ বাহিৰে অন্যান্য দেৱ-দেৱীৰ আৰাধনা নকৰা। পৰম ব্ৰহ্মাস্বৰূপ সচ্চিদানন্দ শ্ৰীকৃষ্ণক একান্তভাৱে ভক্তি কৰি সৎ-চিত আনন্দ লাভ কৰে। সেয়েহে তেৰাই ভক্তি প্ৰদীপত লিখিছে—

*এক দেৱ এক সেৱ*
*এক বিনে নাই কেৱ।*

—এই বাণীৰে তেওঁ একশৰণ নামধৰ্ম প্ৰচাৰ কৰিছিল। ভাগৱতৰ মূল 'জ্ঞানং বিজ্ঞানং তদং' ৰহস্যক গুৰুজনাই নাম, দেৱ, ভকতলৈ ৰূপান্তৰিত কৰি একশৰণ ভাগৱতী নামধৰ্ম খুঁটি মাৰে আৰু তেৰাৰ প্ৰপন্ন শিষ্য শ্ৰীশ্ৰী মাধৱদেৱে নাম, দেৱ, ভকতৰ লগত 'গুৰু' বন্দনা সংযোগ কৰি ধৰ্মৰ চাৰিখুঁটি সম্পূৰ্ণ কৰে।

অসমত সত্ৰ আৰু নামঘৰৰ প্ৰতিষ্ঠা এই নৱবৈষ্ণৱ আন্দোলনৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ। অসমত কেইবাশ মান সত্ৰ আৰু ত্ৰিশ হাজাৰৰো অধিক নামঘৰ আছে। এই 'সত্ৰ' শব্দটো সংস্কৃতৰ 'সন্ত্ৰ' শব্দৰ পৰা আহিছে। বৈকুণ্ঠ নাথ ভট্টদেৱে সত্ৰৰ সংজ্ঞা এনেদৰে

দিছে, 'য'ত বৈষ্ণৱ সম্প্ৰদায়ে ভগৱৎ পৰায়ণ হৈ সৎধৰ্ম নৱধা ভক্তি আচৰণ কৰি একমাত্ৰ ঈশ্বৰক প্ৰাৰ্থনা জনায়, তাকে সত্ৰ বোলা হয়'।

যি নহওঁক, দক্ষিণ কামৰূপত যুগনায়ক শংকৰদেৱৰ বৈষ্ণৱ প্ৰবাহ চিৰস্মৰণীয়। শংকৰদেৱে পাটবাউসীত থকা কালত হেৰম্ব ৰজাই শৰণ ল'বলৈকে শংকৰদেৱক আমন্ত্ৰণ কৰে। কিন্তু ৰজাই সম, দম, দণ্ড, ভেদ এই চাৰি কাৰ্যত লিপ্ত থকা বাবে শংকৰদেৱে ৰজাক শৰণ নিদিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। কিন্তু পিছত ৰজাৰ কাতৰ অনুৰোধত শংকৰদেৱে মাধৱদেৱক নাৰায়ণ দাস আতাৰ লগত দক্ষিণ কামৰূপৰ হেৰামদোলৈ পঠিয়ায়। মিৰ্জাৰ পৰা দক্ষিণে প্ৰায় ১০ কিলোমিটাৰমান দূৰৈত এই স্থানতে শংকৰদেৱৰ শ্ৰেষ্ঠ শিষ্য মাধৱদেৱে নিজহাতে বন্তি জ্বলাই সত্ৰ স্থাপন কৰিছিল। এই সত্ৰই আজিও বৈষ্ণৱ ধৰ্মৰ পতাকা উৰুৱাই সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলবাসী ৰাইজৰ মাজত ভক্তি ধৰ্মৰ প্ৰচাৰ কৰি আহিছে। মাধৱদেৱৰ বৰহেৰামদোত থাকোতেই দুই কিলোমিটাৰমান উত্তৰ-পশ্চিমত জগলীয়া জলাশয়ৰ উত্তৰ পাৰে উৰপুতত অঞ্চলটোৰ দ্বিতীয়খন সত্ৰ প্ৰতিষ্ঠা হয়। শিকাৰহাটী, সৰু হেৰামদো, বৰফুলগুৰি, সৰুফুলগুৰি আদি কৰি দক্ষিণ কামৰূপত প্ৰায় তিনিকুৰিৰো অধিক সত্ৰ পোৱা যায়। দক্ষিণ কামৰূপত পুৰুষ আৰু কালসংহতিৰ সত্ৰ দেখা নাযায়। সত্ৰসমূহৰ ভিতৰত নিকা সংহতিৰ অৰ্থাৎ মহাপুৰুষীয়া পন্থৰ অধিক আৰু কুৰিখনমান ব্ৰহ্মসংহতি অৰ্থাৎ দামোদৰীয়া পন্থৰ। এই সত্ৰসমূহে মহাপুৰুষৰ ধৰ্মীয় সংস্কৃতিক বিস্তাৰৰ বাবে কাৰ্য গ্ৰহণ কৰি আছে।

দক্ষিণ কামৰূপৰ আকৰ্ষণীয় আৰু অন্যতম সত্ৰ কেইখনমান হ'ল—

**বৰহেৰামদো সত্ৰ ঃ** দক্ষিণ কামৰূপ অঞ্চলত অৱস্থিত বৈষ্ণৱ সত্ৰসমূহৰ ভিতৰত পোনতে নাম ল'বলগীয়া সত্ৰ হৈছে বৰহেৰামদো সত্ৰ। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে এই সত্ৰ স্থাপন কৰে। এই সত্ৰৰ পৰিসৰো বহল। সত্ৰখন মণিকূট আৰু নামঘৰ হিচাপে দুটা ভাগত বিভক্ত। মহাপুৰুষীয়া ধৰ্মৰ আদি সত্ৰ হিচাপে ৰীতি-নীতি, পৰম্পৰা ৰক্ষা কৰি সত্ৰখন চলি আহিছে। কথিত আছে যে, মূল সত্ৰৰ পৰা কিছু আঁতৰত অৱস্থিত দেউলৰ স্থানত মহাপুৰুষ মাধৱদেৱে ত্ৰেতা যুগৰ চিহ্ন পাইছিল।

**উৰপুত সত্ৰ ঃ** উৰপুত সত্ৰ পলাশবাৰী অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ পৰা ৯ কিলোমিটাৰ দক্ষিণে উৰপুত নামে ঠাইত অৱস্থিত। মহাপুৰুষ মাধৱদেৱৰ বাক্য অনুসৰি চতুৰ্ভুজ ঠাকুৰে মাধৱদেৱৰ পদশিলা আনি শলাবন্তি জ্বলাই সত্ৰখন স্থাপন কৰে। এই সত্ৰত চতুৰ্ভুজ ঠাকুৰে লিখা কীৰ্তন আদি সাঁচিপাতৰ পুথি বিৰাজমান। ইয়াত চৈধ্য-প্ৰসঙ্গ চলে আৰু শৰণ-ভজনৰ সু-ব্যৱস্থা আছে।

**বৰফুলগুৰি সত্ৰ ঃ** পলাশবাৰীৰ দক্ষিণে প্ৰায় ১৩ কিলোমিটাৰ দূৰত বৰফুলগুৰি নামে ঠাইত এই সত্ৰ অৱস্থিত। চতুৰ্ভুজ ঠাকুৰদেৱে প্ৰতিষ্ঠা কৰা এই সত্ৰখনে দক্ষিণ কামৰূপত আকৰ্ষণীয় স্থান দখল কৰিছে। মণিকূট আৰু নামঘৰেৰে বিস্তাৰিত এই সত্ৰখনত চৈধ্য-প্ৰসঙ্গ চলে।

**কাৰৈমাৰি সত্ৰ ঃ** পলাশবাৰীৰ পশ্চিমে ২০ কিলোমিটাৰ দূৰত্বত ছয়গাঁওৰ অন্তৰ্গত কাৰৈমাৰি গাঁৱত কাৰৈমাৰি সত্ৰ অৱস্থিত। বলোৰাম আতাই স্থাপন কৰা এই সত্ৰত নিতৌ চৈধ্য-প্ৰসঙ্গ চলে। ইয়ালৈ মাঘ-ফাগুন মাহত বিভিন্ন ঠাইৰ পৰা তীৰ্থযাত্ৰী আহি সত্ৰাধিকাৰৰ ওচৰত শৰণ-ভজনৰ দীক্ষা লয়।

**ছমৰীয়া সত্ৰ ঃ** দক্ষিণ কামৰূপত অৱস্থিত সত্ৰসমূহৰ ভিতৰত ছমৰীয়া সত্ৰৰ প্ৰতিপত্তি অন্যতম। মিৰ্জা অঞ্চলৰ পশ্চিম দিশত ছমৰীয়া নামে ঠাইত থকা ছমৰীয়া সত্ৰৰ পৰিসৰ বিস্তৃত। মাধৱদেৱ বৰহেৰামদোলৈ অহাৰ আগতে ইয়াৰ বৰবিষ্ণু আতাই সত্ৰ স্থাপন কৰি জ্বলোৱা অক্ষয়বন্তিগছিয়ে বৰ্তমানো অবিৰত গতিত পোহৰ বিলাই আছে। ছমৰীয়া সত্ৰৰ প্ৰধানকৈ তিনিটা ভাগ আছে আৰু এটা গুৰুজনাৰ দিনৰে পুখুৰী আছে। ইয়াতো চৈধ্য-প্ৰসঙ্গৰ প্ৰচলন আছে।

ইয়াৰোপৰি দক্ষিণ কামৰূপৰ আন লেখত ল'বলগীয়া সত্ৰসমূহ হ'ল— শিকাৰহাটী, সৰুফুলগুৰি, সৰু হেৰামদো, শিলপোতা, মাটাইখাৰ, মাটিফুটা, ধোপগুৰি, খৰাপাৰা, লেংটা, দীঘলকুছি ইত্যাদি।

ইয়াৰে প্ৰত্যেক সত্ৰতে নিতৌ নাম-প্ৰসঙ্গৰ উপৰি শ্ৰীশ্ৰীশংকৰদেৱ আৰু মাধৱদেৱৰ জন্ম আৰু মৃত্যু তিথি পালন কৰে। বেছিভাগ সত্ৰত দৌলোৎসৱ, সুঁৱৰি উৎসৱ, শ্ৰীকৃষ্ণ জন্মাষ্টমী আৰু আন আন আতাসকলৰ তিথি আদি পালন কৰা দেখা যায়।

আৰম্ভণিতে সত্ৰসমূহ ধৰ্ম প্ৰচাৰৰ বাবে স্থাপন কৰা হৈছিল যদিও বৰ্তমান ই শিক্ষা প্ৰদানৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। এই সত্ৰসমূহে ধৰ্ম প্ৰচাৰৰ উপৰি ভক্তিমূলক গীত, নৃত্য আৰু বাদ্যচৰ্চাৰো গুৰি ধৰি আহিছে। সত্ৰৰ দৈনিক ধৰ্মীয় কাৰ্যসূচীৰ ফলতে ইয়াৰ প্ৰত্যেকজন সাধাৰণ ব্যক্তিয়ে নৈতিক আদৰ্শ, ধৰ্মীয়তত্ত্ব, আধ্যাত্মিক চিন্তা আৰু সু-সংস্কাৰৰ সৈতে পৰিচিত হোৱাৰ সুযোগ লাভ কৰে। যাৰবাবে এই সত্ৰসমূহে একো একোটা অতুল্য জ্ঞানসমৃদ্ধ মানৱ জীৱনৰ সৃষ্টি কৰি আহিছে। ■

[এই প্ৰৱন্ধটিৰ দ্বাৰা দক্ষিণ কামৰূপত অৱস্থিত মাত্ৰ কেইখনমান সত্ৰৰ সংস্কৃতিৰ বিষয়ে চমুকৈ তুলি ধৰা হৈছে। মাত্ৰ দুই বা তিনি পৃষ্ঠাৰ জৰিয়তে দক্ষিণ কামৰূপৰ সত্ৰ-সংস্কৃতিৰ সকলোখিনি ব্যক্ত কৰাটো অসম্ভৱপৰ, কিন্তু অন্য লিখনি ছপোৱাৰ সুবিধাৰ্থে মই ইয়াক যিমানখিনি পাৰোঁ চমু কৰি ৰাখিছোঁ।]

**সহায়ক গ্ৰন্থ ঃ**

* দক্ষিণ কামৰূপৰ মহাপুৰুষীয়া সত্ৰ সংস্কৃতিত এভুমুকি— ড° লীলাৱতী চৌধুৰী
* জগলীয়া— স্মৃতিগ্ৰন্থ, দক্ষিণ কামৰূপ জিলা সত্ৰ মহাসভা
* সত্ৰজ্যোতি—স্মৃতিগ্ৰন্থ, দক্ষিণ কামৰূপ জিলা সত্ৰ মহাসভা



# কিংবদন্তীৰ আন এক নাম
# ষ্টিফেন হ'কিং


।। স্বপন দাস
স্নাতক পঞ্চম যাণ্মাসিক (কলা)


কিংবদন্তীৰ আন এক নাম হৈছে ষ্টিফেন হ'কিং, শাৰীৰিক অক্ষমতায়ো যাক পৰাভূত কৰিব পৰা নাছিল। হ'কিঙে নিজৰ একৈশতম জন্মদিনৰ ঠিক পিছতেই হুইলচেয়াৰখন মৃত্যুৰ আগমুহূৰ্তলৈ সংগী হিচাপে আকোঁৱালি ল'বলগীয়া হৈছিল। কিন্তু কাহানিও হাৰ মানিব নোখোজা, পৰিস্থিতিৰ সন্মুখত আঁঠু কাঢ়িব নোখোজা এক অসাধাৰণ ব্যক্তিত্ব আছিল বিশ্ববিখ্যাত পদাৰ্থবিজ্ঞানী ষ্টিফেন হ'কিং। এই অসাধাৰণ ব্যক্তিত্বৰ গৰাকীৰ জন্ম আৰু মৃত্যু তিথিও খুবেই অসাধাৰণ। কিয়নো তেখেতৰ জন্ম হৈছিল ৮ জানুৱাৰী, ১৯৪২ চনত, আন এগৰাকী বিখ্যাত বিজ্ঞানী গেলিলিঅ' গেলিলিৰ মৃত্যুৰ ঠিক তিনিশ বছৰৰ পিছত। মানৱ ইতিহাসৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ পিছতেই স্থান লাভ কৰা জনপ্ৰিয় বিজ্ঞানীজনৰ সম্পূৰ্ণ নাম আছিল ষ্টিফেন উইলিয়াম হ'কিং। তেওঁ কেৱল এগৰাকী পদাৰ্থবিজ্ঞানীয়েই নাছিল, তেওঁ আছিল এগৰাকী প্ৰখ্যাত কচম'লজিষ্ট, যিয়ে নিৰন্তৰ মহাকাশৰ গুপ্ত ৰহস্যবোৰৰ বিষয়ে অধ্যয়ন কাৰ্যত ব্ৰতী হৈ থাকিছিল। আনকি মটৰ নিউৰণৰ দৰে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ পৰা হাত সৰা আৰু পিছলৈ পক্ষাঘাতগ্ৰস্ত হৈ হুইলচেয়াৰখনকে সংগী কৰি লৈও বিভিন্ন উদ্ভাৱনমূলক, গধূৰ গধূৰ তত্ত্বসমৃদ্ধ গ্ৰন্থ ৰচনা কৰি বিশ্বদৰবাৰত নিজৰ এক অন্য পৰিচয় ডাঙি ধৰিছিল। সঁচা অৰ্থত ক'বলৈ গ'লে যিটো অৱস্থাত শাৰীৰিক তথা মানসিকভাৱে অক্ষম লোকসকলক সমাজে পুতৌৰ দৃষ্টিৰে চায়, তেনে অৱস্থাত হ'কিং হৈ পৰিছিল তেওঁৰ দৰে বহুতৰ বাবে প্ৰেৰণাৰ উৎস।

দ্বিতীয় বিশ্বযুদ্ধৰ মধ্যভাগত, ১৯৪২ চনত, অক্সফৰ্ড চহৰত

জন্মলাভ কৰা হ'কিঙৰ পৰিয়ালটো তেখেতৰ আঠ বছৰ বয়সত উত্তৰ লণ্ডনৰ পৰা ২০ কিলোমিটাৰ আঁতৰত চেইণ্ট আলবাঞ্চ নামে ঠাইলৈ স্থানান্তৰিত হয় আৰু তাতেই তেওঁৰ শিক্ষা জীৱনৰ পাতনি মেলে। চেইণ্ট আলবাঞ্চ স্কুলত স্কুলীয়া শিক্ষা গ্ৰহণ কৰাৰ অন্তত ১৯৫২ চনত তেওঁ অক্সফ'ৰ্ডৰ ইউনিভাৰ্চিটী কলেজত নিজৰ কলেজীয়া শিক্ষা গ্ৰহণ কৰে। গণিত বিষয়টো গুৰু বিষয় হিচাপে লৈ পঢ়াৰ খুব ইচ্ছা আছিল যদিও সেয়া সম্ভৱপৰ হৈ নুঠে, যাৰ ফলত পদাৰ্থবিজ্ঞান বিষয়টোকে তেওঁ অধ্যয়ন কৰিবলৈ লয়।

১৯৬২ চনৰ অক্টোবৰৰ মাহত হ'কিং গৈ উপস্থিত হয় Department of Applied Mathematics and Theoritical Physics, কেমব্ৰিজ বিশ্ববিদ্যালয়ত জ্যোতিৰ্বিজ্ঞান সম্পৰ্কে গৱেষণা কৰিবলৈ। তেওঁৰ ডক্টৰেল পৰামৰ্শদাতা আছিল ডেনিছ চিত্ৰমা যদিও তেওঁ ব্যক্তিগতভাৱে ফ্ৰেড হইলক পছন্দ কৰিছিল। অৱশেষত ১৯৬৫ চনত গৱেষণা পত্ৰ "Properties of Expanding Universes"ৰ বাবে তেখেতক সন্মানীয় Ph.D. ডিগ্ৰী প্ৰদান কৰা হয়। ১৯৬৬ চনত তেখেতৰ "Singularities and the Geometry of Space-time" শীৰ্ষক লিখিনিৰ বাবে আদামছ বঁটাৰে বিভূষিত কৰা হয়। তেওঁ প্ৰথমখন বিদ্যায়তনিক পুথি প্ৰকাশ কৰি উলিয়ায় জৰ্জ এলিচৰ সৈতে যুক্ত হৈ "The Large Scale Structure of Space-time" নামেৰে।

কম্পিউটাৰ আৰু Speech Synthesizer যুক্ত হুইলচেয়াৰত বহি বহিয়েই তেওঁ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিছিল। কোৱা হয়, মানুহ হেনো পৰিস্থিতিৰ দাস। কিন্তু এই কথাক অসত্য বুলি প্ৰমাণিত কৰি তেওঁ কৰি গৈছিল এটাৰ পিছত আনটো আৱিষ্কাৰ। তাৰে ভিতৰত অন্যতম হৈছে বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তি সম্পৰ্কীয় "বিগ বেং থিয়ৰী।" এই তত্ত্বত তেওঁ নিউটন আৰু আইনষ্টাইনৰ মাধ্যাকৰ্ষণ তত্ত্বৰ সহায়ত আমাৰ বিশ্বব্ৰহ্মাণ্ডখন যে স্থিৰ নহয় সেই সম্পৰ্কে দিয়া বিশ্লেষণাত্মক গৱেষণাই বিশ্বৰ বিজ্ঞানী সমাজত খলকনি তুলিছিল। আনকি বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে তেখেতে আগবঢ়োৱা আটাইবোৰ তথ্যক সামৰি "Into the Universe with Stephen Hawkings" নামেৰে নিৰ্মাণ কৰা তথ্যচিত্ৰখন ডিস্কভাৰী চেনেলযোগে সম্প্ৰচাৰো কৰা হৈছিল। তাৰোপৰি বিজ্ঞানৰ পূজাৰী বিজ্ঞানীজনৰ ভগৱান আৰু ধৰ্ম সম্পৰ্কে ধাৰণাও আছিল ব্যতিক্ৰমী। তেওঁৰ ভগৱান সম্পৰ্কে ধাৰণা এনেধৰণৰ— "The law of Science are Sufficient to explain the Origin of the Universe, it is not necessary to invoke God."

"A Brief History of Time" শীৰ্ষক গ্ৰন্থখন তেখেতৰ সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থবোৰৰ ভিতৰত অন্যতম। সময়ৰ জন্মৰ পৰা সময়ৰ মৃত্যু পৰ্যন্ত সময়ৰ যি পৰিক্ৰমা, তাকেই সাঙুৰি এই গ্ৰন্থখন লিখা হৈছিল। তেওঁ ইয়াত লিখিছে যে সময় সৃষ্টি হোৱাৰ আগতে সৃষ্টিকৰ্তাৰ উপস্থিতি অসম্ভৱ অৰ্থাৎ, সৃষ্টিকৰ্তাই এই বিশ্বব্ৰহ্মাণ্ড বা সময় কাকোৱেই সৃষ্টি কৰা নাই।

তেখেতৰ "A Brief History of Time", "Theory of Everything", "The Grand Design", "Black Holes and Baby Universe" আদি বহুল চৰ্চিত গ্ৰন্থসমূহৰ জৰিয়তে বিশ্বব্ৰহ্মাণ্ড আৰু কৃষ্ণ গহ্বৰৰ সৃষ্টি সম্পৰ্কে কেইবাটাও তথ্য পোহৰলৈ আনিছে।

কেৱল বিশ্ববিখ্যাত পুথি প্ৰণয়ন কৰিয়েই নহয়, মাজে-সময়ে তেখেতে কিছুমান ভৱিষ্যতবাণীৰে গোটেই বিশ্বক সকীয়াই দি গৈছিল, যাৰবাবে প্ৰায়েই তেওঁ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছিল। অক্সফ'ৰ্ড ইউনিয়নত তেখেতে দিয়া ভৱিষ্যতবাণী অনুযায়ী, অহা এহেজাৰ বছৰতকৈ কম সময়ৰ ভিতৰত পৃথিৱীৰ পৰা মানৱ জাতি বিলুপ্ত হ'ব। গতিকে মানৱ জাতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ মানুহে মহাকাশ অভিযান অব্যাহত ৰাখিব লাগিব। ইয়াতেই শেষ নহয়। ইয়াৰ পূৰ্বেও তেখেতে পাৰমাণৱিক যুদ্ধ, কৃত্ৰিমভাৱে তৈয়াৰী জেনেটিকেল ভাইৰাছ তথা গোলকীয় উষ্ণতাই মানুহৰ অস্তিত্বলৈ অনা ভাবুকি সম্পৰ্কেও সতৰ্কবাণী দিছিল।

... অক্সফ'ৰ্ড ইউনিয়নত তেখেতে দিয়া ভৱিষ্যতবাণী অনুযায়ী, অহা এহেজাৰ বছৰতকৈ কম সময়ৰ ভিতৰত পৃথিৱীৰ পৰা মানৱ জাতি বিলুপ্ত হ'ব। গতিকে মানৱ জাতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ মানুহে মহাকাশ অভিযান অব্যাহত ৰাখিব লাগিব। ইয়াতেই শেষ নহয়। ইয়াৰ পূৰ্বেও তেখেতে পাৰমাণৱিক যুদ্ধ, কৃত্ৰিমভাৱে তৈয়াৰী জেনেটিকেল ভাইৰাছ তথা গোলকীয় উষ্ণতাই মানুহৰ অস্তিত্বলৈ অনা ভাবুকি সম্পৰ্কেও

বহুতো যুগান্তকাৰী সৃষ্টিৰ অন্তত এই মহান বিজ্ঞানীগৰাকীয়ে মৃত্যুৰ ওচৰত হাৰ মানে। ২০১৮ চনৰ ১৪ মাৰ্চত ইংলেণ্ডৰ কেমব্ৰিজস্থিত নিজা বাসভৱনত তেখেতৰ মৃত্যু হয়। তেখেতৰ মৃত্যু সমগ্ৰ মানৱ জাতিৰ বাবে এক অপূৰণীয় ক্ষতি। আশ্চৰ্যজনকভাৱে 'দ্বিতীয় আইনষ্টাইন' খ্যাত বিজ্ঞানী ষ্টিফেন হ'কিঙৰ মৃত্যুও হৈছিল এলবাৰ্ট আইনষ্টাইনৰ জন্মদিৱসৰ দিনাই। তেখেতৰ মৃত্যুই আমাক যি গভীৰ শোঁকৰ ছাঁ দি গ'ল, সেয়া হয়তো সময়ৰ সোঁতত ঠিক হৈ যাব, কিন্তু এইগৰাকী বিখ্যাত বিজ্ঞানী আমাৰ দৃষ্টিত সদায় এক কিংবদন্তী হৈ ৰ'ব।■

# নাৰী আৰু নাৰী নিৰ্যাতন ঃ এক মুকলি চিন্তা

।। ৰিতু চৌধুৰী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ(কলা)

ঈশ্বৰৰ মহত্তম সৃষ্টিয়েই হৈছে নাৰী। নাৰী হৈছে মহীয়সী, ৰহস্যময় শক্তিৰ আধাৰ যি শক্তি বিভিন্নৰূপে যুগে যুগে বন্দিত আৰু পূজিত হৈ আছে। নাৰীক অৰ্ধ আকাশ আখ্যা দিয়া হয়। কিন্তু দুখৰ বিষয় যে পুৰুষ প্ৰধান সমাজত নানা কৌশলেৰে নাৰীক বঞ্চিত কৰি অহা হৈছে। নাৰীয়ে আকাশ ঢুকি পোৱাকৈ, প্ৰকৃতাৰ্থত শিক্ষিত হোৱাকৈ উপযুক্ত শিক্ষাৰ অভাৱ। আজিৰ সমাজত প্ৰায়ে দেখা যায় যে ছোৱালীক শিক্ষা দিয়া হয় এজন ভাল পাত্ৰক গতাবলৈহে, সমাজৰ অজ্ঞান আন্ধাৰ দূৰ কৰিবলৈ নহয়। তেওঁলোকৰ কৰ্তব্য ঘৰৰ চাৰি বেৰৰ ভিতৰতে সীমাবদ্ধ। পুৰুষসকলে ভাৱে নাৰী এক পৰজীৱী লতা, পুৰুষ বৃক্ষ নহ'লে এই পৰজীৱী লতাডালে মেৰুদণ্ড পোন কৰি থিয় হ'ব নোৱাৰে।

সামাজিক প্ৰবাদ মতে লাউ যিমানেই ডাঙৰ নহওঁক সদায় পাতৰ তলতহে থাকে। অৰ্থাৎ নাৰী যিমানেই গুণ সম্পন্ন নহওঁক সদায় পুৰুষৰ তলতহে। দুৰ্ভাগ্যজনকভাৱে আজি ভোগবাদী সমাজত নাৰীক ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি আহিছে।

আজিৰ যুগত নাৰী পুৰুষৰ সমঅধিকাৰ বুলি সকলোৱে জানে আৰু কয় যদিও অধিকাংশ দম্পতীয়ে পুত্ৰ সন্তানহে কামনা কৰে। ফলস্বৰূপে একবিংশ শতিকাতো কন্যাৰ ভ্ৰূণ হত্যা হৈ আছে। কিন্তু সমাজে নাভাবে যে সেই হত্যা কৰা ভ্ৰূণটোৱে জীৱন দান পালে একো একোগৰাকী মহীয়সী নাৰীৰূপে সমাজত চিনাকী দিবলৈ সক্ষম হ'লহেতেন।

নাৰীসকলে নাৰী মুক্তিৰ বাবে, নাৰীৰ স্বাধীনতাৰ বাবে প্ৰথমে সমাজৰ কু-সংস্কাৰবিলাক আঁতৰাব লাগিব। আইনৰ দৃষ্টিৰ যিহেতু সকলো সমান, সেয়ে নাৰীৰ বাবে ব্যৱহৃত প্ৰতিটো কথাতে পুৰুষসকলে নাৰীক নিঃস্বাৰ্থৰে ভাল পাবলৈ শিকক কাৰণ নাৰীও মানুহ। নাৰীৰো পুৰুষৰ সমানে আকাশ জয় কৰিব পৰা ক্ষমতা আছে। সেইসকল পুৰুষ, যিসকলৰ অবাঞ্চিত, কলুষিত স্পৰ্শই কোনো নাৰীক মানসিক ৰূপে পংগু কৰি তোলে, তেওঁলোকৰ হৃদয়ত সদায় ভাতৃত্ববোধৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰক। চৰিত্ৰ যদি নাৰীৰ বাবে মূল্যবান বস্তু তেন্তে পুৰুষসকলো চৰিত্ৰৱান হওঁক। কিন্তু এইক্ষেত্ৰত মাতৃসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। নাৰীৰ সজাগতা আৰু সচেতনতা সমাজে ঘুৰাই আনিব লাগিব।

সমাজত মাৰাত্মক অপৰাধ কৰা লোকসকল, বিশেষকৈ যৌন অপৰাধীসকলৰ ঘৰুৱা পৰিৱেশ সুস্থ নহয়। এনে অপৰাধীসকলক ডাঙৰ-দীঘল কৰোঁতে পিতৃ-মাতৃৰ তথা অভিভাৱকসকলৰ ক'ৰবাত বিজুতি ঘটা যেন বোধ হয়। নাৰীৰ দেহটোও যে এটা তেজ-মঙহেৰে গঢ়া শৰীৰ, তেওঁলোকেও যে দুখ-বেদনা অনুভৱ কৰে, এই কথা এচাম লোকে পাহৰি পেলাইছে। নিজৰ ঘৰত বায়েক-ভনীয়েক বা আন কোনো স্ত্ৰী জাতি থাকক-নাথাকক, কিন্তু এগৰাকী মাতৃয়ে গৰ্ভধাৰণ কৰাৰ ফলতহে যে এইসকলৰ জন্ম হৈছিল, সেই মাতৃসকলো যে এগৰাকী নাৰী সেই কথা এই নৰ-পিশাচবোৰে হৃদয়ংগমেই কৰিব পৰা নাই।

আমি সকলোৱে জানো যে ডামিনী কাণ্ডত ছোৱালীজনীৰ মাৰাত্মক শাৰীৰিক বা মানসিক অৱস্থা কি হৈছে, সেই সময়ত একেবাৰে অসহায় হৈ পৰা এই ছোৱালীজনীৰ অৱস্থাৰ কথা আমাৰ কল্পনাতীত। তেওঁ যিটো ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হৈ মৃত্যুক আকোঁৱালি ল'লে সেই অৱস্থা যাতে আৰু কেতিয়াও কাৰো জীৱনত নহয়। সেইবাবে আমি সকলোৱে নাৰী নিৰ্যাতনৰ বিৰুদ্ধে অহৰহ চেষ্টা চলাই যাব লাগিব বা প্ৰতিৰোধ কৰিব লাগিব।■



# হাজোৰ পিতল শিল্প

।। উপম দাস
স্নাতক প্ৰথম ষাণ্মাসিক (বিজ্ঞান)

সমন্বয় নগৰী হাজো বুলি ক'লেই সকলোৰে মনলৈ আহে পোৱামক্কা আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰ। তাৰ পিছতেই হাজোক অনন্য মাত্ৰা প্ৰদান কৰিছে হাজোৰ পিতল শিল্পই। কেৱল হাজোই নহয় অসমৰ কুটীৰ শিল্পৰ জগতখনৰো হাজোৰ পিতল শিল্প এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে।

তীৰ্থনগৰী হাজোত নিশাৰ অন্ধকাৰ আঁতৰি যোৱাৰ লগে লগে এফালে ভাঁহি আহে মন্দিৰৰ পঞ্চনিনাদ আৰু আনফালে মছজিদৰ আজান। তাৰ পিছতে আৰম্ভ হয় পিতল শিল্পৰ লগত জড়িত শিল্পীসকলৰ হাতুৰীৰ তুং তাং শব্দ। এই শব্দবোৰ কোনো আমনি নিদিয়াকৈ পুনৰ নিশালৈকে অবিৰতভাৱে চলি থাকে।



হাজোৰ পিতল শিল্প কোন সময়ৰ পৰা প্ৰচলিত হ'ল তাক সঠিককৈ ঠাৱৰ কৰিব পৰা নাই। এইটো প্ৰাচীন কালৰ পৰা পৰম্পৰাগতভাৱে চলি আছে। এডৱাৰ্ড বাৰ্ণেট টাইলাৰে নৱপ্ৰস্তৰ যুগতে পৰৱৰ্তী কালৰ লোকশিল্প কলাৰ সূত্ৰপাত হয় বুলি লোৱা সিদ্ধান্তৰ প্ৰায় ওচৰা-ওচৰিকৈ পিতল শিল্পৰ উৎপত্তি হোৱা বুলি অনুমান কৰিব পাৰি।

কালাপাহাৰে ধ্বংস কৰা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ মহাবীৰ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱে শ্ৰীধৰ কাৰিকৰৰ দ্বাৰা পুনৰ নিৰ্মাণ কৰি মন্দিৰ পৰিচালনাৰ বাবে পাইক ব্যৱস্থাৰ প্ৰৱৰ্তন কৰে। সেই অনুসৰি মন্দিৰত পিতলৰ বাচন যোগান ধৰাৰ দায়িত্ব দিয়ে মৰীয়া সম্প্ৰদায়ৰ ওপৰত। এনেদৰে বিভিন্ন পৰিঘটনাৰ মাজত হিন্দু সম্প্ৰদায়ে চলাই অহা পিতল শিল্পটোত মৰীয়া সম্প্ৰদায় নিয়োজিত হৈ পৰে। আজিও হাজোত হিন্দু সম্প্ৰদায়ৰ তুলনাত মুছলমান সম্প্ৰদায়ৰ শিল্পীয়ে সৰহ। সমন্বয়ৰ নিদৰ্শন ডাঙি ধৰি এতিয়াও পিতলৰ সা-সামগ্ৰী নিৰ্মাণ কৰাৰ ওপৰিও বিভিন্ন ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে হয়গ্ৰীৱ-মাধৱকে ধৰি আন আন মন্দিৰকেইটাত মুছলমান সম্প্ৰদায়ে সেৱা আগবঢ়াই আছে। পিতল শিল্পৰ মূল কেঁচা সামগ্ৰী হ'ল তাম আৰু দস্তাৰ সংকৰ ধাতু 'পিতল'ৰ চাক। পাইন, সুৰগা, কয়লা, এঙাৰ, লা, ধূনা, ৰাং, গন্ধক-তুতিয়া, চূণ-তেল আদি সহকাৰী সামগ্ৰী। সা-সৰঞ্জামৰ ভিতৰত হাতুৰী, চাতুলি, ভাতি, কোযোৰি, ৰেত, চেনা, বাগিকুণ, আকোৰা, শৰহ, টোপা, চিয়েৰী, ভোঁৰাৰ আদিয়েই প্ৰধান। শিল্পীসকলে কাম কৰা গৃহটোক 'গড়শালী' বোলে। ইয়াৰ ভিতৰত থকা মূলবস্তুটো হ'ল— 'আফাৰ' অৰ্থাৎ 'জুইশাল'। আফাৰতে সমস্ত জ্বালাই কামবোৰ কৰা হয়।

শিল্পটোৰ পৰা উৎপাদিত হোৱা সামগ্ৰীসমূহৰ ভিতৰত কলহ, চৰিয়া, টৌ, থালি, কৰচ, ডুনৰী, ডবা, বিভিন্ন ধৰণৰ শৰাই, কলচী, চাকি, চাকিগছা, ধূনা-বাতি, খৰাহী আদি প্ৰধান। অসম ৰাজ্যিক সংগ্ৰহালয়ত থকা ৫ মিটাৰ ৭০ ছেণ্টিমিটাৰ বহল চৰিয়াটো, হয়গ্ৰীৱ মাধৱ মন্দিৰ আৰু কেদাৰ মন্দিৰৰ বৰডবা দুটা, দুৰ্গা মন্দিৰৰ কলচীটো,

বৰপেটা সত্ৰৰ শৰাই দুখন, কমলাবাৰী সত্ৰৰ চৰিয়াটো হাজোৰ শিল্পীৰ অনুপম কাৰুকাৰ্য। আনকি স্বৰ্গীয় পদ্মৰাম ভঁড়ালীয়ে নিৰ্মাণ কৰা সুবিশাল কলচী এটা এতিয়াও কোচবিহাৰৰ মন্দিৰত দেখিবলৈ পোৱা যায়।

অসমৰ কুটীৰ শিল্পবোৰৰ ভিতৰত হাজোৰ পিতল শিল্পটোৱেও এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই শিল্পটো জীয়াই ৰখাত যথেষ্ট ভূমিকা গ্ৰহণ কৰিছে হাজোৰ দামোদৰদেৱ টোলাৰ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকসকলে। গাঁওখনৰ প্ৰায় দুশৰো অধিক পৰিয়ালে এই পিতল শিল্পৰ সামগ্ৰীবোৰৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কান্ধত মেটমৰা বাচনৰ ভাৰখন লৈ খোজকাঢ়ি মহতিয়াই ফুৰি জীৱন নিৰ্বাহ কৰি আছে। হাজোলীয়া বাচনৰ বেপাৰীবিলাকে (howkers) প্ৰচাৰো কৰে, বেপাৰো কৰে। এই বেপাৰীসকলক সেইফালৰ পৰা জনতাৰ দূত বুলিব পাৰি। তেওঁলোকে পিতলৰ ওপৰিও সৰ্থেবাৰীৰ কাঁহ শিল্পজাত সামগ্ৰী বিক্ৰীও কৰে আৰু পুৰণি, ভঙা বাচনো গ্ৰহণ কৰে।

আজিও অসমীয়া সমাজৰ প্ৰতিটো নামঘৰৰ থাপনাত পিতল শিল্পীসকলৰ অনুপম সৃষ্টি শৰাই দেখা যায়। বিভিন্ন বিয়া-সবাহ আদিতো উপহাৰ হিচাপে শৰাই আগবঢ়োৱা হয়। তাৰোপৰি হাজোৰ পিতল শিল্পৰ এক উল্লেখযোগ্য সামগ্ৰী 'কলহ' গ্ৰাম্য অসমীয়া সমাজখনৰ প্ৰতিঘৰ পৰিয়ালে পানী অনা পাত্ৰ হিচাপে ব্যৱহাৰ কৰে। অসমীয়া বিয়াতো মূল পাঁচবিধ বাচনৰ ভিতৰত 'কলহ' আৰু 'চৰিয়া' দিয়াটো এটা পৰম্পৰা। গতিকে চহা অসমীয়া সমাজখনৰ লগত হাজোৰ পিতল শিল্প কেনেদৰে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে তাক নতুনকৈ কোৱাৰ প্ৰয়োজন নাই।

দুঃখজনকভাৱে লাহে লাহে হাজোৰ পিতল শিল্পৰ অৱনতি হৈ আহিছে। পিতল শিল্পৰ লগত জড়িত থকা শিল্পীসকলৰ জীৱন সূক্ষ্মভাৱে অধ্যয়ন কৰিলে এক দুঃখজনক প্ৰতিচ্ছবি ভাঁহি আহে। হাজোৰ ওচৰৰে শুৱালকুছিৰ পাট-মুগাৰ শিল্পই যিমান উচ্চতালৈ গৈছে তাৰ তুলনাত হাজোৰ শিল্পটোৰ ক্ৰমশঃ অৱনতি হৈ আহিছে। মহাজন শ্ৰেণীৰ শোষণৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই হাজোৰ শিল্পীসকল। পিতল শিল্পৰ কেঁচামালৰ উদ্যোগটো অনা-অসমীয়া ব্যৱসায়ীৰ ব্যক্তিগত খণ্ডত থকা বাবে নিজ ইচ্ছামতে অনিয়ন্ত্ৰিতভাৱে দাম বৃদ্ধি কৰাত উৎপাদিত সামগ্ৰীৰো বজাৰ মূল্যৰ বৃদ্ধি হয়। ফলত ক্ৰেতাৰ চাহিদাও কমি গৈছে আৰু শিল্পীসকলেও প্ৰকৃত মূল্যৰ পৰা বঞ্চিত হৈছে। চৰকাৰে ৰেহাই মূল্যত কেঁচামালৰ যোগান ধৰি বাচন তৈয়াৰ কৰাত সহায় কৰিলে নিশ্চয় এই শিল্পই অধিক নিবনুৱাক কৰ্মসংস্থাপন দিব।

ইয়াৰোপৰি আওপুৰণি পদ্ধতিৰে সামগ্ৰী উৎপাদন হৈ থকা বাবেও এই শিল্পীসকলৰ শ্ৰমৰ তুলনাত যান্ত্ৰিক যুগৰ অত্যাধুনিক সা-সামগ্ৰীবোৰত শ্ৰমৰ কম ব্যৱহাৰ হয়, ফলত বজাৰ মূল্যৰ তাৰতম্য ঘটে। সেয়েহে চৰকাৰে উৎকৃষ্ট প্ৰশিক্ষণ তথা যন্ত্ৰ-পাতিৰ ব্যৱস্থা কৰি দিলে অসমৰ বৰ্ধিত নিবনুৱা সমস্যা ৰোধত এই শিল্পই আশীৰ্বাদ স্বৰূপ হৈ পৰিব।

অসমৰ জাতীয় সংস্কৃতি স্বৰূপ এই পিতল শিল্পটোক জীৱন্ত কৰি ৰখাৰ দায়িত্ব সম্প্ৰতি আহি পাৰিছে। এই শিল্পটোৰ উন্নতিৰ বাবে মানুহৰ সংঘবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজন হোৱাৰ উপৰিও চৰকাৰৰ ফালৰপৰা বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। যদি এই কুটীৰ শিল্পটো কালৰ কুটিল গৰাহত নিঃশেষ হৈ যায় তেনেহ'লে ইতিহাসে কাকো ক্ষমা নকৰে।■





# ড° ভূপেন হাজৰিকাৰ গীতত শৰৎকাল

## চমু অৱলোকন

**পলাশজ্যোতি দাস ।।**
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

*শৰতকালৰ ৰাত্ৰি অতি বিতোপন সখী*
*ৰাসক্ৰীড়া কৰত গোপাল,*
*অখণ্ড মণ্ডল শশী দেখিলন্ত প্ৰাণ সখী*
*টলমল যমুনাৰ জল।*

সঁচাই। শৰতৰ পূৰ্ণিমাৰ জ্যোৎস্নাত মধুৰ মুৰুলীৰ তানত ব্যাকুল হৈ ব্ৰজৰ গোপীসকল দৌৰি আহিছিল, পতি-পুত্ৰ, ভাই-বন্ধু সবাকো ত্যাগ কৰি পৰমপুৰুষৰ সান্নিধ্যলৈ। শৰতৰ এই মধুৰ বিতোপন নিশাতেই ভগৱান শ্ৰীকৃষ্ণই যমুনা পাৰৰ বলুকা ৰাশিত কৰিছিল ৰাসলীলা। যি শৰতে ভগৱান কৃষ্ণকো নৃত্য-গীত কৰি লীলা প্ৰদৰ্শন কৰিবলৈ বাধ্য কৰাইছিল সেই শৰৎ অতি মনোমোহা। শৰতৰ এই মায়াময়তাৰ বাবেই হয়তো কবি, সাহিত্যিক, গীতিকাৰৰ কলমেৰে নিৰ্গত হয় শৰতৰ মধুৰ বৰ্ণনা।

চিন্তাশীল কবি সত্বাৰ প্ৰিয় ঋতু হৈছে শৰৎ। নীল আকাশত শুকুলা ডাৱৰৰ পতাকা উৰুৱাই, দুৱৰিৰ ওপৰত নিয়ৰৰ টোপালেৰে প্ৰকৃতি সজীৱ কৰি ধৰাৰ বুকুলৈ আগমন ঘটে ঋতুৰাণী শাৰদীৰ। শৰৎ মানেই যেন শেৱালিৰ স্নিগ্ধ সুবাস। নীল আকাশত শুকুলা মেঘৰ প্ৰেমৰ খেল। এই শৰতৰ মায়াময় মাদকতাৰ মোহাচ্ছন্ন হৈ থাকে সকলোৰে মন-প্ৰাণ। শৰতে লৈ আহে হৃদয়লৈ প্ৰণয়ৰ মধুৰ সুবাস। শৰৎ মানেই যেন প্ৰেম আৰু প্ৰকৃতিৰ নিবিড়তা। শৰতৰ ফৰকাল আকাশৰ নিশা জোনাকীৰ পোহৰত জিলিকি উঠে লাজুকী শেৱালিৰ মধুৰ হাঁহি। নাচি নাচি ৰ'দৰ সৈতে ধেমালি কৰে শেৱালীৰ কোমল পাহি। এনে অপৰূপা শৰতক লৈয়ে বিভিন্ন কবি-সাহিত্যিকে সৃষ্টি কৰিছে অপূৰ্ব সাহিত্য। শৰতক লৈয়ে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে লিখিছে—

*শৰতে আজ কোন অতিথি প্ৰাণের দ্বারে। আনন্দ*
*গান গারে হৃদয়, আনন্দ গান গারে। নীল আকাশের*
*নীরৱ কথা শিশির ভেজা ব্যাকুলতা। বেজে উঠুক*
*আজি তোমার বীণার তারে তারে।*

নিশ্চয়কৈ, ঋতুৰাণী শাৰদীৰ মায়াসনা মাদকতাৰ বাবেই ইয়াক লৈ ৰচিত হৈছে বিভিন্ন কালজয়ী গীত, কবিতা। মায়াময় শৰতৰ প্ৰেমত হয়তো অসমৰ সংগীত সূৰ্য ড° ভূপেন হাজৰিকাও পৰিছিল। সেয়ে তেওঁৰ গীতত প্ৰাণ পাই উঠিছে শৰতৰ বহু মধুৰ বৰ্ণনা। এই লিখনিত ড° হাজৰিকাদেৱৰ গীতত প্ৰাণ পাই উঠা শৰৎ কালৰ বিষয়ে চমুকৈ আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

শৰৎ কালটো ড° ভূপেন হাজৰিকাৰ অত্যন্ত প্ৰিয় ঋতু আছিল। শৰতক যেন তেখেতে "তেখেতৰ প্ৰেয়সী কৰি ল'ব বিচাৰিছিল। তেখেতৰ বুকুৰ ৰাণী কৰি ল'ব বিচাৰিছিল।" (ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, পৃষ্ঠা-৪৬৭)। সেই কথা তেখেতৰ গীততেই পৰিলক্ষিত হয়। তেখেতে লিখিছে—

*শাৰদী ৰাণী তোমাৰ হেনো নাম*
*তুমি মোৰ নিচেই আপোন*
*সদ্যস্নাতা ৰূপহী মোৰ*
*পুৱতি নিশাৰ সপোন।*

উক্ত গীতফাঁকিত ড° হাজৰিকাদেৱে শৰতক তেখেতৰ নিচেই

আপোন এগৰাকী গাভৰুৰ লগত তুলনা কৰিছে। সেই অপৰূপা গাভৰুক যেন তেওঁ নিতৌ পুৱতিৰ সপোনত দেখা পায়। আকৌ তেওঁ লিখিছে—

*শুভ্ৰ নীলা ওৰণিখনি*
*কুঁৱলি সূতাৰে বোৱা*
*পাতল ৰিহাখনি;*
*থৰলগা বিলখনি*
*তোমাৰ শুৱনি দাপোণ।।*

ইয়াত হাজৰিকাদেৱে প্ৰকৃতিৰ পৰিবৰ্তনসমূহৰ লগত নিজৰ প্ৰেয়সীগৰাকীৰ অৱতাৰণা কৰিছে। শৰৎকাল ছয় ঋতুৰ ভিতৰতেই স্বচ্ছ কাল। বৰ্ষাৰ সকলো লেতেৰা মলি-মামৰ নাইকিয়া হয় আৰু আকাশখন স্বচ্ছ নীলা হৈ পৰে এই শৰততেই। সেয়েহে সেই পৰিৱেশৰ বৰ্ণনা দি হাজৰিকাদেৱে ধুনীয়া আকাশখনিক প্ৰেয়সীৰ গাৰ ওৰণি বুলি অভিহিত কৰিছে। শৰতত লাহে লাহে বায়ুমণ্ডললৈ আগমন ঘটে কুঁৱলীৰ। সেই কুঁৱলীক ভূপেন হাজৰিকাদেৱে প্ৰেয়সীৰ (শৰতৰ) পাতল ৰিহা বুলি কৈছে।

আনহাতে শৰতৰ লগে লগে বোকাময় অৱস্থা নোহোৱা হৈ পৰে আৰু নদ-নদী, খাল-বিল আদিৰ পানী পৰিস্কাৰ হৈ পৰে। ইয়াৰ এক অপূৰ্ব বৰ্ণনা শংকৰদেৱৰ 'শৰৎ বৰ্ণনা' কবিতাত পোৱা যায় এনেদৰে—

*পৃথিৱীৰ সৰে কৰ্দ্দম গুচিল*
*ভৈ গৈল পথ সুচল।*
*জত জলমানে সৱে স্বচ্ছ ভৈল*
*শৰতে হৰিল মল।।*

ড° ভূপেন হাজৰিকাদেৱেও সেই পৰিস্কাৰ পানীক শাৰদীৰ (শৰতৰ) দাপোণ বুলিছে। দাপোণত যেনেকৈ নিজৰ মুখৰ প্ৰতিচ্ছবি সুন্দৰভাৱে দেখা যায়, ঠিক তেনেদৰে বিলখনিত তেওঁ তেওঁৰ প্ৰেয়সীৰ প্ৰতিচ্ছবি দেখিবলৈ সক্ষম হৈছে।

এজন প্ৰেমত মতলীয়া প্ৰেমিকে সাধাৰণতে নিজৰ প্ৰেয়সীৰ ৰূপ-গুণৰ বৰ্ণনা কৰি ভাল পায়। সেয়ে শৰতৰ পৰিবৰ্তনবোৰক হাজৰিকাদেৱে প্ৰেয়সীৰ ৰূপ-সৌন্দৰ্যৰে মিলাব বিচাৰিছে। তেখেতে লিখিছে—

*কপাহ মেঘৰ অহা-যোৱা*
*সেউজী ঘাঁহৰ হিমানী*
*সোণালী ৰ'দ, শৰালিৰ জাক*
*তুমিয়েই আনিলা কিজানি,*
*শেৱালি কোমল হাঁহিটি মাৰি*
*কৰাহি সাজোন-কাচোন।*

ইয়াত হাজৰিকাদেৱে সেউজীয়া ঘাঁহনিডৰাক ঋতুৰাণী শাৰদীৰ মুখৰ হিমানী বুলি কৈছে। হিমানী মানে হৈছে বৰফ। শৰতত দুৱৰি বনৰ ওপৰত নিয়ৰবোৰ পৰি যেন বৰফৰ মেলা পাতে। সেই কথাকেই হাজৰিকাদেৱে গীতৰ মাজেৰে বৰ্ণনা কৰিছে। উক্ত গীতটোত তেওঁ শৰতক শেৱালী কোমল হাঁহিৰে সাজোন-কাচোন কৰিবলৈ আমন্ত্ৰণ জনাইছে।

হাজৰিকাদেৱ এজন প্ৰৱল আশাবাদী নাগৰিক আছিল। তেখেতৰ এই আশাবাদ তেখেতৰ গীতত দেখিবলৈ পোৱা যায়। তেওঁ লিখিছে—

*নিয়ৰ বিন্দু হ'ল জীৱন দাপোণ*
*তাতেই দেখো মই আশাৰ সপোন।*
*ক্ষুদ্ৰতে বিশালক যদি বিচৰা*
*দেখিবা বিন্দুতে সিন্ধু থাকে।*

সঁচাই, এটোপাল নিয়ৰক নিজৰ জীৱন দাপোণ কৰি লোৱাটো কোনো সাধাৰণ মানুহৰ কাম হ'ব নোৱাৰে। হাজৰিকাদেৱে সেই নিয়ৰ টোপালতে আশাৰ সপোন দেখিছিল। তেখেতে মানুহক আহ্বান কৰিছিল ক্ষুদ্ৰতে বিশালক বিচাৰিবলৈ।

হাজৰিকাদেৱে যেন নিজৰ সিংহভাগ প্ৰেমানুভূতি শৰততে হৃদয়ৰপৰা উজাৰি দিছিল। প্ৰেম হৈছে অপেক্ষাৰ অন্য নাম। এজন প্ৰেমিকে নিজৰ মনে বিচৰাজনীক গভীৰ আশাৰে অপেক্ষা কৰি থকাৰ দৰে তেখেতেও বুকুৰে বিচৰাজনীক অপেক্ষা কৰি লিখিছে—

*এটুকুৰা আলসুৱা মেঘ ভাঁহি যায়*
*মোৰো বন হংসই বাট হেৰুৱায়।*
*মই আছো শাৰদীয় খিৰিকী মুখত*
*বুকুৰে বিচৰাজনলৈ বাট চাই।*

আকৌ শৰতৰ সন্ধিয়াৰ বৰ্ণনাৰে অইন এঠাইত তেওঁ লিখিছে—

*নিয়ন চাকিয়ে আজি চকু টিপিয়াই*
*শৰৎ সন্ধ্যা মহানগৰী সজায়।*
*মাদকতা সানি আজি লিখিছোঁ চিঠি*
*চঞ্চল মেঘে যেন তাকে কঢ়িয়ায়।*

সুধাকণ্ঠই লাহি কঁকালৰ প্ৰেয়সীৰ উশাহ-নিশাহ আৰু হাঁহিটিক শৰতৰ কোমল কহুঁৱা আৰু শেৱালিৰ লগত তুলনা কৰিছে। সেই হাঁহিয়ে তেওঁৰ হৃদয় জয় কৰিছে। প্ৰেয়সীয়ে তেওঁৰ হৃদয় হৰণ কৰাৰ লগে লগে মৰমসনা মাতেৰে তেখেতে মৰমসনা গীত গাইছে। সেই গীত শুনি প্ৰেয়সীৰ চিত উখল-মাখল হৈছে।

*তোমাৰ উশাহ কহুঁৱা কোমল*
*শেৱালি কোমল হাঁহি*
......................................
.....................................
*তাকে শুনি চেনেহীৰ*
*উখল-মাখল চিত।*

হাজৰিকাদেৱৰ গীতত পোৱা যায় শৰতৰ মধুৰ বৰ্ণনা। শৰতৰ প্ৰাণ ভৰা চঞ্চলতা। সেই বৰ্ণনা অতুলনীয়। তাক আমাৰ দৰে লোকে কৈ বা লিখি শেষ কৰিব নোৱাৰি। তেখেতৰ গীতৰ গূঢ়াৰ্থ ভেদ কৰা আমাৰ সামৰ্থ্য নাই। শেষত ইয়াকেই ক'ব পাৰি যে— তেখেতৰ দ্বাৰা ৰচিত গীতসমূহ সদায়েই অসম তথা ভাৰতবাসীৰ মনত আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গান হৈ থাকিব।■

# বৰ্তমান শিক্ষা ব্যৱস্থা আৰু নৱপ্ৰজন্মৰ ভৱিষ্যৎ

।। কল্পনা কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক (কলা)

বৰ্তমানৰ যুগ প্ৰতিযোগিতাৰ যুগ। বৰ্তমান সময়ত মানুহে বিভিন্ন প্ৰতিযোগিতাত দৌৰি হাবাথুৰি খাবলগীয়া হৈছে। আমি নৱপ্ৰজন্মসকলেও এই প্ৰতিযোগিতাত ভাগ নোলোৱা নহয়। বিশেষকৈ বৰ্তমান শিক্ষাজগতখনতো যে এক বিশেষ প্ৰতিযোগিতাই গা-কৰি উঠিছে এই কথা স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। আকৌ সম্প্ৰতি শিক্ষা এক বৃহৎ ব্যৱসায়ত পৰিণত হৈছে। এই শিক্ষাৰ প্ৰতিযোগিতাত দৌৰিবলৈ গৈ অভিভাৱকসকলেও নিজৰ ল'ৰা-ছোৱালীৰ ওপৰত অনেক পঢ়াৰ বোজা জাপি দিছে। ল'ৰা-ছোৱালীসকলেও স্কুল, টিউচন আৰু অভিভাৱকৰ বাধ্যত ভালদৰে পঢ়া-শুনা কৰি বহুতো সফলতাও লাভ কৰিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত এটা নিৰ্দিষ্ট পৰ্যায়লৈ আগবঢ়াৰ পিছত প্ৰায়ভাগ দুখীয়া বা মধ্যবিত্ত শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ শৈক্ষিক জীৱনৰ সামৰণি পৰা দেখা যায়। ইয়াৰ মূলতে হ'ল বৰ্তমান শিক্ষা ব্যৱস্থাত চলি থকা জটিলতা।




ধনী-দুখীয়া প্ৰত্যেক ল'ৰা-ছোৱালীয়ে মনত বহুতো আশা লৈ কিবা এটা জীৱিকাৰ সন্ধানত শিক্ষা গ্ৰহণ কৰিববলৈ আহে। কিন্তু বেছিভাগ ল'ৰা-ছোৱালীয়ে এই শিক্ষা ব্যৱস্থাত বিমুখ হৈ উভতিবলগীয়া হয়। কাৰণ বৰ্তমান সময়ত ভালদৰে পঢ়া-শুনা কৰিলেও কৰ্মসংস্থান পোৱাটো অতি কঠিন। আমাৰ সমাজত উচ্চ শিক্ষাৰে শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক দেখিয়েই আমি এই কথা অনুধাৱন কৰিব পাৰোঁ। বৰ্তমান কোনো এটা সংস্থানৰ বাবে নিৰ্দিষ্ট বিষয়টোৰ ওপৰত বিশেষভাৱে প্ৰশিক্ষণ লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে; যিটো অৰ্থৰ অভাৱত বহুতো শিক্ষাৰ্থীয়ে লাভ কৰিব নোৱাৰে। ফলত তেওঁলোকে ইতিমধ্যে লাভ কৰা ডিগ্ৰী অৰ্থহীন হৈ পৰে। সেয়েহে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে হতাশ হৈ পৰে। ফলশ্ৰুতিত কিছুমানে আত্মহত্যাৰ পথ বাচি লয় আৰু আন কিছুমানে দিশহাৰা হৈ অপৰাধপ্ৰৱন হৈ উঠে। স্বাভাৱিকতে প্ৰশ্ন উদয় হয় এনে এক পৰিস্থিতিত এনেকুৱা এটা শিক্ষা ব্যৱস্থাৰ পৰা আমি কি আশা কৰিব পাৰোঁ! এই শিক্ষা ব্যৱস্থাত আমাৰ ভৱিষ্যত কোন দিশে গতি কৰিছে? অন্ধকাৰলৈ নে পোহৰলৈ? এই প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱাটো এতিয়া খুব কঠিন হৈ পৰিছে। কাৰণ বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোৱে সামগ্ৰিকভাৱে এক অনিশ্চয়তাৰ দিশত গতি কৰিছে। প্ৰাথমিক পৰ্যায়ৰ পৰাই চৰকাৰী স্কুলৰ ল'ৰা-ছোৱালীবোৰক এক জটিলতাৰ মাজলৈ ঠেলি দিয়া হৈছে। এইক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ কথা কিছু সুকীয়া। তথাপিও এটা নিৰ্দিষ্ট সময়ত অৰ্থাৎ উচ্চ শিক্ষাৰ ক্ষেত্ৰত সকলোকে একেটা সমস্যাই দেখা দিয়ে। মুঠতে ক'ব পাৰি যে এক বুজনসংখ্যক ল'ৰা-ছোৱালীয়ে বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ শিক্ষা আধাতে সাং কৰি হতাশাত ভুগিবলগীয়া হয়। যাৰ ফলত কিছুমান ল'ৰা-ছোৱালীয়ে বিপথে পৰিচালিত হয় আৰু কিছুমান বিদ্ৰোহী হৈ উঠে। কিছুমানে আকৌ মানসিক স্থিৰতাও হেৰুৱাই পেলায়। অৰ্থাৎ সকলোৰে ধ্বংসৰ দিশলৈ গতি কৰে। বৰ্তমান সময়ত এনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে; যিটো এটা অতি গুৰুতৰ সমস্যাত পৰিণত হৈছে। এই সমস্যা ৰোধ কৰিব নোৱাৰিলে নৱ-প্ৰজন্মৰ ভৱিষ্যতৰ লগতে দেশৰো ভৱিষ্যত অন্ধকাৰপূৰ্ণ হ'ব। কাৰণ আমি সকলোৱে জানো— "আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত"। সেয়ে আমি আমাৰ দেশখন সুস্থিৰভাৱে ৰাখিবলৈ সকলোৱে একগোট হোৱাৰ সময় আহি পৰিছে। ■



# কৰম পূজা

## দক্ষিণ কামৰূপৰ আদিবাসীসকলৰ অন্যতম এটি লোক উৎসৱ

।। পল্লৱী দাস

স্নাতক পঞ্চম যাণ্মাসিক (কলা)

নদীকেন্দ্ৰিক বৈচিত্ৰ্যৰে সমৃদ্ধিশালী অসমীয়া সমাজ সংস্কৃতি। কৃষ্টি-সংস্কৃতিৰে ভৰপূৰ বিভিন্ন জাতি-জনজাতিৰ মহামিলনৰ ভূমি অসমী আইৰ বুকুত অনাদি কালৰ পৰাই নানা উৎসৱ-পাৰ্বণে বৈচিত্ৰ্যৰ মাজত একতা আৰু অনাবিল সৌন্দৰ্যৰ সুষমা প্ৰদান কৰি আহিছে।

পৰম্পৰাগতভাৱে কৃষিজীৱি সমাজ ব্যৱস্থাৰ আচাৰ-ব্যৱহাৰ, পূজা-পাৰ্বণ, ৰীতি-নীতি, গীত-মাত আদি মুখ্য উপাদানসমূহক লৈ ৰাইজে যিবিলাক অনুষ্ঠান সময় সাপেক্ষে উদ্‌যাপন কৰে তাকেই উৎসৱ বোলা হয়। উৎসৱ শব্দটোৰ অৰ্থই হৈছে মানুহক উৎসাহিত কৰা, আনন্দত মতলীয়া কৰি তোলা।

দক্ষিণ কামৰূপৰ এটা অন্যতম বৰ্ণাঢ্য সংস্কৃতিৰ জনজাতি হ'ল আদিবাসীসকল। নানা লোক উৎসৱ-পাৰ্বণে ৰঙীণ কৰি তুলিছে আদিবাসীসকলক। তাৰ ভিতৰত এটা প্ৰধান লোক উৎসৱ হ'ল 'কৰম পূজা'। কৰম মূলতঃ এটি কৃষিভিত্তিক উৎসৱ। কৃষি কৰ্মত প্ৰকৃতিৰ পৰা যাতে কোনো ধৰণৰ বাধা পোৱা নাযায় আৰু অধিক শস্য উৎপাদন সম্ভৱ হয় তাৰে কামনাৰেই আদিবাসীসকলে বছৰি কৰম পূজা পালন কৰি আহিছে। আদিবাসীসকলে দুবিধ কৰম পূজা পালন কৰে।

১। ৰাজহ কৰম

২। জীতিয়া কৰম

ৰাজহ কৰম ভাদ মাহৰ শুক্লা একাদশী তিথিৰপৰা পঞ্চমী তিথিৰ মাজত পালন কৰা হয়। আৰু জীতিয়া কৰমৰ নিৰ্দিষ্ট সময় নাই, বছৰৰ যিকোনো সময়তে পালন কৰা হয়। প্ৰধানভাৱে কৰম পূজা কৰম গছ নামৰ বৃক্ষ এডালক লৈ কৰম ৰজাৰ নামত সমূহীয়াভাৱে আদিবাসীসকলে পালন কৰে। কৰম উৎসৱ পূৰ্ব প্ৰস্তুতি পৰ্বৰ সূচনা হয় প্ৰধানতঃ 'জাওৱা' অনুষ্ঠানটোৰ যোগেদি। জাওৱা হৈছে শস্য গজোৱা কাৰ্য। এই অনুষ্ঠানটো উপলক্ষে সাধাৰণতে পবিত্ৰ ভাদ মাহত কৰম উৎসৱ উদ্‌যাপনৰ সাতদিন আগতে অবিবাহিত ছোৱালী ন জনীয়ে ধৰিত্ৰীৰ বুকুত অধিক শস্যৰ কামনা আৰু লোক বংশ বৃদ্ধিৰ মানসেৰে ওচৰৰে নৈৰ পাৰত গৈ স্নান কৰি মন প্ৰসন্ন কৰি ভক্তি ভাৱেৰে আনুষ্ঠানিকভাৱে নৈৰ পৰা বালি-মাটি ন জনীয়ে নটা পাচিত ভৰাই আনে। তাত বুট, মাহ, মাকৈ আদি বিভিন্ন শস্যৰ বীজ অংকুৰিত হ'বলৈ দি পাত্ৰবোৰ ভক্তি সহকাৰে নিৰ্দিষ্ট ঠাইত থয়। ইফালে এই কাৰ্যবোৰ সমাধান কৰি সৰল লোক বিশ্বাসেৰে সেই ন জনী ছোৱালীয়ে পালন কৰে কেতবোৰ নিয়ম। মূল কৰম পূজাৰ আগদিনালৈকে ছোৱালীকেইজনীয়ে মূৰৰ চুলি নাবান্ধে, কুচি-মুচি নোশোৱে, অপবিত্ৰ ঠাইলৈ গমন নকৰে, নখেৰে শৰীৰত চিন হোৱাকৈ নোখোজায়। কাৰণ এনেবোৰ কাৰ্য কৰিলে গজালি ওলাবলৈ দিয়া বীজসমূহ দুৰ্বল হ'ব, পোন নহৈ বেঁকা হ'ব বুলি আদিবাসীসকলে বিশ্বাস কৰে। আৰু ছোৱালী ন জনীয়ে সদায় হিয়াভৰা ভক্তিৰে পাচি থোৱা ঠাইখিনি পবিত্ৰ কৰি ৰাখে। আৰু প্ৰতি পুৱা-সন্ধিয়া সেই নিৰ্দিষ্ট ঠাইখিনিত ঈশ্বৰক উদ্দেশ্য কৰি গীত পৰিবেশন কৰে। এনেদৰে বিভিন্ন নীতি-নিয়মেৰে সাত দিন পিছত অৰ্থাৎ মূল কৰম পূজাৰ দিনা সেই ন জনী গাভৰুৱে ৰাইজসহ কৰম গছৰ ডাল আনিব যায়। গছৰ তলত কৰম ৰজাৰ নামত ধূপ-চাকি জ্বলাই গছৰ তলত গাখীৰ ঢালি কৰম নৃত্য পৰিবেশন কৰে। দুজন অবিবাহিত ডেকাই কৰম গছৰ ডাল কাটি দিয়ে আৰু সেই ন জনী গাভৰুৱে মাটিত নপৰাকৈ কৰম গছৰ ডালটো ধৰে। কৰম গছৰ ডালটো ধৰ্মীয় নীতিৰে থাপনাৰ সন্মূখত থয় আৰু বিভিন্ন ৰীতি-নীতিৰে পূজাৰ মাংগলিক কাৰ্য আৰম্ভ হয়। ডেকা-গাভৰু, জীয়ৰী-বোৱাৰী সকলোৱে আনন্দত আপোন পাহৰা হৈ ওৰেটো নিশা ঝুমুৰ নৃত্য কৰি মনৰ তৃপ্তি পূৰণ কৰে। ইয়াত কোনো জাত-পাত ভেদা-ভেদ নাই। সমগ্ৰ আদিবাসী লোক একত্ৰিত হৈ মৰম-চেনেহৰ আলিংগনেৰে সেৱা-অৰ্চনাৰ মাজেৰে কৰম পূজা সমাপ্ত কৰে। পূজাৰ পিছদিনা সকলো সামগ্ৰী ধৰ্মীয় ৰীতিৰে নদীত বিসৰ্জন দিয়ে। এনেদৰে দক্ষিণ কামৰূপৰ আদিবাসীসকলে পালন কৰি আহিছে কৰম উৎসৱ। এই উৎসৱৰ মাজেৰে প্ৰকাশ পাই উঠিছে জাতিটোৰ সাংস্কৃতিক পৰিচয়।■

# পাতি ৰাভাসকলৰ সংস্কৃতি

।। **বৰষা ৰাভা**
স্নাতক পঞ্চম ষাণ্মাসিক (কলা)

দক্ষিণ কামৰূপ অঞ্চলৰ ৰাভাসকলৰ মাজত থকা কেইটামান সংস্কৃতি হ'ল— ফাৰকান্তি নৃত্য, বগেজাৰী, হানাঘোঁৰা, মাৰেগীতৰ নৃত্য, মহখেদা গীত আদি। এইকেইটাৰ বিষয়ে তলত চমুকৈ লিখা হ'ল—

**ফাৰকান্তি ঃ** ৰাভা ভাষাত ফাৰ মানে ৰাতি আৰু কান্তি মানে হ'ল মৃতকক আগবঢ়োৱা নৈবেদ্য বা ভোগ-ভাত। অতীতত ৰাভাসকলৰ মানুহ যুদ্ধত মৃত্যু হ'লে ৰাতিয়ে সমুহীয়াভাৱে তেওঁলোকৰ শ্ৰাদ্ধক্ৰিয়া কৰিছিল। শৱ দাহন কৰাৰ পিছদিনা শ্মশানলৈ অস্থি আনিবলৈ নাৰী-পুৰুষ উভয়ে ন-সাজেৰে সজ্জিত হৈ গৈছিল। তিৰোতাসকলে মৃত স্বামীয়ে ব্যৱহাৰ কৰা ঢাল-তৰোৱাল লৈ গৈছিল। সকলোৰে শাৰী পাতিকৈ বাওঁ ভৰি একেলগে আগবঢ়াই খোজ দি এইবাৰ সোঁ ভৰি মাটিত চোঁচৰাই লাহেকৈ সম্পূৰ্ণকৈ গা ঘূৰাই পিচফালে ঘূৰি চাইছিল দুখ মনেৰে। আকৌ বাওঁ ভৰি মাটিত চোঁচৰাই আগফালে ঘূৰাই সোঁ-বাওঁ দুয়োখন ভৰি জঁপিওৱাৰ দৰে আগবাঢ়ি খন্তেক থমকি ৰয়। এনেদৰে এক হিচাপত ভৰিৰ খোজত আগবাঢ়ি যায়। শৃংখলাবদ্ধ মানুহৰ ভৰিৰ খোজ আৰু দেহৰ লয়লাস এক নৃত্যত পৰিণত হ'ল। শিল্পীসুলভ ৰহনেৰে তাত বাদ্যযন্ত্ৰৰ সমাৱেশ ঘটিল আৰু এনেদৰে জন্ম পালে ফাৰকান্তি লোকনৃত্য।

**বগেজাৰী নৃত্য-গীত ঃ** পাতি ৰাভাসকলৰ মাজত প্ৰচলিত বগেজাৰী নৃত্য বিহুৰ সময়ত, উৎসৱ-পাৰ্বণ আদিত পৰিৱেশন কৰে। বৰ্তমান সময়ত বগেজাৰী নৃত্য কেৱল মহিলাসকলেহে পৰিবেশন কৰে। এই কৃষ্টিত ৰাভা জাতীয় পোছাকৰ বিপৰীতে ৰঙা বা সেউজীয়া ৰঙৰ মেখেলা আৰু টঙালী ব্যৱহৃত হোৱা দেখা যায়। বগেজাৰী নৃত্যৰ গীতাংশৰ ভাষা 'পাতিৰাভা'ৰ নিজস্ব শৈলীত কোৱা ৰাভামিশ্ৰিত থলুৱা অসমীয়া ভাষা। তলত বগেজাৰী গীতৰ কেইফাঁকিমান দিয়া হ'ল—

কিছুমানে বগেজাৰী গীতৰ আৰম্ভণিত সৰস্বতীক স্মৰণ কৰি এনেদৰে গায় ঃ

*'সৰস্বতী মোহিনী/গীতৰ চাহিনী*
*কায়ো বাজায় ঢাক ঢোল/কায়ো বাজায় বাঁহী*
*হায়, হায় কায়ো বাজায় বাঁহী'*
*'বগেজাৰী বাই অ'/তোৰে গীত গাং*
*মাৰে ওজাৰ চিৰী তুই/মাৰে চাবা যাং*
*হায়, হায় মাৰে চাবা যাং।'*

অৱশ্যে কিছুমান গৱেষকে বগেজাৰী গীতৰ জনক বুলি প্ৰায় ষোল্ল শতিকাৰ বগে ৰাজ্যৰ ৰাণী বগেজাৰী ৰাভাক কয়। সেয়ে এই গীতক বগেজাৰী গীত বোলে আৰু গীতৰ তালে তালে নৃত্য কৰাকে বগেজাৰী নৃত্য বোলে।

**হানাঘোঁৰা নৃত্য ঃ** এই নৃত্য ব'হাগ বিহু অথবা উৎসৱ-পাৰ্বণত পৰিবেশন কৰা হয়। হানাঘোঁৰা নৃত্যত এটা কাঠৰ ঘোঁৰা সাজি বগা কাপোৰেৰে মেৰিয়াই ঘোঁৰাটোৰ মাজত ফুটা এটা কৰি মানুহ এজনে সোমাই ঘোঁৰাটো নচুৱাই থাকে। ঘোঁৰাৰ চাৰিওফালে ৰাভা পোচাকযুক্ত ঢাল-তৰোৱাল লোৱা মানুহ কেইজনমানে গীতৰ সুৰ আৰু ছন্দ মিলাই নাচি থাকে।

**ওজাপালি ঃ** ওজাপালি নৃত্য পূজাত পৰিবেশন কৰা হয়। এই ওজাপালিত এজন ওজা আৰু কেইজনমান পালি থাকে। ওজাজনে পদ গাই বিভিন্ন অংগীভংগী কৰি অৰ্থব্যঞ্জক নৃত্য প্ৰদৰ্শন কৰে আৰু পালিবিলাকে গীত ধৰে। একে ঠাইতে থিয় হৈ থাকি ভৰি দুখন অগা-পিচা কৰি গীতৰ তাল ৰাখে।

**মহখেদা গীত ঃ** মহখেদা উৎসৱটো আঘোণৰ পূৰ্ণিমা নিশা পালন কৰে। গৰখীয়া ল'ৰাই হাতত বাঁহৰ টাঙোন লৈ গৃহস্থৰ ঘৰে ঘৰে গৈ গীত গায় আৰু নৃত্য কৰে। গৃহস্থিয়ে মহখেদা দলটোক চাউল বা টকা দি বিদায় দিয়ে। এনেদৰে মহখেদি পোৱা চাউল আৰু টকাৰে ল'ৰাবোৰে লগ হৈ খানা খায়।

বৰদুৱাৰ অঞ্চলৰ পাতিৰাভাসকলৰ মাজত এইবোৰৰ উপৰিও আইনাম, বিয়াৰগীত, গৰুচৰীয়া গীত, নাওঁখেলৰ গীত, বিহুগীত আদি থকা দেখা যায়। ■

# অসমৰ জাতীয় জীৱনৰ পটভূমি

।। **জিণ্টি বেগম,** স্নাতক পঞ্চম যাণ্মাসিক (কলা)

বিশ্বৰ ভিতৰত বৃহত্তৰ গণতান্ত্রিক দেশ ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব সীমান্তত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ বিখ্যাত শস্য-শ্যামলা সুফলা অসম এখন বৈচিত্ৰ্যময় ৰাজ্য। অসমৰ চাৰিওফালে কেৱল অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্য। প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে অসমক প্ৰকৃতিৰ চেনেহৰ নুমলী জীয়ৰী বুলি কোৱা হয়।

পৰ্বত-পাহাৰ ভৈয়ামৰ ভিন্ন ধৰণৰ সেউজীয়া গছ-গছনি, অবিৰাম গতিত বৈ থকা সৰু-বৰ অসংখ্য নদ-নদী, জান-জুৰি, নানা ধৰণৰ জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ লগতে নানান ৰং-বিৰঙৰ ফুলে অসমক জাতিষ্কাৰ কৰি ৰাখিছে। বসন্ত আৰু শৰৎ কালৰ প্ৰাকৃতিক দৃশ্যই মনত অপূৰ্ব আনন্দৰ জোঁৱাৰ তুলে।

প্ৰাকৃতিক সৌন্দৰ্যৰ বিচিত্ৰ্যতাৰ দৰেই বৈচিত্ৰ্যপূৰ্ণ অসমৰ জনগাঁথনি। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা বিনন্দীয়া অসম দেশৰ পাহাৰ-ভৈয়ামৰ ভূমিভাগত মৰমৰ এনাজৰীৰে বান্ধ খাই একত্ৰিতভাৱে বাস কৰি আছে বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-সংস্কৃতি। পূজা-পাৰ্বণ, ৰীতি-নীতি, পাৰস্পৰিক মিলা-প্ৰীতি, সম্প্ৰীতিৰে ৰচিত হৈছে বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ বৈচিত্ৰ্যময় পটভূমি। নানান ধৰণৰ জাতি-উপজাতি, জনজাতিসমূহৰ সংমিশ্ৰণত আৰু সন্মিলিত জনগাঁথনিৰে সৃষ্টি হৈছে অসমীয়া জাতি।

অসম তথা অসমীয়া জাতিৰ ঐতিহাসিক পটভূমি বুলিলে আমি পুৰণি দিনৰ অসমৰ ভূমিক ৰাজত্ব কৰা কোঁচ, কছাৰী, আহোম আদি জনগোষ্ঠীয় ৰজাসকলৰ ৰাজত্বৰ কথা ক'ব পাৰোঁ, সেয়েহে কোঁচ ৰজা মহাৰাজ নৰনাৰায়ণৰ ভাতৃ আৰু সেনাপতি বীৰ শুক্লধ্বজ চিলাৰায়, আহোমৰ বীৰ সেনাপতি লাচিত বৰফুকনক অসমীয়াৰ জাতীয় বীৰ বুলি কোৱা হয়।

শিক্ষাৰ পোহৰ নপৰা, মানুহে যুক্তি, বিচাৰ-বিবেচনা, বুদ্ধি আদিৰে ঢুকি নোপোৱা দিনত অসমৰ জনজাতি, উপজাতিসমূহৰ মাজত নানান দেৱ-দেৱী পূজা-অৰ্চনাৰ প্ৰভাৱ আছিল আৰু ইয়াৰ মূল কাৰণ আছিল পৰম্পৰাগতভাৱে চলি অহা অন্ধবিশ্বাস, যাৰফলত দেৱ-দেৱীৰ সন্তুষ্টি সাধনৰ কথা ভাবি নৰবলি দিয়াৰ দৰে অমানবীয় কামো কৰিছিল কেৱল অন্ধবিশ্বাসৰ বাবে।

অন্ধবিশ্বাসগ্ৰস্ত অসংগঠিত জনগোষ্ঠীসমূহক সংগঠিত কৰি অসমীয়া জাতি গঠনৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আজিৰ পৰা প্ৰায় পাঁচশৰো অধিক বছৰ আগতে চিন্তা কৰি সকলো জাতি-জনজাতিৰ মাজত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে যত্ন কৰিছিল। অতিশয় দূৰদৰ্শিতাৰে সকলো জাতি-জনজাতিয়ে গ্ৰহণ কৰিব পৰা বৈষ্ণৱ ধৰ্মৰ আশ্ৰয়ত মহাপুৰুষজনাই স্থাপন কৰা সন্মিলিত জনগোষ্ঠীয়ে অসমীয়া জাতিৰ পটভূমি।

অসমীয়া ভাষাই মানুহক একতাৰ ডোলেৰে বান্ধি ৰাখিব পাৰে। কিয়নো দেখা যায় যে অসমৰ থলুৱা জাতিসমূহৰ বাহিৰেও বাহিৰৰ পৰা অহা লোকসকলৰ বুজন অংশই অসমীয়া ভাষাক নিজৰ মাতৃভাষা হিচাপে গ্ৰহণ কৰা আৰু শিক্ষা-দীক্ষা গ্ৰহণ বা বহল সামাজিক পৰিৱেশত মিলি যাবৰ বাবে অসমীয়া ভাষাকে নিজৰ মাধ্যম আৰু ভাষা হিচাপে ব্যৱহাৰ কৰা দেখা যায়। অসমীয়া ভাষা আৰু বৈষ্ণৱ ধৰ্ম দুয়োটাৰ বান্ধোনে বৃহত্তৰ অসমীয়া জাতি সংস্কৃতি বিকাশত যথেষ্ট সহায় কৰিছে।

নিজৰ ভাষা এৰি অসমীয়া ভাষাকে নিজ ভাষা হিচাপে গ্ৰহণ কৰি জাতীয় সংহতি আৰু জাতীয় শক্তি আহৰণৰ উদাহৰণ তেৰশ শতিকাতে আহি অসম ভূমি প্ৰায় ছশ বছৰ ৰাজত্ব কৰা আহোমসকলে দেখুৱাইছিল। অসমৰ জাতিসমূহৰ মিশ্ৰিত ভাষা সংস্কৃতিয়ে অসমীয়া জাতি বিকাশত সহায় কৰিব বুলি আমি ক'ব পাৰোঁ।

একেখন অসমৰ অসমীয়া হিচাপে পূৰ্বৰ দৰে সাম্প্ৰতিক কালতো জাতি-জনজাতিসমূহে নিজৰ ভাষা-সংস্কৃতিৰ বিকাশৰ যত্ন কৰাৰ লগে লগে অসমীয়া জাতিসত্বা অক্ষুণ্ণ ৰখাৰ বাবে সকলোৱে যত্ন কৰাটো আমাৰ কাৰণে মংগলজনক তথা জাতিটোৰ কাৰণে সু-সংকেত। "একতাই পৰম বল" এই মন্ত্ৰেৰে থলুৱা জাতি-জনজাতিৰ লগতে বৈধভাৱে অহা বহিৰাগতখিনিৰ লগতো সংহতিবদ্ধ হৈ থাকি আমাৰ একতাৰ এনাজৰীডাল আৰু মজবুত কৰি শান্তিৰে জীৱন-যাপন কৰা উচিত। এনেদৰে বৃহত্তৰ অসমীয়া জাতি স্বাৰ্থ আৰু সুদৃঢ় জাতীয় জীৱন গঠন কৰি শৃংখলাবদ্ধভাৱে শান্তি-সম্প্ৰীতিৰে জীৱন-যাপন কৰিব পাৰিম। একতাই হ'ব আমাৰ মূল শক্তি তথা মূল মন্ত্ৰ আৰু শান্তিপূৰ্ণ সমাজ হ'ব আমাৰ বৃহৎ সফলতা।■



# অৱহেলিত অসমীয়া ভাষা

।। **মণিষা দাস,** উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

পাতনিতে মই এটা কথা স্পষ্ট কৰি দিব বিচাৰিম যে মই যি লিখিবলৈ গৈ আছো সেয়া কেৱল তেওঁলোকক কেন্দ্ৰ কৰি যিয়ে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া বাবে অসমীয়া ভাষাক উপলুঙা কৰে। যিসকলে ইংৰাজী মাধ্যমত পঢ়িও নিজৰ মাতৃভাষাক সন্মান কৰে, বহু অসমীয়া শব্দৰ অৰ্থ নাজানিলেও তাক জহাই নুফুৰি জানিবলৈ চেষ্টা কৰে, তেওঁলোকক কেন্দ্ৰ কৰি মই একো লিখিব বিচৰা নাই। বৰঞ্চ তেওঁলোকক হৃদয়ৰ পৰা শতকোটি ধন্যবাদ।

"মই ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া, গতিকে মই অসমীয়া ভাষা ক'ব টান পাওঁ, অসমীয়া লিখনি এটা পঢ়িব দিলে কষ্ট পাওঁ" ইত্যাদি ইত্যাদি কথাবোৰ আজিকালি কোৱাটো যেন প্ৰায়ভাগ ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰে তথাকথিত ফেশ্বন হৈ পৰিছে। তেওঁলোকৰ মতে অসমীয়াত কথা ক'লে, অসমীয়া কিতাপ পঢ়িলে তেওঁলোকৰ সন্মানত যেন আঘাতহে লাগিব, তথা ভুলে-শুদ্ধই দুই-এটা ইংৰাজী ক'লেহে তেওঁলোক আধুনিক। কিন্তু নিজৰ মাতৃভাষাক উপলুঙা কৰাটো, নিজৰ মাতৃভাষাটো ক'ব নাজানো বুলি গৌৰৱ অনুভৱ কৰাটো কেনেকৈ আধুনিকতাৰ পৰিচয় হ'ব পাৰে?

বহু ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ এটা ধাৰণা— যিহেতু তেওঁলোক অসমীয়া মাধ্যমৰ নহয়, গতিকে তেওঁলোকৰ অসমীয়া ভাষা, কৃষ্টি-সংস্কৃতিৰ প্ৰতি কোনো দায়িত্ব নাই। কিন্তু এয়া এক ভ্ৰান্ত ধাৰণা। উদাহৰণস্বৰূপে দেৱেন দত্ত ছাৰ এগৰাকী জনপ্ৰিয় সাহিত্যিক, সমালোচক, তথা অসমীয়া ভাষাৰ উন্নতিৰ বাবে মাত মাতি অহা এগৰাকী অন্যতম ব্যক্তি। কিন্তু তেওঁ কটন কলেজৰ ইংৰাজী বিষয়ৰ অধ্যাপক আছিল। ঠিক তেনেদৰে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গ। তেওঁ অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অৱদান কোনে নুই কৰিব সাহ কৰিব? অসমীয়া কৃষ্টি-সংস্কৃতি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰি এই গৰাকী তাৰকাই অসমবাসীক গৌৰৱান্বিত কৰি আহিছে। কিন্তু প্ৰকৃততে তেওঁ এজন ইংৰাজী মাধ্যমৰ ছাত্ৰ। গতিকে কথাবোৰ অলপ গভীৰভাৱে চিন্তা কৰাৰ সময় আহি পৰিছে।

এইটো কথা সৰ্বজনবিদিত যে আজিৰ পৃথিৱীখনৰ লগত ফেৰ মাৰিবলৈ হ'লে আমি ইংৰাজী ভাষা জানিবই লাগিব। কিন্তু ইয়াৰ অৰ্থ এইটো নেকি যে আমি নিজৰ মাতৃভাষাক জলাঞ্জলি দিম? আমি ইংৰাজী জানিব লাগিব সঁচা, কিন্তু আমি প্ৰাধান্য দিব লাগিব নিজৰ মাতৃভাষাক। সেই মাতৃভাষা, যি ভাষা আমি নিজৰ মাৰ মুখৰ পৰা শুনি শিকিছোঁ, সেই মাতৃভাষাক, যাৰ লগত আমাৰ জাতিৰ আৱেগ-অনুভূতি, অস্তিত্ব জড়িত হৈ আছে। গতিকে, এই ভাষাটোক অৱহেলা কৰাটো নিজৰ মাতৃক অৱহেলা কৰা স্বৰূপ নহয় জানো? ইতিহাসৰ পৃষ্ঠা লুটিয়ালে আমি গম পাম যে এটা সময়ত অসমৰ শিক্ষাৰ মাধ্যম অসমীয়াৰ পৰিৱৰ্তে বঙালী ভাষা কৰিব বিচৰা হৈছিল। কিন্তু চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদি বৰেণ্য ব্যক্তিসকলে কৰা বিৰোধিতাৰ ফলত অসমীয়া ভাষা জীয়াই থাকিল। কিন্তু আমি নৱপ্ৰজন্মই যদি অসমীয়া ভাষাৰ আদৰ নকৰো সেই বৰেণ্য ব্যক্তিসকলে আমাক জানো ক্ষমা কৰিব?

কিছুমান তথ্যৰ পৰা জানিব পৰা গৈছে যে অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা দিনে দিনে হ্ৰাস পাই আহিছে। আমি মানুহবোৰ ইংৰাজী ভাষা কোৱা প্ৰতিযোগিতাখনত ইমানেই বেছি দৌৰিছোঁ যে আমি পাহৰি গৈছোঁ— মাতৃভাষা অবিহনে এটা জাতি কেতিয়াও স্বয়ং সম্পূৰ্ণ হ'ব নোৱাৰে আৰু অসম্পূৰ্ণ জাতি এটা বেছিদিন জীয়াই থাকিব নোৱাৰে। গতিকে অসমীয়া ভাষাক উপলুঙা কৰি আমি নিজেই নিজৰ জাতিক ধ্বংসৰ মুখলৈ ঠেলি দিছোঁ।

শেষত এটা কথা উল্লেখ কৰাটো ভাল হ'ব— মোৰ দৰে কত হাজাৰজনে যে এনেদৰে লিখিছে। কতজনে কলমক অস্ত্ৰ হিচাপে হাতত তুলি লৈ মাতৃভাষাৰ উন্নতিৰ সপক্ষে প্ৰতিবাদ সাব্যস্ত কৰিছে। কিন্তু কিবা লাভ হৈছে জানো? বোধকৰোঁ নাই হোৱা। তাৰ কাৰণ একেটাই। যাক কেন্দ্ৰ কৰি এই লিখনিবোৰ লিখা হয়, তেওঁলোকে জানো এইবোৰ পঢ়ে? উদাহৰণস্বৰূপে মোৰ এই লেখাটোৰে লোৱা হওঁক। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত শিক্ষাৰত কিমানজন ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে এই লেখাটো পঢ়িব? তেওঁলোকে হয়তো ভাবিব— "এহ! এই অসমীয়া প্ৰবন্ধবোৰনো কোনে পঢ়ে!" এই "দক্ষিণ পট"ৰ পৰাও তেওঁলোকে বিচাৰি বিচাৰি পঢ়িব দুই এটা ইংৰাজী প্ৰবন্ধ বা কবিতা...!!! ■

# জৈৱ-জগত

## এক বৈচিত্র্যতাৰ অবিশ্বেস্য জীৱনৰেখা

**চন্দ্ৰমা দাস।।**
স্নাতক তৃতীয় ষাণ্মাসিক (বিজ্ঞান)

কি আশ্চৰ্যকৰ এই জীৱ জগত ! জৈৱ-প্ৰজাতিসমূহৰ বিশাল বৈচিত্ৰ্যতা সচাঁকৈয়ে অতুলনীয়। পৃথিৱীৰ সকলো ঠাইৰ পৰিৱেশ এক নহয়। কিছুমান ঠাই অতিশয় শীতল আৰু বৰফেৰে ঢকা, কিছুমান অতিশয় গৰম আৰু শিল-বালিৰে আৱৰা আৰু অন্য কিছুমান ঠাই কেৱল গছ-গছনিৰে বিস্তৃত হৈ থাকে। জৈৱ-বৈচিত্ৰ্য জীৱসমূহৰ অণু-পৰমাণু, জিনীয় স্তৰ আদিৰ পৰা আৰম্ভ কৰি পৰিৱেশ তন্ত্ৰলৈ আবৃত হৈ থাকে। জীৱৰ সাংগাঠনিক সকলো স্তৰত থকা সমূহ বৈচিত্ৰ্যই হৈছে জৈৱ-বৈচিত্ৰ্য। পৃথিৱীত প্ৰজাতি বৈচিত্ৰ্যতা সমভাৱে বিতৰণ নহয় আৰু ই এটা বিশেষ আৰ্হিৰে সংযোজিত হৈ থাকে। এটা অঞ্চলৰ জৈৱ-বৈচিত্ৰ্যতাই সেইখন ঠাইৰ সকলো ধৰণৰ পৰিৱেশতন্ত্ৰ, জীৱিত জৈৱ-সম্প্ৰদায় তথা সিহঁতৰ আৱাসস্থল আৰু জীৱসমূহৰ বংশগতি তথা জীৱন প্ৰক্ৰিয়া নিৰ্দ্ধাৰণকাৰী জিন আদি সকলো স্তৰকেই সাঙুৰি লয়। আমাৰ বিশ্বত জীৱিত জীৱসমূহৰ অসাধাৰণ প্ৰাকৃতিক আৱাসভূমি যেনে— শীতল-পৰ্বতমালা, পৰ্ণপাতী অৰণ্য, চিৰসেউজীয়া অৰণ্য, সাগৰ-মহাসাগৰ, মৰুভূমি, হ্ৰদ, ক্ৰান্তীয় অঞ্চল আৰু গৰম পানীৰ উহঁ আদিয়ে আমাৰ জৈৱ-বৈচিত্ৰ্যতাক বাৰুকৈয়ে আকৰ্ষণীয় কৰি তুলিছে।

জাৰ্মানীৰ কেম্পটেনত ১৯০৪ চনৰ ৫ জুলাইত জন্মগ্ৰহণ কৰা আৰ্নেষ্ট মেয়াৰ আছিল এজন যুগান্তকাৰী জীৱবিজ্ঞানী যিজনক 'বিংশ শতিকাৰ ডাৰউইন' বুলি জনা



গৈছিল। সাম্প্ৰতিক কালৰ বিৱৰ্তনবাদৰ মূল কথা 'জীৱৰ প্ৰজাতি বৈচিত্ৰ্যতাৰ উৎপত্তি' (Origin of species diversity)ৰ সৃষ্টি তেওঁ প্ৰায় এককভাৱেই কৰিছিল। প্ৰকৃততে, পৃথিৱীত উপবিষ্ট নানাধৰণৰ জীৱ আৰু পৰিৱেশতন্ত্ৰৰ পয়োভৰকে জৈৱ-বৈচিত্ৰ্য বোলে। সাধাৰণতে, জীৱমণ্ডলত বহু বৈচিত্ৰ্যতা কেৱল প্ৰজাতিৰ স্তৰতেই নহয়, জীৱৰ সাংগাঠনিক স্তৰত, কোষত থকা স্থূল অণুৰ পৰা বায়'মলৈ (Biome) পোৱা যায়। এখন ঠাইৰ জৈৱ-বৈচিত্ৰ্যতাৰ মূল নিৰ্দ্ধাৰণৰ মাপকাঠিয়ে হ'ল সেই ঠাইখনৰ প্ৰজাতিৰ সংখ্যা। অৰ্থাৎ, এটা অঞ্চল বা এখন ঠাইত যিমানে বেছি প্ৰজাতি থাকিব, সেই অঞ্চলটো জৈৱ-বৈচিত্ৰ্যতাত সিমানে চহকী হ'ব।

পৃথিৱীত জীৱৰ উৎপত্তি প্ৰায় ৩.৮ বিলিয়ন বছৰৰ আগতেই হৈছিল। তেতিয়াৰ পৰাই পৃথিৱীত জীৱৰ অপৰিমিত বৈচিত্ৰ্যতা দেখা পোৱা গৈছিল। জৰীপ কৰা তথ্য অনুসৰি (Biodiversity Action Plan, 2008) পৃথিৱীত প্ৰায় ১২ লক্ষাধিকৰো অধিক প্ৰজাতি আছে আৰু ইয়াৰে ভিতৰত ভাৰতত প্ৰায় ৪৪ হেজাৰৰো অধিক প্ৰজাতিৰ উপস্থিতিৰ তথ্য পোৱা গৈছে। পৃথিৱীত ১.৫ নিযুতৰো অধিক প্ৰজাতি থকা বুলি অনুমান কৰা হৈছে যদিও আনুমানিক ছয় নিযুতৰো অধিক প্ৰজাতি আৱিষ্কাৰ কৰি বৰ্গীকৰণ কৰিবলৈ বাকী আছে। ভাৰতবৰ্ষত এতিয়াও প্ৰায় ৪৫ হেজাৰৰো অধিক প্ৰজাতিৰ উদ্ভিদ আৰু ইয়াতকৈ দুগুণ প্ৰজাতিৰ প্ৰাণী আছে। সেইবাবে, ভাৰতবৰ্ষক পৃথিৱীৰ ১২ খন 'মেগাডাইভাৰচিটি' (Mega-diversity) দেশৰ মাজত ধৰা হৈছে। উল্লেখযোগ্য যে পৃথিৱীত এক নিযুতৰো অধিক উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতি আছে। এই উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতিবোৰক আমি আমাৰ স্থানীয় এলেকাত স্থানীয় নামেৰে জানো। এই জীৱৰ প্ৰজাতিবোৰক ভালদৰে চিনাক্তকৰণ কৰি সিহঁতৰ নামাকৰণ, শ্ৰেণীবিভাজন আদিৰে প্ৰয়োজন অনুসৰি বৰ্গীকৰণ কৰা হয়। এইবোৰেই জীৱসমূহৰ প্ৰজাতি বৈচিত্ৰ্যতাত দুগুণে প্ৰতিফলিত কৰিবলৈ সামৰ্থ হৈছে। একেদৰে, আন এক তথ্য অনুসৰি এই পৃথিৱীত ২০,০০০ প্ৰজাতিতকৈ অধিক পৰুৱা, ৩,০০,০০০ প্ৰজাতিৰ গোবৰুৱা, ২৮,০০০ প্ৰজাতিৰ মাছ প্ৰজাতি আৰু প্ৰায় ২০,০০০ প্ৰজাতিৰ লতাজাতীয় বগোৰা উদ্ভিদ (Orchid) আছে। মন কৰিবলগীয়া যে IUCN-2008 (International Union for Conservation of Nature)ৰ মতে কীট-পতংগ প্ৰজাতিৰ পৰিসাংখ্যিক তুলনা আৰু অনুপাতৰ দ্বাৰা উদ্ভিদ আৰু প্ৰাণীৰ সংখ্যা ২০-২৫ নিযুত বুলি নিৰূপণ কৰা হৈছে। কিন্তু, সৰ্বত্ৰকালৰ মহৎ জীৱবিজ্ঞানী ৰবাৰ্ট মে'ইয়ে অধিক সংৰক্ষিত ব্যৱস্থাপনা আৰু বৈজ্ঞানিকভাৱে কৰা নিৰূপণ অনুসৰি পৃথিৱীত প্ৰজাতিৰ বৈচিত্ৰ্যতা প্ৰায় সাত নিযুত বুলিহে ধৰা হৈছিল। এতিয়ালৈকে জৰীপ কৰা অনুসৰি পৃথিৱীত নথিবদ্ধ হোৱা মুঠ জীৱৰ ৭০ শতাংশৰো অধিক প্ৰজাতি হ'ল প্ৰাণী আৰু উদ্ভিদৰ (শেলাই, ঢেঁকীয়াজাতীয়, নগ্নবীজী, গুপ্তবীজী আৰু ভেঁকুৰক ধৰি); একেদৰে প্ৰাণীৰ ভিতৰত কীট-পতংগ প্ৰজাতিৰ সংখ্যাই যথেষ্ট; মুঠ প্ৰাণীৰ ৭০ শতাংশতকৈ অধিক। অৰ্থাৎ, জৈৱ-বৈচিত্ৰ্যতাৰ ফালৰ পৰা চাবলৈ গ'লে প্ৰতি ১০টা প্ৰাণীৰ ভিতৰত সাতটাই হৈছে কীট-পতংগ; যিবোৰ পৃথিৱীত বৰ্তমানেও বিৰাজমান হৈ আছে।

ভাৰতবৰ্ষৰ মাটি-কালি পৃথিৱীৰ মুঠ মাটি-কালিৰ প্ৰায় ২.৮% আৰু ইয়াত পৃথিৱীৰ মুঠ জৈৱ-বৈচিত্ৰ্যতাৰ ৮.১% জৈৱ-বৈচিত্ৰ্যতা পৰিৱেষ্টিত হৈ আছে। সেইবাবে আমাৰ দেশ ভাৰতবৰ্ষ পৃথিৱীৰ ১২ খন বিশাল জৈৱ-বৈচিত্ৰ্যতা পূৰ্ণ দেশৰ ভিতৰত অন্যতম। পৃথিৱীৰ আগশাৰীৰ মহাদেশ দক্ষিণ আমেৰিকাৰ গ্ৰীষ্ম মণ্ডলত থকা বৃহৎ আমাজান বৰ্ষাৰণ্যত পৃথিৱীৰ আটাইতকৈ বেছি জৈৱ-বৈচিত্ৰ্যতা পোৱা যায়। এই বৰ্ষাৰণ্য ৪০,০০০তকৈয়ো অধিক উদ্ভিদৰ প্ৰজাতি, ৩,০০০ৰো অধিক মৎস্য প্ৰজাতি, ১,৩০০ চৰাই প্ৰজাতি, ৪২৭ স্তন্যপায়ী প্ৰজাতি, ৪২৭ উভয়চৰ প্ৰাণীৰ প্ৰজাতি, ৩৭৮ সৰীসৃপ প্ৰজাতি আৰু ১,২৫,০০০তকৈয়ো অধিক অমেৰুদণ্ডী প্ৰাণীৰ আবাসভূমি। যেতিয়া এটা প্ৰাকৃতিক পৰিৱেশত যথেষ্ট সংখ্যক থলুৱা প্ৰজাতি থাকে আৰু এইবোৰ প্ৰজাতি জৈৱ-বৈচিত্ৰ্যতাত চহকী আৰু মানৱ কাৰ্যৰ বাবে বিঘ্নিত হোৱা নাই, এনেকুৱা পৰিৱেশক 'হট-স্পট'(Hot Spot) আখ্যা দিয়া হয়। এই জৈৱ-বৈচিত্ৰ্যতা হট স্পট্ (Biodiversity Hot Spot) অঞ্চলসমূহত বিশাল হাৰত প্ৰজাতিৰ প্ৰাচুৰ্যতা আৰু স্থানিকতা দেখা যায়।

জৈৱ-বৈচিত্ৰ্যতা কোনো ৰাজনৈতিক সীমাৰ ভিতৰত নপৰে আৰু সেয়ে সকলো দেশৰ বাবে ইয়াক সংৰক্ষিত কৰি ৰখাটো মানৱ সমাজৰ বাবে এটা উমৈহতীয়া দায়িত্ব। ১৯৯২ চনত ৰিঅ' ডি জেনেৰ'ত হোৱা ঐতিহাসিক জৈৱ-বৈচিত্ৰ্যৰ প্ৰতিনিধি সভাই (The Earth Summit) বিশ্বৰ সকলো আগশাৰীৰ দেশকেই জৈৱ-বৈচিত্ৰ্যতা সংৰক্ষণৰ বাবে আৰু ইয়াক অবিৰতভাৱে ব্যৱহাৰোপযোগী কৰি ৰাখিবৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ আহ্বান জনাইছিল। ইয়াৰ পিছত ২০০২ চনত দক্ষিণ আফ্ৰিকাৰ জোহানেন্সবাৰ্গত হোৱা পৃথিৱীৰ বহনক্ষম বিকাশ (World Summit on Sustainable Development) শীৰ্ষক সভাত ১৯০ খন দেশে ২০১০ চনৰ ভিতৰত স্থানীয়, আঞ্চলিক আৰু গোলকীয় স্তৰত বৰ্তমান হাৰত হোৱা জৈৱ-বৈচিত্ৰ্য ক্ষতিৰ পৰিমাণ অৰ্থপূৰ্ণভাৱে হ্ৰাস কৰিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। সেয়ে, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ বৰ্তমান আৰু ভৱিষ্যৎ প্ৰজন্মৰ মানৱ সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ। ■

(লেখাটো প্ৰস্তুত কৰোতে বিভিন্ন উৎসৰ সহায় লোৱা হৈছে)



# ব'হাগ মাথোঁ এটি ঋতু নহয়

।। নিৰুপম দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

*"ব'হাগ মাথোঁ এটি ঋতু নহয়*
*নহয় ব'হাগ এটি মাহ,*
*অসমীয়া জাতিৰ ই আয়ুস-ৰেখা*
*গণজীৱনৰ ই সাহ।"*

অসমৰ বিভিন্ন জনগোষ্ঠীৰ ঐক্যতাত কোনোৱে আঘাত দিয়াৰ উমান পালেই সচেতন শিল্পী ড° ভূপেন হাজৰিকাদেৱে উদাত্ত কণ্ঠৰে বিহুসুৰীয়াভাৱে উদ্বেগ প্ৰকাশ কৰিছিল— 'বৰদৈচিলাজনীৰ আগচুলি থপিয়াই মাটিলৈ নমাই আনি অসমীয়াৰ মনটোত সুমুৱাই দিবলৈ ব'হাগেই বতৰ কিজানি।'

বহু বিহুগীত গায়ো হাজৰিকাদেৱে যেন আৰু বহু কথা ক'ব পৰা নাই। এই মানসিক বেদনা লাঘৱ কৰিবৰ বাবে তেওঁ লিখিছিল এক জাতীয় চিন্তাৰ গীত— "ব'হাগ মাথোঁ এটি ঋতু নহয়"।

ব'হাগ মানে হ'ল অসমীয়া জাতিৰ যৌৱনৰ আনন্দ আৰু উচ্ছল গতি। ব'হাগেই প্ৰকৃতিক গাভৰু কৰি যৌৱনৰ ৰং গাত সানি লৈ জীৱন-সংগ্ৰামৰ বাবে প্ৰস্তুত হয়। এই সংগ্ৰামত জাগি উঠে নিজক গঢ়াৰ, জাতিক গঢ়াৰ নৱ-নৱ চিন্তা। সেইবাবেই ব'হাগ মাথোঁ এটি মাহ নহয়, ই অসমীয়া জাতিৰ আয়ুস-ৰেখা আৰু গণজীৱনৰ সাহস স্বৰূপ।

ব'হাগ আহিলেই গছত কুঁহিপাত ওলায়। বৰদৈচিলাজনী সাজি-কাচি লৰৰি আহে। নৈয়ে বিশাল ৰূপ ধাৰণ কৰে। প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপত আমি সকলো আত্মহাৰা হৈ যাওঁ। ডেকা-গাভৰুৰ মনবোৰ শিমলুৰ দৰে উৰি ফুৰে। পথাৰখন ধানেৰে সেউজীয়া কৰি তুলিবলৈ কৃষক দৃঢ় প্ৰতিজ্ঞ হয়। সেইবাবে ব'হাগ এটি বিহুগীতৰ সুৰ নহয়, কুলিৰ মাত নহয়, ই হ'ল প্ৰকৃতিৰ বৈজ্ঞানিক গতি যাৰ পম খেদি জীৱনে পায় গতি। জাতি মুক্ত হয়। সেইবাবে ভূপেন হাজৰিকাদেৱৰ ভাষাত—

*ই উজ্জলায়,*
*জীৱন-আকাশ।*

অসমীয়া জাতীয় জীৱনত বিহুৰ তাৎপৰ্য ইমান গুৰুত্বপূৰ্ণ যে জাতিটোক আনৰ আগত পৰিচয় কৰি দিবলৈ বৰ্ণ, জাতি, ধৰ্ম-নিৰ্বিশেষে বিহুটিক শৰাইত আগবঢ়াই দিওঁ। বিহু বছৰৰ ভিন্-ভিন্ তিনিটা ঋতুত হয় যদিও ব'হাগ বিহুক সবাতোকৈ শ্ৰেষ্ঠস্থান দিয়া হয়। কাৰণ কাতিত যাতে আমি অসমীয়া সমাজ কঙাল হৈ নপৰো তাৰবাবে ব'হাগেই কৃষক সমাজক সতৰ্ক কৰি দিয়ে আৰু মাঘত সকলো বিভেদ পৰিহাৰ কৰি লগে ভাগে এসাজ খাবলৈ প্ৰতিশ্ৰুতি দিয়ে। গতিকে ব'হাগক কেৱল এটা ঋতু বুলি অসমীয়া সমাজে ভাবি নলৈ যদি আমি জাতিটোৰ সৰ্বাঙ্গীন উন্নতিৰ সমল হিচাপে লওঁ তেতিয়া আমাৰ অসমীয়া সমাজৰ উন্নতি নিশ্চিত হ'ব।

হিন্দু, মুছলমান, খ্ৰীষ্টান, ভৈয়াম, পাহাৰী, যিয়েই নহওক, অসমীয়া জাতিৰ গৌৰৱময় বৈশিষ্ট্য হ'ল বিভিন্ন জনগোষ্ঠীৰ মিলাপ্ৰীতি। ন-পুৰণি সকলোৱে সাংস্কৃতিকভাৱে এটাই মাত্ৰ পৰিচয় 'লুইতপৰীয়া'। এই লুইতপৰীয়া জাতিটোক জাতি-কূলৰ প্ৰভেদে থকা-সৰকা কৰিব খুজিলে ব'হাগেই আনি দিয়ে সমদল গতি বুলি হাজৰিকাদেৱে গীতটিত উপলব্ধি কৰিছে।

ব'হাগ এক চিন্তাৰ উৎস। যিয়ে সমাজক নৱ-নৱ চিন্তাৰ খোৰাক যোগায়। এই চিন্তা জাতি গঢ়াৰ, সমাজক উন্নতিৰ দিশত আগুৱাই নিয়াৰ।

বিহুমঞ্চ পাতি ইনাই-বিনাই গীত গোৱাটোৱে ব'হাগৰ উদ্দেশ্য নহয়। সূৰ্যৰ পোহৰেৰে সমৃদ্ধ ব'হাগ এখনি সৃষ্টি দলিল। যি দলিলত আছে এন্ধাৰৰ পৰা অৰ্থাৎ জাতিভেদ, দুৰ্নীতি, অপৰাধ নিৰ্মূল কৰাৰ চাবিকাঠি।

যিদৰে মানুহে পুৰণিক ত্যাগ কৰি নতুনক আকোঁৱালি লয়, ঠিক সেইদৰে ব'হাগতো জাতিয়ে স্নান কৰি মলিয়ন বস্ত্ৰ সলায়, নতুন বস্ত্ৰ পৰিধান কৰে। ইয়াৰ অৰ্থ এয়ে যে ব'হাগত অসমীয়াই সকলো সুখ-দুখ পাহৰি নতুন জীৱনৰ পাতনি মেলাৰ সংকল্প লয়। মানুহৰ জীৱন সংগ্ৰামী। সকলো দুখ-শোকৰপৰা মুক্ত কৰি বৰদৈচিলাই আমাক জীৱন সংগ্ৰামত জয়ী হোৱাৰ প্ৰেৰণা যোগায়।

এই গীতটি ভূপেন হাজৰিকাদেৱৰ সংগীত জীৱনৰ অন্যতম কৃতিত্ব। ভূপেন হাজৰিকাদেৱৰ এই গীতটিৰ কথা অনুসৰণ কৰি অসমীয়া জাতিক আগবঢ়াব পাৰিলেহে তেওঁৰ 'ব'হাগ মাথোঁ এটি ঋতু নহয়' গীতটিয়ে সাৰ্থকতা লাভ কৰিব। ■

**উৎস ঃ** 'ভূপেন হাজৰিকাৰ গীত আৰু প্ৰাসংগিক কথা', থানেশ্বৰ কুমাৰ।

# ভাৰতীয় মুদ্ৰাৰ মূল্যৰ অৱনমন

**ৰাহুল ঠাকুৰীয়া**
স্নাতক পঞ্চম যাণ্মাসিক (কলা)



বিশ্ব বাণিজ্যত আমেৰিকান ডলাৰৰ অপৰিসীম গুৰুত্ব আছে। ইয়াৰ কাৰণ হ'ল বিশ্ব বাণিজ্যৰ সিংহভাগ আদান-প্ৰদান আমেৰিকান ডলাৰৰ জৰিয়তে হয়। সেয়েহে আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্যৰ উত্থান-পতনে আমাৰ দেশৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য বৃদ্ধি হ'লে বিদেশৰ পৰা আমদানিকৃত সামগ্ৰীৰ মূল্য হ্ৰাস হয়। আনহাতে, আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য বৃদ্ধি পালে আমদানিকৃত সামগ্ৰীৰ দাম বাঢ়ে যদিও ৰপ্তানিৰ বাবে সুচল পৰিৱেশৰ সৃষ্টি হয়। ২০১৮ চনৰ মাজভাগৰ পৰা আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য হ্ৰাস হৈ প্ৰতি ডলাৰত ৭০ টকাৰ সীমা অতিক্ৰম কৰাৰ পিছত দেশৰ অৰ্থনীতিত এটা মৃদু জোকাৰণি অনুভৱ কৰা হয়। আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্যৰ অৱনমনে বিদেশৰ পৰা আমদানি কৰা বিভিন্ন সামগ্ৰী, বিশেষকৈ খাৰুৱা তেলৰ মূল্যত প্ৰভাৱ পেলায়। অৱশ্যে ডলাৰৰ বিপৰীতে কেৱল ভাৰতীয় টকাৰ মূল্য হ্ৰাস হোৱা নাই। ২০১৮ চনৰ বৰ্ষটোৰ পিচৰ ফালে তুৰ্কীৰ মুদ্ৰা টুৰ্কিছ লিৰাৰ মূল্য দ্ৰুতগতিত পতন হোৱাৰ লগতে বিশ্বৰ প্ৰায় সকলো দেশৰ মুদ্ৰাই কম-বেছি পৰিমাণে প্ৰভাৱিত হয়। ২০১৮ চনৰ বছৰটোত আমেৰিকান ডলাৰৰ বিপৰীতে তুৰ্কীৰ লিৰাৰ মূল্য আশী শতাংশতকৈও অধিক। তুৰ্কীৰ অৰ্থনীতি বহু পৰিমাণে বৈদেশিক ঋণৰ ওপৰত নিৰ্ভৰশীল, কিন্তু সেই ঋণ পৰিশোধ কৰিবলৈ এতিয়াও দেশৰ অৰ্থব্যৱস্থাৰ বিকাশ হোৱা নাই। বিশ্ব বাণিজ্যত বহুকেইখন দেশ বাণিজ্যিক সম্পৰ্কেৰে বান্ধ খাই থাকে কাৰণে এখন দেশৰ অৰ্থনৈতিক দুৰৱস্থাই আন দেশবোৰকো প্ৰভাৱিত কৰে। তদুপৰি ভূতৰ ওপৰত দানহ পৰাদি আমেৰিকাৰ লগত তুৰ্কীৰ বৈদেশিক সম্পৰ্কৰ অৱনতিৰ কাৰণে ট্ৰাম্প প্ৰশাসনে তুৰ্কীৰ পৰা ৰপ্তানি হোৱা কেইবাবিধো সামগ্ৰীৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে। এনেবোৰ কাৰণত আগন্তুক দিনত তুৰ্কীৰ অৰ্থনৈতিক অৱস্থা আৰু শোচনীয় হ'ব বুলি অনুমান কৰা হৈছে। এনে পৰিস্থিতিত বিশ্বৰ অৰ্থনীতিত উঠা মৃদু জোকাৰণি আৰু অধিক ৰূপত ঘনীভূত হোৱাৰ আশংকা আছে।

সাময়িকভাৱে ভাৰতীয় মুদ্ৰা আমেৰিকান ডলাৰৰ তুলনাত সংকটত পৰাৰ পিচতে ৰাজনৈতিক পৰিৱেশো গৰম হৈ উঠে। আৰম্ভ হয় অভিযোগ-প্ৰতি অভিযোগৰ প্ৰতিযোগিতা। মন কৰিবলগীয়া যে ভাৰতীয় মুদ্ৰাৰ অৱনমনে ষ্টক মাৰ্কেটত বিশেষ প্ৰভাৱ পেলাব পৰা নাই। অৰ্থনৈতিক বিশেষজ্ঞসকলেও ভাৰতীয় মুদ্ৰাৰ সাময়িক মূল্য হ্ৰাসে অৰ্থনীতিত বিশেষ প্ৰভাৱ পেলাব নোৱাৰিব বুলি মন্তব্য কৰে। ভূতপূৰ্ব অৰ্থনৈতিক পৰামৰ্শদাতা কৌশিক বসুৰ মতে এই মূল্যৰ তাৰতম্যৰ পৰা ৰপ্তানি ক্ষেত্ৰ লাভান্বিত হোৱাৰ লগতে নতুন কৰ্মসংস্থানৰহে সৃষ্টি হ'ব। ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰত বৰ্তমান চাৰি লাখ নিযুত আমেৰিকান ডলাৰ আছে। গতিকে ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ সাময়িক মূল্য হ্ৰাসে দেশৰ অৰ্থনীতিত কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। আমেৰিকাৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি পোৱাৰ কাৰণে আমেৰিকান ডলাৰৰ গুৰুত্ব বাঢ়িছে আৰু এই কাৰণতো বিশ্বৰ সৰহভাগ দেশৰ মুদ্ৰাৰ তুলনাত আমেৰিকান ডলাৰৰ মূল্য অধিক সুদৃঢ় হৈছে। সেয়েহে ভাৰতৰ অৰ্থনৈতিক পৰিক্ৰমা সচিব সুভাষ গাৰ্গে কোৱাৰ দৰে, ভাৰতীয় মুদ্ৰাৰ অৱনমনৰ কাৰণ আভ্যন্তৰীণ নহয়, বৰং আন্তৰ্জাতিকহে। কিন্তু অতি পৰিতাপৰ কথা যে দেশৰ বিৰোধী দলসমূহে প্ৰকৃত কাৰণৰ অনুসন্ধান নকৰাকৈয়ে ৰাজনৈতিক মুনাফা আদায়ত ব্যস্ত হৈ পৰে। হকে-বিহকে চৰকাৰক বিপৰ্যস্ত কৰিবলৈ দেশৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে এখন নেতিবাচক ছবি ডাঙি ধৰিলে দেশৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হ'ব। দেশৰ স্বাৰ্থতকৈ ৰাজনীতি ডাঙৰ হ'ব নোৱাৰে।■

# অধ্যয়ন আৰু আমি এক সাম্প্ৰতিক সমীক্ষা

।। লক্ষ্যধৰ দলৈ
স্নাতক তৃতীয় যাণ্মাসিক (কলা)

ছাত্র জীৱনৰ প্ৰধান কৰ্তব্য হ'ল অধ্যয়ন। অৰ্থাৎ অধ্যয়নেই ছাত্র-ছাত্রীৰ জীৱনৰ প্ৰধান কাম। ইয়াৰোপৰি সমাজৰ বিভিন্ন অনুষ্ঠানত ছাত্র-ছাত্রীয়ে অংশগ্ৰহণ কৰাটো উচিত। মানুহ সমাজপ্ৰিয় জীৱন। গতিকে সমাজত থাকি সমাজৰ হৈ কিছুমান দায়িত্ব ছাত্র-ছাত্রীয়ে পালন কৰা উচিত। ছাত্র সমাজে অধ্যয়ন কৰি বহু জ্ঞান অৰ্জন কৰি আহিছে। জীৱন এটি সুন্দৰভাৱে পৰিচালনা কৰিবলৈ ছাত্র-ছাত্রীয়ে অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ। অধ্যয়ন মানে অকল পঢ়া-শুনা কৰাটোকে নুবুজায়। বৰঞ্চ যিকোনো বিষয়ৰ ওপৰত কৰা আলোচনাকো বুজায়। তথাপিও অধ্যয়ন মানে সাধাৰণ অৰ্থত পঢ়া-শুনা কৰাটোকে বুজো। ছাত্র-ছাত্রীয়ে অধ্যয়নৰ জৰিয়তে নানা জ্ঞান বুটলিবলৈ সক্ষম হয়। জীৱনৰ সমস্যাসমূহৰ সমাধান কৰাত অধ্যয়নে ছাত্র সমাজক সহায় কৰি আহিছে।

বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে সাক্ষৰতাৰ হাৰ পূৰ্বৰ তুলনাত বৃদ্ধি পাই আহিছে। এইক্ষেত্ৰত চাবলৈ গ'লে পূৰ্বৰ তুলনাত বৰ্তমান সময়ত অধ্যয়নৰ মাত্ৰাও বৃদ্ধি পাই যেন ধাৰণা হয়। কিন্তু এতিয়া এটা চিন্তা কৰিবলগীয়া বিষয় আহি পৰিছে যে আমি দিনক দিনে পঢ়িব নোৱাৰা হৈ গৈ আছো নেকি? আমাৰ দৃষ্টিত এই কথাটো সত্য যে আমি দিনক দিনে পঢ়িব নোৱাৰা হৈ গৈ আছো আৰু পঢ়িবলৈ মন নোযোৱা হৈছে। সকলো সমস্যাৰ উদ্ভৱৰ যেনেকৈ কিছুমান কাৰক থাকে, ঠিক তেনেকৈ এই সমস্যাটোৰো কিছুমান কাৰক আছে। তলত কাৰকসমূহ আলোচনা কৰা হ'ল—

**(১) ম'বাইল ফোনৰ অতিৰিক্ত ব্যৱহাৰ ঃ** আমি দিনক দিনে পঢ়িব নোৱাৰা হৈ গৈ থকাৰ এটা প্ৰধান কাৰক হ'ল ম'বাইল ফোনৰ অতিৰিক্ত ব্যৱহাৰ। বৰ্তমান সময়ত প্ৰায়ভাগ ছাত্র-ছাত্রীৰ হাতত ম'বাইল ফোন এটা থাকে। বহু ছাত্র-ছাত্রীয়ে ম'বাইল ফোনৰ ব্যৱহাৰ অধিক মাত্ৰাত কৰি আহিছে। আনকি পুৱা-গধূলিৰ পঢ়া সময়তো ম'বাইল ফোন ব্যৱহাৰ কৰে। যাৰফলত ছাত্র-ছাত্রীবোৰৰ দিনক দিনে পঢ়াৰ প্ৰতি থকা ইচ্ছা নোহোৱা হৈছে।




**(২) দূৰদৰ্শনৰ প্ৰতি অধিক মাত্ৰাত আসক্তি ঃ** বৰ্তমান সময়ত দূৰদৰ্শন অতি গুৰুত্বপূৰ্ণ বৈদ্যুতিন যন্ত্ৰ। বৰ্তমান সময়ত বিশ্বৰ সকলোবোৰ দেশতে দূৰদৰ্শনৰ ব্যৱহাৰ হৈ আহিছে। দূৰদৰ্শনৰ আগমনে মানৱ জীৱনলৈ বহুত ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াই আহিছে। যদিও দূৰদৰ্শনে মানৱ জীৱনত উপকাৰিতাৰ সৃষ্টি কৰিছে, ঠিক তেনেদৰে অপকাৰিতাৰো সৃষ্টি কৰিছে। দূৰদৰ্শনত প্ৰচাৰিত হোৱা অনুষ্ঠানবোৰে ছাত্র-ছাত্রীসমূহৰ বহুমূলীয়া সময় নষ্ট কৰি আহিছে। বিশেষকৈ বহু ছাত্র-ছাত্রীয়ে পঢ়াৰ সময়তো দূৰদৰ্শন চাই অমূল্য সময় নষ্ট কৰি আহিছে। ফলস্বৰূপে ছাত্র-ছাত্রীসমূহৰ পঢ়াৰ প্ৰতি থকা আগ্ৰহ নোহোৱা হৈছে।

**(৩) অভিভাৱকৰ গুৰুত্বৰ অভাৱ ঃ** বৰ্তমান সময়ত অত্যধিক ব্যস্ততাৰ বাবে অভিভাৱকসমূহে নিজৰ সন্তানৰ ওপৰত দিবলগা গুৰুত্ব কমি আহিছে। যাৰফলত ছাত্র-ছাত্রীসমূহৰ পঢ়াৰ প্ৰতি থকা গুৰুত্ব কমি আহিছে।

**(৪) বেয়া বন্ধুৰ সংগ ঃ** বহু ছাত্র-ছাত্রীৰ পঢ়াৰ প্ৰতি থকা ইচ্ছা কমি যোৱাৰ আন এটা কাৰক হ'ল বেয়া বন্ধুৰ সংগ। বহু ভাল ছাত্র-ছাত্রী বেয়া বন্ধুৰ সংগত পৰি বেয়া হৈ আহিছে। যাৰফলত পঢ়াৰ প্ৰতি থকা আগ্ৰহ কমি আহিছে।

**(৫) বিজ্ঞান প্ৰযুক্তিৰ উন্নয়ন ঃ** বিজ্ঞান প্ৰযুক্তিৰ উন্নয়নেও ছাত্র-ছাত্রীসমূহৰ পঢ়া জীৱনৰ ওপৰত প্ৰভাৱ পেলাই আহিছে। বিজ্ঞান প্ৰযুক্তিৰ উন্নয়নে ছাত্র-ছাত্রীক ক্ৰমে এলেহুৱা কৰি তুলিছে। যাৰফলত ছাত্র-ছাত্রীয়ে পঢ়াৰ প্ৰতি কৰিবলগীয়া কষ্ট কমাই আনিছে। ইয়াৰ ফলস্বৰূপে ছাত্র-ছাত্রীসমূহৰ পঢ়াৰ প্ৰতি থকা ইচ্ছা কমি আহিছে।

**(৬) নিয়মিত অধ্যয়নৰ অভাৱ ঃ** বৰ্তমান সময়ত বহু ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰাৰ আন এটা গুৰুত্বপূৰ্ণ কাৰক হ'ল নিয়মিত অধ্যয়নৰ অভাৱ। ম'বাইল, দূৰদৰ্শনৰ অতিমাত্ৰা ব্যৱহাৰ কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে নিয়মিত অধ্যয়নৰ পৰা আঁতৰি গৈছে, যাৰ বাবে ছাত্ৰ-ছাত্ৰীবোৰে দিনক দিনে পঢ়িব নোৱাৰা হৈছে।

**(৭) মনত 'কঠিন বিষয়'ৰ আবিৰ্ভাৱ ঃ** বৰ্তমান সময়ত বহু ছাত্ৰ-ছাত্ৰীৰ মনত 'কঠিন বিষয়' নামৰ এটি ধাৰণাৰ সৃষ্টি হৈছে। অৰ্থাৎ বহু ছাত্ৰ-ছাত্ৰীয়ে কোনো এটা বিষয় মনত কঠিন বিষয় হিচাপে ধৰি লয়, যাৰ বাবে সেই বিষয়টো পঢ়িবলৈ নিবিচাৰে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ ক্ৰমান্বয়ে পঢ়িব নোৱাৰা অথবা ইচ্ছা নোযোৱা হয়।

**(৮) প্ৰেমৰ অনুভূতি ঃ** বহু ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰাৰ আন এটা কাৰক হৈছে প্ৰেমৰ অনুভূতি জাগ্ৰত হোৱা। প্ৰেম কৰাটো অস্বাভাৱিক নহয়। কিন্তু প্ৰেম কৰাৰো এটা সময় থাকে। ছাত্ৰ জীৱনত প্ৰধান কৰ্তব্য হ'ল অধ্যয়ন; কিন্তু বহু ছাত্ৰ-ছাত্ৰীৰ পঢ়া জীৱনতে প্ৰেমৰ অনুভূতি জাগ্ৰত হয়। যাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰেম হয়। ইয়াৰ ফলত পঢ়াৰ প্ৰতি থকা গুৰুত্ব কমি অহা দেখা যায়।

**(৯) পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ ঃ** বহু ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰাৰ আন এটা কাৰক হ'ল পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ। বৰ্তমান সময়ত বিশ্বৰ সমগ্ৰ দেশতে পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ পৰিছে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ পঢ়া জীৱনৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিছে।

**(১০) ঘৰুৱা পৰিৱেশ ঃ** এজন ছাত্ৰ বা এজনী ছাত্ৰীৰ শিক্ষা জীৱনত ঘৰৰ পৰিৱেশে এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যদি ঘৰ এখনৰ পৰিৱেশ শান্তিময় হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনত ইতিবাচক প্ৰভাৱ পৰে। ঘৰৰ পৰিৱেশ মানে পৰিয়াল, ঘৰৰ চাৰিওফালৰ অৱস্থাক বুজায়। কিন্তু বহু ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰাৰ এটা প্ৰধান কাৰক হ'ল অশান্তিময় ঘৰৰ পৰিৱেশ। যিখন ঘৰত সদায় হাই-কাজিয়া বা তৰ্ক বিতৰ্ক হৈ থাকে, তেনে ঘৰৰ ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰা হয়। কাৰণ ছাত্ৰ-ছাত্ৰীয়ে সেই হাই-কাজিয়াৰ বাবে পঢ়াত মন বহুৱাব নোৱাৰে।

**(১১) শিক্ষকৰ ভূমিকাৰ অভাৱ ঃ** বৰ্তমান সময়ত বহু বিদ্যালয়, মহাবিদ্যালয়ত শিক্ষকৰ ভূমিকাৰ অভাৱ হোৱা দেখিবলৈ পোৱা গৈছে। যাৰ ফলত বহু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱন অথলে যোৱাৰ ফালে আগবাঢ়ি আহিছে। শিক্ষকৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত দিবলগা গুৰুত্বৰ অভাৱৰ বাবে বৰ্তমান সময়ত বহু ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰা হৈছে।

ওপৰোক্ত কাৰকসমূহৰ উপৰিও কিছুমান গৌণ কাৰকেও ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনত নেতিবাচক প্ৰভাৱ পেলাই আহিছে। কাৰকসমূহ হ'ল—

**(ক) সমাজৰ কিছুমান অলাগতিয়াল পৰম্পৰা ঃ** সমাজত এতিয়াও জাতিভেদ প্ৰথা, অশুচি হোৱা, ডাইনী হত্যা, বলি প্ৰথা আদি কিছুমান জঘন্য পৰম্পৰা প্ৰচলিত হৈ আছে। এইবোৰ নীতিয়ে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাই আহিছে।

**(খ) জটিল পাঠ্যক্ৰম ঃ** বহু ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব ইচ্ছা নকৰাৰ আন এটি কাৰক হ'ল জটিল পাঠ্যক্ৰম। বৰ্তমান সময়ত জটিল পাঠ্যক্ৰমৰ বাবে বহু ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ আগ্ৰহ নকৰে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব নোৱাৰা হৈ যায়।

**(গ) শিক্ষানুষ্ঠানৰ পৰিৱেশ ঃ** শিক্ষানুষ্ঠানৰ পৰিৱেশে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, নীতি-নিয়ম, শিক্ষণৰ প্ৰয়োজনীয় আহিলা, শিক্ষানুষ্ঠানৰ চাৰিওফালৰ অৱস্থাক সামৰি লয়। যদি শিক্ষানুষ্ঠানৰ পৰিৱেশ ভাল হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনত ইতিবাচক প্ৰভাৱ পৰে। যদি শিক্ষানুষ্ঠানৰ পৰিৱেশ বেয়া হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ ওপৰতো বেয়া প্ৰভাৱ পৰে। বহুসময়ত শিক্ষানুষ্ঠানৰ কঠোৰ নীতি-নিয়মেও ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনত নেতিবাচক প্ৰভাৱ পেলাব পাৰে।

ওপৰোক্ত কাৰকসমূহৰ কাৰণে বৰ্তমান সময়ত বহু ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব ইচ্ছা নকৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসমূহ ক্ৰমান্বয়ে পঢ়িব নোৱাৰা হৈছে। যিহেতু ছাত্ৰ-ছাত্ৰীসমূহ হৈছে দেশৰ ভৱিষ্যত অৰ্থাৎ দেশ এখনৰ উন্নয়নৰ অতি গুৰুত্বপূৰ্ণ সম্পদ হৈছে ছাত্ৰ-ছাত্ৰী, সেয়ে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱন অতি গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ পঢ়িব ইচ্ছা নোহোৱা আৰু পঢ়িব নোৱাৰা হোৱাটো অতি ভয়ানক সমস্যা। এই সমস্যাটো সমাধান কৰাৰ বাবে আমি সকলোৱে আগবাঢ়ি আহিব লাগিব। এই সমস্যাটো সমাধান কৰাৰ বাবে কৰিবলগীয়া কিছুমান কাৰ্য তলত উল্লেখ কৰা হ'ল—

(ক) আমি সকলোৱে সজাগ হ'ব লাগিব।

(খ) ছাত্ৰ-ছাত্ৰীসমূহে নিজৰ দায়িত্ব পালন কৰিব লাগিব।

(গ) অভিভাৱকসমূহে নিজৰ সন্তানৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।

(ঘ) শিক্ষকসমূহে ছাত্ৰ-ছাত্ৰীৰ ওপৰত গুৰুত্ব দিব লাগিব।

(ঙ) চৰকাৰে শিক্ষানুষ্ঠানৰ পৰিৱেশ উন্নত কৰাৰ বাবে বিভিন্ন কাৰ্য ব্যৱস্থা হাতত ল'ব লাগিব।

ওপৰোক্ত কাৰ্যসমূহ ভালদৰে পালন কৰি চলিলে ছাত্ৰ-ছাত্ৰীৰ পঢ়িব মন নোযোৱা আৰু পঢ়িব নোৱাৰা হোৱা সমস্যাটো সমাধান হ'ব বুলি আশা কৰিব পাৰি। ■



# বৰ্তমান সময়ৰ গান

**চন্দ্ৰমণি মালী**
স্নাতক পঞ্চম যাণ্মাসিক (বিজ্ঞান)

গান এটা মিঠা অনুভূতি। সকলো মানুহে গান ভাল পায়। এটা সুমধুৰ গানে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে, লক্ষ্যত উপনীত হোৱাত উৎসাহিত কৰে। নিজৰ দেশখন, নিজৰ ঠাইখনৰ লগতে নিজৰ সংস্কৃতিক ভাল পাবলৈ শিকায়। দেশভেদে, ঠাইভেদে গানবোৰ ভিন্ন হয়। সকলো মানুহে বিভিন্ন ধৰণৰ গান শুনে। সমাজৰ ৰীতি-নীতি, সংস্কৃতি, আৱেগ, মনোৰঞ্জনৰ লগতে সমাজৰ সমস্যাবোৰক সামৰি গানবোৰ বিভিন্ন ধৰণৰ হয়।

অৱশ্যে মোৰ এই লেখাটোত গানৰ বিষয়ে বহুল ব্যাখ্যা আগবঢ়াব বিচৰা নাই। মই কেৱল ক'ব বিচাৰিছোঁ বৰ্তমান অসমত চলি থকা গানবোৰৰ বিষয়ে। বৰ্তমান সময়ত অসমৰ সংগীত জগতখনৰ ফালে লক্ষ্য কৰিলে কিছু ক্ষেত্ৰত হতাশ হোৱা যায়। যেন এক বজৰুৱা পৰিৱেশ। দিনকদিনে অসমত যিবোৰ গান মুক্তি লাভ কৰি আহিছে বা আগতে যিবোৰ হ'ল সেই গানবোৰ শুনিলে এনে লাগে যেন সেই গানবোৰৰ অধিকাংশই এনিশা অথবা এদিনতে সৃষ্টি। সৰহসংখ্যক গান শুনিলে অসহ্যকৰ লাগে; এবাৰ শুনাৰ পাছত দ্বিতীয়বাৰ শুনিবলৈ মন নাযায়।

আচলতে এনেকুৱা হ'ল কিয় ? পুৰণি দিনৰ গানবোৰ যদি আমি শুনো তেতিয়াহ'লে বাৰম্বাৰ শুনি থাকিবলৈ মন যায়, কিন্তু এতিয়াৰ গানবোৰত দ্বিতীয়বাৰ শুনাৰ ইচ্ছা জাগি নুঠে। পুৰণি গানবোৰত অনুভৱ হোৱা মিঠা অনুভৱ বৰ্তমানৰ গানবোৰত পোৱা নাযায়। অৱশ্যে মই সকলোবোৰ গানৰ কথা কোৱা নাই। ভাল গান এতিয়াও সৃষ্টি হৈ আছে, কিন্তু কম সংখ্যক। বৰ্তমান সময়ত অসমত যথেষ্ট পৰিমাণৰ গায়ক ওলাইছে। ইয়াৰ কিছুমান গায়কৰ গান শুনিলে এনে লাগে যেন সেই গানবোৰ গায়কজনে বা গীতিকাৰজনে কেৱল জনপ্ৰিয় হ'বলৈ সৃষ্টি কৰিছে, য'ত কোনো গভীৰতা নাই। পৰিস্থিতি এতিয়া এনেকুৱা হৈছে যে কিছুমান গায়কে পান মচলা, শিখৰ, গুটখাৰ ওপৰত গান গাবলৈ লৈছে, একাংশই যেন কেৱল বনভোজ আৰু নৱবৰ্ষত বজাবৰ বাবেহে গানৰ সৃষ্টি কৰে। তেওঁলোকৰ এটাই উদ্দেশ্য যে সেই গানবোৰ বাৰে বাৰে বনভোজ স্থলীত, নৱবৰ্ষৰ নৈশ পাৰ্টিত বাজি থাকিব লাগে। কিছুমান গানৰ কথা একেবাৰে নিম্নমানৰ হোৱা দেখা যায়। কিছুমান গানত বলিউডী সংস্কৃতিৰ ব্যাপক প্ৰভাৱ পৰা দেখা যায়। আনহাতে কিছুমান গায়ক তথা গীতিকাৰে গ্লেমাৰৰ বাবে তথা জনপ্ৰিয় হ'বলৈ অইন ভাষাৰ পৰা চুৰি কৰি গান সৃষ্টি কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। কিছুমান গায়কে কেৱল ৰঙালী বিহুৰ সময়ত মঞ্চৰ নিমন্ত্ৰণ লাভৰ আশাত গান সাজু কৰে। বৰ্তমান সময়ত এইবোৰ কথা সংগীতক গভীৰভাৱে ভাল পোৱা প্ৰতিজন ব্যক্তিয়ে অনুভৱ কৰিছে। এনেকৈয়ে যদি চলি থাকে জ্যোতি-বিষ্ণু, ভূপেন হাজৰিকা, দীপালি বৰঠাকুৰ, জয়ন্ত হাজৰিকা আদিৰ দৰে মহান ব্যক্তিসকলে চহকী কৰি থৈ যোৱা অসমৰ সংগীত জগতখন থানবান হৈ যাব। এনে নহয় যে বৰ্তমান সময়ত অসমৰ আটাইবোৰ সংগীত শিল্পীয়েই একে; এনে কিছুমান গায়ক, গীতিকাৰ আছে যিসকলে সস্তীয়া প্ৰচাৰৰ পৰা আঁতৰত থাকি সংগীতৰ নিৰলসভাৱে চৰ্চা কৰি আছে। তেওঁলোকে কেৱল জনপ্ৰিয় হ'বলৈ বা অত্যধিক প্ৰচাৰ লাভ কৰিবলৈ সংগীত চৰ্চা কৰি থকা নাই, তেওঁলোকে সংগীত চৰ্চা কৰিছে যাতে গান ভাল পোৱা মানুহখিনিয়ে প্ৰকৃত গানৰ সোৱাদ পায়।■

...বৰ্তমান সময়ত এইবোৰ কথা সংগীতক গভীৰভাৱে ভাল পোৱা প্ৰতিজন ব্যক্তিয়ে অনুভৱ কৰিছে। এনেকৈয়ে যদি চলি থাকে জ্যোতি-বিষ্ণু, ভূপেন হাজৰিকা, দীপালি বৰঠাকুৰ, জয়ন্ত হাজৰিকা আদিৰ দৰে মহান ব্যক্তিসকলে চহকী কৰি থৈ যোৱা অসমৰ সংগীত জগতখন থানবান হৈ যাব।...




# ৰাগিয়াল বস্তুৰ ক্ৰমবৰ্দ্ধমান ব্যৱহাৰ আৰু ইয়াৰ ভয়াবহতা

।। হিমাংশু দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

বৰ্তমান সমাজত বহুসংখ্যক যুৱক-যুৱতীক ড্ৰাগছ আৰু মাদকদ্ৰব্য জাতীয় বস্তুৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। ই এক অতি চিন্তনীয় বিষয়, কাৰণ এইবোৰৰ কু-প্ৰভাৱ আমাৰ স্বাস্থ্যৰ ওপৰত পোনপটীয়াকৈ পৰে। এইবোৰ বস্তু পৰিহাৰ কৰি সু-স্বাস্থ্য বজাই ৰখাত আমি প্ৰত্যেকেই সজাগ হোৱাৰ প্ৰয়োজন।

অপিঅইড, কেন্নাবিনইড আৰু কোকা এলকালইডেই অপব্যৱহৃত ড্ৰাগছৰ ভিতৰত প্ৰধান। ইয়াৰে বেছিভাগ সপুষ্পক উদ্ভিদৰ পৰা উৎপন্ন হয় আৰু কিছুমান ভেঁকুৰৰ পৰাও পোৱা যায়। অপিঅইড জাতীয় ড্ৰাগছে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত আৰু পৌষ্টিক নলীত ক্ৰিয়া কৰে। হিৰ'ইন, সাধাৰণতে স্মাক (smack) বুলিও কোৱা হয়, ৰাসায়নিকভাৱেই হ'ল ডাইএচিটাইল মৰফিন আৰু ই বগা, গোন্ধহীন আৰু তিতা স্ফটিক জাত দ্ৰব্য। সাধাৰণতে বেজিৰে বা নাকেৰে শুঙি হিৰ'ইন শৰীৰত সুমুৱাই দিয়া হয়। হিৰ'ইনৰ কু-প্ৰভাৱে মানুহক বিমৰ্ষ কৰে আৰু দৈহিক কাম-কাজবোৰ লেহেমীয়া কৰে। কেন্নাবিনইড হ'ল কিছুমান ৰাসায়নিক দ্ৰব্যৰ সমষ্টি। ভাং নামৰ উদ্ভিদৰ পুষ্পবিন্যাসৰ পৰা ইয়াক সংগ্ৰহ কৰা হয়। এই গছৰ ফুল, পাত আদিৰ ৰস বিভিন্ন পৰিমাণত সংমিশ্ৰণৰ পৰা ক্ৰমে মাৰিজুৱানা, হাঁচিচ, চৰছ আৰু গাঞ্জা তৈয়াৰ কৰা হয়। নাকেৰে টানি বা মুখেৰে পান কৰা এইবোৰ মাদক দ্ৰব্যই আমাৰ শৰীৰৰ ৰক্ত সংবহন তন্ত্ৰ তথা হৃদপিণ্ডৰ ওপৰত কু-প্ৰভাৱ পেলায়। কোকা উদ্ভিদৰ পৰা কোকা এলকালইড বা কোকেইন প্ৰস্তুত কৰা হয়। কোকেইনে আমাৰ শৰীৰত কেন্দ্ৰীয় স্নায়ুতন্ত্ৰক উত্তেজিত কৰি উন্মাদনা আৰু উৎসাহ বঢ়ায়। অত্যধিক সেৱনে ভ্ৰমৰ সৃষ্টি কৰে। ভ্ৰম সৃষ্টি কৰা আন দুবিধ উদ্ভিদ হ'ল এট্ৰ'পা আৰু ধঁতুৰা। কিছুমান মানসিক ব্যাধি যেনে অৱসাদ, নিদ্ৰাহীনতা আদিৰ চিকিৎসাৰ বাবে ব্যৱহৃত বাৰবিটুৰেট, এম্ফিটেমাইন, জ'ডাইএজিপাইন, লাইচাৰজিক এছিড ডাই-ইথাইল এমাইড (LSD) আৰু আন আন একেধৰণৰ ঔষধ যুৱক-যুৱতীৰ মাজত ড্ৰাগছ হিচাপে অপব্যৱহাৰ হোৱা দেখা যায়।

ধূমপানে নিজাকৈ শৰীৰত অনিষ্ট কৰাৰ উপৰিও ড্ৰাগছ আসক্তিত অৰিহণা যোগায়। ধপাত মানুহে ধূম্ৰপান, চোবাই বা নাকেৰে শুঙি গ্ৰহণ কৰে। ধপাত বহুসংখ্যক ৰাসায়নিক পদাৰ্থৰে গঠিত। তাৰ ভিতৰত ৰাগিয়াল পদাৰ্থ নিক'টিনেই প্ৰধান। নিক'টিনে এড্ৰিনেল গ্ৰন্থিক এড্ৰিনেলিন আৰু নৰ এড্ৰিনেলিন নামৰ হৰম'ন নিঃসৰণ কৰিবলৈ উত্তেজনা প্ৰদান কৰে। এইবোৰ তেজত মিহলি হৈ উচ্চ ৰক্তচাপ আৰু হৃদপিণ্ডৰ ধপধপনি সৃষ্টি কৰে। ধূমপানে হাওঁফাওঁ, মূত্ৰথলী আৰু ডিঙিৰ কৰ্কটৰোগ সৃষ্টিত অৰিহণা যোগায় আৰু শ্বাসকষ্ট (ব্ৰংকাইটিচ, ক্ৰমফাইমেচা), হৃদৰোগ, জঠৰত ঘাঁ আদি ৰোগৰ সৃষ্টি কৰে। মুখেৰে ধপাত ল'লে মুখৰ কৰ্কটৰোগ হোৱাৰ সম্ভাৱনা প্ৰবল

হয়। ধূমপানে তেজত কাৰ্বন মন'অক্সাইডৰ পৰিমাণ বঢ়াই দিয়ে আৰু অক্সিজেন যুক্ত হিম'ৰ পৰিমাণ হ্ৰাস কৰে। ই দেহত অক্সিজেনৰ অভাৱ ঘটায়।

ড্ৰাগছ বা সুৰাৰ অপব্যৱহাৰৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব পাৰে। যদি এজন অপব্যৱহাৰকাৰীৰ ড্ৰাগছ বা সুৰা ক্ৰয় কৰাৰ ধন নাথাকে তেনেহ'লে তেওঁ চুৰিকাৰ্যত লিপ্ত হ'ব পাৰে। কু-প্ৰভাৱবোৰ অপব্যৱহাৰকাৰীৰ মাজতেই সীমাবদ্ধ নাথাকে। বহু সময়তে আসক্ত ব্যক্তিজন নিজৰ আৰু পৰিয়ালৰ মানসিক আৰু আৰ্থিক অশান্তিৰ কাৰণ হৈ পৰে।

যিবিলাকে বেজীৰে ড্ৰাগছ বা মাদক দ্ৰব্য নিজ দেহত (পোনে পোনে শিৰত বেজীৰে) সোমাই লয়, তেওঁলোকৰ এইড্ছ আৰু হেপাটাইটিছ বি ৰোগৰ সংক্ৰমণৰ সম্ভাৱনা অতি বেছি। যেতিয়া এটা বেজী বহুজনে ব্যৱহাৰ কৰে তেতিয়া এনে ৰোগ ঘটোৱা ভাইৰাছবোৰ বেজীৰ সহায়ত এজনৰ পৰা আনজনলৈ যায়। এইড্ছ আৰু হেপাটাইটিছ বি এই দুইবিধ সংক্ৰমণ হ'ল লেলেটীয়া সংক্ৰমণ আৰু তাৰ অন্তিম পৰিণতি হ'ল মৃত্যু।

কৈশোৰ কালত সুৰাপানে দীৰ্ঘকালীন প্ৰভাৱ পেলাব পাৰে। ইয়াৰ ফলত বয়স্ক অৱস্থাত অতিমাত্ৰা সুৰাপানত নিমজ্জিত হ'ব পাৰে। দীৰ্ঘকালীন ড্ৰাগছ আৰু মাদক দ্ৰব্য সেৱনে স্নায়ুতন্ত্ৰ বিকল কৰে আৰু যকৃতৰ (চিৰচিচ) বেমাৰ কৰে। গৰ্ভৱতী মহিলাই মাদক দ্ৰব্য সেৱন কৰিলে ইয়াৰ প্ৰভাৱ গৰ্ভস্থ ভ্ৰূণত পৰে।

এষাৰ প্ৰবচন আছে যে চিকিৎসা কৰি আৰোগ্য হোৱাতকৈ প্ৰতিৰোধেই উত্তম। এই প্ৰবচনটো এইক্ষেত্ৰত প্ৰযোজ্য। কৈশোৰ কালছোৱাত বিড়ী, চিগাৰেট, ধপাত, মদ আদি খোৱাৰ অভ্যাস গঢ় লৈ উঠে। সেয়েহে তেনে বয়ঃসন্ধি কালত অভিভাৱকসকলে চকু ৰখা উচিত যাতে কোনো পৰিস্থিতিতে তেওঁলোকৰ সন্তানৰ মনোযোগ মাদক দ্ৰব্যৰ দিশত ঢাল নাখায়। তলত কৈশোৰ কালত মাদক দ্ৰব্যৰ অপব্যৱহাৰ ৰোধৰ কেইটামান উপায় আলোচনা কৰা হ'ল।

**(১) অনিচ্ছাকৃত কামৰ হেঁচাক ৰোধ কৰা ঃ** পঢ়া-শুনা, খেলা-ধূলা আৰু আন যিকোনো কামতে ল'ৰা-ছোৱালীক আগবঢ়াত উৎসাহ জনাব লাগে। নিজৰ ইচ্ছা-অনিচ্ছাত আনে জোৰকৈ পৰিবৰ্তন আনিবলৈ চেষ্টা কৰিব নালাগে।

**(২) শিক্ষা আৰু পৰামৰ্শ ঃ** কিশোৰ-কিশোৰী সঠিক দিশত অগ্ৰসৰ হ'বলৈ হ'লে সঠিকভাৱে শিক্ষাদান আৰু পৰামৰ্শৰ প্ৰয়োজন। উপযুক্ত শিক্ষা আৰু পৰামৰ্শৰ দ্বাৰা ল'ৰা-ছোৱালীক সমস্যা বা হতাশাৰ পৰা আঁতৰাই ৰাখিব পাৰি।

**(৩) অভিভাৱক আৰু বন্ধু-বান্ধৱৰ সহায়-সহযোগ ঃ** সঠিক দিশত আগুৱাই যাবলৈ কিশোৰ-কিশোৰীসকলক অভিভাৱক আৰু বন্ধু-বান্ধৱৰ সহায় অত্যন্ত প্ৰয়োজনীয়। এনে সুযোগে মনক অস্থিৰতাৰ পৰা মুক্ত কৰে।

**(৪) বদ অভ্যাসৰ প্ৰতি সজাগতা ঃ** শিক্ষক-শিক্ষয়িত্ৰী আৰু পিতৃ-মাতৃয়ে ওপৰত উল্লেখিত বিপদৰ সংকেতবোৰৰ প্ৰতি চকু দিব লাগে আৰু ল'ৰা-ছোৱালী যাতে এইবোৰৰ প্ৰতি আকৃষ্ট নহয় তাৰবাবে সজাগ থাকিব লাগে। বন্ধু-বান্ধৱসকলে মাদক দ্ৰব্য গ্ৰহণৰ সম্ভেদ পালে ততালিকে কিশোৰ-কিশোৰীৰ পিতৃ-মাতৃক অৱগত কৰিব লাগে।

**(৫) অভিজ্ঞ চিকিৎসকৰ সহায় ঃ** ড্ৰাগছ্ আৰু মাদক দ্ৰব্যৰ প্ৰতি আসক্ত কিশোৰ-কিশোৰীৰ বাবে অনতি পলমে মনোবিজ্ঞানী অথবা মনঃস্তত্ত্ববিদৰ পৰা সহায় লোৱা, মাদকদ্ৰব্যৰ কবলত পৰা সকলৰ বাবে আসক্তি মুক্তিকৰণ আৰু পুৰ্নবাসনাৰ ব্যৱস্থা কৰিব লাগে। ■

---

## আন্না বাৰ্ণছ

উত্তৰ আয়াৰলেণ্ডৰ প্ৰতিভাশালী লেখিকা আন্না বাৰ্ণছে তেওঁৰ উপন্যাস 'মিল্কমেন'ৰ বাবে ২০১৮ চনৰ মেন বুকাৰ বঁটা লাভ কৰিছে। উল্লেখনীয়ভাৱে এই বঁটা লাভ কৰা আন্না উত্তৰ আয়াৰলেণ্ডৰ প্ৰথমগৰাকী সাহিত্যিক। ১৯৬২ চনত জন্মলাভ কৰা আন্নাই ইতিমধ্যে কেইবাখনো সুখপাঠ্য উপন্যাস ৰচনা কৰি সমসাময়িক ইংৰাজী সাহিত্যত এক সুকীয়া স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। 'নো বোনচ' হ'ল তেওঁৰ জীৱনৰ প্ৰথমখন উপন্যাস। এই উপন্যাসখনত তেওঁ উত্তৰ আয়াৰলেণ্ডৰ সাহিত্য জগতৰ আভ্যন্তৰীণ সমস্যাৰ ওপৰত আলোকপাত কৰিচে। তেওঁৰ দ্বিতীয়খন উপন্যাস লিটল কনষ্ট্ৰাকচনেও পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। মিল্কমেন হ'ল আন্নাৰ সাহিত্যিক জীৱনৰ বৰ্তমানলৈ সৰ্বোকৃষ্ট সৃষ্টি।



# ৰাণ হিমা ৰাণ


।। যুতিকা দাস

স্নাতক পঞ্চম যান্মাসিক(কলা)


অসমৰ গাঁৱে-ভূঞে অসংখ্য প্ৰতিভা লুকাই থাকে আৰু তেওঁলোকৰ সাফল্যৰ পিছত এইটো এটা গৌৰৱৰ বিষয় হৈ পৰে। বৰ্তমান সময়ত আমাৰ এক গৌৰৱৰ বিষয় হৈ পৰিছে হিমা দাস, যি গৰাকী কিশোৰীয়ে আন আন প্ৰতিভাবান খেলুৱৈবিলাকৰ দৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৮ বছৰীয়া এজনী সৰু ছোৱালী, ঘৰ তাইৰ নগাঁওৰ ধিঙত। হিমাই ২০১৮ চনৰ গল্ড কোষ্ট কমনৱেলথ গেমছৰ ৪০০ মিটাৰ দৌৰত ফাইনেল খেলাৰ যোগ্যতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। ভৰিত সামান্য আঘাত পাই যদিও হিমা দাসে পদক অৰ্জন কৰিবলৈ সক্ষম নহ'ল, তথাপি কিন্তু আন আন এথলীটৰ অভিজ্ঞতাৰ তুলনাত কনিষ্ঠ হৈও অপ্ৰতিৰোধ্য যুঁজ দি তীব্ৰতাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। হিমা দাসৰ কেৰিয়াৰ আৰম্ভ হোৱাৰ কাহিনী সহজ নাছিল। সৰ্বভাৰতীয় এথলেটিক ফেডাৰেচনে পাঞ্জাৱৰ পটিয়ালাত অনুষ্ঠিত কৰা বাচনি দৌৰত ৫২ ছেকেণ্ডতকৈ কম সময়তে আন বহু খেলুৱৈক চেৰ পেলাই নিজস্ব দৌৰ সম্পন্ন কৰিছিল।

নগাঁও জিলাৰ কান্ধুলীমাৰী গাঁৱৰ ৰঞ্জিত দাস আৰু জোনালী দাসৰ কন্যা হিমা দৰিদ্ৰ পৰিয়ালৰ সন্তান। হিমাই জনা নাছিল কমনৱেলথ গেমছ কি, তেওঁৰ বাবে কেৱল প্ৰয়োজন আছিল দৌৰাটোহে। পূৰ্বে হিমাই জিলা আৰু ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত এথলেটিকছ প্ৰতিযোগিতাত অংশ লৈ পিছলৈ খেলো ইণ্ডিয়া, ৰাষ্ট্ৰীয় স্কুল গেমছ আৰু যুথ গেমছত ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ভাৰতক প্ৰতিনিধিত্ব কৰি বিশ্ব স্কুল এথলেটিকছ চেম্পিয়নশ্বিপত হিমা দাসে লাভ কৰিছিল পঞ্চম স্থান। ২০১৭ চনৰ জুলাই মাহত কেনিয়াৰ নাইৰোবিত অনুষ্ঠিত বিশ্ব যুৱ চেম্পিয়নশ্বিপত পঞ্চম স্থান দখল কৰি অসমৰ নাম উজ্জ্বল কৰিছিল। গুজৰাটৰ বদোদৰাত ৰাষ্ট্ৰীয় স্কুল গেমছ প্ৰতিযোগিতাত হিমাই পুনৰ পদক অৰ্জন কৰিছিল আৰু এনেদৰেই হিমা দাসে এদিন আমাৰ সকলোৰে মধ্যমণি হৈ গ'ল্ড কোষ্ট কমনৱেলথ গেমছত ভাৰতৰ হৈ খেলি ফাইনেলত প্ৰৱেশ কৰিছিল। হিমাৰ এই সাফল্যত সমগ্ৰ অসমবাসীৰে উৎকণ্ঠাৰ সৃষ্টি হৈছিল। কিন্তু সোণৰ পদক অৰ্জন কৰিব নোৱাৰিলেও হিমা দাসে ফাইনেলত ব্যক্তিগতভাৱে শ্ৰেষ্ঠতম প্ৰদৰ্শন আগবঢ়াব পাৰিছে বুলি ধনাত্মক বাৰ্তা কঢ়িয়াই আনিছিল। ২০১৮ চনত ফিনলেণ্ডত অনুষ্ঠিত ২০ বছৰ অনুৰ্দ্ধ বিশ্ব চেম্পিয়নশ্বিপত মহিলাৰ ৪০০ মিটাৰ দৌৰত হিমাই স্বৰ্ণ পদক লাভ কৰে। এই সন্মান লাভ কৰা হিমা প্ৰথম ভাৰতীয় দৌৰবিদ। ভোগেশ্বৰ বৰুৱাই অসমত এথলেটিকছৰ যি ভেটি গঢ়িছিল, সেই ভেটি পুনৰ হিমাই সজীৱ কৰিলে। অলিম্পিয়ানৰ লগতে এছিয়ান গেমছৰ ডাবলছ পদক বিজয়ীকো হিমাই পৰাভূত কৰিছে। ৫১.৯৭ ছেকেণ্ড সময়েৰে নিজস্ব বীৰত্ব দেখুৱাই অসমৰ সাহসক পুনৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিব পাৰিছে। হিমা দাসৰ প্ৰশিক্ষক নিপন দাস হিমাক লৈ যথেষ্ট আত্মবিশ্বাসী। খুব কম সময়ৰ ভিতৰতে এটা সম্পূৰ্ণ নতুন ইভেণ্টৰ প্ৰস্তুতি চলাই অভিলেখ স্থাপন কৰা হিমা দাসৰ সম্ভাৱনা বিশ্ববাসীয়ে কেতিয়াও নুই কৰিব নোৱাৰিব। ২০১৮ চনৰ জাকাৰ্টা এছিয়ান গেমছত চমকপ্ৰদ প্ৰদৰ্শন আগবঢ়াই হিমাই দলীয়ভাৱে লাভ কৰে এটা স্বৰ্ণ পদক, এটা ৰূপৰ পদক আৰু ব্যক্তিগতভাৱে ৪০০ মিটাৰ দৌৰত আৰু এটা ৰূপৰ পদক।

হিমাৰ এই যাত্ৰাত আন বহু প্ৰতিভাই প্ৰেৰণা পাব, হিমা দাস আদৰ্শ হৈ পৰিব। বৰ্তমান সময়ত আমাৰ বহুতেই উন্নত প্ৰশিক্ষণৰ কাৰণে বিদেশী প্ৰশিক্ষক লয়। কিন্তু হিমাই স্থানীয় প্ৰশিক্ষকৰ দ্বাৰাই দীক্ষিতা হৈ তাতকৈ অধিক সফলতা অৰ্জন কৰিছে। যিজনী ছোৱালীয়ে কমনৱেলথ গেমছ কি বুলি প্ৰশ্ন কৰিছিল আজি আমি সেইজনী ছোৱালীক বিশ্বৰ টিভিৰ পৰ্দাত দেখি আছো। ফেডাৰেচন কাপৰ পূৰ্বে নিজেই ৫২ ছেকেণ্ডতকৈ কম সময়ৰ ভিতৰত দৌৰিব নোৱাৰিব বুলি সন্দেহত থকা হিমাৰ ভিতৰৰ অদম্য মনে লক্ষ্য বান্ধি লৈছিল ৪৯ ছেকেণ্ডত। আৰু সেয়েহে হিমাৰ গতি আছিল অনিৰুদ্ধ। এছিয়ান গেমছত এটাতকৈ বেছি পদক পোৱা তেৱেঁই প্ৰথম খেলুৱৈ। হিমাৰ এই গতি, এই যাত্ৰা অসমৰ বহু নতুন খেলুৱৈৰ বাবে হৈ ৰ'ব উৎসাহৰ আশ্ৰাপদ মিছিল।

হিমা তুমি আগুৱাই যোৱা, তোমাৰ ভৱিষ্যৎ উজ্জ্বল হওঁক তাৰেই কামনাৰে।

ৰাণ হিমা ৰাণ। ■

# বৰ্তমান যুগত ম'বাইল ফোনৰ প্ৰাসংগিকতা

।। **নৱজিৎ কলিতা**
স্নাতক পঞ্চম ষাণ্মাসিক (বিজ্ঞান)

ৰ্তমান যুগটো হ'ল বিজ্ঞানৰ যুগ। বিজ্ঞানৰ ন-ন আৱিষ্কাৰে যেন মানুহক বহু দূৰলৈ আগুৱাই লৈ গৈছে। এই আৱিষ্কাৰসমূহৰ ভিতৰত এটি অন্যতম আৱিষ্কাৰ হ'ল ম'বাইল ফোন। প্ৰথম অৱস্থাত এই ম'বাইল ফোনটো কথা পাতিবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত এই ফোন কম্পিউটাৰৰ দৰে হৈ পৰিছে। এই ফোনৰ প্ৰভাৱ বৰ্তমান সময়ত সৰু-সৰু ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি যুৱ-প্ৰজন্মৰ ওপৰত বাৰুকৈয়ে পৰিলক্ষিত হৈছে। আজিকালি কেঁচুৱা এটাই কান্দি থকাৰ সময়ত যদি ম'বাইলত গান বজাই দিয়ে লগে লগে কন্দা বন্ধ হৈ যায়।

আগৰ দিনত শৈশৱ কালৰ শিশুসকলে মুকলি আকাশৰ তলত বিভিন্ন খেল-ধেমালি খেলিছিল। সেই দিনবোৰ যেন সোণালী দিন আছিল। কিন্তু বৰ্তমান সময়ত শিশুসকলে আজৰি সময়ত এটা কোঠাৰ ভিতৰত আৱদ্ধ হৈ ম'বাইলত খেল খেলি নহ'লে গান শুনি বহি থকা দেখা যায়। ম'বাইল ফোনত ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন তথা সংগ্ৰহ কৰিব পাৰি। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী, উদ্যোগপতি, চাকৰিয়াল সকলোৰে লাভৱান হৈছে, কিন্তু বৰ্তমান সময়ত এই প্ৰভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ঋণাত্মক দিশত পৰা বাৰুকৈয়ে পৰিলক্ষিত হয়। ছাত্ৰ-ছাত্ৰীসকলে ফোনত ইণ্টাৰনেটৰ সুবাদত চলা চোছিয়েল মিডিয়াত ব্যস্ত হৈ থকা দেখা যায়। প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ সময়তো ম'বাইলৰ কথাই যেন ভাবি থাকে। তেওঁলোকৰ ভাৱ হয় কোন বন্ধুৱে কি আপডেট দিলে, কোনে কি মন্তব্য দিলে ইত্যাদি। ইয়ে ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাত এটা বিপৰীত প্ৰভাৱ পেলায়। ম'বাইলে ল'ৰা-ছোৱালীৰ আচৰণতো বিপৰীত প্ৰভাৱ পেলোৱা দেখা যায়।

বাছ-আস্থানত ৰখি থকাৰ সময়ত, বাছত বহি থকাৰ সময়ত, অফিচত বহি থকাৰ সময়ত মানুহে সময় পালেই ম'বাইল টিপিবলৈ ধৰা দেখা যায়। ঠিক তেনেদৰে ছাত্ৰ-ছাত্ৰীয়ে আজৰি সময় পালেই ম'বাইলটো উলিয়াই লোৱা দেখা যায়। ইয়ে তেওঁলোকৰ মানসিক বিকাশত বাধা প্ৰদান কৰে। কাৰণ আজৰি সময়ত যদি তেওঁলোকে এখন ভাল আলোচনী বা ভাল কিতাপ পঢ়ে, তেনেহ'লে বহু মানসিক উৎকৰ্ষ সাধন হ'লহেঁতেন। কাৰণ বিভিন্ন কিতাপ পঢ়িলে মানুহৰ জ্ঞানৰ লগত শব্দ জ্ঞানৰ বৃদ্ধি হয়। কাৰণ ছাত্ৰ জীৱনটো শিকাৰ সময়। মই ক'ব বিচৰা নাই যে ম'বাইলত একো নিশিকে। কিন্তু ম'বাইলত এই শিকিবলগীয়া বস্তুবোৰ প্ৰায়ে চোৱা পৰিলক্ষিত নহয়। সকলো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ আছে। গতিকে আমি ভাল দিশটোহে আকোঁৱালি ল'ব লাগে, তেতিয়া আমি বস্তুটোৰ পৰা লাভৱান হ'ম। ■



# দক্ষিণ কামৰূপ অঞ্চলৰ
# শ্ৰীশ্ৰী নিজেশ্বৰী মন্দিৰৰ ইতিবৃত্ত

।। সমৰজ্যোতি শৰ্মা
স্নাতক পঞ্চম ষাণ্মাসিক (কলা)

অসমৰ শক্তি পূজাৰ কথা ক'লে প্ৰথমে কামৰূপ জিলাৰ কথা মনলৈ আহে। কিয়নো সমগ্ৰ অসমৰ ভিতৰত শাক্তধৰ্মৰ মানুহ আৰু শক্তি মন্দিৰৰ সংখ্যা কামৰূপ জিলাত অধিক। ঠিক তেনেদৰে কামৰূপ জিলাৰ দক্ষিণ অংশতো শাক্তধৰ্মৰ প্ৰভাৱ যথেষ্ট। দক্ষিণ কামৰূপ অঞ্চলত নিজেশ্বৰী, বাঘেশ্বৰী, দুধকুঁৱৰী, চণ্ডিকা, ৰাণীচাপৰি, মনসা মন্দিৰ, টিয়াঁমাৰী, বুঢ়ীগোঁসানী, দক্ষিণেশ্বৰী কালী আদি দেৱীৰ মন্দিৰ বিদ্যমান। ইয়াৰে প্ৰমুখ হ'ল মালিয়াটা পাহাৰ নামনিত অৱস্থিত শ্ৰীশ্ৰী মা নিজেশ্বৰী মন্দিৰ।



শ্ৰীশ্ৰী মা নিজেশ্বৰী দেৱীৰ মন্দিৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত বৰকুছি নামৰ ঠাইত অৱস্থিত। এই মন্দিৰটোক 'নাককাটি' দেৱীৰ মন্দিৰ বুলিও কোৱা হয়। এই নাককাটি নামটোক লৈ জনসাধাৰণৰ মাজত দুটা প্ৰবাদ প্ৰচলন আছে। প্ৰথম প্ৰবাদ অনুসৰি দেৱী সতীৰ 'নাক' অংগ পৰি এই পীঠখনৰ নাম নাককাটি হয়। দ্বিতীয় প্ৰবাদ মতে গাঁওবাসীৰ প্ৰাৰ্থনাত দেৱীয়ে গৰু চোৰৰ সন্ধান দিয়া বাবে ক্ষোভত চোৰজনে দেৱীৰ নাকটো কাটি দিয়ে আৰু তেতিয়াৰ পৰা নাককাটি নাম হয়। কিন্তু প্ৰবাদৰ সত্যতা নিৰূপণ কৰাটো সহজ নহয়। কাৰণ যিডোখৰ প্ৰকাণ্ড শিলত দেৱীমূৰ্তি খোদিত আছে, সেই মূৰ্তি যে দেৱীৰে মূৰ্তি সেয়া বৰ স্পষ্ট নহয়। নিজৰাৰ পাৰৰ নিৰ্জন ঠাইত এই মন্দিৰটো অৱস্থিত কাৰণে পিছলৈ এই মন্দিৰৰ নাম নিজেশ্বৰী হয়।

১৯৬৩ চনত এই নিজেশ্বৰী দেৱীৰ মন্দিৰটো ৰাজহুৱাভাৱে নিৰ্মাণ কৰা হয়। এই মন্দিৰৰ মুখ্য দেৱী হ'ল শীতলা। মুখ্য মন্দিৰটোৰ লগতে আন কেইবাটাও মন্দিৰ দেখিবলৈ পোৱা যায়। সেয়া হৈছে— মা ভগৱতী মন্দিৰ, হৰ-গৌৰী মন্দিৰ, মনসা মন্দিৰ, বিষহৰি থান, শিৱ মন্দিৰ, শ্যামা কালী মন্দিৰ, দক্ষিণা কালী মন্দিৰ।

নিজেশ্বৰী মন্দিৰৰ প্ৰধান ধৰ্মীয় উৎসৱ হৈছে মনসা বা মাৰৈ পূজা। প্ৰতি বছৰ আগষ্ট মাহত তিনিদিনীয়াকৈ মাৰৈ পূজাৰ আয়োজন কৰা হয়। ১৯৬১ চনত পোন প্ৰথমবাৰ ইয়াত মাৰৈ পূজা কৰা হৈছিল। সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ ভিতৰত এই মন্দিৰটোৱে একমাত্ৰ দেৱী মন্দিৰ, য'ত বলি প্ৰথা নিষেধ। ইয়াত ছাগলী, পাৰ, হাঁহ, কোমোৰা আদি উৎসৰ্গা কৰা হয়।

জনবিশ্বাস অনুসৰি দেৱী এই মন্দিৰত জীৱিত অৱস্থাত আছে এডাল বগা সৰ্পৰূপে। মাজে-সময়ে কিছুমান ভাগ্যৱান ভক্তক দৰ্শন দিয়ে। এইগৰাকী দেৱী ভয়ানক মাৰিমৰকৰ পৰা ৰক্ষা কৰা দেৱী। লগতে বিভিন্ন ধৰণৰ অলৌকিক ঘটনাৰ দ্বাৰা দেৱীয়ে নিজৰ অস্তিত্বৰ প্ৰমাণ দিয়াৰ নিদৰ্শনো এই মন্দিৰটোত বহুত আছে। ■

**সহায়ক পুথি ঃ** 'বিষহৰি' (১৯৯৪), ৰূপালী জয়ন্তী বৰ্ষ, নিজেশ্বৰী মন্দিৰ।
**তথ্য দাতা ঃ** শ্ৰীসুৰেণ গোস্বামী (৭৬ বছৰ), বৰকুছি।



# নেচনেল কেডেট ক'ৰ্প্চ্

।। সমৰ দাস
স্নাতক পঞ্চম ষাণ্মাসিক (কলা)

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী কাহিনী বা National Cadet Corps হ'ল স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সুদক্ষ নাগৰিক কৰি গঢ়ি তোলাৰ উদ্দেশ্য স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ প্ৰাথমিক প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে অন্যান্য কাৰ্যকলাপৰ প্ৰশিক্ষণ দিয়া এটা সংগঠন। যাক পণ্ডিত হৃদয় নাথ কুঞ্জুৰুদেৰৰ উপদেশ মৰ্মে এটা ৰাষ্ট্ৰীয় পৰ্যায়ত সৈনিক ছাত্ৰ সংগঠন খোলাৰ উদ্দেশ্যে ১৯৪৮ চনৰ ১৬ এপ্ৰিলত National Cadet Corps Actৰ আৰ্হিত প্ৰতিষ্ঠা কৰা হয়। 'হম সব ভাৰতীয় হৈ' শীৰ্ষক গানটো ১৯৮২ চনৰপৰা NCC গান হিচাপে গোৱা হয়। NCCৰ মূল সিদ্ধান্তই হৈছে 'একতা আৰু অনুশাসন'। প্ৰতিবছৰৰ নৱেম্বৰ মাহৰ চতুৰ্থ দেওবাৰে NCC দিৱস হিচাপে পালন কৰি অহা হৈছে।

NCC প্ৰতীক চিহ্নত থকা ১৭টা পদুম ফুলে দেশত NCCৰ ১৭টা নিৰ্দেশালয়ক সূচায়। আৰু প্ৰতীক চিহ্নৰ একেবাৰে বাওঁফালে থকা ৰঙা ৰঙে স্থলসেনা, গাঢ় নীলা ৰঙে নৌসেনা আৰু পাতল নীলা ৰঙে বায়ুসেনাক সূচায়। NCCৰ মুখ্য কাৰ্যালয় দিল্লীত অৱস্থিত। অসমৰ NCC গোট সমূহ North Eastern Region Directorateৰ অধীনত আহে আৰু ইয়াৰ মুখ্য কাৰ্যালয় শ্বিলঙত অৱস্থিত।

সাহসিক কাৰ্যকলাপৰ লগতে ভাৰতবৰ্ষৰ সেনাত যোগদান কৰিবলৈ ইচ্ছা থকা ছাত্ৰ-ছাত্ৰীৰ বাবে NCC এটা সুৱৰ্ণ সুযোগ কিয়নো তিনি বছৰৰ অতি কঠিন প্ৰশিক্ষণ যেনে শাৰীৰিক ব্যায়াম, Drill, ৰাইফল শ্যুটিং, ঘোঁৰা চলোৱা, Para gliding, Disaster management আদিৰ ওপৰিও ওপৰঞ্চিভাৱে Air wing cadet সমূহৰ বাবে Aeromodelling, flying আৰু Navy wing cadetৰ বাবে Ship modelling, sailing আদিৰ দৰে অভিজ্ঞতা প্ৰদান কৰা হয়। দেশৰ বিভিন্ন ঠাইত সময়ানুযায়ী অনুষ্ঠিত কৰা শিৱিৰসমূহত tracking, mountaineering, Defence unit সমূহত সৈন্যবাহিনীৰ লগত থকা অভিজ্ঞতাৰ লগতে বেলেগ ৰাজ্যৰ কেডেটসমূহৰ লগত থকাৰো অভিজ্ঞতা প্ৰদান কৰা হয়। তদুপৰি নিৰ্বাচিত কিছু কেডেটক বিদেশলৈ লৈ গৈ বিদেশৰ সেনাৰ লগতো ভাৱ বিনিময় কৰিব দিয়া হয়। এই সকলোবোৰ অভিজ্ঞতাই কেডেটসমূহক সাহসী, একতা ভাৱ, সততা, নিয়মানুৱৰ্তী, দেশভক্ত কৰি তোলে।

তিনিবছৰীয়া NCC ৰ প্ৰথম বছৰত 'A' Certificate, দ্বিতীয়ত 'B' আৰু তৃতীয় বছৰত 'C' Certificate প্ৰদান কৰা হয়। বিভিন্ন বিশ্ববিদ্যালয় আৰু শিক্ষানুষ্ঠানত NCC কেডেটৰ বাবে আসন সংৰক্ষিত হৈ থাকে। NCC 'C' Certificate থাকিলে স্থলসেনাৰ 'GD' লিখিত পৰীক্ষা আৰু NDA পৰীক্ষাৰ SSB সাক্ষাৎকাৰ দিয়া প্ৰয়োজন নাই। যদি এজন NDA পৰীক্ষাৰ্থীৰ সৰু স্বাস্থ্যজনিত খুঁত থাকে তেতিয়াহ'লে তাক গণ্য কৰা নহয়। ইয়াৰোপৰি প্ৰতিৰক্ষা বিভাগৰ বিভিন্ন পৰীক্ষাত 'A' Certificate থকা সকলক ৫%, 'B' Certificate থকাক ৮% আৰু 'C' certificate থকাসকলক ১০% অতিৰিক্ত নম্বৰ প্ৰদান কৰা হয়।

ভাৰতবৰ্ষৰ বাবে NCCক সদায় প্ৰতিৰক্ষাৰ দ্বিতীয় শাৰী (2nd line of defence) হিচাপে গণ্য কৰা হয়। ১৯৬৫ আৰু ১৯৭১ৰ ভাৰত-পাক যুদ্ধৰ সময়ত অস্ত্ৰ-শস্ত্ৰ, খাদ্য সামগ্ৰী জোৱানসকলক যোগান ধৰাৰ দায়িত্ব NCCয়ে বহন কৰি সহায় কৰিছিল। আকৌ সাধাৰণ জনতাৰ বাবে বিভিন্ন সময়ত দেশত হোৱা প্ৰাকৃতিক দুৰ্যোগত উদ্ধাৰকাৰী দল হিচাপে, ডাঙৰ মেলা যেনে অম্বুবাচী মেলাত স্বেচ্ছাসেৱক হিচাপে, সময় সাপেক্ষে ট্ৰেফিক পুলিচ হিচাপে আৰু লগতে NCC গোটসমূহে অনুষ্ঠিত কৰা চাফাই অভিযান, ৰক্তদান শিৱিৰ আদিত নিজৰ সেৱা প্ৰদান কৰি আহিছে।

দেশৰ হকে NCCয়ে নিৰন্তৰ সেৱা প্ৰদান কৰি আহিছে আৰু দেশৰ ভৱিষ্যতৰ বাবে দায়িত্বশীল, ধৰ্মনিৰপেক্ষ নাগৰিক নিৰ্মাণ কৰি আহিছে আৰু থাকিব। এনেকুৱা এটা সংগঠনৰ অংশ হ'বলৈ পাই প্ৰতিজন NCC কেডেট গৰ্বিত আৰু ভৱিষ্যতলৈও ভাৰতবৰ্ষৰ একতা, অখণ্ডতা বহন কৰি ৰাখিবলৈ প্ৰতিজন কেডেট সংকল্পবদ্ধ। আমি আমাৰ ভৱিষ্যত প্ৰজন্মকো NCCৰ দৰে সংগঠনৰ অংশ হৈ দেশৰ উন্নতি আৰু সমৃদ্ধিৰ বাবে প্ৰেৰিত কৰাটো উচিত। ■

# দক্ষিণ কামৰূপ অঞ্চলৰ আদিবাসীসকলৰ শব্দ-ভাণ্ডাৰ ঃ এটি আলোচনা

।। মানস জ্যোতি বড়া
স্নাতক পঞ্চম যাণ্মাসিক (কলা)

অসমৰ চাৰিওফালে জনজাতীয় লোক সিচঁৰতি হৈ আছে। অসমৰ প্ৰতিখন জিলাই জনজাতিৰে ভৰপূৰ। অসমৰ বিভিন্ন জিলাসমূহৰ ভিতৰত কামৰূপ জিলাৰ দক্ষিণ কামৰূপ অঞ্চলটো অন্যতম। ইয়াক জনজাতিৰ প্ৰধান অঞ্চল বুলি ক'ব পাৰি। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত এই অঞ্চলত অজনজাতীয় লোকৰ লগতে জনজাতীয় লোকৰ সংখ্যা যথেষ্ট আছে। এই অঞ্চলত দেখা পোৱা জনজাতিসকলৰ ভিতৰত গাৰো, হাজং, খাচী, ৰাভা, বড়ো আৰু কাৰ্বিলোক প্ৰধানভাৱে পোৱা যায়। ইয়াৰ উপৰিও আদিবাসীসকলো এই অঞ্চলত আছে।

দক্ষিণ কামৰূপৰ আদিবাসী বুলি ক'লে বাগান অঞ্চলতে এওঁলোকৰ অধিক জনবসতি পৰিলক্ষিত হয়। বাগান অঞ্চলৰ বিভিন্ন গাঁও যেনে— বৰঝাৰ, লামপাৰা, ধেৰকাজুলী, চানপুৰ, হাতীডঙা, লোকাৰী, পুৰাণ লাইন, পাক্কা লাইন আদিত এওঁলোকে বসবাস কৰে। এই গাঁওসমূহৰ ভিতৰত বাগান অঞ্চলৰ বৰঝাৰ গাঁওখনত আদিবাসীসকল অধিক পৰিমাণত দেখা যায়।

এই গাঁওখনৰ নামটোৰ ক্ষেত্ৰত জনশ্ৰুতি অনুসৰি এই গাঁওখনত আগতে বহুত ডাঠ অৰণ্য আছিল। অৰ্থাৎ বৰ বৰ ঝাৰ আছিল আৰু সেইকাৰণে এই ঠাইখিনিৰ নাম বৰঝাৰ নামেৰে নামাকৰণ কৰা হয়। এই গাঁওখনত বাস কৰা আদিবাসীসকল মূলতঃ 'উৰাং' উপাধিৰ লোক। এওঁলোকৰ প্ৰধান ভাষা হ'ল 'কুড়ুঁখ'। এওঁলোকৰ কিছুমান নিজস্ব শব্দ আছে, যাৰ এটি আলোচনা তলত আগবঢ়োৱা হ'ল—

**(ক) সম্বন্ধৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| মাতৃ | আই |
| পিতৃ | বা |
| পুত্ৰ | এঙ্গদাছ |
| কন্যা | এংদা |
| খুৰা | কাকা |
| খুৰী | কাকী |
| ককাই | দাদা |
| ভনী | ইংড়ী |
| বাই | দাই |
| আইতা | আজ্জি |
| ককা | আজ্জ |
| ল'ৰা | খাদ্দাছ |
| ছোৱালী | খাদ্দ' |

**(খ) শাক-পাচলিৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| উৰহী | ছেম্বী |
| কেৰেলা | কাৰ্লা |
| বেঙেনা | বেংনা |
| ভেন্দী | ভিণ্ডি |
| পদিনা | ফুদ্না |
| পিঁয়াজ | পিঁয়াজ |
| আলু | আলুৱা |
| লাও | লাৱা |
| কোমোৰা | চিৰ্গী |
| ভোল | গংৰা |
| জিকা | ঝিঙা |
| লাইশাক | মানীআখড়া |

**(গ) ফল-মূলৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| আপেল | আপেল |
| কল | কলা |
| নাৰিকল | নাৰকল |
| খেজুৰ | খিজুৰ |
| অমিতা | পিপাৰ |
| নেমুটেঙা | লিম্বু |

| | |
|---|---|
| কঁঠাল | কাঠাল |
| আম | টাট্খা |
| অমৰা | আম্ড়’ |
| মধুৰী আম | টেমৰছ |
| ঔটেঙা | চাল্টা |
| বগৰী | বগ্ড়ী |

**(ঘ) খাদ্য বস্তুৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| ভাত | মাণ্ডী |
| তৰকাৰী | আম্খী |
| চিৰা | চিউড়া |
| চাউল | তিখিল |
| মাকৈ | জিনহৰ |
| মাংস | আহড়া |
| ধান | খেচ্ছে |
| পানী | আন্মু |
| তিল | কেঁছা |
| মটৰমাহ | বাট্রা |

**(ঙ) ঘৰুৱা বয়-বস্তুৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| থাল | থাড়া |
| বাতি | বাটি |
| কেৰাহী | কাৰাহী |
| ঘটি | লটা |
| চামুচ | চামুচ্ |
| ঘৰ | এড়পা |
| চাকি | ঢিব্ৰী |
| চৌকা | চুল্হা |
| হেঁতা | কাৰছুল |
| চকী | চাউকী |

**(চ) জীৱ-জন্তুৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| গৰু | আড্ড’ |
| ম’হ | মানমা |
| ঘোঁৰা | ঘঁড়া |
| ছাগলী | এড়া |
| কুকুৰ | আল্লা |
| মেকুৰী | বেৰ্খা |
| বাঘ | লাক্ড়া |
| হাতী | হাথী |
| ভালুক | ভালু |
| গাহৰি | কিচ্ছী |
| বান্দৰ | বান্দ্ৰা |
| মাছ | ইঞ্জ’ |

**(ছ) চৰাইৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| পাৰ | পাৰ’/পেৰৱা |
| কপৌ | পাড়কী |
| কুলি | কুইলি |
| ফেঁচা | দুন্দু |
| শালিকা | মাইনা |
| বাদুলী | ভাদ্ড়ী |
| কাউৰী | শাশা |
| কুকুৰা | খেৰ |
| ঘনচিৰিকা | চ’ৰ’ |
| বুলবুলি | ফিক্ড়’ |

**(জ) কীট-পংতগৰ নাম ঃ**

| অসমীয়া | উৰাং |
|---|---|
| মহ | ভূঁছড়ী |
| মাখি | টিংলী |
| পোক | পকা |
| ওকণী | পেন |
| বিছা | পজগ |
| কেঁকোৰা | কাকড়’ |
| জেঠি | ঠিকঠিকি |
| ভেকুলী | মুখা |
| মকৰা | মাক্ড়া |
| উইচিৰিঙা | গণ্ডাল্খ |

**(ঝ) অন্যান্য ঃ**

| অসমীয়া | উৰাং |
|---|---|
| গছ | মান্ন’ |
| পাহাৰ | পার্তা |
| আকাশ | আকাস |
| ভগৱান | ভাগৱান |
| নদী | খাড়’ |
| বেলি | বিড়ি |
| পথাৰ | খাল্ল’ |





# হিমা আৰু ৰীমা

## ভৱিষ্যতৰ সোণালী সপোন

।। কপিল বৰুৱা

স্নাতক পঞ্চম ষাণ্মাসিক (বিজ্ঞান)

মানুহৰ জীৱনক সময় আৰু কৰ্ম উভয়েৰে জুখিব পাৰি। মহামানৱ মহাত্মা গান্ধীৰ বাণীয়েই হৈছে— কৰ্মই ধৰ্ম। মানুহৰ বাবে এক কৰ্মময় জীৱনহে প্ৰকৃত সফল জীৱন। কৰ্মৰ কোনো সৰু-বৰ নাই। এই ধৰাত আদি কালৰ পৰাই প্ৰত্যেকজন মানুহেই ভিন্ন ভিন্ন কৰ্মত ব্ৰতী হৈ আহিছে। ঋষি-মুনিসকলে তপস্যা কৰিছে, ধৰ্মগুৰুসকলে ধৰ্ম প্ৰচলন কৰিছে, ৰজা-মহাৰজাসকলে অন্য দেশ, ৰাজ্য জয় কৰিছে, পণ্ডিতসকলে আনক জ্ঞান দিছে, কোনোবাই জ্ঞান লভি বৈজ্ঞানিক আহিলা-পাতি সাজিছে, কোনোবাই বোলছবি নিৰ্মাণ কৰিছে, কোনোবাই শৰীৰ চৰ্চা কৰিছে, কোনোবাই খেল-ধেমালি কৰিছে, কোনোবাই মানুহৰ মৌলিক প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ খেতি-বাতি কৰিছে, ঘৰ-দুৱাৰ সাজিছে, সাজ-পাৰ তৈয়াৰ কৰিছে। স্পষ্টভাৱে ক'ব পাৰি সকলো মানুহ কৰ্মৰ ওপৰত নিৰ্ভৰশীল। কোনোবাই নিজ কৰ্মদক্ষতাৰে জগত জিনিছে। নিজ কৰ্মৰ ফলস্বৰূপে মানুহৰ সন্মুখত এটা জাতিৰ নাম সগৌৰৱেৰে আগবঢ়াই দিব পাৰিছে। এনে দুগৰাকী অসমৰ সু-কন্যাৰ নাম হিমা দাস আৰু ৰিমা দাস। এই দুগৰাকী কন্যাই নিজ নিজ কৰ্মক্ষেত্ৰত যিমানখিনি সুনাম অসমীয়া জাতি তথা সমগ্ৰ দেশলৈ কঢ়িয়াই আনিছে সেয়া সঁচাকৈয়ে লেখত ল'বলগীয়া।

মানুহ সামাজিক প্ৰাণী হিচাপে সমাজৰ ওচৰত বহুক্ষেত্ৰত দায়বদ্ধ। অইন মানুহৰ দৰেই এই দুগৰাকী অসম কন্যাক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাত তেওঁলোকৰ সমাজৰ বহুতো মানুহৰ অৱদান আছে। প্ৰথমে পিতৃ-মাতৃ, ভাই-ভনী, আত্মীয়-কুটুম্ব, শিক্ষক-শিক্ষয়ত্ৰী আদি সকলোৰেই উল্লেখনীয়। এওঁলোকৰ প্ৰতি থকা কৰ্তব্য আমি সাধাৰণ মানুহখিনি তথা এই দুগৰাকী অসম কন্যায়ো অস্বীকাৰ কৰিব নোৱাৰে। আজিৰ তাৰিখত দুয়োগৰাকীয়ে যিটো স্তৰত আছে সেই সকলোখিনি নিজৰ কৰ্মৰ বলতহে। দুয়োৰে ব্যক্তিগত জীৱন-কাহিনীৰ জ্ঞান নাই যদিও এটা কথা আমি সকলোৰে জানি থোৱা উচিত যে এজন সফল ব্যক্তিৰ আঁৰত থাকে বহুতো ঘাত-প্ৰতিঘাত। এনেকুৱা কিছুমান সফল ব্যক্তিৰ উদাহৰণ আছে, যিসকলে আনকি নিজৰ পৰিয়ালকে বিসৰ্জন দিবলগা হৈছিল। আপোনজনে এৰি থৈ যোৱা ক্ষোভ, জীৱনত কাৰোবাক হেৰুওৱা, পৰিয়ালৰ দুখ-যন্ত্ৰণা আদিৰ

অন্ত হৈছে কিছুমানৰ সফলতাৰ জৰিয়তে।

ভাৰতীয় সংবিধানত পুৰুষ আৰু নাৰীৰ সমস্থান বুলি ঘোষিত কৰা হৈছে। আজি শিক্ষা, খেল-ধেমালি, চলচিত্ৰ জগত, ৰাজনীতি, অৰ্থনীতি আদি সকলো বিষয়তে নাৰীয়ে পুৰুষৰ সমান্তৰালকৈ দৌৰিছে। বৰ্তমান সময়ত অসমৰ স্বৰ্ণকন্যা খ্যাত হিমা দাসে দেশে-বিদেশে দৌৰ খেলত অংশগ্ৰহণ কৰি সন্মান, গৌৰৱ কঢ়িয়াব ধৰাৰ একেটা লয়তে চলচিত্ৰ পৰিচালক ৰীমা দাসে নিজ মগজু, নিজ হাতেৰে তৈয়াৰ কৰা চলচিত্ৰ 'ভিলেজ ৰকষ্টাৰ'ৰ বাবে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা ভাৰতবৰ্ষ তথা অসমলৈকে গৌৰৱ কঢ়িয়াই আনিছে। হয়, এই দুয়োগৰাকী অসম কন্যা আমাৰ সকলোৰে বাবে গৌৰৱৰ উৎস, যাক লৈ আমি বুকু ফিন্দাই কাৰোবাৰ ওচৰত গৌৰৱ কৰিব পাৰোঁ। গৌৰৱ কৰি আহিছোঁ, গৌৰৱ কৰি গৈ থাকিম ভৱিষ্যতেও। অসমেই নহয়, ভাৰতবৰ্ষয়েই নহয় সমগ্ৰ পৃথিৱীৰ ইতিহাসৰ পৃষ্ঠাত তেওঁলোকৰ নাম জিলিকি থাকিব। আজিৰ পৰা কেইবা শতিকা পিচতো আমাৰ ভৱিষ্যতে তেওঁলোকক সুঁৱৰিব। দুয়োগৰাকী জীয়ৰীক আমি গৌৰৱ কৰা প্ৰয়োজনবোধ কৰিব লাগিব। কাৰণ দুয়োজনীৰ কৰ্মই ঠিক তেনেকুৱা। আজিৰ সমাজত যদি কোনোবা দেশবাসীয়ে তেওঁলোকৰ কাৰ্যক লৈ লোকে দেখাকৈ গৌৰৱবোধ নকৰেও তেওঁক কিছুমানে দায় ধৰিব। ক'ব যে দেশদ্ৰোহী, হিংসা, চকু-চৰহা ইত্যাদি ইত্যাদি। কিন্তু মূল কথা তেনে নহয়। কাৰণ সেইজন ব্যক্তিয়ো একেখন দেশৰেই, একেখন ৰাজ্যৰেই। তেওঁলোক দুয়োগৰাকীয়ে কৰা কৰ্মক লৈ আমি সকলোৰে চিৰকাল গৌৰৱবোধ কৰিব পোৱাৰ বাবে তেওঁলোকৰ ওচৰত আমি চিৰকৃতজ্ঞ। হিমা দাসে স্বৰ্ণ পদক জয়ৰ সময়খিনিত আমি স্ফূৰ্তি কৰিছো, দুই-তিনিদিনলৈকে আমি স্ফূৰ্তি কৰিছোঁ। তেওঁক গুৱাহাটী বিমান বন্দৰৰপৰা নিজ গৃহলৈ স-সন্মানেৰে স্বাগতম জনাইছোঁ। ঠিক তেনেকুৱা সন্মান আমি ৰীমা দাসলৈকেও যাচিছিলোঁ। এতিয়া চৰকাৰৰ ফালৰপৰা তেওঁলোককৈ বহু পুৰস্কাৰ, শকত ধনৰ টোপোলা ইত্যাদিও প্ৰদান কৰিছে। এতিয়া ইয়াৰ সমান্তৰালকৈ তেওঁলোকক ভৱিষ্যত জীৱন পূৰ্বৰ দৰে বা পূৰ্বতকৈ অধিক ভাল হ'বলৈ উদগণি দিয়াটোৱেই চৰকাৰ তথা ৰাজ্যবাসী তথা দেশবাসীৰ কৰণীয়। যিমান গৌৰৱ কৰিব লাগে সকলোৱে কৰিলোঁ, তেওঁলোকৰ কৰ্মক আৰু সাফল্যক সন্মান যাচিলোঁ। এই সকলোবোৰ আজি যেনেকৈ আছে ভৱিষ্যতেও তেনেকৈয়ে থাকিব। কোনেও ইয়াক মচিব নোৱাৰে। গতিকে দেশত দ্বিতীয়গৰাকী হিমা দাস, দ্বিতীয় গৰাকী ৰীমা দাসৰ আকৌ জন্ম ল'বলৈ সকলোকে অনুপ্ৰাণিত কৰিব লাগে। যাতে আমি আকৌ তেওঁলোকলৈও গৌৰৱ কৰিব পাৰোঁ।

আমি সকলোৱে সেই আগৰ হিমাজনী আৰু গাঁৰৰ বোকা-পানীত উমলা ৰীমাজনীক আগৰ দৰেই থকাটো বিচাৰোঁ। তেওঁলোক অসম মাতৃৰ কন্যা, আজি যেনেকৈ বিদেশত ভৰি দিও আকৌ অসমতেই আহি বোকা-পানীত উমলিছে, ঠিক তেনেকৈ ভৱিষ্যতেও ইয়াতেই এনেকৈ উমলে— এয়াই আমি সকলোৱে বিচাৰোঁ।■

---

## এণ্ড্ৰিউ চান গ্ৰীয়াৰ

১৯৭০ চনত জন্মলাভ কৰা এণ্ড্ৰিউ চান গ্ৰীয়াৰ এগৰাকী আমেৰিকান ঔপন্যাসিক আৰু চুটি গল্প লিখক। গ্ৰীয়াৰে তেওঁৰ বহুত সমাদৃত উপন্যাস 'লেচ'ৰ বাবে ২০১৮ চনৰ সন্মানীয় পুলিৎজাৰ বঁটা লাভ কৰিছে। এইগৰাকী শক্তিশালী লিখকৰ চুটি গল্প সমূহ বিশ্বৰ বিভিন্ন প্ৰথিতযশা প্ৰকাশন গোষ্ঠীৰ আলোচনী তথা চুটি গল্প সংকলনত স্থান লাভ কৰিছে। গ্ৰীয়াৰৰ উল্লেখনীয় সৃষ্টি সমূহৰ অন্যতম হ'ল দ্য ষ্টোৰী অৱ এ মেৰেইজ, দ্য কনফেছনছ অৱ মেক্স টিৱলি, দ্য ইম্পচিবল লাইভছ অৱ গ্ৰেটা ৱেলছ। তেওঁৰ বৰ্ণনাত্মক সৃষ্টিশীলতা, চৰিত্ৰসমূহৰ জীৱন্ত প্ৰতিফলন আদিয়ে সমসাময়িক বিশ্ব সাহিত্যত তেওঁক এক সূকীয়া স্থান দিছে। গ্ৰীয়াৰৰ শক্তিশালী কথনশৈলী তেওঁৰ সৃষ্টিৰ অইন এক আকৰ্ষণীয় দিশ।

# আধুনিক সমাজ— ঈৰ্ষা, দুঃচিন্তা আৰু স্নায়বিক মনোবিকাৰগ্ৰস্ততা

।। ড° ইন্দিৰা শইকীয়া

সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

মানৱ জীৱনটো হৈছে সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি, সৌভাগ্য-দুৰ্ভাগ্য, সন্তুষ্টি-অসন্তুষ্টি আদিৰ সমাহাৰ। যেতিয়াই সুখ, প্ৰাপ্তি, সৌভাগ্য আৰু সন্তুষ্টিৰ পৰিমাণ অধিক হয় তেতিয়া জীৱনটো বৰ অৰ্থপূৰ্ণ যেন অনুমান হয় আৰু যেতিয়া দুখ, দুৰ্ভাগ্য, অসন্তুষ্টি, অপ্ৰাপ্তি অধিক হয় তেতিয়া ভাব হয় জীৱনটো যেন সম্পূৰ্ণ অৰ্থহীন। দুখ, দুৰ্দশা, ক্লেশ আদিয়ে মানসিক দুশ্চিন্তা বৃদ্ধি কৰে। উদ্বিগ্নতাই মনৰ শান্তি নোহোৱা কৰে। ফলত মানুহৰ মন ভাগি পৰে, মনটো হতাশাৰে ভৰি পৰে। সেই সময়ত কোনোৱেই 'জীৱন জীৱন বৰ অনুপম' বুলি অনুভৱ কৰিব নোৱাৰে। এনেবোৰ মুহূৰ্তত জীৱনটো নিঃশেষ কৰি পেলোৱাৰ প্ৰবৃত্তি জাগি উঠিব পাৰে। যিসকলে সহ্য আৰু ধৈৰ্যৰে দুৰ্ভাগ্যৰ মুখামুখি হৈ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পাৰে তেওঁলোক স্থিতপ্ৰজ্ঞ হৈ ৰৈ যায়। তেনে মানসিক শক্তিৰ গৰাকীসকলে হাৰি হাৰিও জীৱন যুঁজত ভাগৰি নপৰে। কোনোৱে আকৌ জীৱনলৈ দুখ-দুৰ্দশা আহিব বুলিয়েই উদ্বিগ্ন হৈ উঠে। দুঃচিন্তাৰে সময়বোৰ উপচাই পেলায়। বিশেষভাৱে কোনোবাই অৱহেলা কৰা যেন পালেই তেওঁলোকে জীৱনটো অৰ্থহীন হৈ পৰা বুলি ভাবিবলৈ আৰম্ভ কৰে। এনে ব্যক্তিয়ে জীৱনৰ সমস্যাসমূহৰ মুখামুখি নহওঁতেই হাৰ মানে। কেতিয়াবা অসহ্য মানসিক চাপত পৰি আত্মঘাতী প্ৰক্ৰিয়া গ্ৰহণ কৰি জীৱনৰ পৰা মুক্তি বিচাৰে।

সকলো মানুহৰে আশা-আকাংক্ষা, কৰ্ম-প্ৰণালী, জীৱন বীক্ষা বা জীৱনৰ প্ৰতি মনোভাৱ একে নহয়। কোনোৱে দুখ দুৰ্ভাগ্যক আওঁকাণ কৰি সৰু সৰু কামত নিজকে নিয়োজিত কৰি সুখৰ সম্ভেদ কৰে। কিছুমানে আকৌ দুৰ্ভগীয়া বা হতভগীয়াসকলৰ দুৰ্বলতাৰ সুযোগ লৈ 'হলা গছত বাগী কুঠাৰ মাৰি' ভাল পায়। দুখ-দুৰ্দশাত জুৰুলাসকলক প্ৰৰোচিত কৰি বিপথে পৰিচালিত কৰিবলৈ সহজ হয়। কেতিয়াবা দেখা যায় অতি আপোন বুলি, পৰম সুহৃদ বুলি ভবাজনেও এনে কাম কৰিবলৈ পিছ নোহোঁহকে। প্ৰত্যক্ষভাৱে ব্যক্তিগত স্বাৰ্থ পূৰণ নহ'লেও এনে কাৰ্যৰ দ্বাৰা কিছুমান ব্যক্তিয়ে পীড়াত্মক সুখ (Sadistic pleasure) লাভ কৰে। ঈৰ্ষাৰ বশৱৰ্তী হৈ কেতিয়াবা নিৰপৰাধী ব্যক্তিক আনৰ সন্মুখত অপৰাধী সজাই মানসিকভাৱে হত্যা কৰিবলৈকো তেওঁলোকে কুণ্ঠাবোধ নকৰে। সমাজৰ সৰবৰহী লোকসকলে তেওঁলোকৰ ঈৰ্ষাজনিত প্ৰতিশোধ পূৰণ কাৰ্য সম্পাদন কৰিবলৈ সহজ হয়। কাৰণ তেওঁলোকক কোনেও সন্দেহ নকৰে। এনেধৰণৰ কাৰ্যই আন ব্যক্তিৰ ব্যক্তিগত আৰু সামূহিক উভয় দিশতে বিৰূপ প্ৰভাৱ পেলাব পাৰে। ফলত তেওঁলোকৰ মাজত সম্পৰ্কৰ অৱনতি ঘটিব পাৰে, বিশ্বাসযোগ্যতা হ্ৰাস পাব পাৰে আৰু স্বাভাৱিক অৱস্থাৰ অৱনতিও ঘটিব পাৰে। ঈৰ্ষাই মানুহক বহুত তললৈ নমাব পাৰে বা নকৰিবলগা কামও কৰাব পাৰে। কম বয়সীয়াসকলৰ মাজত ইয়াৰ বাবেই হত্যা পৰ্যন্ত সংঘটিত হ'ব পাৰে। নিজৰ শক্তি সামৰ্থ অনুযায়ী কৰ্মসম্পাদন কৰি সন্তুষ্টি লভিব পাৰিলে ঈৰ্ষাৰ দৰে অসুস্থ প্ৰৱণতাসমূহৰ পৰা দূৰত থাকিব পাৰি।

প্ৰতিজন ব্যক্তিৰ চিন্তাধাৰা সাধাৰণতে বেলেগ হয়, আনজনৰ লগত নিমিলে। তেওঁৰ পৰিৱেশ, পৰিস্থিতি, জীৱনত লাভ কৰা অভিজ্ঞতা আদিয়ে বহু সময়তে ব্যক্তিৰ চিন্তাধাৰাক প্ৰভাৱিত কৰে। সহজ-সৰল মনৰ ব্যক্তি এজনো সলনি হ'ব পাৰে, তেওঁৰ মনোভাৱৰ পৰিবৰ্তন হ'ব পাৰে যদিহে তেওঁক সুদীৰ্ঘ দিনৰ বাবে ঘৰুৱা পৰিৱেশত অথবা কৰ্মস্থলীত মানসিকভাৱে অত্যাচাৰ কৰি অতিষ্ঠ কৰি তোলা হয়। পৰিকল্পিতভাৱে কৰা মানসিক অত্যাচাৰে ব্যক্তিক আত্মহত্যা কৰিবৰ বাবেও প্ৰৰোচিত কৰে।

কিছুমান ব্যক্তিৰ মনোস্নায়বিক বিকাৰগ্ৰস্ততাৰ বাবে সৃষ্টি হোৱা ঈৰ্ষা, আক্ৰোশ আৰু প্ৰতিশোধ পৰায়ণতাই সমাজত বিৰূপ প্ৰভাৱ পেলাব পাৰে। তেনে ব্যক্তিয়ে কেতিয়াবা প্ৰৰোচিত কৰি আনকো উন্মত্ত আৰু উন্মাদ আচৰণ কৰিবলৈ বাধ্য কৰে। ফলত সৃষ্টি হয় জাকৰুৱা হিংসা (Mob-violence)। জাকৰুৱা মনস্তত্ব অনুসৰি এচাম লোকে আনৰ দ্বাৰা উত্তেজিত হৈ অবিবেচকভাৱে কামত অংশ লয়। ভীতিগ্ৰস্ততা অথবা অকাৰণতে সৃষ্টি হোৱা উন্মত্ততা কিমান ভয়াবহ হ'ব পাৰে ডকমকাৰ ঘটনা তাৰেই প্ৰমাণ। পিছপৰা সমাজব্যৱস্থা, বিশৃংখলিত পৰিৱেশ-পৰিস্থিতি, উপাৰ্জনহীনতা, আলস্য জীৱন-যাপন, সহজে সম্পদ আহৰণৰ প্ৰয়াস— এইবিলাকৰ পৰা নিস্কৃতি কেনেকৈ সম্ভৱ? কেৱল চৰকাৰেই নহয়, সমাজৰ বিদ্বৎ মহলেও চিন্তা-চৰ্চা কৰক, সঠিক কাৰ্যব্যৱস্থা হাতত লওঁক। জাতি-জনজাতিৰ দোহাই দি গৰিহণা দিয়াতকৈ চিন্তা কৰক কাৰণ সকলো

জাতিৰ মাজত যেনেকৈ মানৱীয় গুণসম্পন্ন, উচ্চ সংস্কৃতিবান মানুহ আছে, তেনেকৈ দুৰ্বৃত্ত, হত্যাকাৰী, লুণ্ঠনকাৰী নৰ-পিশাচো আছে। এই সমস্যাবোৰ সকলো সমাজৰে সমস্যা। গতিকে বস্তুনিষ্ঠভাৱে সমস্যাবিলাকৰ কাৰণ চিনাক্ত কৰি সেইবোৰ সমাধান কৰাটোহে বাঞ্ছনীয়।

আদিম কালৰ পৰাই দেখা গৈছে যে মানুহৰ মাজত দুই ধৰণৰ প্ৰবৃত্তিয়ে কাম কৰে। ধ্বংসাত্মক আৰু গঠনাত্মক। পশু প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত মানুহবিলাকে ধ্বংসাত্মক কাম কৰি আত্ম-তৃপ্তি লাভ কৰে। কিন্তু প্ৰকৃত জ্ঞানে প্ৰবৃত্তিসমূহৰ উন্নীতকৰণত সহায় কৰে। আনুষ্ঠানিক শিক্ষা নথকা ব্যক্তিও জ্ঞানী হ'ব পাৰে। তেনে ব্যক্তিয়ে প্ৰতিকূল পৰিৱেশত জীয়াই থাকিবলগা হ'লেও পৈশাচিকতা প্ৰদৰ্শন কৰিব নোৱাৰে। অন্য হাতেদি, কিছুমান মানুহে সুবিধা পালেই প্ৰতিশোধ পৰায়ণ হৈ উঠে। এনে মানুহৰ মানসিক ভাৰসাম্যতা নাথাকে আৰু নিজেই নিজৰ জীৱনটো জটিল কৰি তোলে। ফলত সংঘাতৰ সৃষ্টি হয়। উদ্দেশ্যৰ সংঘাতৰ ফলতো মানুহ কেতিয়াবা পথভ্ৰষ্ট হয়। কিছুমান উদ্দেশ্য পূৰণৰ বাবে কৰা কামে আন কিছুমান উদ্দেশ্য পূৰণত বাধাৰ সৃষ্টি কৰে। ফলত উদ্দেশ্য পূৰণৰ সংঘাতত ভুগিবলগা হয়। সেয়ে মনোবিজ্ঞানী জেমছ ডি পেজে উল্লেখ কৰিছিল যে— "Antagonistic desires of this nature destroy mental equilibrium and give rise to conflict."

উদ্দেশ্যৰ সংঘাতত ভোগা ব্যক্তিয়ে কেতিয়াবা হিতাহিত জ্ঞান হেৰুৱাই নিজৰ উদ্দেশ্য পূৰণৰ বাবে ডকাইতি, লুণ্ঠন, হত্যা আদি কাৰ্যত লিপ্ত হয়। কিছুমানে পথৰ কণ্টক দূৰ কৰিবৰ বাবে Slow poisoningৰো সহায় লয়। এনে ব্যক্তিয়ে কেতিয়াবা মানসিক ভাৰসাম্যতা হেৰুৱাই বৰ্বৰ বা পৈশাচিক প্ৰবৃত্তি চৰিতাৰ্থ কৰে। বহুক্ষেত্ৰত দেখা গৈছে বিশ্বায়নে মানুহৰ মাজত অসমতা বৃদ্ধি কৰিছে। আনৰ সম্পদ দেখি প্ৰতিশোধ পৰায়ণ হৈ উঠা ব্যক্তিয়ে সম্পদ আহৰণৰ বাবে যিকোনো পৰ্যায়লৈ অৱনমিত হ'ব পাৰে। এনে ব্যক্তিয়ে হত্যা-লুণ্ঠনেৰে আনৰ সম্পত্তি আহৰণ কৰি পৈশাচিক আনন্দ লাভ কৰে। ৰে'লৰ প্ৰস্ৰাৱগাৰত অকলশৰীয়া ছোৱালী, বোৱাৰীক হত্যা কৰি আ-অলংকাৰ হস্তগত কৰাৰ লগতে হত্যাৰ পাছত কৰা বলাৎকাৰৰ ঘটনাই মানুহ নৰপিশাচলৈ পৰিবৰ্তন হোৱাৰ উপযুক্ত উদাহৰণ। এইবিলাক মানুহৰ মাজত মানৱীয় কোনো গুণেই দেখা নাযায়।

এইবিলাকৰ উপৰিও শিশু অপহৰণ কৰা, নাবালিকাক ধৰ্ষণ কৰা, যুৱতী অপহৰণ কৰি বিক্ৰি কৰা, বলাৎকাৰ কৰি হত্যা কৰা আদি ঘটনাবোৰ এচাম নৰ-পিশাচৰ দ্বাৰা সংঘটিত কাৰ্য। মানৱীয়তাক পদানত কৰি, মূল্যবোধক গচকি পশুপ্ৰবৃত্তি চৰিতাৰ্থ কৰা এইচাম লোক আধুনিক সভ্যতাৰ কলংক স্বৰূপ।

মূল্যবোধসম্পন্ন শিক্ষাব্যৱস্থা আৰু মূল্যবোধসম্পন্ন সমাজব্যৱস্থাৰ পৰা তাৎক্ষণিকভাৱে বস্তুবাদী সমাজব্যৱস্থালৈ ৰূপান্তৰিত হোৱা অৱস্থাই ভাৰতীয় সমাজখনক থানবান কৰি পেলোৱাটো অগ্ৰাহ্য কৰিব নোৱাৰি। পশ্চিমীয়া বস্তুবাদী ধ্যান-ধাৰণাই ভাৰতীয় চহা জীৱনক নাকত ধৰি চাকত ঘূৰাইছে। সহজ-সৰল জীৱন-যাপনৰ চিন্তাধাৰা এতিয়া ধোঁৱা চাঙত। তেনে কথা কোৱাসকলক এতিয়া সকলোৱে সন্দেহৰ চকুৰে চায়— মানসিকভাৱে সুস্থ নে? ডাঙৰক সন্মান কৰা, পিতৃ-মাতৃ, শিক্ষকক শ্ৰদ্ধা কৰা ভাৰতীয় সমাজব্যৱস্থাৰ সু-শৃংখলাৰ মূলমন্ত্ৰ আছিল। এতিয়া সকলো ক্ৰমান্বয়ে পাহৰণিৰ গৰ্ভত বিলীণ হ'বলৈ গৈ আছে। শিক্ষা-দীক্ষা, সা-সম্পত্তিৰ অহংকাৰে আধুনিক সমাজক ক্ষয়িষ্ণু কৰি তুলিছে। উপাই নাই। বিশ্বত তিষ্ঠি থাকিবলৈ বিশ্বায়ণৰ যজ্ঞত আহুতি দিবই লাগিব। সভ্যতা, সংস্কৃতি, বিজ্ঞান মনস্কতা, আদৰ্শবাদ, ভোগবাদ, বস্তুবাদ সকলো আজি একাকাৰ। সমাজত সৃষ্টি হোৱা আদৰ্শৰ সংঘাতে মানুহক কৰি তুলিছে স্নায়বিক মনোবিকাৰগ্ৰস্ত (Psychoneuroses)। কোনটো শুদ্ধ, কোনটো অশুদ্ধ— বিচাৰ কৰাটোৱেই জটিল হৈ পৰিছে। সেয়ে হয়তো হৰ্ণিয়ে কৈছে— "It is this conflict between contradictory and incompatible attitudes that constitutes the basic core of neuroses." (এইজটিলতা হৈছে পৰস্পৰ বিৰোধী আৰু বিসংগতিপূৰ্ণ মানসিকতাৰ জটিলতা, যিটো নেকি স্নায়বিক বিকাৰগ্ৰস্ততাৰ মূল ভেটি।)

এনেধৰণৰ স্নায়বিক মনোবিকাৰগ্ৰস্ত ব্যক্তিৰ সংখ্যা সমাজত যিমানেই বাঢ়িছে সিমানেই ভয়ংকৰ অপৰাধমূলক কাৰ্যৰো সংখ্যা বৃদ্ধি হৈছে। এইদৰে অস্বাভাৱিক হাৰত বৃদ্ধি পোৱা মনোবিকাৰগ্ৰস্ততা যে কেৱল এচাম অশিক্ষিত, অদক্ষ, নিস্কৰ্মা ব্যক্তিৰ মাজতহে সৃষ্টি হৈছে তেনে নহয়, ই উচ্চ শিক্ষিত, উচ্চ শ্ৰেণীৰ চাকৰিয়াল, উপাৰ্জনক্ষম ব্যক্তিৰ মাজতো বৃদ্ধি পোৱা দেখা গৈছে। সেয়ে দুৰ্নীতি বাঢ়িছে, অপকৰ্ম বৃদ্ধি হৈছে, সংঘাত সৃষ্টি হৈছে।

শিক্ষকৰ লগত শিক্ষাৰ্থীৰ, পিতৃ-মাতৃৰ লগত সন্তানৰ, ওপৰৱালাৰ লগত তলতীয়া কৰ্মচাৰীৰ, স্বামীৰ লগত পত্নীৰ, ভাতৃৰ লগত ভগ্নীৰ, ডকাইতৰ লগত চোৰৰ, হত্যাকাৰীৰ লগত লুণ্ঠনকাৰীৰ প্ৰতিযোগিতা বাঢ়িছে— মুঠতে বৰ্তমান যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। প্ৰতিযোগিতা আৰু প্ৰতিশোধ পৰায়ণতাৰ ধামখুমীয়াত মানৱতা এতিয়া সুদূৰ পৰাহত। বিশ্বায়ণ আৰু পশ্চিমীয়া আদৰ্শৰ জোঁৱাৰ ভাটাত ভাৰতীয় আদৰ্শবাদ আৰু আধ্যাত্মিকতাবাদৰ ধ্যান-ধাৰণা লুপ্তপ্ৰায় অৱস্থা। মাত্ৰাধিক পশ্চিমীয়া প্ৰীতি আৰু প্ৰযুক্তি নিৰ্ভৰ জীৱনযাত্ৰাই আমাৰ নৱপ্ৰজন্মক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। বিদ্বৎ সমাজে দায়বদ্ধতাৰে চিন্তা কৰক, শিক্ষাৰ্থীসকলে স্বকীয়তাক সম্পূৰ্ণ পৰিহাৰ নকৰাকৈ আধুনিক বৈজ্ঞানিক মনস্কতাৰ কিদৰে অধিকাৰী হ'ব পাৰি তাক উদ্ভাৱন কৰক। সমাজখনক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ ঈৰ্ষা, হত্যা, হিংসা, পৈশাচিকতা, প্ৰতিশোধ পৰায়ণতা কিদৰে হ্ৰাস কৰিব পাৰি তাৰ অনুশীলন কৰক। জোৰ পুৰি ইতিমধ্যেই কিন্তু হাত পালেহি। ■


**সহায়ক গ্ৰন্থ ঃ**

James D. Page, Abnormal Psychology– A Clinical Approach to Psychological Deviants.

Brown, Psychodynamics and Abnormal Behaviour.

# সুখৰ সংজ্ঞা আৰু জোখ-মাপ
## এক অনাখৰী জিজ্ঞাসা

।। মানস প্ৰতিম বৰুৱা।।
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

*"Happiness is the meaning and the purpose of life, the whole aim and end of human existence (...) Happiness depends upon ourselves."*
*– Aristotle*

সুখ কি? সুখানুভূতি কেনেদৰে লাভ কৰিব পাৰি? সুখৰ সংজ্ঞানো কি? সুখী কেনেদৰে হ'ব পাৰি? কোনবিলাক মানুহ সুখী? এই প্ৰশ্নসমূহ আপাতঃ দৃষ্টিত সৰল ৰৈখিক যেন অনুভৱ হ'লেও ইয়াৰ উত্তৰ বিচাৰি পোৱাটো এক জটিল বিষয়। কাৰণ? কাৰণ সুখ সম্পৰ্কীয় ধাৰণাটো এক আপেক্ষিক, আনুপাতিক ধাৰণা। সুখৰ সংজ্ঞা, সুখৰ প্ৰতি জিজ্ঞাসা ভিন্ন জনৰ বাবে ভিন্ন হ'ব পাৰে। সেয়ে সুখৰ সংজ্ঞাই হয়তো খুলি দিব পাৰে 'পেণ্ডৰাৰ বাকচ'টো। সংখ্যাগত দিশতেই হওঁক কিম্বা গুণগত মানদণ্ডগত দিশতেই হওঁক সুখবোধ, সুখানুভূতিৰ এক সৰ্বগ্ৰহণযোগ্য ধাৰণা আগবঢ়োৱাটো নিতান্তই এক কঠিনসাধ্য বিষয়।

ব্যক্তি ভেদে সুখৰ ধাৰণা, সুখানুভূতি সুকীয়া হ'ব পাৰে, যদিও সুখৰ সন্ধান এক বিশ্বজনীত পৰিঘটনা। প্ৰতিগৰাকী ব্যক্তিৰ সম্বন্ধে নিজস্ব সংজ্ঞা আছে। একেদৰে পৰিৱেশ, পৰিস্থিতি, জীৱনবোধ আদিৰ ভিত্তিতো সুখৰ সংজ্ঞা ভিন্ন হ'ব পাৰে। ধন সম্পদ, যশ, খ্যাতি, সন্মান, পৰিতৃপ্ততা ভিন্ন জনৰ বাবে হ'ব পাৰে ভিন্ন। উদাহৰণস্বৰূপে কোনো এগৰাকী ব্যক্তি আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ঐশ্বৰ্য বিভূতিপূৰ্ণ দেশ এখনত গৈ সুখী, পৰিতৃপ্ত অনুভৱ কৰিব পাৰে আৰু ইয়াৰ বিপৰীতে কোনো এগৰাকীয়ে আকৌ আফ্ৰিকাৰ কোনো এখন দেশৰ দৰিদ্ৰ, নিপীড়িত মানুহৰ মাজত বিলীন হৈও একেই সুখ, একেই পৰিতৃপ্ততা লাভ কৰিব পাৰে। একেই মানুহ, পাৰ্থক্য কেৱল জীৱনবোধৰ। দুয়োগৰাকীয়ে কিন্তু সুখী। আকৌ কোনোবাজন যদি সূৰ্যোদয় চাই সুখানুভূতি লাভ কৰে, কোনোবাজনে আকৌ সূৰ্যাস্ত উপভোগ কৰি সুখী হয়।



সূৰ্যাস্ত চাই সুখানুভূতি লাভ কৰাজনক যদি কোনোবাই নিৰাশাবাদী আখ্যা দিব বিচাৰে, তেন্তে তেওঁ হয়তো ক'ব সূৰ্যাস্ত হয় সূৰ্যোদয়ৰ বাবেই। অৰ্থাৎ মানুহৰ মনাকাশ ভিন্নৰঙী, সেয়ে হয়তো ভিন্ন হয় মানুহৰ সুখানুভূতি। অৱশ্যে সুখ সম্পৰ্কে চলাই অহা গৱেষণাত এটা কথা প্ৰমাণিত হৈছে যে সুখৰ আৱেগিক অনুভূতি অনুভৱ কৰিবলৈ হ'লে কিছুমান নিৰ্দিষ্ট প্ৰয়োজনীয়তা দীৰ্ঘকালীনভাৱে পূৰণ হ'ব লাগিব। সাময়িকভাৱে লাভ কৰা ক্ষণস্থায়ী আনন্দ নিশ্চিতভাৱে সুখ হ'ব নোৱাৰে। মনস্তত্ত্ববিদ মাৰ্টিন ছেলিগমেনৰ মতে মানুহে সবাতোকৈ সুখী অনুভৱ কৰে যেতিয়া তেওঁ হৰ্ষ লাভ কৰে, ব্যস্ততাপূৰ্ণ জীৱন যাপন কৰে, সামাজিক সম্পৰ্ক স্থাপন কৰে, জীৱনৰ অৰ্থ উপলব্ধি কৰে আৰু জীৱনত কৃতকাৰ্যতা লাভ কৰে।

স্বাভাৱিকতে এটা প্ৰশ্ন উত্থাপিত হ'ব পাৰে সুখৰ সংজ্ঞানো কি। বিভিন্ন সময়ত বিভিন্নজনে ভিন্নধৰ্মী দৃষ্টিকোণেৰে সুখৰ সংজ্ঞা আগবঢ়াই আহিছে। ধৰ্মীয় দৰ্শনতো সুখ সম্পৰ্কে বিস্তৃত আলোচনা পৰিলক্ষিত হয়। পুৰণি গ্ৰীক দৰ্শন অনুসৰি 'আমি আমাৰ সম্ভাৱনাসমূহ বাস্তৱায়িত কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ সময়ত অনুভৱ কৰা আনন্দই সুখ'। আনহাতে মহান গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে "সুখ হ'ল এক কাৰ্যকলাপ"। মানুহে ধন-সম্পদ, সন্মান, সুস্বাস্থ্য এইকাৰণেই কামনা কৰে যাতে তেওঁ সুখী হ'ব পাৰে। অৱশ্যে এৰিষ্টটলৰ সুখৰ ধাৰণটো আৱেগিক অনুভূতিতকৈ মানুহৰ কাৰ্যকলাপৰ সৈতেহে অধিক জড়িত। এৰিষ্টটলৰ সুখী জীৱন হ'ল এক সুজীৱন। তেওঁৰ মতে এক সুজীৱন হ'ল এক সুন্দৰ যুক্তিসন্মত কাৰ্যকলাপপূৰ্ণ

জীৱন। এৰিষ্টটলৰ মতে কেৱল কৰ্মোদ্যম মানুহেহে সুখী হ'ব পাৰে। তেওঁৰ মতে ঘৰত অলসভাৱে বহি দিন অতিবাহিত কৰা মানুহ কেতিয়াও সুখী হ'ব নোৱাৰে। এইসকল মানুহে সাময়িকভাৱে নিজৰ জীৱনটো থিকথাক চলি যোৱা বুলি আত্মসন্তুষ্টি লাভ কৰিব পাৰে যদিও তেওঁলোক যথাৰ্থ সুখ লাভৰ পৰা বঞ্চিত হৈ থাকে। মানুহে যি কাম কৰিবলৈ অতিশয় আগ্ৰহী সেই কাম কৰাৰ লগতে এক অৰ্থবহ সংযোগ গঢ়ি তুলিব পাৰিলেহে সুখ অনুভূত হয়। গৱেষণাত পোৱা গৈছে যে এক শক্তিশালী সামাজিক সমৰ্থনৰ সৈতে ইতিবাচক ফলাফলৰ পোনপটিয়া সম্পৰ্ক আছে। এগৰাকী ব্যক্তিয়ে সাময়িকভাৱে এক বৈচিত্ৰ্যহীন জীৱন যাপন কৰিব পাৰে আৰু কোনো এটা মুহূৰ্তত জীৱনৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন হোৱাৰো উপক্ৰম ঘটিব পাৰে; কিন্তু সামাজিক সমৰ্থনৰ জৰিয়তে সেই সম্পৰ্ক পুনৰ স্থাপনৰ সুযোগ সদায় থাকে। অৰ্থাৎ সামাজিক বান্ধোন সুখ লাভৰ অন্যতম আধাৰ বুলিব পাৰে। এইখিনিতে ভূতপূৰ্ব মাৰ্কিন ৰাষ্ট্ৰপতি ফ্ৰেংকলিন ডি ৰুজভেল্টৰ পত্নী সক্ৰিয়বাদী, বিচক্ষণ মহিলা এলেনৰ ৰুজভেল্টৰ সুখ সম্পৰ্কে আগবঢ়োৱা মতামত প্ৰণিধানযোগ্য। তেওঁ সুখ সম্পৰ্কে ধাৰণা আগবঢ়াইছে এনেদৰে, "এবাৰ কোনো এগৰাকীয়ে মোক প্ৰশ্ন কৰিছিল সুখী হোৱাৰ বাবে সবাতোকৈ প্ৰয়োজনীয় চৰ্ত তিনিটা কি? মোৰ উত্তৰ আছিল, তোমাৰ নিজৰ প্ৰতি তথা তোমাৰ চৌদিশৰ লোকসকলৰ প্ৰতি সৎ হৈ থকাৰ অনুভৱ; তোমাৰ ব্যক্তিগত আৰু কৰ্মজীৱনত নিজৰ সমস্ত উজাৰি দিয়াৰ অনুভৱ আৰু অইনক ভাল পোৱাৰ সামৰ্থতা।" মহাত্মা গান্ধীৰ মতে সুখ হ'ল, "তুমি কি চিন্তা কৰা, কি কোৱা আৰু কি কৰা এইকেইটাৰ সমিলমিল"। কালিফৰ্ণিয়া ইউনিভাৰ্চিটিৰ আৰু 'The How of Happiness'ৰ লিখক মনস্তত্ত্ব বিভাগৰ অধ্যাপিকা চন্ঝা লুব'মিৰ্স্কিৰ মতে সুখৰ সৈতে "হৰ্ষ, সন্তুষ্টি আৰু ইতিবাচক কল্যাণ জড়িত হৈ থাকে আৰু ই জীৱনটো যে মধুৰ, অৰ্থবহ আৰু শোভনীয় এনে এক অনুভূতি"। আনহাতে মহান মনিষী বাৰ্ট্ৰাণ্ড ৰাছেলে তেওঁৰ বিখ্যাত গ্ৰন্থ 'The Conquest of Happiness'ত উল্লেখ কৰিছে যে উদ্দীপনা, মৰম-চেনেহ, পৰিয়াল, কৰ্ম, নৈৰ্ব্যক্তিক আকৰ্ষণ, উৎসাহ আৰু ভাগ্যবৰণ হৈছে সুখ লাভৰ আধাৰ। ৰাছেলৰ মতে 'সেই মানুহেই সুখী যি নিজৰ আৰু সমাজৰ সৈতে সমন্বয় সাধনত ব্যৰ্থ হোৱা নাই আৰু যাৰ ব্যক্তিত্ব নিজৰ বিৰুদ্ধেও বাধা হোৱা নাই অথবা পৃথিৱীৰ বিৰুদ্ধেও প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা নাই। এনে লোকে নিজকে বিশ্ব নাগৰিক বুলি অনুভৱ কৰে, সমগ্ৰ বিশ্বৰ যাৱতীয় দৃশ্য আৰু আনন্দ অবাধে উপভোগ কৰে আৰু মৃত্যুভয়ত কাতৰ নহয়। কাৰণ তেওঁ নিজকে পূৰ্বপুৰুষৰ পৰা বিচ্ছিন্ন বুলি নাভাবে। জীৱন প্ৰবাহৰ সৈতে এনেকুৱা গভীৰ আৰু সৰল সংযোগৰ মাজতে শ্ৰেষ্ঠ সুখ লাভ হয়'।

এতিয়া কথাটো হ'ল কিহে কঢ়িয়াই আনে অনাবিল আনন্দৰ বতৰা। কেতিয়া সমৃদ্ধ হয় সুখৰ ভাণ্ডাৰ? কিদৰে মানুহে লাভ কৰে সুখানুভূতি? আৰম্ভণিতে উল্লেখ কৰাৰ দৰে ভিন্ন জনৰ বাবে এই আনন্দ, এই সুখৰ উৎস সুকীয়া হ'ব পাৰে। ভাললগা জনৰ নিবিড় সান্নিধ্য লাভ কৰি, এখন ভাল গ্ৰন্থৰ মাজত নিজকে বিলীন কৰি দি এখন মন আলোড়িত কৰিব পৰা চলচিত্ৰ অথবা নাটক উপভোগ কৰি অথবা সংগীতৰ মায়াময় জগতত প্ৰৱেশ কৰি লাভ কৰিব পাৰি সুখৰ অনুভূতি। বহুসময়ত সাময়িক সুখানুভূতি নিজৰ মানসিক অৱস্থাৰ ওপৰতো নিৰ্ভৰ কৰে। এইখিনিতে মোৰ জীৱনৰ এটা সৰু আমোদজনক ঘটনা উল্লেখ কৰিব বিচাৰিছো। ঘটনাটো বহু বছৰ পুৰণি। মই সেইসময়ত বহুত চিনেমা চাওঁ। তেনে এটা দিনতে এখন চিনেমা চালো চলচিত্ৰ গৃহত। বহুকেইগৰাকী তাৰকা অভিনেতা-অভিনেত্ৰী সমৃদ্ধ চিনেমাখন মোৰ খুউব ভাল লাগিল। আহি বন্ধুবৰ্গক ক'লো বঢ়িয়া চিনেমা। বন্ধুবৰ্গৰ আকৌ মোৰ চলচিত্ৰ জ্ঞানৰ ওপৰত অগাধ বিশ্বাস। সিহঁতো গ'ল চিনেমাখন চাবলৈ। চিনেমাখন চাই আহি সিহঁতে এনেদৰে গালি পাৰিলে যে মই পলাই পত্ৰং দিবলগীয়া অৱস্থা। "এইখন চিনেমা তই ভাল পাইছিলি"? আচলতে সেই চিনেমাখন আছিল বৰ্ষটোৰ এখন চূড়ান্তৰূপে ফ্লপ চলচিত্ৰ। কিন্তু কিয় মোৰ চিনেমাখন চাই ভাল লাগিছিল? হয়তো সেই মুহূৰ্তত মোৰ মনত অইন এক সুখানুভূতিয়ে ক্ৰীড়া কৰি আছিল। সকলো মানুহৰ ক্ষেত্ৰতে হয়তো কেতিয়াবা এনে হয়। অযুক্তিকৰভাৱে কিবা এটা ভাল লাগি যায়।

এইখিনিতে ডেনিয়েন নেটলৰ 'Happiness: The Science behind your Smile' গ্ৰন্থখনত উল্লেখিত সুখৰ তিনিটা পৰ্যায়ৰ বিষয়ে আলচ কৰিব বিচাৰিছো। তেওঁৰ মতে সুখৰ তিনিটা সুকীয়া ধৰণ অথবা পৰ্যায় আছে। এই তিনিটা হ'ল আনন্দ আৰু অভিলাষৰ ক্ষণস্থায়ী অনুভূতি, অনুভূতি সম্পৰ্কে বিবেচনাপূৰ্ণ অভিমত আৰু জীৱনৰ উচ্চাৰ্থ প্ৰকাশ। নেটলৰ মতে প্ৰথম পৰ্যায়ৰ সুখে হ্ৰস্বকালীন ইতিবাচক আবেগক প্ৰতিনিধিত্ব কৰে। এইধৰণৰ সুখবিলাকৰ ভিতৰত এসাঁজ সুস্বাদু খাদ্য, নিজৰ চখ পূৰণ, এখন ভাল চিনেমা উপভোগ কৰা, এটা ভাল গীত শুনা ইত্যাদি। এই ধৰণৰ সুখে আনন্দ কঢ়িয়াই আনে যদিও এই ভাল লগা অনুভৱবোৰ দীৰ্ঘকালীন নহয়। দ্বিতীয় পৰ্যায়ৰ সুখ অধিক চিন্তাকৰ্ষক আৰু ই প্ৰথম পৰ্যায়ৰ সুখৰ দৰে ক্ষণস্থায়ী নহয়। সুখ আৰু কল্যাণ (wellbeing)ৰ বিষয়সমূহ এই পৰ্যায়ৰ সুখৰ অন্তৰ্ভুক্ত। আমি জীৱনটোক লৈ কিমান সুখী বুলিলে আমি এই পৰ্যায়ৰ সুখৰ কথাকে কওঁ। এই পৰ্যায়ৰ সুখো অৱশ্যে তুলনামূলক অথবা আপেক্ষিক কিয়নো আমি আমাৰ পৰিস্থিতিটোক অইনৰ সৈতে তুলনা কৰিহে সুখানুভূতি নিৰ্ধাৰণ কৰো। তৃতীয় পৰ্যায়ৰ সুখেহে এগৰাকী ব্যক্তিৰ সম্ভাৱনীয়তা পূৰণ কৰে। এই পৰ্যায়ৰ সুখক অইন দুটা পৰ্যায়ৰ তুলনাত জুখিব কঠিন। এই পৰ্যায়ৰ সুখ অনুভৱ কৰা লোকসকলে তেওঁলোকৰ গভীৰ প্ৰমূল্যবোধৰ সৈতে জীৱন অতিবাহিত কৰে আৰু তেওঁলোকৰ আভ্যন্তৰীণ সামাজিক সংঘাত কম হয়। তেওঁলোকে অনুভৱ কৰে যে তেওঁলোকে যি কৰি আছে, ইয়াৰ উচ্চ অৰ্থ আছে আৰু তেওঁলোকে সমাজৰ কল্যাণত অৰিহণা আগবঢ়াই আছে। নেটলৰ মতে এই

পৰ্যায়ত মানুহে চৰম সুখ লাভ কৰে। মনস্তত্ত্ববিদসকলৰ মতে জীৱনৰ সন্তুষ্টিৰ বিষয়টোত মতবিৰোধ নিশ্চয়ভাৱে আছে। তথাপি সামগ্ৰিকভাৱে বিভিন্ন সময়ত চলাই অহা সুখ সম্পৰ্কীয় অধ্যয়নসমূহে এটা প্ৰায় উমৈহতীয়া মত প্ৰকাশ কৰে যে দীৰ্ঘকালীন সুখানুভূতি লাভ কৰিবলৈ হ'লে মানুহে নিজকে জীৱনৰ প্ৰতি এক ব্যতিক্ৰমী দৃষ্টিভংগী কৰিব লাগে আৰু অইনৰ উত্তৰোত্তৰ কল্যাণৰ বাবে কাম কৰি যাব লাগে। যদিহে এয়া কৰা হয় তেন্তে মানুহে আশা কৰা সুখ লাভৰ পূৰ্ণ সম্ভাৱনীয়তা থাকে।

এটা গুৰুত্বপূৰ্ণ বিষয় ইয়াতে অৱতাৰণা কৰাৰ 'স্পৰ্ধা' কৰিছো। সুখৰ বাৰু জোখ-মাপ কৰিব পাৰিনে? এয়া ব্যৱহাৰিক দিশৰ পৰা সম্ভৱনে? ধৰা হ'ল এক কিলোগ্ৰাম সুখ অথবা এক লিটাৰ সুখ? কথাটো শুনিবলৈ হাস্যকৰ নিশ্চিতভাৱে। সুখৰ জোখ-মাপৰ বিষয়ে আলোচনা নিশ্চিতভাৱে বিতৰ্কৰ আৱৰ্তত প্ৰৱেশ কৰিব পাৰে। কাৰণ আপাতঃ দৃষ্টিত মানুহৰ মনত স্বাভাৱিকতে এটা প্ৰশ্ন আহিব এনে কি আহিলা আছে যাৰ জৰিয়তে সুখৰ জোখ-মাপ কৰিব পাৰি। সেয়ে বিষয়টো এক অবান্তৰ, যুক্তিযুক্ততাহীন যেনে ধাৰণা হয়। কিন্তু বহল ভিত্তিত সুখৰ জোখ-মাপৰ বিষয়টো বিশ্ববাসীৰ সন্মুখত উপস্থাপন কৰিছিল ভূটান নৃপতি জিগমে ৱানচুকে ১৯৭০ ৰ দশকত। তেওঁৰ মতে সুখ হ'ব লাগে এখন দেশৰ, এখন সমাজৰ বিকাশৰ মূল আধাৰ। গুৰুত্বপূৰ্ণভাৱে জিগমে ৱানচুকৰ নেতৃত্বতে মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product, GDP)ৰ পৰিবৰ্তে মুঠ জাতীয় সুখ (Gross National Happiness)ক ভূটানত বিকাশৰ মূল সূচক হিচাপে গ্ৰহণ কৰা হয়। ১৯৭১ চনত ৱানচুকে ৰাষ্ট্ৰসংঘৰ বিকাশমূলক কৰ্মসূচীৰ সহায়ত মুঠ জাতীয় সুখৰ প্ৰয়োগ ভূটানত আৰম্ভ কৰে। ১৯৯৯ চনত মুঠ জাতীয় সুখৰ অধ্যয়ন আৰু বিকাশৰ উদ্দেশ্য ৰাষ্ট্ৰখনত 'চেন্টাৰ ফ'ৰ ভূটান ষ্টাডিজ এণ্ড গ্ৰছ নেছনেল হেপীনেছ' নামৰ এটা স্বতন্ত্ৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰা হয়। ২০০৬ চনত ইংলণ্ডৰ লিছেষ্টাৰ বিশ্ববিদ্যালয়ৰ মনস্তত্ত্ব বিভাগৰ অধ্যাপক আড্ৰিয়ান হোৱাইটে 'বিশ্ব সুখী নক্সা' (World Happiness Map) প্ৰকাশ কৰে। ২০০৭ চনৰ বৰ্ষটোৰ শেহৰ ফালে প্ৰথমবাৰৰ বাবে ভূটানত মুঠ জাতীয় সুখৰ জৰীপ আৰম্ভ কৰা হয়। এই অধ্যয়নত ৰাষ্ট্ৰখনৰ ৯৫০ জন লোকক নটা দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ১৮০ টা প্ৰশ্ন কৰা হৈছিল। এই নটা দিশ আছিল মনস্তাত্ত্বিক কুশলতা, স্বাস্থ্য, সময়ৰ ব্যৱহাৰ, সম্প্ৰদায়ভিত্তিক উৎসাহ-উদ্দীপনা, শিক্ষা, সংস্কৃতি, পৰিৱেশ, শাসন কাৰ্য আৰু জীৱন ধাৰণৰ মাণদণ্ড।

ভূটানৰ এই প্ৰচেষ্টাই সমগ্ৰ বিশ্বক বিকাশ সম্পৰ্কে নতুনকৈ চিন্তা-চৰ্চাৰ দুৱাৰখন মুকলি কৰি দিলে। অৰ্থনৈতিক, প্ৰযুক্তিবিদ্যাগত বিকাশে এখন দেশলৈ সুখ কঢ়িয়াই আনিবলৈ সমৰ্থ হয়নে? মানুহৰ আবেগ-অনুভূতিৰ দিশটো কিমান গুৰুত্বপূৰ্ণ? সেয়ে দেশসমূহে নতুন ধৰণৰ চিন্তা কৰাৰ প্ৰয়োজন অনুভৱ কৰিলে। ২০০৮ চনৰ জানুৱাৰী মাহত ফ্ৰান্সৰ তদানীন্তন ৰাষ্ট্ৰপতি নিকোলাছ ছাৰকোজিয়ে জাতীয় সুখৰ জোখ-মাখ কৰিবলৈ দৃঢ় ঘোষণা কৰে। তেওঁ আনকি দেশখনৰ অৰ্থনৈতিক সাফল্য আৰু সামাজিক প্ৰগতিৰ জোখ-মাপ কৰাৰ অৰ্থে এখন আয়োগ গঠন কৰি দিয়ে। আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰা হয় অৰ্থনীতিত নোবেল বঁটা বিজয়ী জোছেফ ই ষ্টিগলিজক। এইদৰে বিশ্বত সুখৰ ধাৰণাৰ গুৰুত্ব বৃদ্ধি হ'বলৈ ধৰে। ৰাষ্ট্ৰসংঘৰ বহণক্ষম বিকাশ লক্ষ্যৰ ১৬৯ টা লক্ষ্যৰ ভিতৰত এটা লক্ষ্য হিচাপে নিৰ্ধাৰণ কৰা হয় ক্ৰমবৰ্ধমান বিশ্বজনীন কল্যাণৰ লক্ষ্য।

২০১১ চনত সুখৰ বিশ্বজনীন সংজ্ঞা নিৰ্ধাৰণৰ ক্ষেত্ৰত আৰু এটা গুৰুত্বপূৰ্ণ বিকাশ হয়। এই বিকাশগত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে ৰাষ্ট্ৰসংঘৰ বিশেষ পৰামৰ্শদাতা হিচাপে পৰিচিত জেমি ইলিয়েনে। তেওঁ ৰাষ্ট্ৰসংঘত এক নতুন বিশ্বজনীন সজাগতা দিৱস হিচাপে আন্তঃৰাষ্ট্ৰীয় সুখ দিৱস (International Day of Happiness) উদ্‌যাপনৰ প্ৰস্তাৱ এটা আগবঢ়ায়। এই প্ৰস্তাৱটো ৰাষ্ট্ৰসংঘৰ মজিয়াত যথেষ্ট গুৰুত্বসহকাৰে আলোচনা হয়। অৱশেষত ২০১২ চনৰ ২৮ জুনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ বৈঠকত ১৯৩ খন সদস্য ৰাষ্ট্ৰৰ ঐক্যমত্যত ৬৬/২৮১ নম্বৰ প্ৰস্তাৱমৰ্মে ২০ মাৰ্চৰ দিনটো 'বিশ্ব সুখ দিৱস' হিচাপে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২০১৩ চনৰ ২০ মাৰ্চত প্ৰথমবাৰৰ বাবে সমগ্ৰ বিশ্বই এই দিৱস উদ্‌যাপন কৰে। ২০১১ চনৰ বৰ্ষটোৱে ৰাষ্ট্ৰসংঘই ৬৫/৩০৯ নম্বৰ প্ৰস্তাৱৰ আধাৰত 'সুখঃ বিকাশৰ এক সৰ্বাত্মক সংজ্ঞাৰ দিশত' গ্ৰহণ কৰি বিশ্বৰ সকলো ৰাষ্ট্ৰক তেওঁলোকৰ নাগৰিকৰ সুখৰ জোখ-মাপৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। ২০১২ চনৰ ২ এপ্ৰিলত 'কল্যাণ আৰু সুখঃ এক নতুন অৰ্থনৈতিক আৰ্হিৰ সংজ্ঞা' শীৰ্ষক প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ উচ্চ পৰ্যায়ৰ সভা অনুষ্ঠিত হয়।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ভূটানত মুঠ ঘৰুৱা উৎপাদনৰ পৰিৱৰ্তে মুঠ জাতীয় সুখক মূল বিকাশমূলক সূচক হিচাপে ব্যৱহাৰ কৰা বিশ্বৰ প্ৰথমখন দেশ। ইয়াৰ পিছত বিশ্বৰ সকলো দেশে মুঠ জাতীয় সুখৰ ধাৰণাটো আকোঁৱালি লৈছে। এতিয়া কথাটো হ'ল মুঠ জাতীয় সুখ কেনেদৰে নিৰ্ধাৰণ কৰিব পাৰি? ইয়াৰ সূচক সমূহেই বা কি? নিশ্চিতভাৱে এয়া এক জটিল প্ৰক্ৰিয়া। বিতৰ্কৰো আশংকা থাকো সুখৰ জোখ-মাপত। মুঠ জাতীয় সুখৰ ধাৰণা অনুসৰি বহনক্ষম বিকাশ ধাৰণাটোৱে প্ৰগতিৰ ধাৰণাটোত এক সৰ্বাত্মক দৃষ্টিভংগী গ্ৰহণ কৰাৰ লগতে কল্যাণৰ সৈতে জড়িত অনা-আৰ্থিক দিশসমূহতো সম গুৰুত্ব প্ৰদান কৰা প্ৰয়োজন। মুঠ জাতীয় সুখ সূচ্যাংক হ'ল নটা দিশত ৩৩ টা চলকৰ পৰা নিৰ্ধাৰণ কৰা এটা একক নম্বৰ বিশিষ্ট সূচ্যাংক। মুঠ জাতীয় সুখৰ ধাৰণাটো প্ৰায়ে চাৰিটা স্তম্ভৰ সহায়ত বুজোৱা হয়। এই স্তম্ভ চাৰিটা হ'ল সুপ্ৰশাসন, বহনক্ষম সামাজিক-অৰ্থনৈতিক বিকাশ, সাংস্কৃতিক সংৰক্ষণ আৰু পৰিৱেশিক ৰক্ষণাবেক্ষণ। শেহতীয়াভাৱে মুঠ জাতীয় সুখৰ ধাৰণা অধিক সুসংহত আৰু সুস্পষ্ট কৰাৰ অৰ্থে স্তমভ চাৰিটাক পুনৰ নটা ক্ষেত্ৰত শ্ৰেণীবিভক্ত কৰা হৈছে। এই ক্ষেত্ৰকেইটা হ'ল মনস্তাত্ত্বিক কল্যাণ, স্বাস্থ্য, শিক্ষা, সময়ৰ ব্যৱহাৰ,

সাংস্কৃতিক বিভিন্নতা আৰু পুনৰুদ্যমযুক্ততা আৰু জীৱনৰ মানদণ্ড।

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কোনো এখন দেশৰ সুখৰ ক্ৰম নিৰ্ধাৰণ কৰিবলৈ হ'লে ১৫০ খনতকৈ অধিক দেশৰ জনসাধাৰণৰ পৰা তথ্য সংগ্ৰহ কৰা হয়। প্ৰতিটো চলক (variable) ০-১০ ৰ স্কেলৰ ভিতৰত বিভিন্ন সময়ত অইন দেশৰ সৈতে তুলনা কৰি মাণদণ্ড নিৰ্ণয় কৰা হয়। অৱশ্যে এই চলকসমূহৰ সময়ভেদে পৰিৱৰ্তন হ'ব পাৰে। বৰ্তমান সুখ নিৰ্ধাৰণ কৰা চলকসমূহ হৈছে প্ৰকৃত মুঠ ঘৰুৱা জনমুৰি আয়, সামাজিক সমৰ্থন, স্বাস্থ্যসন্মত জীৱনৰ সম্ভাৱনীয়তা, জীৱনৰ পচন্দৰ স্বাধীনতা, উদাৰতা আৰু দুৰ্নীতিৰ প্ৰতি সচেতনতা। প্ৰতিখন দেশক আকৌ ডাইষ্টলিয়া (Dystolia) নামৰ কল্পিত দেশ এখনৰ সৈতে তুলনা কৰা হয়। প্ৰতিটো চলকৰ ক্ষেত্ৰত ডাইষ্টলিয়াই সৰ্বনিম্ন জাতীয় গড়ক প্ৰতিনিধিত্ব কৰে।

২০১২ চনৰ ১ এপ্ৰিলত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ অধীনত 'বিশ্ব সুখ প্ৰতিবেদন' প্ৰকাশ হয়। ইয়াৰ পিছৰে পৰা ২০১৪ চনৰ বাহিৰে এই প্ৰতিবেদন বছৰি প্ৰকাশ পাই আহিছে। এই প্ৰতিবেদন প্ৰকাশ কৰে বহনক্ষম বিকাশ সমাধান নেটৱৰ্কে। তাৎপৰ্যপূৰ্ণভাৱে এই প্ৰতিবেদনসমূহত আশ্বৰ্যজনক তথ্য বাহিৰ হৈছে। ৰাষ্ট্ৰসংঘৰ বিকাশমূলক প্ৰতিবেদনৰ লেখীয়াকৈ বিশ্ব সুখ প্ৰতিবেদনতো নৰ্দিক ৰাষ্ট্ৰ সমূহে ক্ৰম তালিকাত উচ্চস্থান অধিকাৰ কৰি আহিছে। বৰ্তমানলৈ প্ৰকাশ হোৱা ছয়খন বিশ্ব সুখ প্ৰতিবেদনত শীৰ্ষস্থান অধিকাৰ কৰি অহা দেশসমূহ হ'ল আইচলেণ্ড (২০১২), ডেনমাৰ্ক (২০১৩ আৰু ২০১৬), চুইজাৰলেণ্ড (২০১৫), নৰৱে (২০১৭) আৰু ফিনলেণ্ড (২০১৮)। ২০১৮ চনৰ ১৪ মাৰ্চত প্ৰকাশ হোৱা শেহতীয়া বিশ্ব সুখ প্ৰতিবেদন অনুসৰি সম্প্ৰতি বিশ্বৰ সবাতোকৈ সুখী ৰাষ্ট্ৰ হ'ল - ফিনলেণ্ড! যিসকলে ঐশ্বৰ্য বিভূতিকে সুখৰ আধাৰ বুলি গণ্য কৰে তেওঁলোকৰ কাৰণে দুখৰ খবৰ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ডৰ এই তালিকাত স্থান ক্ৰমে ১৮ আৰু ১৯ তম। যিসকলৰ প্ৰযুক্তিবিদ্যাগত বিকাশে সুখ কঢ়িয়াই আনে বুলি বদ্ধমূল ধাৰণা আছে, তেওঁলোকৰ বাবেও দুখৰ খবৰ এই তালিকাত জাৰ্মানী আৰু জাপানৰ স্থান ক্ৰমে ১৫ আৰু ৫৪ তম। বৰ্তমান বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হোৱা চীনদেশে আকৌ ২০১৮ চনৰ বিশ্ব সুখ প্ৰতিবেদনত ৮৬ তম স্থানেহে অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। ২০১৮ চনৰ প্ৰতিবেদনত প্ৰথম দহটা স্থান লাভ কৰা দেশসমূহ হ'ল ক্ৰমে ফিনলেণ্ড, নৰৱে, ডেনমাৰ্ক, আইচলেণ্ড, চুইজাৰলেণ্ড, নেডাৰলেণ্ড, কানাডা, নিউজিলেণ্ড, চুইডেন আৰু অষ্ট্ৰেলিয়া। প্ৰথম পাঁচটা স্থানত চাৰিখন নৰ্ডিক ৰাষ্ট্ৰ। এই দেশসমূহ স্থিৰতা, সুৰক্ষা আৰু সামাজিক প্ৰগতিশীলতাৰ বাবে জনাজাত। এই দেশসমূহত দুৰ্নীতিৰ পৰিমান যথেষ্ট কম হোৱাৰ লগতে আৰক্ষী আৰু ৰাজনীতিবিদৰ ওপৰত জনসাধাৰণৰ যথেষ্ট বিশ্বাস আছে। বিশ্ব সুখ প্ৰতিবেদনসমূহে এটা কথা সজোৰে প্ৰতিফলিত কৰিছে যে ধন সম্পদকেন্দ্ৰিক বিলাসী জীৱনে সকলো সময়তে সুখ ক্ৰয় কৰিব নোৱাৰে। উদাহৰণস্বৰূপে আমাৰ স্বপ্নাতুৰসকলৰ সপোনৰ দেশ আমেৰিকা যুক্তৰাষ্ট্ৰই এইবৰ্ষৰ প্ৰতিবেদনত বিগতবৰ্ষতকৈ চাৰিটা স্থান পিছুৱাই গৈছে। এই বিষয়টোক কেন্দ্ৰ কৰি মাৰ্কিন প্ৰশাসন চিন্তাক্লিষ্ট হৈ পৰিছে। মেদবহুলতা, ড্ৰাগছৰ ব্যৱহাৰ আৰু বিষাদগ্ৰস্থতা সাম্প্ৰতিক আমেৰিকান সমাজৰ সবাতোকৈ চিন্তনীয় বিষয়। সৰ্বাধিক মেদবহুলতা লোকৰ সংখ্যাগত দিশৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰ অন্যতম। আনহাতে বিষাদগ্ৰস্থতাৰ দৰৱ সেৱনৰ ভিতৰত দেশখনে শীৰ্ষস্থান দখল কৰি আছে। আকৌ আমেৰিকা যুক্তৰাষ্ট্ৰই বহুকেইটা সামাজিক দিশত বেয়া প্ৰদৰ্শন আগবঢ়াই আহিছে। উদাহৰণস্বৰূপে দেশখনত জীৱনৰ সম্ভাৱনীয়তা হ্ৰাস পাইছে, সামাজিক অসমতা ক্ৰমাৎ বৃদ্ধি পাই আহিছে আৰু চৰকাৰৰ প্ৰতি বিশ্বাস হ্ৰাস পাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এইবোৰ পৰিঘটনাই কিহৰ বাবে সাম্প্ৰতিক বিশ্বত অৰ্থনীতিবিদসকলে ধন-সম্পদতকৈ সুখৰ জোখ-মাপক অগ্ৰাধিকাৰ দিছে, তাৰ উমান পাব পাৰি। জনমূৰি আয় ক্ৰমাৎ বৃদ্ধি পোৱাৰ পিছতো আমেৰিকা যুক্তাৰাষ্ট্ৰৰ নাগৰিকে কিয় নিজকে সুখী অনুভৱ কৰিব পৰা নাই সেয়া নিশ্চিতভাৱে লক্ষ্যণীয় বিষয়। ভাৰতবৰ্ষৰ স্থানো এই ক্ষেত্ৰত দুঃখজনক বুলিলে সত্যৰ অপলাপ কৰা নহয়। ২০১৮ চনৰ বিশ্ব সুখ প্ৰতিবেদনত ভাৰতৰ স্থান ১৩৩ নম্বৰ। বিশ্বৰ ১৫৬ খন দেশৰ ভিতৰত ১৩৩ নম্বৰ স্থান নিশ্চিতভাৱে লজ্জাজনক। তাৎপৰ্যপূৰ্ণভাৱে বিগত বৰ্ষৰ তুলনাত এঘাৰটা স্থান অধোনমিত হ'ল ভাৰতৰ। অইন নেলাগে ছাৰ্কৰ দেশসমূহৰ ভিতৰত ভাৰতৰ পিছত আছে একমাত্ৰ যুদ্ধবিধ্বস্ত আফগানিস্তান। সুখী জীৱনৰ ক্ষেত্ৰত ভাৰতৰ এই অধোগতিয়ে আমাৰ সমাজ জীৱনৰ অনিশ্চিত ভৱিষ্যতৰ নিৰ্দেশ কৰিছে।

সামৰণিত এটা কথাই ক'ব পাৰি সুখ দুখৰ সমষ্টিয়ে জীৱন। গতিশীল জীৱনৰ কোনোবা এটা মুহূৰ্তত গভীৰ দুখবোৰে আৱৰি ধৰিব পাৰে। বিভিন্ন প্ৰত্যাহ্বানপূৰ্ণ পৰিৱেশত নিজকে অসহায় যেন অনুভৱ কৰি মনোকষ্টত ভূগিবলগীয়া হ'ব পাৰে। কিন্তু মানুহে সদায় পোহৰৰ দিশলৈ ধাৱমান হ'ব লাগে। জীৱনৰ প্ৰত্যাহ্বানসমূহ সাহসেৰে ওফোৰাই জীৱন যুঁজত জয়ী হ'ব পৰাটোৱে সুখৰ সৰ্বোচ্চ প্ৰাপ্তি। অইনৰ বাবে কিবা এটা কৰিব পৰাটোতে আছে জীৱনৰ মধুৰতা, যিয়ে হয়তো কঢ়িয়াই আনিব পাৰে অফুৰন্ত সুখৰ সঁফুৰা। ধন-সম্পদ, প্ৰযুক্তিবিদ্যা নহয়, আবেগ-অনুভূতিহে সুখৰ প্ৰকৃত উৎস সেয়া হৃদয়ংগম কৰিবলৈ সমৰ্থ হ'লে বিশ্বত সুখৰ বন্যা নামিব, যিয়ে উটুৱাই লৈ যাব সমগ্ৰ দুখ, সমস্ত বেদনা। ■


উৎসসমূহ ঃ

1. https:// www. psychologytoday.com
2. https:// en.m. wikipedia.org
3. https:// www. businessdictionary.com
4. https:// sustainabledevelopment.un.org
5. https:// www. we forum. org
6. https:// wikiprogress. org
7. Russell, Bertrand, The Conquest of Happiness

# গল্প




“সংঘাতৰ বিকাশৰ লগে লগে গল্পৰ প্ৰতি পাঠকৰ অনুৰাগ বাঢ়িবলৈ আৰম্ভ কৰে কিন্তু এই অনুৰাগ বৃদ্ধিৰ কাৰণে গল্পকাৰে আন আন কৌশলো ইয়াৰ লগত সংযোগ কৰে। এনে উপায়বোৰৰ ভিতৰত irony অন্যতম। ironyয়ে কোনো এটা বাক্যৰ শব্দগত অৰ্থৰ সলনি তাৰ বিপৰীত অৰ্থৰ ইঙ্গিত দিবলৈ সক্ষম। এনে কিছুমান সমালোচক আছে যিসকলে ভাবে যে irony নাথাকিলে কোনো গল্পই সাৰ্থক সৃষ্টি বুলি পৰিগণিত নহয়। কথাটো যি, বা যি হোৱা যেন লাগে ironyয়ে তাৰ বিপৰীত অৰ্থ বহন কৰে।”

# মা

।। ৰুমী নাথ।।
স্নাতক পঞ্চম যাণ্মাসিক (কলা শাখা)



প্রথমবাৰৰ বাবে নিশি তাইৰ বান্ধৱী বৃষ্টিৰ ওচৰত নীৰৱ হৈ পৰিছিল। তাইৰ থান-বান হোৱা যেন লগা হৃদয়খনত কি কি শব্দ জোৰাই সান্ত্বনা দিব পাৰি নিশিয়ে ভাবি পোৱা নাছিল। দুয়োকো কিছুসময় মৌনতাই ঘেৰি ধৰিছিল। কোঠাটোত শুনা গৈছিল মাত্ৰ সময়বোৰ গৈ থকাৰ সংকেট দিয়া ৱাল ঘড়ীটোৰ কটাৰ শব্দ টিক্ টিক্ টিক্ ...

কিছুসময় পিছত বৃষ্টি নিশিৰ ঘৰৰ পৰা গ'লগৈ। বৃষ্টি আৰু নিশি কলেজীয়া বান্ধৱী আছিল। এয়া বহু বছৰ পিছত পুনৰ দেখা-দেখি হোৱাত বৃষ্টি নিশিৰ ঘৰলৈকে আহি কিছুসময় কথা-বতৰা পাতি গ'ল। এতিয়া দুয়োজনীয়ে বিবাহিতা। বহুদিনৰ পিছত লগ পোৱাৰ বাবে মনটো কিবা এটা ভাল লাগি আছিল নিশিৰ। যদিও ভাল লাগিছিল দুয়োকো লগ পাই তথাপিও বৃষ্টিক দেখিলেই অনুমান কৰিব পাৰি যে মানুহজনীৰ অন্তৰত এবুকু বেদনাই মখলা বান্ধি আছে। হয়তো সেই বেদনাবোৰেই মানুহজনীক কেঁকোৰাৰ পোৱালিয়ে জন্মৰ পাছতেই মাকক খুলি খুলি খোৱাৰ দৰে খাইছে। পাৰ্থক্য মাথো ইমানেই যে তাই জীয়াই আছে।

চাকৰিসূত্ৰে স্বামী সমীৰণৰ সৈতে ইয়ালৈ নহাহেঁতেন হয়তো নিশি আৰু বৃষ্টিক কেতিয়াও লগেই নাপালেহেঁতেন। দিনৰ দিনটো নিশিৰ মনটো উচ্ পিচাই থাকিল। সহজ-সৰল সেই কলেজীয়া মৰমলগা বৃষ্টিৰ মনৰ কথা আৰু বহুত জানিবলৈ। কথাসূত্ৰে গম পাইছিল যে বৃষ্টিহঁত আজি পাঁচ বছৰমান ধৰি নিশিহঁতৰ ভাৰাঘৰৰ বেছ কিছু দূৰতেই আছে। গধূলি সমীৰণ অফিচৰ পৰা অহাৰ পিছত দুয়ো একেলগে চাহ খাই বহি থকা সময়তে নিশিয়ে তাৰ আগত বৃষ্টিৰ কথা ক'লে যদিও সি ভাল নাপালে। পিছদিনাখন ৰাতিপুৱা নিশি সমীৰণক এবাৰ দুয়ো বৃষ্টিৰ ঘৰলৈ যাম বুলি ভবা কথাষাৰ ক'লে — যদিও বৃষ্টিয়ে সিহঁতক নিমন্ত্ৰণ দিয়া নাছিল।

"কি তোমাৰ আৰু বেলেগ কথা, বেলেগ চিন্তা নোহোৱা হ'ল নেকি? শুনা এইবোৰ কথা মই ভাল নাপাওঁ। দ্বিতীয়বাৰলৈ মোক নোকোৱা যেন।" — সমীৰণে কথাখিনি কৈ অফিচলৈ ওলাই গ'ল।

— নিশি থতমত খাই গ'ল। আগেয়েই কেতিয়াও ক'ৰবালৈ যাব ওলালে সমীৰণে তেনে প্ৰতিক্ৰিয়া কৰা তাই দেখা নাছিল। বৃষ্টিৰ কথা ক'লে সমীৰণে বেয়া পাই নেকি বাৰু!!

যিয়েই নহওঁক ভাবি তাই অকলেই সেইদিনা এঘাৰ মান বজাত বৃষ্টিহঁতৰ ঘৰ ওলালেগৈ। নিশিক দেখি বৃষ্টিৰ মুখত এটা উজ্বল হাঁহি দেখা গ'ল। হাঁহি-হাঁহিয়েই তাই নিশিক বহিবলৈ ক'লে। বৃষ্টিক ঘৰত অকলে দেখি নিশিয়ে সুধিব বিচাৰিছিল যদিও কথাসূত্ৰে গম পালে গিৰীয়েকে অফিচলৈ আৰু ছোৱালীজনী স্কুললৈ গৈছে। কথাৰ মাজে-মাজে দুয়ো চাহপানী খালে। 'ময়ো আজি ছুটী লৈছো গাটো সিমান এটা ভাল নহয়'।

— মানে?

— কলেজ নগ'লো।

— তই এতিয়াও পঢ়ি আছা?

— নাই।

— নহ'লে?

— মই এতিয়া আমি পঢ়া কলেজৰ অধ্যাপিকা হ'লো।

— কি? তই প্ৰ'ফেচৰ হ'লি? আমাৰ কলেজৰেই? ইতিহাস বিভাগতেই?

নিশিৰ উৎসুক প্ৰশ্নবোৰত বৃষ্টিয়ে মিচিকিয়াই হাঁহিলে। নিশিৰো মনটো আনন্দৰে ভৰি পৰিল। কিন্তু পিছ মুহূৰ্ত্ততে ভাবিলে আৰু

বৃষ্টিলৈ চাই আকৌ প্ৰশ্ন কৰাত লাগিল।

— কিয় তইতো পঢ়া এৰিছিলি? আমিতো বহুত আগতেই শুনিছিলো তই হেনো বিয়া হৈ গ'লি ধুনীয়া চাকৰিয়াল ল'ৰা এজনৰ লগত।

নিশিৰ প্ৰশ্নৰ উত্তৰত বৃষ্টিয়ে কৈ গ'ল জীৱনৰ অন্য এক পৃষ্ঠা। কৈ গ'ল কিদৰে বিয়া হ'ল — কিদৰে বিচ্ছেদ হ'ল, কিদৰে সলনি হৈ গ'ল সকলোবোৰ। লগতে কৈছিল কিদৰে তাই এটি প্ৰকাণ্ড শিল হৈ পৰিছিল আৰু কিদৰে তাই নতুন ঘৰ এখনলৈ গৈ ৰচিব খোজা সপোনবোৰ খহাই পেলোৱা হৈছিল, কিদৰে স্বামীৰ ঘৰে তাইৰ মূৰত কেইবাটাও কাঁচৰ বটল ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰি পেলাইছিল তাইৰ চৌপাশ।

চকুলোৰে ভৰি পৰা এহালি কোমল চকু আৰু এটা কোমল মাতেৰে কৈছিল বৃষ্টিয়ে — "মা-দেউতাৰ আলসুৱা মৰমে মোৰ সকলো অভাৱ পূৰাই আহিছিল, সকলোৱে বিচাৰে এগৰাকী মৰমৰ জীয়ৰী, মৰমৰ ভনী, মৰমৰ বোৱাৰী লগতে নিজেই নিজৰ ভৰিত থিয় হ'বলৈ ইণ্ডিপেণ্ডেন্ট হ'বলৈ। সেইদিনা এনেকুৱা লাগিছিল যেন মা-দেউতাই মোৰ বাবে এটাই সপোন দেখিছিল, আমাৰ ছোৱালী ডাঙৰ হ'ব আৰু আন এখন ঘৰৰ বোৱাৰী হ'ব। মা-দেউতাই যেন ভাবিছিল মোৰ বিয়াৰ দিনটোৱেই যেন তেওঁলোকৰ বাবে মোৰ জীৱনৰ ডাঙৰ দিনটো। বহুত কান্দিছিলো সেইদিনা। মোক বুজোৱা হৈছিল মোৰ দায়িত্ব আহিল, জীৱনত ইমানদিনে মা-দেউতাৰ বাবে সৰু ছোৱালী হৈ সপোন দেখা ছোৱালীজনী মই হঠাৎ ডাঙৰ ছোৱালী হৈ সপোন সামৰিব লগা হোৱাত মই বুজাব নোৱাৰা আঘাতত কান্দি কান্দি দেউতাৰ দুভৰিত ধৰি চিঞৰি চিঞৰি বাগৰি গৈছিলোঁ।

ঠিক এনেদৰে কান্দিছিলো সমীৰণ অৰ্থাৎ মোৰ প্ৰথম স্বামীৰ সৈতে হোৱা বিচ্ছেদৰ দিনাখনো। চিঞৰি চিঞৰি বহুত কান্দিছিলো সেইদিনাও। মোৰ ওচৰে পাজৰে বহুত মানুহ গোট খাইছিল। ভেবা লাগি চাই আছিল মই কান্দি থকা দৃশ্যলৈ, মোক এৰি সমীৰণহঁত যোৱালৈ। কিছুমানে মোৰ দুখত দুখী হৈছিল আৰু কিছুমানে মোৰ কান্দোনৰ ৰোল, অংগী-ভংগী দেখি হাঁহিছিল।

— নিশ্চুপ হৈ থকা নিশিয়ে কৈ উঠিল — 'সমীৰণ'?

— অ' সমীৰণ উত্তৰত নিশিয়ে ক'লে। মোৰ প্ৰথম স্বামীৰ নামো সমীৰণহে আছিল। এটা মিছা হাঁহি মাৰি বৃষ্টিয়ে ক'লে।

— তাৰ পিছত কি হ'ল? — নিশিয়ে উৎসুক হৈ সুধিলে।

— "সঁহাৰি পাইছিলো এহাল দম্পত্তিৰ। ঘৰলৈ উভতি যোৱাৰ সেইকণ হেঁপাহ, পূৰ্বৰ পৰা পাই অহা মৰমৰ আশাৰ মৰহি গৈছিল মোৰ মনত। বহু কথা ভাবি বিয়া দি উলিয়াই দিয়া ঘৰখনলৈ মোৰ আৰু উভতি যোৱা নহ'লগৈ। দম্পত্তি হালৰ কথা-বতৰাত মোৰ প্ৰতি থকা মৰম, সহানুভূতি দেখি মই তেওঁলোকৰ অনুৰোধত তেওঁলোকৰ ঘৰলৈ যাবলৈ মান্তি হ'লো আৰু ক্ৰমে তেওঁলোকৰ ঘৰতে থকাৰ সিদ্ধান্ত লৈছিলোঁ। তেওঁলোকে মোক তেওঁলোকৰ ভন্টিৰ দৰে ব্যৱহাৰ কৰিছিল আৰু মই তেওঁলোকক দাদা-বৌ বুলি সম্বোধন কৰিছিলো। ঘৰৰ আন মানুহ বুলিবলৈ আৰু কোনো নাছিল। দিনবোৰ বাগৰি গৈ থাকিল। মই তেওঁলোকৰ আপোন হৈ পৰিলোঁ আৰু তেওঁলোকো যেন মোৰ বাবে এই পৃথিৱীৰ একমাত্ৰ আপোন হৈ পৰিল। সমাজৰ দুই এজনে মোক দেখিলে কোৱা বা আলোচনা কৰা শুনিছিলো — "বৰ দুখ লগা হ'ল দেখিলেই ছোৱালীজনীক সিঁহতেও তাইক তেনেকুৱা কৰিব লাগেনে?" আন কোনোবাই আকৌ কয় "এৰি নিদিবনো কিয়? ল'ৰা-ছোৱালী নোহোৱা তিৰোতা এজনীক কমলাজনীয়ে নিজৰ একমাত্ৰ পুতেক সমীৰণৰ লগত

...এইবোৰ কথা শুনি ভাগৰি পৰিছিলোঁ কেতিয়াবা কেতিয়াবা। কিন্তু এনেকুৱা দুগৰাকী ব্যক্তি মোৰ জীৱনলৈ আহিছিল যিয়ে কাহানিও মই ভাগৰি পৰাটো নিবিচাৰিছিল। খোজে খোজে অজস্ৰ সাহস দিছিল। মোৰ চৌপাশত পুনৰ ৰং চতিয়াই দিছিল, সাহস, প্ৰেৰণা, মৰমেৰে মোৰ চৌপাশ ৰঙীণ কৰিব বিচাৰিছিল মোক, নিজক এই পৃথিৱীখনক....

গোটেই জীৱন লগত আঁৰি থব কিয়? কমলাকো নাতি-নাতিনী লাগে। এইবোৰ তাইৰ শাহুৱে নিজেই কৈছে আমাৰ ঘৰত আহি যোৱাৰ কেইদিনমান আগত।" এইবোৰ কথা শুনি ভাগৰি পৰিছিলোঁ কেতিয়াবা কেতিয়াবা। কিন্তু এনেকুৱা দুগৰাকী ব্যক্তি মোৰ জীৱনলৈ আহিছিল যিয়ে কাহানিও মই ভাগৰি পৰাটো নিবিচাৰিছিল। খোজে খোজে অজস্র সাহস দিছিল। মোৰ চৌপাশত পুনৰ ৰং চতিয়াই দিছিল, সাহস, প্ৰেৰণা, মৰমেৰে মোৰ চৌপাশ ৰঙীণ কৰিব বিচাৰিছিল মোক, নিজক এই পৃথিৱীখনক। শিক্ষাৰ দুৱাৰত পুনৰ খোজ দিলোঁ। তেওঁলোকৰ সান্নিধ্যতেই আজি মই অধ্যাপিকা হৈছো, সম্ভৱ হৈছে তেওঁলোকৰ বাবেই এই খোজ।

দিনবোৰ ক্ৰমে ভাল লাগি আহিব ধৰিছিল। বৌৰ গৰ্ভত থকা অনাগত দিনত পৃথিৱী চাবলৈ আহিবলৈ ধৰা সেই সবল শিশুৰ আগমনত আমাৰ তিনিওৰে মন ভৰি আছিল হেঁপাহেৰে। অৱশেষত জন্ম হ'ল পৰীৰ। আজিৰ মোৰ ছোৱালীৰ। পৰীৰ জন্মৰ কেইবাঘন্টা পাছতেই মৃত্যুৰ সৈতে যুঁজি যুঁজি অৱশেষত ভাগৰি পৰিল বিশাল মনৰ মানুহজনী। হেৰাই গ'ল কণমানি পৰীৰ মাক এই পৃথিৱীৰ পৰা।"

নিশিয়ে কৈ উঠিল — "তাৰমানে পৰী...?"

— অ' পৰীৰ মই জন্মদাত্ৰী নহওঁ। কিন্তু তেতিয়াৰে পৰা আজিলৈকে পৰীৰ 'মা' হওঁ। কেতিয়াবা কেতিয়াবা কান্দি-কান্দি পৰীয়ে মাকৰ দৰে ভাগৰিয়েই পৰিব যেন ভয় হৈছিল। দেউতাকেও হুকহুকাই কান্দি পেলাইছিল। তাইৰ কান্দোনত মোৰ কলিজাটো ফাটি-চিৰি গৈছিল। নিশা কেতিয়াবা পৰীৰ কান্দোনত পৰীৰ দেউতাক আৰু ময়ো কান্দি কান্দিয়েই কটাইছিলোঁ। বাৰে বাৰে কাকুতি-মিনতি কৰিছিলোঁ পৰীৰ মাকৰ ফটোখনলৈ চাই উভতি আহিবলৈ। সঁচাকৈয়ে তেওঁ যে আৰু উভতি আহিব নোৱাৰা পৃথিৱী এখনলৈ গ'লগৈ।"

কথাবোৰ বৃষ্টিয়ে ইমানতে সামৰিব বিচাৰিছিল যদিও নিশিৰ উৎসুকতাক বাধা দিব নোৱাৰি পুনৰ ক'বলৈ ধৰিলে —"পৰীয়ে এতিয়াও নাজানে মই যে তাইৰ জন্মদায়িনী নহওঁ। জানিলেও এতিয়া আৰু মোৰ ভয় নাই। তাই 'মা'-'মা' বুলি মাতি অহা শব্দটোৱে মোক সেইকণ সাহস দিছে। কেতিয়াবা তাই দেউতাক আৰু মোক একেলগে বহাই লৈ দুয়োৰে ফটো তোলে আৰু দুয়োজনৰ মাজেৰে মূৰটো সোমোৱাই হাতৰ কেমেৰাটোত আমাৰ ফটো দেখুৱাই "Nice Couple" বুলি কৈ কৈ খিল্‌খিল্‌কৈ হাঁহিত যেন দেহৰ ওপৰতে বাগৰি পৰিব খোজে, তাইৰ হাঁহিয়ে আমাৰ উদাস দুটা মন ক্ৰমে পাতল কৰি তোলে।"

কথাখিনি কৈ এটা দীঘল উশাহ লৈ এৰি বৃষ্টিয়ে পুনৰ ক'বলৈ ধৰিলে — "নজনাকৈয়ে এদিন কিবা এটা ভয় লাগি মোৰ বুকুখন আৰ্তনাদ কৰি উঠিল, যেতিয়া আমাৰ কণমানি পৰীজনী আহি মোক ক'লে — "মা তুমি সেন্দুৰ কিয় নোলোৱা? এয়া লোৱা মই দেউতাক কৈ তোমাৰ বাবে অনাইছো। আজি তুমি সেন্দূৰ শিৰত লৈ মোক স্কুলত থৈ তুমি কলেজলৈ যাবা।" — কথাখিনি কৈ পৰী বাহিৰলৈ ওলাই গ'ল। মই থতমত খাই তাতেই থিয় হৈ দাপোনত নিজৰ ফালে চাই থাকিলোঁ। কি স'তে মই বিশাল মনৰ নাৰী গৰাকীৰ ভাগৰ সেন্দূৰখিনি নিজৰ শিৰত আঁকি লওঁ? হাতলৈ চালো, পৰী দি যোৱা সৰু বাকচটোলৈ চালো - স্পষ্টকৈ লিখা আছিল সেন্দূৰ। কেতিয়ানো পৰীৰ দেউতাক আহি মোৰ ওচৰত থিয় হৈ ৰৈ আছিল মই গমকেই নাপালো। হঠাৎ ঘূৰিবলৈ লওঁতে দেখি আৰু বেছি লাজ-ভয়ে মোক কঁপাই তুলিলে। তেওঁ মোৰ হাতৰ পৰা নি সেন্দূৰেৰে আঁকি দিছিল মোৰ শিৰ। একো নোকোৱাকৈয়ে। তেওঁ অফিচলৈ ওলাই গ'ল। মই পৰীক লৈ তাইৰ স্কুলত থ'লো তাই বহুত সুখী আছিল সেইদিনা। কলেজলৈ যাবলৈ তাইক নমাই থৈ গাড়ী ঘূৰালো। গোটেই সময়খিনি গাড়ী চলাই কলেজ পোৱালৈকে মনটোত বহুত কিবাকিবি ভাবে খেলি থাকিল। আমি হয়তো পৰীৰ সেইদিনা কথাষাৰৰ অবিহনে আজিও অনুভৱ নকৰিলোহেঁতেন যে আমি ইজনে-সিজনৰ হাঁহি-সুখ, সংগ দিয়াৰ আঁৰত এক ভালপোৱাই বিৰাজ কৰি আছিল।

এয়াই মোৰ জীৱনৰ বৰ্তমানলৈ হোৱা কাহিনী। বৃষ্টিৰ মনৰ কথা, তাইৰ জীৱনৰ কথা জানিব পাৰি নিশিৰো বহুত ভাল লাগিল। কিছুসময় পিছত নিশি বৃষ্টিৰ পৰা বিদায় মাগি ঘৰলৈ উভতিল। নিশিৰ সেইনিশাও ভালদৰে টোপনি নাহিল। নানা ৰঙী পৰ্দাখন আঁতৰাই খিৰিকীৰ গ্লাছেৰে মুগ্ধ হৈ চাই ৰ'ল কোঠাৰ বাহিৰৰ পৃথিৱীখন...।

ভাবি ৰ'ল কোমল মনৰ ছোৱালীজনীৰ জীৱনত কিবোৰ যে হৈ গ'ল। কিন্তু ভাল লাগিল তাইক সফল ৰূপত বৰ্তমান দেখি। কিমান আল-ফুলকৈ ডাঙৰ কৰিছে পৰীজনীক তাই। "কেতিয়াবা অতীত আৰু দুই এজনৰ এষাৰ দুষাৰ কথাই মোৰ এতিয়াও ডিঙি চেপি ধৰে" - বৃষ্টিৰ এই কথাষাৰ নিশিৰ কাণত বাজি থাকিল। হ'লেও তাই পাৰিব। বৃষ্টিয়ে পাৰিব আৰু আগুৱাই যাব নিশিয়ে ভাবি থাকিল।

হঠাৎ যে আকাশৰ কোনোবাখিনিত বৃষ্টিৰ কলেজীয়া দিনৰ সকলোৰে মন গলাব পৰা হাঁহিটোৱে ভুমুকি মাৰিলে। নিশিৰ বুকুখনে হাঁহাকাৰ কৰি উঠিল তাইৰো যদি তেনেকুৱা হৈ যায়। বৃষ্টিৰ দৰে পুনৰ এগৰাকী মাতৃৰ মৰম পাবনে তাইৰ সন্তানে? কোনোবাই দিবনে বৃষ্টিৰ দৰে তাইৰ সন্তানক নিঃস্বাৰ্থ, অজস্র, আলসুৱা মৰম? — 'ধেৎ মই আকৌ কিয় মৰিম।" নিশি নিজকে ক'লে। এটা ভাগৰুৱা হাঁহিৰে অনিচ্ছাসত্বেও তাই পৰ্দাখন আঁৰি দিলে জোনটিৰ চকুযুৰিত...

আৰু শুই পৰিল। কিছুসময় পিছতে টোপনিয়ে আহি দুচকু বন্ধ কৰিলেহি। ■



# পুৰণি চহৰৰ ৰং

।। সঞ্জীৱ কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান শাখা)

পুৰণি চহৰ। বহু কেইটা বছৰৰ অন্তত এই চহৰত আহিছো। ঠিক কিমান বছৰ সাত নে চাৰে সাত বছৰ। চহৰখন একে নাই, নাথাকিবও - সকলো সলনি হোৱাও নাই। মেইন চ'কৰ সকলো ৰঙচুৰা হৈছে, পুলিচ পইণ্টত নৱতম বিজ্ঞাপনৰ ছবিয়ে চকু টানিছে, সন্মুখৰ তিনিটা পথ যি আছিল চিনাকী - একান্ত আপোন ঠিকনালৈ আজিও লৈ যাবনে? মই অভিমান কৰিব নোৱাৰো চহৰখনে মোক পাহৰি যোৱা বুলি অথচ চহৰখনে মোক নিচিনিবও পাৰে অভিমানত অথবা সলনি হোৱাৰ অজুহাতত। মেইন চ'কৰ সমুখৰ মাজৰ পথটো ক'লৈ যায়, ক'লৈ লৈ যায় নীলা ৰঙৰ কাপোৰ পিন্ধা জাক-জাক নতুন দিনৰ ন সম্ভাৱনাক। আজি দেওবাৰ, চহৰত ফাগুন ফুলিছে — সেই একেই ফাগুন। যি ফাগুনে গাভৰুৰ ৰঙা চূৰ্ণী টানি লিখিছিল কবিতা, আঁকিছিল ছবি ভিন্ন ৰঙৰ ভিন্ন ভাবৰ, য'ত কেৱল কলেজীয়া দিনৰ উন্মাদনা, কলেজ সপ্তাহৰ বাগৰি অহা উচাহ — সকলো সোঁৱৰণী। তেওঁ এদিন মোক ফাগুনৰ গান এটা শুনাইছিল, মই সেই সুৰ বহু দিনলৈ গুণ গুণাইছিলো। তাই ফাগুন ভালপায় — অকবিতাবোৰ অজানিতে প্ৰিয় আছিল, লিখিছিলো তেওঁৰ নামত, তেওঁৰ বাবেই। দেওবাৰৰ বন্ধ হ'লেও মেইন গেট খোলা আছে, এয়া কলেজ সপ্তাহৰ আয়োজন হয়তো। ৰৈ ৰৈ বাজি থকা প্ৰিয় গান এটা গুণগুনাই থকাৰ দৰে সোঁৱৰণীৰ পৃষ্ঠাবোৰ এটাৰ পাছত এটা মোৰ সন্মুখত! নষ্টালজিয়া। এইখিনিতে — এইখিনিতে আমি শেষৰ বাৰ দেখিছিলো ইজনে সিজনক। ঠাইখিনি মই ভাল নাপাওঁ। বিচ্ছেদৰ দগ্ধ ভাৱনাই যদিও মোক কুটি কুটি খাব পৰা নাছিল তথাপিও ডায়েৰীটো মেলি পৃষ্ঠাবোৰ আকৌ এবাৰ লুটিয়াব মন যায়।

মোৰ পুৰণি বন্ধু সি- অন্তৰংগ বন্ধু। পুৰণি চহৰৰ পৰাই সি মোক টেলিফোন কৰিছিল। চাকৰি এটা নহ'ল বুলি সি দুখ প্ৰকাশ কৰা নাছিল, ব্যৱসায় ভাল চলিছিল। আৰু — আৰু বহু কথাই সি কোৱা নাছিল কিম্বা ক'ব সুযোগ নাপালে। অসময়ত অহা টেলিফোনটোৱে মোক ঘূৰাই লৈ আনি পাৰিলেহেঁতেন — পুৰণি বন্ধুৰ আড্ডা জমি উঠিলেহেঁতেন, স্মৃতিৰ সুৰঙাইদি আমি বহু গল্প আওঁৰালোহেঁতেন। অথচ সি এষাৰ কথা কৈয়ে ফোনটো কাটিলে। কি হৈছে পুৰণি চহৰত — সি কৈছিল "আমাৰ সময়বোৰ আমাৰ হৈ থকা নাই অ', তই উভতি নাহিবি"।

ফাগুনৰ বাটটোৱেই মই খোজ কাঢ়িছো। চিনাকীবোৰ হৃদয়ৰ এক ন্যূনতম দূৰত্বত গৈ অচিনাকীৰ ৰং পিন্ধে। চহৰখনে বাৰু মোক সঁচাই অচিনাকী বুলি ভাবিছে নেকি? উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, নতুনকৈ আহিছো ইয়ালৈ। বাছ ষ্টেণ্ডৰ পৰা কলেজলৈ যোৱা বাটছোৱাত দুয়োকাষে সোণাৰু, ইমান ভাল লাগিছিল চহৰখনৰ প্ৰথম সাক্ষাৎ। প্ৰতিটো নতুন বস্তু, প্ৰতিখন নতুন ঠাই ভাল নালাগিব পাৰে, প্ৰথম দেখাত চকুৰ মিলনত সেই সহৃদয়তা নাথাকিব পাৰে, আউল লগা বাটেৰে সময় বগুৱাই প্ৰিয় হৈ পৰিবও পাৰে সকলো। ঠিক চহৰখন এনেকুৱা।

বাটটোৰে গৈ থাকোতে পুৰণি বন্ধু এজন লগ পাই যোৱা হ'লে। যদি লগ পাওঁ তাইক — হঠাৎ! কি কম বা মোক কি ক'ব? ভালে আছো বুলি সুধিবনে, সুধিলে ক'ম; ওলোটাইও সুধিব লাগিব — কুশল বাৰ্তা বিনিময়ৰ পাছত তাই যদি ৰৈ যায় — আকৌ কি ক'ম? সেইখিনিতে শেষবাৰ দেখা-দেখি হওঁতে ফুটুকীয়া ৰঙা চুৰিদাৰ এযোৰ পিন্ধিছিল — মনত নাথাকিব কিয়, চহৰখন এৰি সেই আবেলি ময়ো গুচি গৈছিলো নতুন ঠিকনা বিচাৰি। মোৰ হাত এখন তাইৰ হাতৰ তলুৱাত লৈ কাগজ এখন দিছিল — ৰঙা পখিলা আঁকা খামটো, ভিতৰত চিঠি। সবিনয় নিবেদন ... ২৫ ফাগুন!

সিদিনা ৰাতিপুৱা খবৰটো পালো — মাত্ৰ তিনিদিন আগত মোক সি টেলিফোন কৰিছিল। মই তাক কিয় নুসুধিলো তাৰ কঁপি থকা মাতৰ আঁৰৰ কথা। সি কোৱা শেষ কথাষাৰ — মই তাক শেষবাৰৰ বাবে কি কৈছিলো, "ভালে আছো"? মই যেন সেই মুহূৰ্ততে চিঞৰি চিঞৰি মোৰ অপৰাধ স্বীকাৰ কৰিম। সি ক্ষমা কৰক- নকৰক, মই তাৰ অপৰাধী। "আমাৰ সময়বোৰ আমাৰ হৈ থকা নাই অ', তই উভতি নাহিবি।" মই তাক একোৱে ক'ব নোৱাৰিলো — একোৱে ক'ব নোৱাৰিলো। ■



# পদধ্বনি

।। ঋতু শইকীয়া
স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান শাখা)

কথাবোৰ সপ্রতিভ। ৰাতিৰ ধুমুহা-বৰষুণৰ পাছত পুৱাৰ সৌম্য বেলিটোৰ দৰে। চঞ্চল। বৰশীৰ চিপডালৰ পৰা জিঞাটো উৰি যাওঁতে নাচি উঠা পানীখিনিৰ দৰেই। গধূলি গৰুৰ গাৰ আগাৰা গুটিৰ গোন্ধটোৰ দৰেই পুৰণি গোন্ধটো, য'ৰ পৰা আৰম্ভ হৈছিল, লাগি আছেহি। আমনি কৰিছেহি। ব্যতিব্যস্ত কৰিছে। ইচ্ছা কৰিও আঁতৰাব পৰা নাই মনৰ পৰা। আউল-বাউল চুলিখিনি ঠিক কৰি চকু দুটা মোহাৰি দিলো। পৰা নাই। হাতৰ আঙুলিৰ গাঁথিবোৰ এফালৰ পৰা ফুটাই গ'লো টক্ টক্ টক্। পৰা নাই। হঠাতে থিয় হৈ সোঁৰে-বাঁওে চালো আৰু পায়চাৰি আৰম্ভ কৰিলো। পৰা নাই...

ইমান সময় বহি থকা এটা শিলছটাৰ পৰা এখোজ পিছুৱাই গ'লেই নিৰাশাৰ পৃথিৱীখন আৰম্ভ। মিছাৰ বাবে নিচাত ডুবি থকা এখন পৃথিৱী। সদ্ভাৱনাক স্বচ্ছলতাৰে আৱৰি থোৱা এখন পৃথিৱী। আৰু এখোজ আগত শূণ্যতা। পুনৰ জনমত মোৰ আস্থা নাই। সেয়ে শূন্যটোতো জিজ্ঞাসা নাই। এই শিলছটা জীৱন আৰু স্বাধীনতাৰ সীমা।

স্বাধীন হ'বলৈ ভয় মোৰো নাই, তাইৰো নাছিল। স্বাধীনতাক তাই পূজা কৰিছিল আৰু সেয়ে হয়তো উৰ্বশীৰ সাধু শুনি কুণ্ঠাবোধ কৰা নাছিল ওপৰলৈ থুৱাই দিবলৈ — "উৰ্বশী, তোৰ প্ৰেমত কলুষতা আছিল। পবিত্ৰতা নাছিল। সেয়া প্ৰেম হোৱা হ'লে দেৱতাসকলক বুঢ়া আঙুলি জোকাৰি জোকাৰি তই ক'লি হয় যে মই মাটিৰ মানুহ এটাক ভাল পাইছো, তাত তহঁতৰ বাপেৰহঁতৰ কি আহে কি যায়"। হাঁহিছিলো। তাইৰ খং, ভংগীমা সকলোতে কোৱা কথাকেইযাৰৰ প্ৰতিফলন ঘটিছিল। চিঞৰি চিঞৰি কোৱা কথাকেইযাৰ প্ৰতিধ্বনি হ'বলৈ দূৰৈত পাহাৰ নাছিল। প্ৰতিধ্বনি দুয়োৰে প্ৰিয়। মনতহে বাজি আছিল কথা কেইযাৰ বহুসময় আৰু এটা সময়ত হাঁহিছিলো। হাঁহি হাঁহি বাগৰি পৰিছিলো। তাই ভেবা লাগি চাই আছিল মোৰ মুখলৈ। ওপৰলৈ পেলোৱা থুখিনি তাইৰে মূৰত পৰা তাই গমেই পোৱা নাছিল।

প্ৰথমটো কেম'ৰ পাছত বিমৰ্ষ মোক দেখি তাই মোলৈ কিছু সময় চাই আছিল, শেঁতাকৈ হাঁহিছিল ধুনীয়া হাঁহিটো আৰু সুধিছিল—

— আচ্ছা কচোন, মানুহে যে মাছে-মঙহে দকচি খায়, ৰং-তাম্চা কৰে, ফুৰিব যায়, নতুন কাপোৰ পিন্ধে, নাচে, গায় এইবোৰৰ পৰা কি পায়?

— ধেই, শুন মই কওঁ। এইবোৰ সব মিছা। মৃত্যু ভয়ক পাহৰি থাকিবলৈ হয়তো এইবোৰে অলপ শান্তনা দিয়ে। কিন্তু কি জানানে, আমি মৃত্যুক ভয় কৰি জীৱন যাপন কৰো আৰু সেয়ে অকলশৰীয়া সময়বোৰত আমি বিমৰ্ষ হৈ পৰো। আচলতে মানুহে মৃত্যুক পূজা কৰি জীৱন যাপন কৰিব লাগে তেতিয়া একো হেৰুওৱাৰ ভয় নাথাকে, নাথাকে একো পোৱাৰ বাবে অত্যধিক হাবিয়াস। ইয়ে মানুহক মানুহ হোৱাত সহায় কৰে।

জ্বলি জ্বলি শিখা হেৰাই যোৱা অঙঠাটোৰ দৰেই সজীৱ হৈ আছে কথাবোৰ। গৰাকীবিহীন ঘৰখন কিদৰে ভৰি পৰিছিল এদিন। কিদৰে তাইৰ হাতৰ জেতুকাৰ বোলবোৰ বেছি ৰঙা হৈ উঠিছিল। পাকঘৰৰ কাঁহী-বাতিৰ উচ্ছৃংখলতা লোপ পাইছিল ক্ৰমান্বয়ে। খোলা নঙলাৰে সোমাই অহা গৰু খেদিবলৈ দৌৰ মৰাৰ পদধ্বনিয়ে পদূলিটো যেন মোহাচ্ছন্ন কৰি ৰাখিছিল। কোনোবা এদিন আঁচলখন পুৰণি হৈছিল। হাতৰ খাৰুৰ ঝন্-ঝননি নোহোৱা হৈ আহিছিল। এটা উদং দুপৰীয়া খালী ভৰিৰে তাই বাৰীৰ শাক অকলে চিঙিব যাব পৰা হৈছিল। আৰু এদিন এনেকৈয়ে সময়বোৰ অসময় হৈ পৰিছিল।

তাইৰ পখী হোৱাৰ মন আছিল। স্বাধীন পখী। বিশ্বাস কৰিছিল যে মৃত্যুৱে স্বাধীনতা আনে। আৰু এদিন তাই স্বাধীন হৈছিল। পদধ্বনিবোৰ লাগি আছিল পদূলিটোত। অকলশৰীয়া হৈ আছে নেকি শিলছটাত ইমান সময় ধৰিব পৰা নাই।

আৰু এদিন আকাশখন ৰাঙলী হোৱা হ'লে তাইক যেন দেখিলো হয় পুনৰ। বিষন্নতাই মোক কোঙা কৰা নাই। বতাহজাকে কৰিছে। বতাহত উৰি ফুৰা পদধ্বনিবোৰে কৰিছে। পদধ্বনিবোৰ আশা আনিছেনে নিৰাশা, স্বাধীনতাৰ মন্ত্ৰ নে জীৱনৰ দোমোজা ধৰিব পৰা নাই। এবাৰ হঠাতে মোৰ চকু দুটা যেন অকণমান উজ্বলি উঠিল, ওঁঠযোৰ যেন বতাহজাকৰ তালে তালে কঁপি উঠিল আৰু মই বুজি উঠিলো যে এখোজ আগত স্বাধীনতা আৰু এখোজ পিছুৰ পৰা জীৱন। হাঁহি এটিৰে মই খোজ পেলালো...। ■



# মাংস

।। দীপাংকৰ দাস
স্নাতক তৃতীয় ষাণ্মাসিক (বিজ্ঞান শাখা)

তাই নিজৰ চকুৰেই নিজৰ মাংসখিনি এবাৰ পিটিকি চালে। ভৰিখনৰ বুঢ়া আঙুলি দুটা, তাৰ পিছত আঁঠু, তাৰপিছত কঁকালখন, বুকুখন আৰু তাৰপিছত... নাই আৰু চাব নোৱাৰি..., নাই তেনেকুৱা কোনো কথাই নাই।

সৰু বাতি এটাৰে পানী এবাতি ৰমলাই মুখত দিছিলহে; মূৰটো অলপ বেঁকাকৈ ঘূৰাই নিশ্চুপ চিৎকাৰ এটি কৰি তাই ওচৰৰ বিছনাখনত বহি পৰিল। আগৰাতিৰে পৰা থকা বৰফ চেঁচা পানীখিনিয়ে যেন যাবৰ বাট বিচাৰি নাপাই তাইৰ বুকুৰ মাংসখিনি ছিৰাছিৰি কৰি বাট উলিয়াইছে। এনে লাগিল বৰফৰ শুকান গজাল কেইটামানে তাইৰ চেপেটা খাদ্যনলী বহল কৰি পানীখিনি যাবৰ বাবে বাট মোকলাইছে।

যোৱা দুদিন ধৰি মাত্ৰ পিঠাগুড়ি আৰু চেনীৰে তাই তাইৰ দেহটোৰ অভাৱখিনি পূৰাব চেষ্টা কৰি আছে। এই বিফল চেষ্টা সফল কৰি তুলিবলৈ তাইৰ হাতত ফুটাকড়ি এটাও নাই। মানুহবোৰৰ গাত বিহু লাগিবৰ পৰাই আজি দ্বিতীয় বিহুৰ দিনটোও যাবৰ হ'ল। উৰুকাৰ দিনালৈকে তাই আৰ তাৰ ঘৰত কাম কৰি দিছিল যাতে বিহুৰ সময়ত বিহুৰ গোন্ধ ল'বলৈ দুপইচা ওলায়; কিন্তু তাই পাহৰিছিল দুখীয়া মানুহৰ ভোক নাথাকে, কিম্বা নাথাকে বিহু!

"চুপ থাকে এ ঘেন্তা বুৰী; মাথাটো নাখাবি আৰ মোৰ। বিহুৰ দিনাও পেটত একো এটা পৰা নাই, পানিখিনি গিল্‌বাৰ শক্‌তি নোহোৱা হৈ গেছি। তোৰ এই পেন-পেন ঘেন-ঘেন শুন্‌বাৰ ধৈৰ্‌জ্য নাই মোৰ। চাল্লা, কচুখাৰাহাঁতৰ, ভাটাৰৰ মূৰা খাইতিহাতৰ ঘৰত কেমান দেহা মাৰলু। বেটাহতে ঘৰত আহি পইছা দি যায় বুলে, আহবাৰ পস্তকত লাল চাহ এক বাটি খুৰে খেদালা। চুপ থাক বুলছুনা, চুপ থাক আৰ...।"

হাতত থকা বাটিটো দলিয়াই তাই ঘৰৰ পৰা ওলাই আহে। ঘৰৰ আগফালে অলপ গৈ গাঁৱৰ সমূহীয়া নামঘৰটো। বাঁহেৰে ভৰি থকা এই ঠাইখিনিত মাঘৰ মাহৰ এই দিনটোত দিনতেই থিয় দি থাকিব নোৱাৰি। চেঁচাত হাড় ফাটি যাব খোজে। জেকা-কেঁচা মাটি, বাঁহৰ পাতৰ পৰা পৰি থকা চপট্ চপট্ নিয়ৰৰ টোপাল। বাঁহৰ টিপৰ কাষত তাজমহল, কুতুবমিনাৰৰ দৰে উই-হাঁফলুৰ ঘৰ, কেঁচু মাটিৰ লডা। ক'ৰবাত বাঁহৰ ফাঁকেৰে ৰ'দ এছাটি পৰিলেও তাক চেঁচা ৰ'দ হে বুলিব পাৰি।

এনে অলপ ৰ'দৰ আশ্ৰয়ত তাই নামঘৰৰ মজিয়াত বহি পৰিল। ৰ'দ বুলিবই নোৱাৰি, দীঘল জাতি বাঁহৰ ছাঁ কেইটামান স্পষ্ট কৰি তুলি ধৰিবলৈহে যেন ৰ'দখিনি মজিয়াখনত পৰিছে এনে লাগে। হওঁতে তাই মজিয়াত বহিব নাপায়। তাইৰ চুৱা হৈছে। গাঁৱৰ তিৰোতামখাই গম পালে এতিয়াই তাই তূলা-ধূনা দিব। গালি-গালাজেৰে পুতি পেলাব।

"কিন্তু ভগৱানে কিবা তাইক চাবা আহছি না। বহইবো তাই। এই ভখত ক'ত যাব তাই; কি কৰবো।"

— এনেকৈ ৰমলা মজিয়াখনত বহি কি কৰা যায় ভবাত লাগিল।

গাঁৱৰ ভিতৰত যিবোৰ আটাইতকৈ ভদ্ৰ, সন্মানীয় ব্যক্তি আছে তাৰ ভিতৰত এজন হ'ল সন্মানীয় অৱসৰপ্ৰাপ্ত শিক্ষক বৰোবাবু। আচলতে তেওঁৰ নাম নৰেন কাকতি। কিন্তু দেখাই শুনাই সুন্দৰ আৰু তেওঁলোকৰ বংশৰ এটা নাম আছে বাবে তেওঁক বৰোবাবু বুলিয়েই সকলোৱে সম্বোধন কৰে। বৰোবাবুৰ এজনেই ল'ৰা মৃন্ময়। দশম শ্ৰেণীত, চহৰত থাকি পঢ়ে। আৰু এজনী ঘৈণীয়েক; বৰোবাবুয়ে ঘৈণীয়েকৰ নামতেই তলে তলে এখন সুদৰ বেপাৰ কৰে। হওঁতে এইটো বংশৰ এটা পইছা সুদত দিয়া অতীজৰেই পৰা চলি অহা পৰম্পৰা আছে।

মৃন্ময় দেখাই শুনাই চমৎকাৰ। গাঁৱৰ মানুহবোৰে তাক দেখা পালেই ধন্য হোৱা যেন অনুভৱ কৰে। বৰোবাবুৰ মৃন্ময়কলৈ যেন গৰ্বৰ অন্ত নাই। নিজমুখে পুতেকৰ প্ৰশংসা কৰিবলৈ পালে তেওঁক

আৰু একো নালাগে। ৰঙালী আৰু মাঘৰ বিহু। এই দুটা বিহুত মৃন্ময় গাঁৱলৈ, নিজৰ ঘৰলৈ নহাকৈ নাথাকে। ৰমলাই এই কথা অন্ততঃ ভালদৰেই জানে। এই মৃন্ময় কাকতিয়েই সেইজন যিয়ে যোৱাবাৰ ৰঙালী বিহুত তাইৰ মাংসত নিমখ অকণ লগাই চাকি চাইছিল। তাৰ বিনিময়ত সি ৰমলাৰ হাতত গুজি দিছিল ৫০০ টকীয়া এখন সৰু খমখমীয়া গান্ধীজীৰ ছবি আৰু ভৱিষ্যতৰ অভাৱ পূৰণৰ প্ৰতিশ্ৰুতি।

দুখীয়া মানুহৰ ক'ত বিহু থাকে! গাঁৱৰ সকলো মানুহেই বিহু চাবলৈ ওলাই গৈছিল। গাঁৱৰ মূৰৰ বৰচাপৰিত সাঁজলগাৰ পৰাই প্ৰতিবছৰে চলে ডেকা-গাঁভৰুৰ হুঁচৰি। বাঁহবাৰীয়ে ভৰা গাঁৱৰ একা বেকাঁ বাট। একোটা পাকত ইটো মূৰেৰে গৈ থকা মানুহজনে ঘিটমিটীয়া আন্ধাৰত একো মনিব নোৱাৰি ভয়তে নাকটোৰ সিটো মূৰে কোনোবা আহি আছে নেকি চিঞৰি চিঞৰি উমান লয়।

কাকতিদেৱৰ ঘৰতেই কাম শেষ কৰি ওলাই আহিছিল তাই। তাইৰ ভালদৰে মনত আছে কথাবোৰ, আহোঁতে ভাবিছিল এবাৰ বৰচাপৰিৰ পৰাই পাক এটা মাৰি আহিব। হওঁতে তাইৰ বান্ধৱী বুলিবলৈও কোনো নাই। বাপেক নোহোৱা ছোৱালী এজনীৰ লগত কোনে নিজৰ জীয়েকক সখী পাতিবলৈ দিবনো। ভয়-চয় বাদ দি তাই একা বেঁকা বাটটোৰেই আগবাঢ়িল। সেই পাক এটাত ক'ৰ পৰা আহি মৃন্ময় তাইক টানি লৈ গ'ল বাঁহৰ চুপ এটালৈ তাই তৰ্কিবই নোৱাৰিলে। হঠাৎ, নিমখ চেলেকি থকা মৃন্ময় আৰু আতংকত অনুভূতি পৰিহাৰ কৰা দুটা ছায়া মূৰ্তিৰ কাণত এটা আৱাজে খুন্দিয়ালে —

"বুলু সিটো মূৰে কোন্‌বা আছে না?"

অতপৰ মজিয়াখনত বহি বহি কোনফালে যোৱা যায় ৰমলাই ঠিক কৰিব নোৱাৰিলে। চেঁচা মজিয়াত বহি তাইৰ কঁকালখন টন্‌টনাই উঠিল। তাই চালে তাইৰ হাত-ভৰিবোৰ কপি আছে। দাঁতকেইটা কটকটাব লাগিছে। কিন্তু ঠাণ্ডাৰ নে ভোকৰ প্ৰভাৱ সেয়া তাই নুবুজিলে। এবাৰ ভাবিলে নিজৰ মাংস নিজে খাব নিজে খাব নোৱাৰিনে? এই মুহূৰ্তত তাইৰ যেন নৰখাদক হ'বলৈও ভয় নাই এনে হ'ল। তাই উঠিল, ঠিক কৰিলে কপিলাহঁতৰ ঘৰতেই যোৱা যাওঁক; কিজানি কিবা এটা ব্যৱস্থা হৈ যায়।

কপিলাহঁতৰ ঘৰ ৰমলা থকা চুবুৰিটোৰ একেবাৰে শেহত। ইয়াৰ পৰা সিহঁতৰ গাওঁখনক আনখন গাওঁৰ পৰা পৃথক কৰি ৰাখিছে ওখকৈ থকা ৰে'ল আলি এটাই। ৰমলাৰ মনত পৰিল, এবাৰ তাই কোনোবাই কোৱা শুনিছিল; বানপানীৰ সময়ত যাতে ৰে'লবোৰৰ যাত্ৰা ব্যাহত নহয় তাৰ বাবেই ইমান ওখকৈ ৰেল আলিবোৰ স্থাপন কৰা হয়। কথাটো কিমান সঁচা বা মিছা তাই আজিলৈকে ঢুকি নাপালে। তাই মাত্ৰ প্ৰতিবাৰেই ৰে'ল আলিটো দেখিলেই ভাবে মানুহবোৰে যে প্ৰতিবছৰে বানপানীত যমৰ যাতনাত ভুগে তাৰ বাবে কিয় এনেকুৱা স্থায়ী ব্যৱস্থা একোটা নাই।

কপিলাহঁতৰ নঙলা পাই ৰমলাই দেখে বছৰেকীয়া বিহু নহয় যেন কিবা সকামহে পতা হৈছে। কপিলাৰ মাকে তাইক একাষৰীয়াকৈ মাতি আবেলি কিছু কাম আছে বুলি কৈ বিদায় দিলে। তাইৰ ভোক লাগিছে এতিয়া, আবেলিলৈ ৰয়নো কিদৰে। যিকেইঘৰ যাব পৰা মানুহৰ ঘৰ আছিল তাৰে মতা মানুহবোৰ গৈছে পথাৰত মেজি জ্বলাব, আৰু তিৰোতাবোৰ ব্যস্ত হৈছে আলহীৰ আপ্যায়নত। তাই এতিয়া যায় ক'ত? মানুহবোৰ বাৰু কিয় এনেকুৱা? কাৰোৱেই তাইৰ কথা ভাবিবলৈ এবাৰো সময় নহ'ল নে? কিছুদিন আগতে সান্দহ খুন্দাৰ পৰা পিঠা বনোৱালৈ সকলোকেই কেৱল তাইৰ সহায় লাগে; কিন্তু আজি তাই বতাহত উৰি ফুৰা পিঠা, মিঠৈৰ গোন্ধ খাবলগীয়া হৈছে। ৰমলাই নিজৰ মঙহাল দেহটো এবাৰ ভৰিৰ পৰা মূৰলৈ চালে। বুকুখনলৈ চাই তাই আৰু চাব নোৱাৰিলে। তাইৰ বাপেক ঢুকোৱাৰ পিছৰে পৰা ২৫ৰ ওচৰ চপা তাইৰ এই দেহটোত কতনা কষ্টৰ আচোঁৰ বাগৰিল; কত ল'ৰাই তাইক নিমখ ছটিয়াই চেলেকিবৰ বিফল চেষ্টা চলালে। তথাপিও তাইৰ যেন দেহৰ মঙহখিনি আতঁৰিব নাজানিলে। তাই কিমানবাৰ নিজকে আনক সপিব খুজিলে কিন্তু তাইৰ মঙহখিনিৰ দায়িত্ব যেন ল'ব কাৰোৱেই মন নাই; সকলোকে মাত্ৰ চাকি চাবহে লাগে। তাৰ বাৰম্বাৰ প্ৰয়াস কৰে; বাৰম্বাৰ হাৰি যায় নতুন নতুনকৈ। প্ৰতিবাৰেই তাই নিজৰ চেতনাক সক্ৰিয় ৰাখি বাচি আহে কলুষিত হোৱাৰ পৰা।

কিন্তু আজি আৰু তেনেকুৱা নহ'ব। আজি তাই চেতনাহীন। তাইৰ ঘৰত এজনী বুঢ়ীমাক আছে নৰিয়াত তাল-ফাল লগাই। তাইৰ নিজৰ ভোকৰ মূল্যৰ আগত কোমল মঙহৰ মূল্য ক'ত। দুটা পেটৰ ভোকৰ জুইত দগ্ধ হৈ পৰিছে তাই। চকুত পানী, মুখত নাম, খং, দুখ, অভিমান সকলোবেৰ তাইৰ ভিতৰৰ পৰা একেলগে ছিটিকি পৰিবলৈ ধৰিলে।

অন্যমনস্ক হৈ এইদৰে কিছুদেৰি খোজ কাঢ়ি তাই থপকৈ ৰৈ গ'ল। সন্মুখত সেয়া কাকতিদেৱৰ আটক ধুনীয়া ঘৰটো। নঙলাৰ কাষত সেয়া হাতত কিতাপ এখন লৈ ৰ'দ পুৱাই পঢ়ি থকা মৃন্ময় কাকতি। বৰোবাবুৰ একমাত্ৰ ল'ৰা। সি তাইৰ চকুলৈ চাই আছে; হাতেৰে কিবা এটা ইংগিত বুজাব বিচাৰিছে।

ভৰ দুপৰীয়া বুলিও একেবাৰে ক'ব নোৱাৰি। সম্ভৱতঃ ১২ বাজিবৰ হৈছে। এইখিনি সময়ত গাঁৱৰ সম্ভ্ৰান্ত আৰু সন্মানীয় মানুহখিনি থাকে পথাৰত মেজিৰ জুইৰ উম লৈ। য'ত বহে এখন সৰু ৰাজনৈতিক মেল আৰু য'ত তাইৰ দৰে ভিকহুৰ স্থান শূন্য। সেই সন্মানীয় ব্যক্তিসকলৰ একেবাৰে সন্মানীয় অৰ্ধাংগিনীসকল থাকে এইখিনি সময়ত লোকৰ ঘৰে ঘৰে আমন্ত্ৰণ ৰক্ষা কৰাত আৰু ওস্তাদি মৰা কথাৰ মহলাত ব্যস্ত হৈ। যিদৰে বৰোবাবু আছে পথাৰৰ মেলত আৰু মৃন্ময় যিদৰে বাহিৰত বহিছে বুজিব পাৰি কাকতি বাইদেউ ঘৰত বৰ্তমান নাই।

অলপপৰ মৃন্ময়ৰ চকুত চকু থৈ ৰমলাই এবাৰ ইফালে সিফালে চালে। লাইটৰ খুটা এটাত ঠেং এখন দাঙি পেচাব কৰি থকা কুকুৰ এটাই দেখিলে।

ৰমলাই বৰোবাবুৰ নঙলা ভেদি চৌহদলৈ খোজ দিছে আৰু তাৰ আগে আগে ঘৰৰ ভিতৰলৈ সোমাই গৈছে বৰোবাবুৰ ল'ৰা যাক দেখিলে মানুহে ধন্য হোৱা বুলি ভাবে, মৃন্ময়। ■

# তুঁহ জুই

**মনোজ কুমাৰ দাস।।**
অধ্যাপক, অসমীয়া বিভাগ



এদিন হঠাৎ।

তাৰ পিছত কেতিয়াবা মাহেকত। কেতিয়াবা পষেকত। শেষত প্ৰতিদিন। আগতে গধূলি আছিল। এতিয়া ৰাতিপুৱাৰ পৰা। ক'ত নাযায়? একেবাৰে পুৰাণ কাৰিপাৰাৰ পৰা কাছেৰি বাহাৰলৈ। কানাকানিৰ পৰা স'দ্দ'লা ঘাটলৈ। দিনটোত যে কিমান আহ-যাহ। কথাত ক'ব পাৰি তেওঁ আৰ্জিছে, তেওঁ খাইছে, কাৰনো কি আহে যায়। কথাটো এনেকে ভাবিলে হ'ব জানো? প্ৰভাৱ বৰ ডাঙৰ বস্তু। যেতিয়া ই সীমা অতিক্ৰমী সমাজত পৰে, তেতিয়া তাৰ কু-প্ৰভাৱত সমাজ বিষাক্ত হৈ পৰে। ৰজনী মাষ্টৰৰ এটাই ল'ৰা। তাকো এনেকুৰা হ'ল। মাষ্টৰৰ সন্মানো ৰসাতলে গৈছে, ঘৰখনো ঠান-বান হৈ গৈছে। মাষ্টৰ-মাষ্টৰণীৰ মনত শান্তি নাই। আমাৰো চকুৰ আগত ডাঙৰ হোৱা ল'ৰা। পঢ়াই পাতি বেয়া নাছিল। যি ডাঙৰ হ'ল - তাৰপিছত সকলো শেষ। ক'ত জানো লাগিল কেনা। পঢ়া শুনা বাদ দি মণিপুৰ নে চনিপুৰ ক'ৰবাত কিবা কাম কৰিবলৈ ওলাই গৈছিল। মাজে মাজে আহে আৰু যায়। মাতে কথাই বেয়া নহয়। ওলাওতে সোমাওতে 'খুড়া ভাল নে, কি খবৰ' - বুলি সদায় এষাৰি মিঠা মাত।

কেইবছৰমান দেখা নাছিলো। তাৰ পিছত দেখিলো এটি কোলাত কেঁচুৱাৰ সৈতে তিনিটা মানুহ হৈ সি ঘৰত থাকিবলৈ ল'লে। চুবুৰীয়া সীমা ভাগি হিচাপে সেইবোৰ প্ৰত্যক্ষ নকৰিলেও চকুত, কাণত আহি পৰে। সিহঁতৰ কাম কাজ কিছুমানে লাহে লাহে আমনি কৰা হ'ল। কেতিয়াবা বৰ তিক্ত হৈ পৰে নিশাটো। বিশেষকৈ সন্ধিয়া সাত-আঠ মান বজাৰ পৰা মোৰ উচ্চ ৰক্তচাপৰ সমস্যাটোৱে উক দিয়া যেন লাগে। আন চুবুৰীয়াৰ দৰে গা এৰা দি চলিব পাৰিলে কথাটো বেলেগ আছিল। কিন্তু মই নোৱাৰো, যেতিয়া তাৰ ঘৈণীয়েকে দেদাউৰি পাৰি 'খুড়া ও খুড়া ও, ধৰ ও ধৰ ও' বুলি দৌৰি আহি দৰ্জাত ঢকিয়াব ধৰে। আন মানুহৰ দৰে টোপনিৰ ভাও ধৰি থাকিব নোৱাৰো। তাতকৈ ডাঙৰ কথা যেতিয়া তাৰ কণমানিটিয়ে চিঞৰি চিঞৰি মাকৰ পিছে পিছে দৌৰি আহে, মই আৰু তেতিয়া ৰৈ থাকিব নোৱাৰো। পৰিবাৰক জগাই বাহিৰলৈ ওলাই আহো। আকৌ সিহঁতক লৈ গৈ তাক বুজাই বঢ়াই থৈ আহো। আহো হে, কিন্তু টোপনি নাহে বহু সময়লৈ। কিজানি আকৌ...। কিয় জানো মোৰ ইমান উৎকণ্ঠা যিকোনো কথা বা ঘটনাক লৈ। বহু সময়লৈ মই সহজ হ'ব

নোৱাৰো। স্কুলত কণ কণ ছাত্ৰ-ছাত্ৰীবোৰৰ লগত থকা সময়খিনি মোৰ বাবে সুখৰ সময়। সিহঁতৰ ভাব কল্পনাৰ জগতখন কিমান যে সহজ সৰল, কিমান উৎস্যুকতা কিবা এটা জানিবলে, শিকিবলে। সিহঁত ডাঙৰ হ'লে ধুনীয়া পৃথিৱীখন কিমান যে ধুনীয়াকৈ সজাই পৰাই ৰাখিব। কোনোবাজনে কয় যে ডাঙৰ হ'লে ডাক্তৰ হ'ব- দুখীয়া মানুহক বিনা পইচাই চিকিৎসা কৰিব, ঔষধো দিব। কোনোবাজনে কয় - ধনী মানুহ হ'লে দুমুঠি খাবলৈ নোপোৱা মানুহবোৰক খাদ্য কিনি দিব। কোনোবাজনে আকৌ কয় যে ডাঙৰ হ'লে হেনো মোৰ দৰে শিক্ষক হৈ সিঁহতৰ দৰে ল'ৰা-ছোৱালীবোৰক পঢ়ুৱাব। কোনোবাজনে কয় ডাঙৰ হ'লে মাকক বহুত মৰম কৰিব। কিয়নো মাকে সদায় ইমান কষ্ট কৰে পুৱা উঠিবৰ পৰা সিঁহত স্কুললৈ অহালৈ। সঁচাই। সঁচাই কিমান যে অন্তস্পৰ্শী সিঁহতৰ কথাবোৰ। ভাব হয় সিঁহতৰ সেই অন্তস্পৰ্শী সৎ চিন্তা, সৎ ভাৱনাবোৰক সমাজখনৰ কোন অপশক্তিয়ে নষ্ট কৰি পেলায়? যাৰ বাবে সেই সন্তানবোৰৰ মাজৰ পৰাই আজিৰ দৰে এই ল'ৰাৰ জন্ম হয়। যি সন্তানে মাকক মৰমত, সুখত ৰখাৰ কথা চিন্তা কৰে, সেই সন্তানেই ডাঙৰ হৈ কেনেকৈ এগৰাকী নাৰীক উপৰ্যুপৰি ইমান শাৰীৰিক, মানসিক অত্যাচাৰ কৰিব পাৰে। কথাবোৰে বৰকৈ খুন্দিয়াই যায়।

ৰাতিৰ যি অশ্লীল মাত-কথা, ডাবি-ধমকি, লম্ফ-জম্ফ দেখিলে শুনিলে হাঁহিমুখীয়া ল'ৰাটোক অসুৰ যেন লাগে। কিন্তু পুৱা? পুৱা একো নাই। পৰিবেশ একেবাৰে শান্ত। কাৰো একো মাতবোল নাই। মাত্ৰ ঘৈণীয়েকে কেতিয়াবা ককালত হাত দি খোজ কাঢ়ে, কেতিয়াবা এখন হাতেৰে বাচন ধোৱে, কেতিয়াবা দুই এদিনলে বিচনাৰ পৰা নুঠে। নুঠে নহয়। উঠিব নোৱাৰে। এই সকলোবোৰ ঘটনা-পৰিঘটনাৰ বাবে ঘৈণীয়েক একমাত্ৰ দায়ী তেনে নহয়। বেচেৰী দিনৰ দিনটো কাম কৰি কৰি ৰাতি জিৰণি ল'ম বুলি ভাবে। ভাবে হে। ভাব ভাবেই হৈ ৰয়। সি অহা মানেই এজাক প্ৰচণ্ড ধুমুহা অহা। সেই ধুমুহাই কেতিয়াবা তাইৰ দাঁত, ওঁঠ, হাত-ভৰি, ককাল ভাগে ঠিক নাই। কথা বুলিবলৈ একো নাই। দাইলত নিমখ কিয় কম হ'ল? ভাজিত তেল কিয় বেছি হ'ল? ভাতকেইটা বেছিকৈ কিয় সিজিল? ইত্যাদি বিভিন্ন দোষ-ত্ৰুটি। লাগিলে দাইল, ভাজি, ভাত ঠিকেই থাকক। মুঠতে এটা দোষ। দোষ মানেই ঘন্টা যোৱা গালি-গালাজ। আৰু গালি-গালাজৰ পিছত মাৰপিত। এনেকৈয়ে সপ্তাহৰ তিনিদিনমান ঘৈণীয়েক আৰু কণমাণিটিৰ দৌৰা-দৌৰি।

কথাবোৰ মই দুই ধৰণে ভাবো। এবাৰ মই নিজেই সি হও আৰু আনবাৰ তাৰ ঘৈণীয়েক। যদি মই সি হ'লোহেতেন সঁচাকৈ তাৰ দৰে দাইল, ভাজিৰ নিমখ তেলক লৈ কাজিয়া কৰি মাৰপিত কৰিলো হে নে পৰিবাৰক হাঁহি হাঁহি জোকাই লাজ দিলোহেঁতেন? অৱশ্যে তাতকৈ ঘৈণীয়েকৰ কথাখিনি বেছি ভাবো। কাৰণ তাৰ কথাখিনিত, কামখিনিত নতুনত্ব একো নাই। বচ্, সন্ধিয়া আহিল আৰু একেখিনি কাৰণতেই হাই কাজিয়া। কিন্তু তাৰ ঘৈণীয়েকৰ মনৰ মাজত কি সাংঘাতিক অন্তৰ্দ্বন্দ্ব। আজি বা কি হয়? কি ৰূপ দেখুৱাই? এই যি মানসিক চাপ, ইয়াতকৈ ডাঙৰ কষ্ট চাগে আৰু বেলেগ নাই। যদি মই তাৰ ঘৈণীয়েক হ'লোহেঁতেন, তেন্তে কি কৰিলোহেঁতেন? এনেকে সদায় অত্যাচাৰ সহি থকাতকৈ ঘৰ এৰি গুচি গ'লোহেঁতেন নে? নাই নাই। তাক বিষ খুৱাই মাৰিম। উম হু। অসম্ভৱ। তেন্তে উপায় কি? তাকতো বুজাইও লাভ নাই। নে নিজেই চিপ লৈ বা বিষ খাই মৰি যাম। নাই। সেইটোও কৰিব নোৱাৰিম। কণমানিটি আছে যে। উপায়? উপায়? উপায় আছে। দুয়োটাই বিষ খাই মৰি যাম। আগতে তাক খুৱাম। তাৰ পিছত মই খাম। এয়াই শেষ সমিধান। হয় জানো? হ'বই নোৱাৰে। যি সন্তানক ন মাহ গৰ্ভত ৰাখি সপোনৰ আচুফুল বাচি তাক যন্ত্ৰণাৰ উপৰি যন্ত্ৰণা সহি জন্ম দিছো, ডাঙৰ দীঘল কৰিছো, এতিয়া দৌৰিব পৰা সন্তানটিক নিজ হাতে বিষ খুৱাম?? অসম্ভৱ। অকল্পনীয় কথা। তেন্তে সম্ভৱ কি? এই যন্ত্ৰণাৰ উপশম ক'ত? কথাবোৰ মই যিদৰে ভাবিছো তাৰ ঘৈণীয়েকৰ মনতো এইবোৰ আহিছেনে? তাইনো কি ভাবে? মই একো ধৰিব নোৱাৰো। ৰাতি আৰু ৰাতিপুৱাৰ দৃশ্যভাগ বিসদৃশ। কেতিয়াবা সিঁহতে মাজে সময়ে বিয়া-সবাহ খাবলৈ যায়। দেখিছো সেইকেইটা দিনত সিহঁতৰ কোনো হাই কাজিয়া নহয়। কিন্তু বাকী দিনবোৰ গতানুগতিক।

কিছুদিনৰ পিছৰ কথা।

কথাৰ মাজতে মোৰ পৰিবাৰে কাণে কাণে ক'লে — 'দুদিনমান হ'ল তাৰ দেখোন মাত-বোল শুনা নাই'। হয়। যোৱা কেইবাদিনো সি কাজিয়া কৰা নাই। ময়ো ৰাস্তাই ঘাটে তাক দেখা নাই। কি বা হ'ল? এদিন পৰিবাৰৰ হতুৱাই খৱৰ এটা লোৱালো। শুনিলো তাৰ গা বেয়া। কাহি থাকে। উশাহটো ভালকৈ ল'ব নোৱাৰে। হাত-ভৰিবোৰ কঁপি থাকে। ডাক্তৰক দেখুৱাইছে। ঔষধ দিছে। খাইছে। কামত লগা নাই। থুলথুলীয়া চেহেৰাৰ মানুহটো হাড়ে-চালে লাগিছে। ঘৈণীয়েকৰো চকু মুখ গাতত সোমাইছে। বেচেৰীৰো ভাত পানী নাই। কোনেনে খাব পাৰিব গিৰিয়েকজন যদি তেনেদৰে বিচনাত পৰি থাকে। তাই হাত ভৰিবোৰ টানি টানি দিয়ে। মাজে মাজে আচলৰ কোণেৰে চকুপানী মচে। ঈশ্বৰক খাটে। গোঁসাইঘৰত নৈবেদ্য দিয়ে। জ্যোতিষীৰ তাত আখাৰা লৈ গৈ ভাল বেয়া চায়। বেয়া দিন হ'লেও কেতিয়াবা এনেকুৱা হয়। কিজানি পূজা-পাতাল এখন কৰি কোনোবা খৰা-কেঙাক কিবা দান দিলে ভালেই হয়। জ্যোতিষীয়ে কোৱা মতে দান-দক্ষিণাও দিলে। ওজাই দিয়া আলেনিও হাতে ভৰিয়ে বান্ধিলে। তথাপি মানুহজন ভাল হোৱা নাই। আলহী-অতিথিয়ে খৱৰ লৈছে। তাৰ লগৰবোৰেও

খবৰ লৈছে। মাত-কথাত কিছু ঠঠৰা বাজিলেও কথা ক'ব পৰাতে আছে। কিন্তু হাত ভৰিবোৰ কঁপা সময়খিনিত মানুহজন অস্থিৰ হৈ পৰে। চকুকেইটা ডাঙৰকৈ মেলি দিয়ে। ওঁঠৰ ফাকেৰে বগা ফেনৰ কণিকা দুই এটোপাল বাগৰি পৰে। বৰ হৃদয় বিদাৰক দৃশ্য। ঘৈণীয়েকজনীয়ে টানকৈ হাত-ভৰিত খামোছ মাৰি ধৰে আৰু কান্দে। ঘৈণীয়েকে তামোল কাটিবৰ যোৱা সময়ত উপায়হীন বন্ধুবোৰে কলা প্লাষ্টিকৰ ঠোহাৰ পৰা পানীৰ গিলাচটোত কি পানী দিয়ে, যি খাই গিৰিয়েক কিছু শান্ত হৈ পৰে? তাই ভাবে তাই দিয়া পানী গিলাচ খাব নোখোজে, খালেও হাত ভৰিৰ কঁপনিটো নুগুচে। তেন্তে কি দিয়ে বন্ধুৱে গিলাচত? তাই শুঙি চায়। বুজিব বাকী নৰয়। এয়াই বাৰু শেষ উপায় নেকি? টিনৰ বাকচটোৰ পৰা তাই এতিয়া সদায় বন্ধুজনক বিশ টকা এটা উলিয়াই দিয়ে। ডাক্তৰৰ শ শ টকীয়া ঔষধে কমান নোৱাৰা কঁপনি বন্ধুৱে আনি দিয়া বিশ টকীয়া পানীয়েহে তিনি চাৰি ঘন্টা কমায়। সেয়াই সান্ত্বনা। এৰা, ইয়াকে বাদে নো আছে কি বাকী! ঘৰখনৰ অৱস্থা নাই। এপদ এপদকৈ বাৰীৰ শাল-চেগুন, তাইৰ হাতৰ, গলৰ অলংকাৰ সকলো গ'ল। মাকৰ ঘৰখনে যদি হাত ধৰি নিদিয়ে, অন্য একো উপায় নাই। গাঁৱৰ তিৰোতাবোৰৰ দৰে জবকাৰ্ডত কাম কৰিব যাব পাৰে। কিন্তু বেমাৰীটোক চাই কোনে? মানুহ এজন লগত লাগেই। শেতাপৰা তাৰ চকুযুৰি দেখি বুকুখন বাৰে বাৰে জ্বলি উঠে। কণমানিটিৰ মুখলৈ চাই তাক সাৱটি ধৰি তাই হুকহুকাই কান্দে।

জুই।

একুৰা জুই।

তুঁহ জুই।

যিদিনা জীৱনৰ দ্বিতীয় পৰ্যায়ৰ আৰম্ভণি হ'ল, সেই দিনাৰ পৰাই অদেখা এক যন্ত্ৰণাই আশা, সপোনবোৰ নিৰৰ্থক কৰি পেলালে। ভাবিছিল তাৰ স্বভাৱৰ পৰিবৰ্তন হ'ব। তাইক লৈ নহ'লেও অন্তত কণমানিটিক লৈ সি ভাল হ'ব। কিন্তু নহ'ল। আৰু শেষত পৰিণতি এয়া। এৰা তুঁহজুইৰ দহনত শেষ হৈ গ'ল তাইৰ বৈবাহিক জীৱনৰ সকলো স্বপ্ন। তথাপি। তথাপি অন্তিম এক কামনা তাইৰ 'এনেকৈয়ে যদি শেতা পৰা চকুযুৰি আৰু কেইবছৰমান জীৱন্ত হৈ থাকিলহেঁতেন'।। ■

---

## কাজুঅ' ইশ্বিগুৰ'

১৯৫৪ চনৰ আঠ নৱেম্বৰত জাপানৰ নাগাছাকি চহৰত জন্মলাভ কৰা কাজুঅ' ইশ্বিগুৰ' এগৰাকী নবেল বঁটা বিজয়ী বৃটিছ ঔপন্যাসিক, চুটি গল্প লিখক আৰু চিত্ৰনাট্যকাৰ। ১৯৮০ চনত ইউনিভাৰচিটি অৱ ইষ্ট এঞ্জেলিয়াৰ পৰা সৃষ্টিমূলক সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ইশ্বিগুৰ'ক সমসাময়িক ইংৰাজী সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ আখ্যা দিয়া হয়। ইশ্বিগুৰ'ই বৰ্তমানলৈ চাৰিবাৰকৈ সন্মানীয় মেন বুকাৰ বঁটা মনোনয়ন লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁৰ জনপ্ৰিয় উপন্যাসসমূহৰ ভিতৰত 'দ্য ৰিমেইনচ অৱ দ্য ডে', 'নেভাৰ লেট মী গো', 'দ্য বাৰিদ জায়েন্ট' আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। তেওঁৰ শক্তিশালী সাহিত্য কৃতীৰ বাবে ইশ্বিগুৰ'ক ২০১৭ চনৰ সাহিত্যৰ নোবেল বঁটা প্ৰদান কৰা হয়। ২০১৮ চনত ইশ্বিগুৰ'ই বৃটিছ নাইটহুডো লাভ কৰে। সাহিত্য সৃষ্টিৰ উপৰিও ইশ্বিগুৰ'ই চিত্ৰনাট্য লেখাৰ লগতে গীত ৰচনা কৰি আহিছে।

# কবিতা



“কবিতা প্ৰতীক নিৰ্ভৰ কলা। কবিতাৰ শব্দ অৰ্থ প্ৰতীক। শব্দৰ ধ্বনি আৰু অৰ্থই কবিতাৰ প্ৰধান বৈভৱ। বিচিত্ৰ ৰং ৰেখা ৰূপ স্পেচ পোহৰ ছাঁ। চিত্ৰকৰে পটত বা স্থান পৰিসৰত একোটা বস্তুক (object) বা একোটা ইমেজক স্থাপন কৰি সিহঁতৰ মাজত পাৰস্পৰিক সম্পৰ্ক প্ৰতিষ্ঠা কৰে। কবিতা সময় পৰিসৰত শব্দৰ ৰৈখিক অনুক্ৰম। কালৰ পৰিসৰত কবিয়ে শব্দৰ পাছত শব্দ, পংক্তিৰ পাছত পংক্তি বহুৱাই যায়।”

# জ্যোতিষ্মান কৰি গ’ল একৈশ শতিকা

**যোগেশ কুমাৰ কলিতা ।।**
বিভাগীয় মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ

লগুনস্থিত সহস্ৰ দ্ৰোণাচাৰ্য্যৰ মহাবীক্ষা
কৃষ্ণ গহ্বৰত আলোক সন্ধান
থিয় দি থকা এক উন্নত এভাৰেষ্ট
য’ত হয় প্লাৱন কৰ্ষা —
কিম্বদন্তি পুৰুষ তেওঁ একৈশ শতিকাৰ
দুকুৰি পোন্ধৰ বৰ্ষ হুইল চেয়াৰত —
স্নায়ুৰোগ যাৰ কোলাৰ কেঁচুৰা

তপজপ নাস্তিকতাবাদ শিৰৰ ভূষণ
পৰ্য্যবেক্ষণত ঈগল দৃষ্টি
মানৱ বিজ্ঞানত আধুনিকতা সৃষ্টি
জীপাল যাৰ বাস্তৱ ধৰ্ম-ৰাজনীতি
চাৰিমুঠি জীৱৰ সৰ্বত্ৰে প্ৰস্ফুটিত
কিম্বদন্তি পুৰোধা তেওঁ পদাৰ্থবিজ্ঞানী
এক অপৰাজেয় নাম!

মহাজাগতিক ৰহস্য ভেদি
ৰচি আৰ্য্যসত্য পঞ্চশীল নীতি
গুচি গ’ল আইনষ্টাইনৰ জন্মদিনত
সাজি স্বৰ্গীয় আবাস চৈধ্য মাৰ্চ
গেলিলিও, আইনষ্টাইন, নিউটনৰ
পম খেদি হ’ল চতুৰ্থ মহাশক্তি;
লেবাৰ পাৰ্টি ভিয়েটনামী সমৰত
মিছিলত শিৰোনাম যাৰ —
ধৰ্মক বিজ্ঞানে ৰাজ কৰা ইংগিত দি
‘পৰা’ প্ৰকৃতিত স্থিত স্থিতপ্ৰজ্ঞ তেওঁ
‘A brief history of time’ ৰ সৃষ্টি
কেম্ব্ৰিজৰ নিউটন আসনত বহি
Theory of everything Film ৰে
জগত সবাইলে যায় — বিদায় আজি তেওঁৰ!

যুজি যুজি কৃষ্ণ গহ্বৰত থাকি
মৃততত্ত্বত আধুনিক পদাৰ্থৰ বোল দি
পঞ্চভূতত বিলীয়মান মহাদাৰ্শনিক
স্মৃতিৰ বিচিত্ৰ বিজ্ঞানী
এক অচিন যাত্ৰাৰ মহা যাত্ৰাত
জ্যোতিষ্মান কৰি গ’ল একৈশ শতিকা
যাৰ নাম ষ্টিফেন হকিং প্ৰতিভাৰ আঁকৰ। ■



# শুকান কলিজাৰ কথানদী

।। নিৰ্মালী ৰাভা
স্নাতক প্ৰথম যাণ্মাসিক (বিজ্ঞান)

(১)
সোণৰ সোলেং টানি বীজ সিঁচি
সেউজীয়া আশাতে বৈ,
পাৰ হৈ ইপাৰ-সিপাৰ নদী
মাটিত বিদ্যুৎ তৰংগ গৰ্জে।

(২)
দেহৰ শিৰাই ধমনীয়ে গুঞ্জৰিত
এজালা তুলাৰ শব্দকল্পদ্ৰুম।

(৩)
হেৰাইছিলে ছমাহৰ বাটতে
স্বাৰ্থ অনুজ সত্য প্ৰিয় গান
জলন্ত শিখাৰ প্ৰয়োজন বহুত।

(৪)
বিস্তাৰিত পোহৰৰ উজ্বল ৰ'দ
বটবৃক্ষৰ শিপাত শীতল ছাঁ
নিকটতে বাজে বৰাগী বীণ
সোঁৱৰণি বৰষুণৰ কবিতা।

(৫)
কোনোবাই হেনো চুৰ কৰিলে ত্ৰিসন্ধ্যা
ৰ'দ বৰষুণৰ বাটত ভাগৰুৱা হৈ পৰিল,
অদম্য হেঁপাহেৰে ডাৱৰ খেদি ফুৰা
কোমল গৰহাৰ ভৰি
সপোণৰ সমাধি ঘটে...।

(৬)
উশাহবোৰৰ তীব্ৰতা বাঢ়ি যায়,
বাঢ়ি যায় পথৰ দৈৰ্ঘ্যতা
নিশাৰ বৰষুণে ভিজাই নিয়ে দেহৰ ভাগৰ।

(৭)
বুকুত আন্ধাৰ আৱৰে
নিৰ্জনতাত কায়ক্লেশ কোলাহল নামি আহে

(৮)
এটি পাত নদীৰ বুকুত অসমী সাধনাৰে
বৈ গৈছে,
মৰ্মান্তিক ধ্বনিৰে।



(৯)
উল্লাসিত বাঁহীত নিৰস ফটা ওঁঠ
নিষ্পাপ বতাহৰ সীমিত শব্দ
কলমৰ চিয়াঁহীৰ নিশ্চুপ ছবি
সেউজৰ শুকান কলিজাত প্ৰয়োজন ৰক্তৰ।

(১০)
বিস্তাৰিত অগ্নিপ্ৰজ্বলিত খৰাং
ধূলিময়ী আৱৰণে আৱৰা জীয়াটি।
এয়া সেয়া আৰু বহু কথাৰ নদী।। ■

# সৰ্ব্বনাশ

**বনশ্ৰী দাস ।।**
স্নাতক প্ৰথম যাণ্মাসিক(বিজ্ঞান শাখা)

বহু পূণ্যৰ ফলতেই
কৰিছিলা লাভ
এই অমূল্য পঞ্চভূতৰ
মানৱ জীৱন।

কিন্তু
কু-সঙ্গত পৰি
মনুষ্যত্বৰ জ্ঞান নাইকীয়া হৈ
কিয় বাৰু কৰা
সেই বিষাক্ত ড্ৰাগছ সেৱন ?
নাজানানে বাৰু
ইয়েই কৰিব পাৰে তোমাৰ
নৈতিক চৰিত্ৰৰ অধঃপতন।
মানসিক বিকাৰ আৰু
দুৰাৰোগ্য ব্যাধি।

ক্ৰমান্বয়ে হৈ যাব
শৰীৰ দূৰ্ব্বল,
ভূগিব লাগিব নিৰ্যাতন।
নেপাবা কিন্তু ইয়াৰ
কোনো পৰিত্ৰাণ,
হ'ব সৰ্ব্বনাশ
জীৱন বিনাশ।

অকালতে নিদিবা প্ৰাণ বিসৰ্জন
মানিলোৱা তুমি এয়া শাস্ত্ৰৰ বচন
যমদুতক নকৰা আহ্বান
ফিৰাই পাবানে বাৰু
ই হেন অমূল্য মানৱ জীৱন
ভাবি চোৱা ভালদৰে
ডাঙৰ-দীঘল হ'লা, যাৰ চেনেহত,
সেই মহা গুৰু, পিতৃ-মাতৃক
প্ৰণিপাত কৰি,
ড্ৰাগছৰ সেৱন দিয়া বিসৰ্জন, আৰু
তেতিয়াহে হ'ব সাৰ্থক জীৱন।। ■





# জীৱনৰ অস্তিত্ব

**।। সুৰজিৎ ৰাভা**
স্নাতক পঞ্চম যাণ্মাসিক (কলা শাখা)

সময়ৰ শিথিল মৌনতাত
নিথৰ হৃদয়ৰ জাগ্ৰত ঝংকাৰ,
জীৱনৰ প্ৰথম খোজ
সন্মুখত ৰঙীন কেনভাচ্
যুদ্ধত অভিভূত বিজয়ৰ উল্লাস।

আশাবোৰে জিলিকনি দি যায়
আৰু সপোনবোৰ নষ্টালজিক জোনাকহে
খিৰিকী ফাকেৰে জুমি চায়।

ক্ৰমশঃ এন্ধাৰ আৰু এন্ধাৰ
আশাবোৰ দীঘল দিয়ে
নষ্ট ৰাতিৰ নিৰ্মম দিশে
আৰু সপোনৰ ঠেঙুলি নিৰুত্তৰ,
মৰুৰ বালিত মৰীচিকা খেদি
জীৱনে পায় মাথো এখন ৰিক্ত ছবি। ■

# তুমি সুগন্ধি পখিলা

## (হীৰুদাৰ স্মৃতিত)

**আব্দুৰ ৰহমান।।**
স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান শাখা)



সুগন্ধি পখিলা হে উৰি আহিলা
অসীমৰ কোলালৈ —
স্নিগ্ধ সুৱাসিত এটি জোনাকী হৈ।
তুমি নিয়ৰত তিতা এজোপা গোলাপ
যাৰ সজীৱতাত পাওঁ জ্যোতি, সেই জ্যোতি
তোমাৰ কৰুণ হাতৰ তৰুম তেজেৰে আঁকিলা —
প্ৰতিবাদৰ বিজয় পতাকা।
তোমাৰ মগজুত আশ্ৰয় লয় —
সপোন, ধুমুহা, সময়।
যি স্বপ্নৰ সৈতে বিৰাজ কৰে সাংকেতিক ধ্বনি
ধুমুহাৰ ৰাতিও তোমাৰ গানৰ দীঘল সুৰ,
নিহত হৃদয়ত প্ৰেমৰ কবিতা।
তোমাৰ খোজত জিলিকি উঠে আবেলিৰ বেলি
ব্যৰ্থতাৰ যন্ত্ৰনাত ছহিদ হৈ বিচৰা বিষন্ন ৰাতিৰ ফুল।
অভিজ্ঞানৰ কাঁতৰ-বাঁহীৰে বজোৱা গানৰ দীঘল সুৰ
বন্দীশালৰ দুৱাৰ ভাঙি বজোৱা দুকুৰি সাতোটা দীঘল সুহুৰি
সোৰৰণীৰ অনুসৰণত লিখা কাঠ হোৱা চকুলোৰ গান।
মোৰ দেশৰ ছহিদৰ অৰ্থে লিখা শোভাযাত্ৰাৰ নিহতজনৰ কবিতা।
হীৰুদা, তোমাৰ বাবে মোৰ প্ৰেমৰ দাবী যে বহুত —
শুনিবলৈ যদি সাৰে থাকে!
তোমাৰ কবিতাৰ কাৰণেই ৰ'দ, বসন্তৰ বিলাস আৰু —
আৰক্ত প্ৰহৰৰ ৰৌদ্ৰ কামনা
তোমাৰ সোঁৱৰণীৰ অনুসৰণত মোৰ মাত্ৰ এটি স্মৃতি আৱাহন
উভতি আহা, তুমি থকা বন্দীশালৰ দুৱাৰ ভাঙি।
এতিয়াও অমৃতৰ প্ৰতীক্ষাত ৰৈ আছে তোমাৰ —
আধৰুৱা কবিতাৰ দুশাৰীমানে। ■

# আহিবা সেই বাটেৰে তুমি ...

**হিমাদ্ৰী শৰ্মা।।**
স্নাতক পঞ্চম যাণ্মাসিক (কলা শাখা)



সুমথিৰা সপোন
উদঙীয়া ৰ'দালি
ৰ'দে-ৰ'দে ভাহি আহে
নূপুৰৰ গান

গানৰ বাবেই এটা টান
গান হৈ জিৰাবলে,
নিৰিবিলি নিয়ৰৰ ছাঁত
হৃদয় খামুচি বিশাল আকাশৰ সমান

সেউজীয়া সানি সাজি ল'লো
বাখৰুৱা বাঁহীৰ কাজল চকু
কাজল যেন নীৰৱতাৰ সুৰ
নীৰৱতাৰ আঁৰত হেপাঁহৰ গধূলি
গধূলিৰ সীমনাত
হেঙুলীয়াৰ সোঁৰৰণী

বেলি হৈ উৰিব পৰা হ'লে কথা নাছিল
উৰি গৈ সোমালোহেঁতেন
হৃদয়ৰ বৰপেৰাত
এটি এটি টোপাল টোপাল কৰি
সৰি পৰা খৰিকাজাঁইৰ
দুপৰীয়া পতাত
ফুলি উঠিলোহেঁতেন
হেঙুলীয়া হেঙুলীয়া আবেলিৰ ফুল হৈ
সেউজীয়া,
সেউজীয়া আছে বাবেইতো আছে বকুল
আৰু আছে
বকুলত বকুলৰ সুৰভি
নিয়ৰত দুপৰৰ ৰ'দালি
প্ৰভাতত। ■

# নির্যাতিত ছোৱালীজনী

**অনুশ্ৰী চৌধুৰী**।।
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)



নির্যাতিতা ছোৱালী তাই
দেহত তেজে কোৱাল বন্ধা,
কটা কেঁচা ঘাঁ,
মুখত বিষাদৰ ছাঁ।

তাইৰ ক্লান্ত নয়নে বিচাৰে
ভৱিষ্যৎ সুৰক্ষা।

দেহত তাইৰ লোৰে পোৰা দাগ
বিচৰিছিল তাই মুখাৰ আঁৰৰ
দানৱবোৰ জুইত জাঁহ দিবলৈ।।

এই অপৰাধত খহিলে তাইৰ
সকলো অস্তিত্ব,
অযুত বাসনা।

পিন্ধিলে নিজে তাই
মৌনতাৰ মুখা
হেৰাল তাই
কৃষ্ণচূড়া যেন ৰূপ-যৌৱন।
অকালপক্ক হাতে চকু ঢাকি
ক'লে তাই ...
কুশলে ৰোৱা
মুখাৰ আঁৰৰ প্ৰতিজন দানৱ
কৰি যোৱা ভ্ৰষ্টাচাৰ
নিৰ্ভয়ে এই দুনীয়াত।। ■

# সন্ধিয়াৰ ছাঁ...

।। **বিদ্যুৎ পৱন ঠাকুৰীয়া**
স্নাতক তৃতীয় ষাণ্মাসিক (বিজ্ঞান শাখা)



ৰাই যায়
হেৰাই যায় সকলো
সময়ৰ স'তে,
হেৰাই যায় সপোন
হেৰাই যায় জীৱনৰ
হেজাৰ ৰং-বিৰঙৰ ছবি।
হেৰাই যায় জীৱনৰ মধুৰ সংগীতৰ
স্বাচ্ছন্দময় লয়,
হেৰাই যায় সুখ-দুখৰ
ক'তো ৰঙীন যাত্ৰা।
এইদৰে হেৰাই যাবা তুমি
হেৰাই যাম মই,
ৰৈ যাব মাথো
এখোজ দুখোজ
নিৰ্মম পাহৰণিৰ ঠিকনা। ■

# চিৰ শাশ্বত ভূপেন মামাৰ সোঁৱৰণত

**মনিষা পাটোৱাৰী**।।
স্নাতক চতুৰ্থ ষাণ্মাসিক



তুমি প্ৰভাতী সূৰুযৰ
এটি বিচ্ছুৰিত তীক্ষ্ণ ৰশ্মি,
— সংগীত সূৰ্য
সুৰৰ পৃথিৱীত তুমি - চিৰ সুন্দৰ।
সুন্দৰ সমাজ গঢ়াৰ উদ্দেশ্যি
তুমি স্ৰজিলা গীতৰো গীত - মহাগীত,
বিশ্বক জিনিলা সেই মহা - সঙ্গীতেৰে
শ্বাশ্বত তোমাৰ হৃদয় বীণাৰ গান।
— সৌৰ জগতৰ বৃত্তপথতো তোমাৰ গীতৰ প্ৰদীপ জ্বলে
তাতো যেনিবা তুমি সহস্ৰ গীতৰে এটি নতুন সূৰ্য,
বৰ্ণাঢ্য পৃথিৱীত তোমাৰ বৰ্ণাঢ্য জীৱন
সু-উজ্বল তীক্ষ্ণধী প্ৰতিভা তোমাৰ।
শংকৰ-বিষ্ণু-জ্যোতি-পল ৰবছ্ন তোমাৰ আদৰ্শ
তুমি কবি, গীতিকাৰ, সুৰকাৰ, গায়ক
দিগন্ত বিয়পা তোমাৰ গদ্য কবিতাৰ ভাৱনা
শিল্প সাধনাত — বিশ্ব খনিকৰ,
তোমাৰ উদ্দীপ্ত কণ্ঠত আছে অসীম শক্তি-স্বৰ্গীয় সুধা।

যাযাবৰী জীৱনত
অব্যক্ত, অদৃশ্য সংঘাত ৰহস্যৰে,
হৰ্ষ-বিষাদ প্ৰবাহিত
সাগৰ সংগমত সহস্ৰবাৰ সাঁতুৰিও তুমি নোহোৱা ক্লান্ত।
তোমাৰ অজস্ৰ গীতৰ লহৰে আনে
জন সমুদ্ৰত প্ৰচণ্ড জোঁৱাৰৰ শিহৰণ
সেয়েহে তুমি ‘সুধা-কণ্ঠ’।

কালৰ দুৰ্ব্বাৰ গতিত,
জীৱনৰ অপৰাহ্নত তুমি অস্ত গ'লা
সংগ্ৰামী জীৱনৰ মহাশক্তি বিচাৰি
নীৰৱে কৰিলা মহাপ্ৰয়ান।
বৰ লুইতৰ পাৰত
বাসন্তিক সুৱাসেৰে ভৰা অময়াপুৰী ‘জালুকবাৰী’
হ'ল তোমাৰ পূণ্য সমাধি পূণ্য তীৰ্থস্থান।

স্মৃতিৰ কষটি শিলত হৈ ৰ'লা তুমি স্বৰ্ণখোদিত
মৃত্যুঞ্জয়ী চিৰ-জ্যোতিষ্মান। ■

# যাত্ৰা, জীৱনৰ নতুন দুৱাৰ দলি লৈ

**জিংকী দাস।।**
স্নাতক পঞ্চম ষাণ্মাসিক (বিজ্ঞান শাখা)

জীৱন পথৰ পথিক হৈ
বিচাৰিম মোৰ জীৱনৰ ...
সাতোৰঙী ৰামধেনু...
বুটলি ল'ম সেই
হেৰাই যোৱা দিনবোৰ...
আৰু ...
আৰু বুটলিম সুখৰ...
সেই সৰু সৰু হাঁহিবোৰ।।
দুচকুৰে নিগৰি ওলোৱা
আৱেগৰ চকুপানীবোৰ
বোৱাই লৈ যাম
মোৰ শেষ জীৱনলৈ...।।
আকৌ এবাৰ...
এৰি দিম এই
সুখ-দুখৰ নৈত...
মোৰ জীৱনৰ
পালতৰা নাও।।
নৈৰ শীলত বতাহৰ
আমেজ লৈ...
নৈৰ প্ৰৱাল সোঁতত
এৰি দিম মোৰ এই দেহ...।।
যিয়ে উতুৱাই লৈ যাব...
মোৰ নাওৰ সৈতে মোক
এই জীৱন নদীৰ
সিপাৰলৈ।।



মোৰ বাবে খোলা খাব...
এখন নতুন পৃথিৱীৰ...
এখন নতুন দুৱাৰ...
আৰম্ভ হ'ব...
এখন নতুন কিতাপৰ
এটা নতুন অধ্যায় ...।।
আৰু তাৰ
প্ৰথমটো পৃষ্ঠা...।। ■

# কেতিয়াবা আমাৰ বাবেও এবাৰ ভাবি চাব চাহাব

**দীক্ষিতা নাথ।।**
স্নাতক ষষ্ঠ যাণ্মাসিক (কলা শাখা)



ব্যস্ততাপূৰ্ণ জনসমূদ্ৰত দেখিছো
দিনে দিনে বিলাসীতাৰ প্ৰতিযোগিতা চলিছে
সকলোৰে বস্তুবোৰ, কিবা ব্ৰেণ্ডেড ব্ৰেণ্ডেড বুলিছে
চৌদিশে আভিজাত্যৰ ধুমুহা বলিছে।
মোৰ হাতত বাতিটো কিন্তু,
প্ৰতিদিনৰ দৰে পাতল হৈয়েই আছে
ফুটপাথৰ পৰাই সকলো চাই আছো মই।
আমি নাজানো চাহাব তৰাযুক্ত হোটেল কি?
আমাক মাথোন খাবলৈ অলপ খাদ্য
আৰু পিন্ধিবলৈ অলপ কাপোৰ লাগে।
আপোনালোকৰ সন্তানৰ দৰে
আমাৰ কেইটাৰ জীৱনৰ লক্ষ্য আকৌ
সুকীয়া সুকীয়া নহয় চাহাব।
ভোকত উদৰ পূৰাই খাব পোৱাটোৱেই
সিহঁতৰ জীৱনৰ বৃহৎ উদ্দেশ্য,
মাছে-মঙহে এসাঁজ খাব পোৱাটোৱেই হ'ল
জীৱনৰ উচ্চাকাংক্ষা।
ক্ষুধাৰ তাড়নাত,
কিবা অলপ খাব পোৱাটোৱেই আকৌ
আমাৰ দৃষ্টিত 'মানৰ অধিকাৰ'।
তাৰ বাবে দুটকা খুজিলে,
আমাক আপোনালোকে
বুকুত বিন্ধা গালি পাৰিলেও
মানহানি গোচৰ দিবলৈ,
আমি ন্যায়ালয় বিচাৰি নাযাওঁ বাবু
অন্ততঃ আমি এইখিনি আশ্বাস দিব পাৰো।
আমি বিচৰা নাই মালিক,
ঢক্‌ঢক্‌ীয়া বগা চাদৰ পৰা,
মখমলৰ গাদীৰ উমাল শেতেলি।
ফুটপাথত ফটা কাপোৰখনেই গাত লৈ,
নিয়ঁৰত তিতি উম লোৱাৰ অভ্যাস,
আমাৰ আছে।
আমি নাজানো ডিস্ক' বাৰ
কিম্বা ডি. জে. নাই কি,
নাজানো ৰং-তামাছাৰ বহল সংজ্ঞা।
হয়তো আমিও কৰিম সিদিনা
মূল্য বিহীন অমূল্য ৰঙ-তামাছা,
যিদিনা মোৰ আৰু পোনা দুটিৰ পেটটো ভৰিব।
আমাৰ বাবে
জীৱনৰ হেপাঁহতকৈও
হেপাঁহৰ জীৱনটোহে বেছি হেপাঁহৰ।
আপোনালোকৰ ব্ৰেণ্ডড জীৱনৰ পৰা
কিছু আহৰি পালে,
কেতিয়াবা আমাৰ বাবেও
এবাৰ ভাবি চাব চাহাব। ■

# নিস্বাৰ্থ প্ৰণয়

**গায়ত্ৰী দাস।।**
স্নাতক পঞ্চম ষাণ্মাসিক (কলা শাখা)

তোৰ ওঠঁত বিৰিঙি উঠা গভীৰ অট্টাহাস্যই
হয়তো নুবুজিব,
হিয়া ভগা কৰুণ বিননিৰ অৰ্থ
কাৰণ, তুমি যে কটোৰা নাই
মোৰ দৰে বহুতো উন্মাদ উজাগৰী নিশা
হেৰোৱা নাই নিজক,
হেৰোৱা নাই
উত্তপ্ত ক্ৰন্দনত বৈ যোৱা স্বপ্নৰ বন্যা
অস্তনবীন আভাস তোমাৰ দুনয়নত
ভালপোৱাৰ পুলকেৰে পুলকিত হোৱা
অবুজ প্ৰণয়
সময়ৰ চাকনৈয়াত বন্দী হৈ, অভীপ্সা নকৰিবা
ধূসৰ আলোকসজ্জাত নিপাত হ'ব
ভালপোৱাৰ মেজাঙ্কৰি আস্থা
যদিওবা সহস্ৰ আৱেগেৰে ক'ব নোৱাৰিম
ভালপোৱাৰ তন্ময়িত ভাষা।
হ'লেও হৃদয়ত সংগোপনে সাঁচি ৰাখিম
নিস্বাৰ্থ প্ৰেম ভালপোৱা
ক্লান্ত মনত স্পন্দিত হ'ব যৌৱনৰ স্পৃহা
ক্ষন্তেকৰ বাবে হ'লেও হৃদয়ত বাজি উঠিব
উপহাসৰ ঝঙ্কাৰ।
মৰীচিকাৰে জ্যোতিষ্মান হ'ব নিৰব দেহ
যেতিয়া আঁতৰি যাবা তুমি
আঁতৰি আহিম মই তোমাৰ পৰা
নিসংগ হিয়াৰ বেদিত খোদিত হৈ ৰ'ব
নিষ্কলাংক ব্যথা,
বিচাৰি তোমাৰ বতৰা। ■



# কামৰূপ-কামাখ্যা বন্দনা

**।। যতীন্দ্ৰ মেধী**
তদাৰকী সহায়ক

ভাৰতীয় ইতিহাসৰ পাতে-পাতে
ধৰ্মীয় উপাখ্যান আৰু কিংবদন্তীৰ
সমৃদ্ধ তথ্যৰ ভঁড়াল অযুত-নিযুত।
কালিকা পুৰাণ, যোগিনীতন্দ্ৰ, শিৱপুৰাণ
আৰু বৃহদ্ধৰ্মপুৰাণতো আছে অক্ষয় ভাণ্ডাৰ।
যোনীপীঠ কামৰূপ-কামাখ্যা আমাৰ
তাৰেই স্বাক্ষৰ এক সৃষ্টি মহামায়াৰ।
দক্ষৰাজৰ যজ্ঞে পায় মহাশোক তাপ
স্বামী শিৱ নিন্দা আৰু ঘোৰ অপমান
ত্যাগি জীৱন একাৰন্ত পীঠে আজন্ম জীৱন
নীলাচল পাহাৰত থাকে যোনী মণ্ডল।
হিতাহিত জ্ঞান শূন্য, শিৱ বিশ্বনাথৰ
সুলকি পৰে যোনী শিৱৰ কান্ধৰ
আজিও জীৱন্ত সতী নীলাচল শিখৰত।
দক্ষৰো ছিণ্ড মুণ্ডত ছাগ মুণ্ড দি
জীয়াই তোলে শিৱে জোৰাইক নিজ পৰশ দি।
শক্তিৰূপিনী মহামায়াৰ একাৰন্ন স্থলীত
শিৱলিঙ্গৰূপে শিৱে নিজে অৱস্থান হৈ
মহাপীঠ নিৰ্মাণ কৰি থাকে জাগ্ৰত ৰূপত।
কামৰূপ কামাখ্যা তাৰেই এক জ্বলন্ত স্বাক্ষৰ
য'ত আছে নিৰন্তৰ সৃষ্টিৰ স্থাপত্য-ভাস্কৰ্য।
যাক দৰশনে হয় আমাৰ পাপ বিমোচন
প্ৰণামোহো আই মাতৃ তোমাৰ চৰণ কমল। ■

# এটি হৃদয়পৰশা মাত

**যুথিকা কলিতা।।**
স্নাতক পঞ্চম যাণ্মাসিক (কলা শাখা)

তাহানিৰে পৰা শুনি আহিছো
এটি হৃদয় পৰশা মাত,
পাহাৰ-ভৈয়াম সকলোতে
সুখৰ বাতৰি বিলাই
ফুৰা এটি মাত।
শুকান মৰুভূমিত
শীতলতাৰ অনুভৱ কৰাই
সেই মাতে;
অমানিশাৰ ঘোৰ অন্ধকাৰ নেওচি
জোনাকৰ বৰষুণ লৈ আহে
সেই মাতে;
ভাল লাগে মোৰ সেই মাতে,
যিয়ে লৈ আহে
জীৱন বাটত ক্লান্ত হোৱা
পথিকাৰ মুখতো হাঁহি।
যি মাত শুনিলেই
প্ৰাণ পাই উঠে
মৰহা ফুলৰো পাহি।
আপোন-পাহৰা হওঁ মই
সেই মাত শুনিলেই,
যিয়ে মতলীয়া বতাহত
ঢালি দিয়ে প্ৰীতিৰ সুৱাস
যাক শুনিলেই ক'লা ডাৱৰ আঁতৰি
ফৰকাল হয় আকাশ।
দেহৰূপী পিঞ্জৰাৰ পৰা ওলাই
মুক্ত আকাশত নাচি ফুৰে
মোৰ মন,
যেতিয়াই শুনো মই
সেই হৃদয়স্পৰ্শী মাতত
'পাখি পাখি এই মন'। ■



# বাস্তৱিক

**চয়নিকা শৰ্মা।।**
স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান শাখা)

সুধিবলৈ আপোনাক একো নাই
আপোনাৰো ক'বলৈ নাই
বুকুত কেক্‌টাছৰ বাগিছা।

মিছা ব্যস্ততাত ব্যস্ত আপুনি,
সহজ আন্তৰিকতা অথচ জটিল অনুশীলন
ৰঙীন পোছাকেই বৰণহীনতাৰ কাৰণ
অভ্যস্ত অভ্যাস আৰু কিছু উদাহৰণ...

ছাটি নোলোৱা মানুহ বিচাৰি যাওঁ ব'লক
শেষ হৈ অহা সময়ত
য'ত অসহজ শ্বাসৰুদ্ধতা...।

আপুনিতো বুজি নাপায় শিপাত কিমান নিস্তদ্ধতা,
কৈফিয়তৰ পৃথিৱীত যে আপুনিয়েই ৰজা। ■

# আই তোৰ অসুখত...

এড্ৱাৰ্ড ষ্টেউী এন্ চাংমা।।

আবেলি পৰত
নিজানত
সেউজীয়া অহাৰ বাটত...

বেলিটোৱে নামি আহি
কুঁচি-মুচি ৰৈছিলহি দুখত
আইৰ শিতানত...

আইৰ অসুখ
পথৰুৱা গৰখীয়াকেইটাই
বাঁহী নবজালে নাহে টোপনি
নিশা দুপৰলৈ...

আয়ে বেলিক ক'লে —
তই যাগৈ যা, পুৱাতেই উঠিব লাগিব নহয়!
কাইলৈ প্ৰত্যয়দীপ্তহে উজ্জ্বলি ওলাবি...

তোৰ ৰ'দৰ পোহৰত
জিলিকি উঠিব লাগিব কৃষকৰ খৰকাঁচিবোৰ
সোণগুটিৰে উপচি পৰিব লাগিব গাঁৱৰ চোতালবোৰ...

আইৰ অসুখত
বিলৰ পৰা উঠি আহিছে শামুকবোৰ
ৰাতিৰ আকাশলৈ চাই উজাগৰে আছে মাছবোৰ...
অৰণ্যখনেও ওৰেটো নিশা চট্ফটাই আছে...

আইৰ অসুখত
আজি সকলোবোৰ অসুখীয়া

তহঁতনো কেনেকৈ সুখত আছ'
অ' মোৰ ৰজাঘৰীয়া...

এবাৰ আহিবিচোন তই আইৰ কাষৰলে'
দেখিবি, আয়ে তোৰ বাবেই
সেউজীয়া অহাৰ বাটত
আজিও গায় আছে নিচুকণি গীত
'শিয়ালি এ, নাহিবি ৰাতি... ■



# দাপোণ

।। বৰ্ণালী বড়া
অনাশিক্ষক কৰ্মচাৰী

জীৱনটো বাৰু
এনেকুৱাই নেকি?
ভগা দাপোণৰ
প্ৰতিবিম্ব মাথো।

কেতিয়াবা বকুল তলত
কেতিয়াবা মনৰ মাজত,
জিলিকি থাকিবৰ মন
হৃদয়ৰ আকাশত।
মৰহি যোৱা পাপৰিবোৰে
দাপোণত হাঁহে,
সেয়ে ভৰ যৌৱন সহিব নোৱৰা
কৰবীজনীয়ে আৱেগত
প্ৰেমালাপ কৰে। ■

# ভিন্নচিন্তা



“সাহিত্য সৃষ্টি আৰু তাৰ সমালোচনাৰ আজিও সমাধা নোহোৱা এটি সমস্যা এনে ধৰণৰ — আংগিক, শিল্পৰূপ নিৰ্মাণ কৌশল আৰু নন্দনতত্ত্ব আদি আমদানিকৃত আৰু বিষয়-বস্তু, অভিজ্ঞতা, পৰিবেশ পৰিস্থিতি আদি আমাৰ নিজৰ। সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত বিনিময় হ’বই আৰু বিনিময়ৰ ওপৰতে সাহিত্য শ্ৰীবৃদ্ধিও নিৰ্ভৰশীল; কিন্তু সৃজনী প্ৰতিভাক সগৰ্ভা কৰিব পৰা প্ৰভাৱ বা বিনিময়ে নিৰ্বিচাৰে নিজৰ পৰম্পৰাক বৰ্জন কৰাটো নুবুজায়। ভাৰতীয় আঞ্চলিক ভাষাৰ সাহিত্য সমালোচনাৰ ক্ষেত্ৰত পৰিস্থিতিটো নিৰ্বিচাৰ বৰ্জন বুলিয়ে ক’ব পাৰি।”

... চিন্তনীয় দিশটো হৈছে - অবাধ গতিত খেতিমাটি ধ্বংস হোৱা কাৰ্য্যটো। কিয়নো খেতি মাটি নোহোৱাকৈ, শস্য উৎপাদন নোহোৱাকৈ কোনো বিজ্ঞান প্ৰযুক্তিবিদ্যাই ভাতমুঠি বা ৰুটিখন বনাই দিব নোৱাৰে। গতিকে অব্যৱহৃত হৈ পৰি থকা বিভিন্ন আৱাসগৃহ, নিঃশেষ হব খোজা মৃতপ্ৰায় অনুষ্ঠান-প্ৰতিষ্ঠান, কল-কাৰখানা আদি পুনৰুজ্জীৱিত নকৰি, যেনি-তেনি জধে-মধে গঢ় লৈ উঠা বৃহৎ-বৃহৎ উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ মাটি অধিগ্ৰহণ কাৰ্য্যত কোনোৰে বাধা নিদিয়াটো সঁচাকৈয়ে দুখজনক।..

# চিন্তনীয় ঃ আমাৰ ভৱিষ্যত


**।। পলাশ মেধি**

স্নাতক পঞ্চম যাণ্মাসিক (বিজ্ঞান শাখা)


"ছাত্ৰানাং অধ্যয়নং তপঃ"। অধ্যয়নেই ছাত্ৰৰ তপস্যা হোৱা উচিত। যদিওবা এই তপস্যাসম অধ্যয়নৰ লগতে আমাৰ কিছু সামাজিক দায়বদ্ধতাও জড়িত হৈ আছে। আমি প্ৰত্যেকেই দেশৰ একো একোজন সু-নাগৰিক হিচাপে জীয়াই থাকিবলৈ হলে আমাৰ চাৰিওফালৰ সামাজিক পৰিৱেশটো সুস্থ কৰি ৰখাত নিশ্চয়কৈ গুৰুত্ব দিয়া উচিত। সেয়ে হয়তো দৈনন্দিত জীৱনত দেখি শুনি থকা কিছুমান ঘটনাই মোৰ মানসপটত আঘাত দি থাকে। যাৰ প্ৰকাশৰ বাবেই আজিৰ এই চিন্তনীয়।

**স্নেপ - ১**

শৈশৰ সঁচাকৈয়ে নষ্টালজিক। সৰু সৰু কিছুমান কথা মনত পৰিলে আজিও উভতি যাব মন যায় শৈশৱৰ সেই দিনবোৰলৈ। সেই সূৰুজ পুৱাতে উঠি কুঁৱলী মিহলি নিয়ৰৰ মাজেৰে বকুল বুটলিব যোৱা, চিএঞৰি চিএঞৰি পঢ়া, এল.পি. স্কুলত টিফিনৰ সময়ত লুকাভাকু খেলা, আবেলি চোতালতে ক্ৰিকেট খেলা, কেতিয়াবা টিভিত 'Shaktiman' চোৱা, ...। কিন্তু এতিয়া যে ঘৰ বিলাকত খেলিবলৈ চোতালেই নাই...। অজস্ৰ চেনেল, অজস্ৰ শিশু ধাৰাবাহিক।

মোৰ মাহীৰ লৰা-ছোৱালী দুটা, ৭-৮ বছৰীয়া। পঢ়া-শুনা, নাচ-গানত খুবেই চোকা। কিন্তু বন্ধত তেওঁলোকৰ ঘৰলৈ গ'লে দেখো আজৰি সময়ত সিহঁতে টিভি চোৱা অথবা ম'বাইলত গেম খেলাতেই ব্যস্ত। কি কৰিব? খেলিবলৈ মুকলি ঠাইৰ অভাব, চোতাল নাই, পদূলিৰ বাহিৰ হ'লেই বাইকৰ দৌৰাত্ম। Physical activity বুলিবলৈ একো নাই। জনসংখ্যা বৃদ্ধিৰ লগতে বিজ্ঞান প্ৰযুক্তি বিদ্যাই ইমান বেগেৰে গতি কৰিছে যে শিশুৰ শাৰিৰীক বিকাশৰ এটা দিশ সম্পূৰ্ণ বন্ধ হ'বলৈ গৈ আছে। ভৱিষ্যতৰ বাবে নিশ্চয়কৈ অশনি সংকেত।

**স্নেপ - ২**

কিছুদিন আগতে কলেজৰ বন্ধত ঘৰলৈ গৈ আছোঁ (নগৰবেৰাত)। গাড়ীখনে direct passenger নোপোৱা হেতুকে ধূপধৰাত কিছুসময় ৰৈ পুনৰ ৫.৩০ মান বজাত চালকে আহি গাড়ী ষ্টাৰ্ট দিয়ে। বাগডোবা, খুটাবাৰী, হেকৰাৰ বিকালী কলেজত পঢ়া কেবাজনো ছাত্ৰ ৰৈ আছিল। ড্ৰাইভাৰ-হেণ্ডিমেনে তেওঁলোকক উঠিব দিয়া নাছিল নগৰবেৰা-জামলাইৰ কোনোবা যাত্ৰী নতুনকৈ উঠিব বুলি। ষ্টাৰ্ট দিয়াৰ পিছত জামলাইৰ দুজন নতুন যাত্ৰীৰ লগত ছাত্ৰকেইজনো উঠিল। দুটা ছিট খালী থকাত দুজন ছাত্ৰই বহি ল'লে (ক্লাছৰ অন্তত যথেষ্ট ভাগৰুৱা আছিল)। ময়ো ক'লো, 'মানুহ নাই যেতিয়া বহি লোৱা'। তেনেতে জামলাইৰ দুজন মানুহ দৌৰি আহি গাড়ী খনত উঠিল। লগে লগে হেণ্ডিমেনে সিহঁত দুজনক ছিটৰ পৰা উঠাই দিলে। ল'ৰা দুজনে বাধ্য হৈ উঠি দিলে। (জামলাইতকৈ খুটাবাৰী ওচৰ)। কিন্তু বিৰক্তিত সিহঁতে মুখেৰে ভোৰভোৰাই কিবা কিবি ক'লে।

মোৰ খুবেই বেয়া লাগিল। সিহতেওতো সঠিক ভাড়া দিয়েই যাব, সিহঁত নাথাকিলেওতো আন যাত্ৰী দুজনে বহিব পাৰে। তেনে স্থলত গাড়ীবিলাকে ওচৰৰ যাত্ৰী নিব নোখোজাটো, বহিব নিদিয়াটো নিশ্চয়কৈ নীতি বিৰুদ্ধ কথা। এনেবোৰ সৰু সৰু কথাই হয়তো জন্ম দিয়ে আঞ্চলিকতাবাদ, অসুস্থ মানসিকতাৰ!

### স্নেপ - ৩

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে উদ্যোগ কল-কাৰখানাৰ বৃদ্ধিৰ লগতে দেশৰ অৰ্থনীতি তথা কৰ্ম সংস্থাপনত বিশেষভাবে অৰিহনা যোগোৱাটো সঁচাকৈয়ে গৌৰৱৰ কথা। গতিকে বিভিন্ন ধৰণৰ উদ্যোগ স্থাপনত চৰকাৰে গুৰুত্ব দিবই লাগিব।

পিছে, আজি কিছুবছৰৰ পৰা চৰকাৰী ভাবেই হওঁক বা বেচৰকাৰীভাবেই হওক যিটো হাৰত খেতি-মাটি অধিগৃহীত হৈ আছে সেয়া নিশ্চয় এক অন্ধকাৰ ভৱিষ্যতৰ ইংগিত। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, উদ্যোগে হয়তো এখন দেশৰ জনতাক, সভ্যতা সাংস্কৃতিক এখোপ ওপৰলৈ নি দৈনন্দিন জীৱন যাত্ৰাক বহু সুচল কৰি তুলিছে। কিন্তু অজস্ৰ টকা-পইচা, গাড়ী-মটৰ, টিভি, ফ্ৰিজ, অত্যাধুনিক সা-সজুলি আদিয়ে জানো মানুহ জীয়াই ৰাখিব পাৰে, যদিহে পেটত ভাত মুঠি নপৰে, দেহ সুস্থ নহয়! চিন্তনীয় দিশটো হৈছে - অবাধ গতিত খেতিমাটি ধ্বংস হোৱা কাৰ্য্যটো। কিয়নো খেতি মাটি নোহোৱাকৈ, শস্য উৎপাদন নোহোৱাকৈ কোনো বিজ্ঞান প্ৰযুক্তিবিদ্যাই ভাতমুঠি বা ৰুটিখন বনাই দিব নোৱাৰে। গতিকে অব্যৱহৃত হৈ পৰি থকা বিভিন্ন আৱাসগৃহ, নিঃশেষ হব খোজা মৃতপ্ৰায় অনুষ্ঠান-প্ৰতিষ্ঠান কল-কাৰখানা আদি পুনৰুজ্জীৱিত নকৰি, যেনি-তেনি জধে-মধে গঢ় লৈ উঠা বৃহৎ-বৃহৎ উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ মাটি অধিগ্ৰহণ কাৰ্য্যত কোনোৱে বাধা নিদিয়াটো সঁচাকৈয়ে দুখজনক। পৰিতাপৰ বিষয়। আমাৰ অগ্ৰজসকলে আমাৰ বাবে, ভৱিষ্যত প্ৰজন্মৰ বাবে একো নাভাবে নেকি? চিন্তনীয়!

### স্নেপ - ৪

ইন্ধনৰ ব্যৱহাৰ — ভাবিলে দুখ লাগে যে আমি হয়তো চলি যাব পাৰিম কিন্তু আমাৰ পিছৰ প্ৰজন্মই কি কৰিব? যিটো হাৰত অতি আপুৰুগীয়া প্ৰাকৃতিক সম্পদ খনিজ তেলসমূহ ব্যৱহৃত হৈ আছে তাত বাধা আৰোপ কৰাৰ কথা কোনোৱে কিয় ভবা নাই? এই প্ৰাকৃতিক সম্পদসমূহ যিহেতু অনবীকৰণযোগ্য আৰু বহু হাজাৰ বছৰৰ ভূ-প্ৰাকৃতিক পৰিঘটনাৰ ফলতেই উৎপন্ন হয় গতিকে তাৰ ব্যৱহাৰ পৰিসীমিত হোৱাটো নিশ্চয় অতি প্ৰয়োজনীয়। ইন্ধনবিহীন চাইকেলৰ ব্যৱহাৰ বৃদ্ধি কৰি, ব্যক্তিগত ইন্ধনযুক্ত যান-বাহনৰ ব্যৱহাৰ কিছু কমাবলগীয়া কথাটো আমাৰ সকলোৱে ভাবিলগীয়া হ'ল ন'হলে হয়তো এদিন আজিৰ মানুহে আদিম অৱস্থালৈ যাবলৈ বাধ্য হ'ব। আশাকৰোঁ মানুহৰ সুমতি হ'ব। ■

---

## অমিতাভ ঘোষ

ইংৰাজী সাহিত্যলৈ নিৰলস বৰঙণি আগবঢ়াই অহা ভাৰতীয় লিখকসকলৰ ভিতৰত অন্যতম হ'ল ২০১৮ চনৰ ৫৪ তম জ্ঞানপীঠ বঁটা বিজয়ী অমিতাভ ঘোষ। ১৯৫৬ চনৰ ১১ জুলাইত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যতিক্ৰমী লিখকৰ বৰ্তমানলৈ কেইবাখনো উপন্যাস আৰু প্ৰবন্ধৰ সংকলন প্ৰকাশ পাইছে। ১৯৮৬ চনত তেওঁৰ প্ৰথমখন উপন্যাস 'দ্য চাৰ্কল অৱ ৰিজন' প্ৰকাশিত হয়। ইয়াৰ পিছত তেওঁৰ দ্য চেডো লাইনচ (১৯৮৮), কেলকাট্টা ক্ৰমজম (১৯৫৫), দ্য গ্লাছ পেলেচ (২০০০), দ্য হাংগ্ৰী টাইদ (২০০৪) আদি উপন্যাস প্ৰকাশ পায়। তেওঁৰ বিখ্যাত ত্ৰিলজীৰ উপন্যাস কেইখন হ'ল 'চী অৱ পপ্পীজ', 'ৰিভাৰ অৱ স্মোক' আৰু 'ফ্লোৰ অৱ ফায়াৰ'। দ্য চেডো লাইনচ উপন্যাসখনৰ বাবে ঘোষে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। তেওঁৰ অধিকাংশ সৃষ্টিয়ে ভাৰতৰ ইতিহাসকেন্দ্ৰিক। তেওঁৰ প্ৰবন্ধমূলক গ্ৰন্থসমূহৰ ভিতৰত এন্টিক লেণ্ড, ডেন্সিং ইন কলম্বিয়া এণ্ড এট লাৰ্জ ইন বাৰ্মা, কাউন্টডাউন আদি বিশেষভাৱে উল্লেখযোগ্য। বহুকেইটা সন্মানীয় আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰি ভাৰতীয় সাহিত্যলৈ গৌৰৱ কঢ়িয়াই অনা ঘোষ জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় ইংৰাজী লিখক।

## অনুভৱৰ লেখা

# অসমীয়া ডেকা বন্ধুসকললৈ এখন মুকলি চিঠি

।। ভাৰ্গৱ কলিতা
স্নাতক প্ৰথম যাণ্মাসিক (বিজ্ঞান শাখা)

মৰমৰ বন্ধুসকল,

পোনতে সবালৈ যাচিলোঁ মোৰ হিয়াভৰা মৰম আৰু আন্তৰিক অভিনন্দন। আশাকৰোঁ সকলোৱে বুকুপাতি গ্ৰহণ কৰিবা। মোৰ ভাল। নেদেখা জনৰ কৃপাত তোমালোকৰো চাগে ভালেই। বহুদিন ধৰি তোমালোকৰ লগত মনৰ কথা পাতিবলৈ আহৰি পোৱা নাই। আজিৰ এই চিঠি তাৰেই কিঞ্চিত প্ৰয়াস মাথোন।

আজি মই তোমালোকৰ লগত আমাৰ চিৰ-চেনেহী আই অসমীৰ বিষয়ে কিছু আলচ কৰোঁ বুলি ভাবিছোঁ। বহুবাৰ বিদেশী বৰ্বৰ আক্ৰমণৰ প্ৰত্যাহ্বান অতিক্ৰম কৰা অসমী আইৰ বক্ষ জগতগুৰু শংকৰদেৱে ভক্তি ৰসেৰে জীপাল কৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ লোককে সামৰি গঢ়ি তুলিছিল বৃহত্তৰ অসমীয়া জাতি; চহকী কৰি তুলিছিল অসমীয়া ভাষা-সাহিত্যৰ বৰনিধি। তাৰেই সুবাদত অসমীয়াই মাৰিছিল অনাবিল হাঁহি। জ্যোতি, বিষ্ণু আৰু ভূপেন ককাহঁতৰ পৰশত সাৰ পাই উঠিল বহুতো শিল্পীপ্ৰাণ। লাচিত, চিলাৰায়, কনকলতা আৰু ভাস্কৰহঁতৰ নেতৃত্বত বাজি উঠিল নিস্বাৰ্থ দেশপ্ৰেম, বীৰত্ব আৰু অদম্য সাহসৰ মধুৰ গান। সময়ৰ সোঁতত এনেকুৱা বহুজনৰ আগমন ঘটিল অসমলৈ; অসমী আইৰ বক্ষত প্ৰাণৰ কঠীয়া সিঁচি অমৰ হৈ ৰ'ল চিৰকাললৈ। মুঠতে বুজিছা, আমাৰ মধুৰ অতীত সুঁৱৰি শেষ কৰাৰ ধৃষ্টতা এই অভাজনৰ নাই।

কথা হ'ল, সাহিত্যৰথীৰ ভাষাৰে সকলো থাকিও আমি যেন একোৱেই নলওঁ গম। সম্প্ৰতি আমি যেন হেৰুৱাই পেলাব ধৰিছোঁ আমাৰ স্বকীয়তা, স্বাভিমান আৰু সাতামপুৰুষীয়া কৃষ্টি-সংস্কৃতিক। অনাহকত বিদেশীক অনুকৰণ কৰি আমি হৈ পৰিছোঁ নেকি আপোন পাহৰা? খোজে-খোজে বাৰু আজি কিহৰ শংকা? এয়াই নেকি আমাৰ অৱক্ষয়ৰ পুৰ্বঘন্টা? আমাৰ মাজতে আজি কিহৰ খিয়লা-খিয়লি, ভেদাভেদ নতুবা হনা-হনি? কিয় বাৰু ৰচোঁ আমি অভি-নীল কাহিনী? নিশ্চয় এয়া আমাৰ নৈতিকতাৰ পতন; নহ'লে বাইদেউ, ভন্টি নাইবা ছমহীয়া নিষ্পাপ মইনাটিকো আমি কৰোনে নিৰ্যাতন? অতীতৰ ৰস-গুণ সকলো পাহৰি মিছা আৱৰণেৰে নিজক সজোৱাৰ অপচেষ্টা আমি কৰিছোঁ কিয়? চিৰচেনেহী বুলি বন্দনা কৰা আদৰৰ ভাষাটিও হৈ পৰিল সকলোৰে অৱহেলাৰ পাত্ৰ। জাতীয় উৎসৱ বোলা সেই বিহুটিৰো চোন আমি মৰ্যদা নাইকিয়া কৰি পেলালোঁ। সকলো ক্ষেত্ৰতে সস্তীয়া সংস্কৃতিক ৰঙা দলিচা পাৰি দি বীজতৰীয়া এক সংস্কৃতিৰ জন্ম দিবলৈ আমি প্ৰস্তুত চলাইছোঁ কিয়?

ওপৰোক্ত কথাবোৰলৈ দৃষ্টি নিক্ষেপ কৰিলে আমাৰ প্ৰলয় যে আসন্নপ্ৰায়, সেয়া নিশ্চয়কৈ প্ৰতীয়মান হৈ উঠে। বোলো সমনীয়াসকল, 'গতস্য শোচনা নাস্তি'। অনাগত দিনবোৰ সুখ-সমৃদ্ধিৰে জিলিকাই তুলিবলৈ সকলো জাগৃত হোৱাৰ সময় এয়া। বিশ্বৰ কোটি কোটি জনতা আজি সুন্দৰ ভৱিষ্যতৰ কলঘৰত ব্যস্ত। কোনো ক্ষেত্ৰতে আমি পিছপৰি গ'লে, সিহঁতে আমাক হাঁহিব। গতিকে বজৰুৱা ঢংবোৰ পৰিত্যাগ কৰি শিপাৰ সন্ধান কৰাৰ পৰ এয়া। আমাৰ মাজৰ বিভেদকামী শক্তিসমূহক প্ৰতিহত কৰি সকলো হৈ পৰিব লাগিব মানৱ-প্ৰেমৰ একো-একোগৰাকী প্ৰকৃত পূজাৰী। আমাৰ থলুৱা খাদ্যাভ্যাস, থলুৱা সাজ-পাৰ, পৰম্পৰাগত উৎসৱ-পাৰ্বন, আদৰৰ ভাষাটো আৰু বাপতি-সাহোন কৃষ্টি-সংস্কৃতি সকলোবোৰ পৱিত্ৰ মনেৰে আদৰি লৈ আহা আমি সকলোৱে ভাৰতীয় নুমলী জীক বহুল বিশ্বৰ বুকুত জিলিকাই তুলিবলৈ দৃঢ়প্ৰতিজ্ঞ হওঁ।

অ' বোলো, আজি বহু কথাই পতা হ'ল নহয়; আৰু দীঘলীয়া নকৰোঁ দিয়া। আহা আমি আদিল, নাহিদ, গোলাপ, ৰীমা আৰু হিমাহঁতৰ দৌৰত একেলগে দৌৰোঁ। শেষত সুধাকণ্ঠৰ ভাষাৰে সকলোকে জনাওঁ আহ্বান —

*"আকৌ যদি যাব লাগে শৰাইঘাটলৈ*
*লুইতপাৰৰ ডেকা বন্ধু নাথাকিবা বৈ*
*নাথাকিবা বৈ..."*

ইতি—
তোমালোকৰ মৰমৰ
— ভাৰ্গৱ

# ৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰ ঃ কিছু অভিজ্ঞতা

।। ৰীমা ৰাভা
স্নাতক পঞ্চম ষাণ্মাসিক (কলা শাখা)

যিটো দিনৰ বাবে গভীৰ আশাৰে বাট চাই আছিলো, অৱশেষত এই দিনটো আহি উপস্থিত হ'ল।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ "ৰাষ্ট্ৰীয় সেৱা আঁচনি" গোটৰ পৰা ১৩-২-২০১৮ তাৰিখৰ পৰা ১৮-২-২০১৮ তাৰিখলৈ মহাৰাষ্ট্ৰৰ কিনউৱাটত অনুষ্ঠিত হোৱা "ভাৰত যোৰো যুৱা একাডেমী" তৰফৰ পৰা আয়োজন কৰা 'National Youth Project' ত অংশ গ্ৰহণ কৰিবলৈ আমি ২৫ জনীয়া দল এটি অসমৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলো। আবেলি ২.৩০ বজাত আমি সকলোৰে মহাবিদ্যালয়ৰ প্ৰাঙ্গণত একগোট হৈ ছাৰহঁতৰ পৰা আশীৰ্বাদ লৈ যাত্ৰাৰ পাতনি মেলিছিলোঁ। ৪.৪ বজাত আমি মিৰ্জাৰ পৰা কামাখ্যা ৰেল ষ্টেছনলৈ ৰাওনা হৈছিলো। গধূলি ৬.১০ বজাত কৰ্মভূমি এক্সপ্ৰেছেৰে আৰম্ভ হৈছিল আমাৰ দীঘলীয়া যাত্ৰা। অসীম ৰঞ্জন শৰ্মা ছাৰে আমাক ৰেলষ্টেছনলৈ আগবঢ়াই থবলৈ গৈছিল। আমাৰ দলটি দুটা বেলেগ বেলেগ দবাত পৰিছিলোঁ। আমাৰ দবাত আছিলে ধ্ৰুৱ দাদা, কাশ্যাপ দাদা, হীৰেণ, ৰূপমা, ৰুবি আৰু মই। প্ৰিয়ব্ৰত দাদা, ধনজিৎ, মনোৰঞ্জন, টিংকু, নয়ন, অঞ্জু, জয়শ্ৰী আৰু পাপৰিহঁত বেলেগ দবাত। মই জীৱনত প্ৰথমবাৰৰ বাবে ইমান দীঘলীয়া যাত্ৰা আৰম্ভ কৰিছিলোঁ, মোৰ বাবে এয়াও এক নতুন অভিজ্ঞতা আৰু এয়া সম্ভৱ হৈছেল- ধ্ৰুৱ দাদাৰ কাৰণে। তেখেতে যদি এই শিবিৰটোত যোৱাৰ সুযোগ নিদিলেহেঁতেন হয়তো মোৰ এই সৌভাগ্য নহ'লহেতেন। নিশা ৯.৩০ বজাত আমি নতুন বঙাইগাঁও পাইছিলোঁ। ইয়াৰ পিছত ঘৰৰ পৰা খাবলৈ লৈ যোৱা খাদ্য খাই টোপনি মাৰিলো। বহু নিশালৈ মোৰ টোপনি অহা নাছিল কাৰণ ঘৰৰ পৰা ইমান দিনলৈ দূৰত থাকিবলৈ যোৱা এয়াই মোৰ প্ৰথম আছিল আৰু সেই বাবেই হয়তো ঘৰলৈ বৰকৈ মনত পৰিছিল। ১১-২-২০১৮ তাৰিখে আমি আবেলি ৩:১০ বজাত হাওৰা পালোঁ। তাত মুখ হাত ধুই ষ্টেচনত অলপ জিৰণি লৈ হাওৰা দলং চাব গলোঁ। সচাঁই বুজাব নোৱাৰা এক সৌন্দৰ্য্য। সূৰ্য অস্ত



যোৱাৰ লগে লগে এন্ধাৰে আৱৰি ধৰিছিল আৰু সেই এন্ধাৰত জিলিকি উঠিছিল নৈৰ দুকাষত থকা ঘৰৰ পৰা অহা পোহৰৰ বিজুলিবোৰ। ইয়াৰ পিছত কলিকতাত কিছু ফুৰিলো। 'কলিকতা' নামটো কিতাপত সৰুতে বহুবাৰ পঢ়িবলৈ পাইছিলো কিন্তু কেতিয়াও ভবা নাছিলো সেই ঠাইত কেতিয়াবা এনেকৈ যাম। ইয়াৰ পিছত হাওৰাৰ নাথুলাল হোটেলত আমি সকলোৱে ভাত খাই কিছুসময় ষ্টেচনত জিৰণি লৈছিলো। নিশা ৯:৫০ বজাত হাওৰাৰ পৰা 'আজাদ হিন্দ এক্সপ্ৰেছত' নাগপুৰলৈ ৰাওনা হলো। ৰেলত যোৱা এই সময়খিনিত কিমান যে ধেমালি স্ফূৰ্টিৰে পাৰ হৈছিল ভাবিলে এখন বেলেগ পৃথিৱীত থকা যেন লাগে। সঁচাই বন্ধু-বান্ধৱীৰ লগত কটোৱা এই দুষ্টালিৰ সময়বোৰ বৰ মধুৰ। ইয়াৰ পিছত আমি কিনউৱাটৰ ষ্টেছনত নামিলো। তাত গৈ পোৱাৰ পিছত আমাৰ গ্ৰুপ লিডাৰে শিবিৰ সদস্যক ফোন কৰিছিল আৰু আমাক ষ্টেচনৰ পৰা লৈ যাবলৈ সতীশনগৰৰ দুজন ল'ৰা আহিছিল। আমি পুৱা ৬:১০ বজাত শিবিৰ অনুষ্ঠিত হোৱা স্থানত গৈ পাইছিলো। আমি গৈ পোৱাৰ লগে লগে এজন ব্যক্তিয়ে অসমীয়াতে আমাক কলে "সোনকালে-সোনকালে এইফালে আহা" বুলি। মই আচৰিত হৈছিলো প্ৰথমতে তেওঁৰ মুখত আমাৰ অসমীয়া শব্দ কেইটা শুনি। পিছত চিনাকী হওঁতে গম পালো তেখেতেই হেনো নৰেন্দ্ৰ ভাইজী। ইয়াৰ পিছত আমাক সতীশগৰৰ আকাংশা বাইদেউৱে আমাক আমাৰ থকা কোঠাবোৰ দেখুৱাব লৈ গ'ল। আমি আমাৰ ৰুমটো ঠিক কৰি জলপান খাই অলপ জিৰণি ললো। আমাৰ দৰে আন বহু ৰাজ্যৰ বহুতো স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা আহিছিল। মহাৰাষ্ট্ৰৰ দুজনী ছোৱালী আহি আমাৰ লগত চিনাকী হ'ল। সঁচাই ইয়ালৈ আহি বহুত ভাল লাগিছে; মানুহবোৰ ইমান মৰমীয়াল। দুপৰীয়া বাৰ বজাত ভাত খাবলৈ গ'লো। ইয়াৰে খাদ্যসমূহ অলপ বেলেগে পদ্ধতিত তৈয়াৰ কৰে। অৱশ্যে সেইটো স্বাভাৱিক কথা কাৰণ সকলো ঠাই অনুযায়ী খাদ্য ৰুচিৰ প্ৰণালী বেলেগ বেলেগ। দাইলত নৰসিংহৰ পাত লগতে খাদ্য সমূহত মছলা অলপ বেছিকৈ দিয়ে। ইয়াৰ পিছত ড° সুব্বা ৰাও বাসু (ভাইজী) আহিল। তেখেতক আমি অসমৰ দলটোৱে ঢোলে-তালে স্বাগতম জনাই শিবিৰলৈ আদৰিলো এখন ফুলাম গামোছাৰে। ১৩-২-২০১৮ তাৰিখৰ পৰা অৰ্থাৎ এই দিনটোৰ পৰাই আৰম্ভ হৈছিল আমাৰ এই শিবিৰ। আবেলি চাৰি বজাত চাহ খাই ৪:৩০ বজাত ভাইজীৰ লগতে শিবিৰটো অনুষ্ঠিত কৰা সকলো ব্যক্তিক আৰু প্ৰত্যেক ৰাজ্যৰ প্ৰতিনিধি সকলক সম্বৰ্ধনা জনালে। তাৰপিছত ড° সুব্বা ৰাও বাসুই এই শিবিৰটোৰ বিষয়ে কিছু ভাষণ দিয়ে আৰু ইয়াৰ পিছত সন্ধিয়া ৬.০০ বজাৰ পৰা ৭.০০ বজালৈ সৰ্বধৰ্ম প্ৰাৰ্থনা কৰিলো। সাংস্কৃতিক অনুষ্ঠানত আমি আজি সকলোৱে একলগ হৈ নাওখেল গীতটি গাইছিলো আৰু পঞ্জাৱৰ দলটিয়ে কৰিছিল "ভাংৰা"। নিশা ৯.০০ বজাত ৰাতিৰ আহাৰ খাই ৯.৩০ বজাত আমি আমাৰ কোঠালৈ গৈ টোপনি মাৰিলো।

এই শিবিৰত থাকিবলৈ হ'লে এখন সময়ৰ তালিকা দিয়ে আৰু সেই তালিকাখনৰ সময়মতে চলাটো বাধ্যতামূলক। ১৪-২-২০১৮ আছিল শিবিৰটোৰ দ্বিতীয় দিন। পুৱা ৪:৫৫ বজাত সকলোৱে যুৱগীত গাই ৫:৩০ বজাত চাহ খালো আৰু ৬:০০ বজাৰ পৰা ৬:৩০ বজালৈ ব্যায়াম কৰি পতাকা উত্তোলন কৰিলো। ইয়াৰ পিছত আছিল শ্ৰমদান। শ্ৰমদানৰ কাৰ্য ভগাই দিয়াৰ আগতে নৰেন্দ্ৰ ভাইজীয়ে "ভাৰত কি সন্তান'ত অংশ গ্ৰহণ কৰা কেইজনক মাতিছিল। আমাৰ অসমৰ দলটিৰ পৰা তিনিজনী 'ভাৰত কি সন্তান' হোৱাৰ কাৰণে সুযোগ পাইছিলো ধ্ৰুৱ দাদাৰ কাৰণে। 'অসমীয়া' আছিল পাপৰি, 'কাশ্মিৰী' ৰূপমা আৰু মই 'মণিপুৰী'। 'ভাৰত কি সন্তান'ৰ বিষয়ে নৰেন্দ্ৰ ভাইজীয়ে বুজাই দিছিল। ভাৰতবৰ্ষত নানা ভাষিক, নানা জাতিৰ লোক আছে, সকলোৱে সাজ-পোছাক বেলেগ, ভাষা বেলেগ আৰু সকলোৰে সংস্কৃতিৰ সৈতে চিনাকী কৰাই দিয়াৰ লগতে আমি সকলো ভাই-ভনীয়ে যি একতাৰে বাস কৰো সেই উদ্দেশ্যৰে এই ' ভাৰত কি সন্তান' অনুষ্ঠানটি কৰা হয়। 'ভাৰত কি সন্তান'ত অংশ গ্ৰহণ কৰা আমাৰ সকলোকে নৰেন্দ্ৰ ভাইজীয়ে আখৰা কৰালে। ইয়াৰ পিছত ৯.০০ বজাত খাবলৈ আহিলো। ইয়াৰ পিছৰ কাৰ্যসূচী আহিছে আন ৰাজ্যৰ ভাষা শিকা আৰু নিজ ৰাজ্যৰ ভাষা আন ৰাজ্যক শিকোৱা। আমি শিকিছিলো 'মাৰাঠী' ভাষা। তাত শিকা মাৰাঠী ভাষা তলত উল্লেখ কৰা হ'ল —

(১) অহাকালি আমি আকৌ লগ হ'ম।
মাৰাঠী — আপান পৰদিয়া পৰাট ভতু।

(২) ইয়াৰ পৰা ৰেলষ্টেছন কিমান দূৰত ?
মাৰাঠী — এটুন ৰেলেৰে ষ্টেছন কিতি দুৰ আহে ?

(৩) নম'স্কাৰ ! আপুনি কুশলে আছে নে ?
মাৰাঠী — মি থুপ চাংগালি আহে।

(৪) আপোনাৰ নাম কি ?
মাৰাঠী — আপলে নাৱউ কাইয় আহে ?

তাৰপিছত ১২:০০ বজাত সকলোৱে দুপৰীয়াৰ আহাৰ খালো আৰু ২:৩০ বজাত আহি উপস্থিত হৈছিল আমাৰ মাজত বিদ্যা সাগৰ টিৱাৰ — Lecture delivered by Vice-Chancellar Subject : Students Career. তেওঁ যিখিনি কথা কৈছিল সচাঁই আমাৰ জীৱনৰ কাৰণে বহুত গুৰুত্বপূৰ্ণ আৰু আমি জানিবলগীয়া কথা আছিল। আবেলি ৪:৩০ বজাৰ পৰা সামূহিক খেল খেলিলো। সঁচাই এই শিবিৰটোলৈ আহি নিজকে বহুত ভাগ্যবান বুলি ভাবিছো। বহুত ভাল লাগিছে সকলোৱে একেলগে একতাৰে মিলা-প্ৰীতিৰে এক হৈ আছো, এবাৰলৈ এনেকুৱা লগা নাই আমি যে বেলেগ বেলেগ ৰাজ্যৰ পৰা আহিছো। আমাৰ সকলোৱে ভাষা, সংস্কৃতি, খাদ্য, সাজ-পোছাক বেলেগ বেলেগ তথাপি ক্ষুদ্ৰমানো এনে লগা নাই যে আমি অন্য ৰাজ্য, ভিন্ন ভাষিক গোষ্ঠীৰ লোক। এনেকুৱা লাগিছিল যেন আমি এনেখন ঘৰতে সৰুৰ পৰা ডাঙৰ হৈছো। সকলোৱে লগত এই দুদিনতে এক বুজাব নোৱাৰা বান্ধোন গঢ়ি উঠিছিল। ইয়াৰ পিছত সৰ্বধৰ্ম প্ৰাৰ্থনা কৰি আজি সাংস্কৃতিক

সন্ধিয়াত নাচিছিলো অসমৰ এক অন্যতম তিৱা জনগোষ্ঠীৰ তিৱা নৃত্য। পোছাক যোৰ পিন্ধাৰ লগে লগে মানুহবোৰে ফটো উঠিবৰ কাৰণে এনেকৈ আহিছিল যেন আমি কিবা নেদেখা বস্তুহে। ভাল লাগে অসমৰ প্ৰতি থকা মৰম, স্নেহবোৰ। ইয়াৰ পিছত ভাত খাই টোপনি মাৰিলো। এনেকৈয়ে প্ৰতিদিনে আৰম্ভ হৈছিল আমাৰ শিবিৰৰ। ১৫-২-২০১৮ তাৰিখে আমাক পৰিৱেশন কৰাইছিল 'ভাৰত কি সন্তান'। ১৬-২-২০১৮ তাৰিখে আমাক সকলোকে বাছেৰে স্থানীয় গুৰুজী মেডিকেললৈ লৈ গৈছিল আৰু তাৰ পৰাই শোভাযাত্ৰা কৰিছিলো। শোভাযাত্ৰাৰ প্ৰথম শাৰীতে আছিলো আমাৰ অসমৰ দলটি। যেতিয়া আমি ৰাস্তাৰে গৈছিলো কিনউৰাটৰ স্থানীয় লোকসকলে স্কুলৰ মালা আৰু ফুল ইত্যাদিৰে স্বাগতম জনাইছিল। ইয়াৰ পিছত আমাক নগৰ পৰিচয়ত লৈ গৈছিল আৰু তাত আমাৰ অসমৰ দলটিয়ে বিহু নৃত্য পৰিৱেশন কৰিছিল আৰু আমি 'ভাৰত কি সন্তান'। ইয়াৰ পিছত আমাক আকৌ বাছেৰে শিবিৰলৈ লৈ আনিছিল। ৯:১০ বজাত ভাত টোপনি মাৰিলো। ১৭-২-২০১৮ তাৰিখে ১০:০০ বজাত বাছেৰে আমাক কিনউৰাটৰ এখন স্কুললৈ লৈ গ'ল। তাত বহুকেইখন স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়ত্ৰীসকলেও উপস্থিত আছিল। আমাৰ অসমৰ দলটিয়ে বিহু আৰু তিৱা নৃত্য পৰিৱেশন কৰিলো। ইয়াৰ পিছত আমাক আকৌ বাছেৰে শিবিৰলৈ লৈ আনিছিল। দুপৰীয়া ভাত খাই অলপ জিৰণি ললো। ২:৩০ বজাত M.P আহিছিল, তেওঁ যিখিনি ভাষণ মন্তব্য কৰিছিল সঁচাই প্ৰয়োজনীয়। ইয়াৰ পিছত আমাক সকলোকে চিনাকী কৰাই দিছিল ভাৰত যাত্ৰাত যিসকলে বিভিন্ন কষ্টৰ সন্মুখীন হোৱাৰ পিছতো চাইকেল যাত্ৰা কৰি বিভিন্ন ৰাজ্য ঘুৰিছিল নিজৰ দেশৰ হিতৰ কাৰণে। তাৰ পিছত আমাক সকলোকে নিজৰ যি সংস্কৃতিৰ নৃত্য, গীত সেইসমূহ অন্য ৰাজ্যৰ মানুহক শিকাবলৈ দিলে আৰু অন্য ৰাজ্যৰ নৃত্য গীত শিকিব দিলে। পাঞ্জাৱ, মহাৰাষ্ট্ৰ আৰু কেৰেলাৰ সকলক আমি আমাৰ বিহু শিকালো আৰু পাঞ্জাৱৰ ভাংৰা আমি শিকিলো। ৬:০০ বজাত স্কুলৰ খেলপথাৰত আহি মহাৰাষ্ট্ৰৰ জনজাতিসকলৰ নৃত্য চালো। সঁচাই চাই ভাল লাগিল তেওঁলোকৰ নৃত্য, গীত চাই। আজি আমাৰ অসমৰ দলটিয়ে বিহু নাচিলে আৰু আমাৰ লগত নৰেন্দ্ৰ ভাইজীও নাচিলে। জীৱনত ভাল লগা দিনবোৰৰ ভিতৰত আজিৰ এই দিনটোও আছিল এক অন্যতম।



(১৮-২-২০১৮) আহি আহি শিবিৰৰ অন্তিমটো দিনত আজি উপস্থিত হৈছিলো। ৪:৫৫ বজাত যুৱগীত গাই ৬:০০ বজাৰ পৰা পতাকা উত্তোলন কৰিলো। ইয়াৰ পিছত আহিল শ্ৰমদান। আজি আমাৰ অসমৰ দলটিৰ শ্ৰমদানত বিশেষ তেনেকুৱা একো কাৰ্য দিয়া নাছিল। আমাৰ দলটি এঠাইত একগোট হৈ খেলিছিলো আৰু বহুত স্ফূৰ্তি কৰিছিলো। মই লিখি প্ৰকাশ কৰিব নোৱাৰা এই শিবিৰটোত আহি মোক কিমান ভাল লাগিছে, মাথো কব পাৰিম এই শিবিৰটোলৈ আহি বহুত বহুত ভাল লাগিছে আৰু এই শিবিৰটোত ধ্ৰুৱদাই আমাক সঁচাই ধুনীয়াকৈ আগবঢ়াই লৈ গৈছে। আমি নজনাটো শিকাই দিছে, কৰবাত কিবা ভুল কৰিলে ভুলটো দেখুৱাই শুধৰাই দিছে। ইয়াৰ পিছৰ কাৰ্যসূচী আহিল 'মানপত্ৰ' প্ৰদান। ১২:০০ বজাত শিবিৰৰ পতাকা নমাই দুপৰীয়া ভাত খালো। ৩:১৫ বজাত আমি কিনউৰাট চহৰ চাবলৈ গলো। এই দিনবোৰ কেনেকৈ পাৰ হৈ গ'ল গমেই নাপালো। এনেকুৱা লাগিছিল যে এই শিবিৰটো আজিৰ পৰা আৰু আৰম্ভ হওঁক। ১৩-২-২০৮ তাৰিখে ৬:৪৫ বজাত শিবিৰ স্থানৰ পৰা আমি বিদায় লৈছিলো। নিশা ৪:০০ বজাত কিনউৰাটৰ পৰা নন্দগ্ৰাম এক্সপ্ৰেছত নাগাপুৰ আৰু নাগাপুৰৰ পৰা হাওৰা ষ্টেছনলৈ আহিলো ২০-২-২০১৮ তাৰিখে দুপৰীয়া ২:৫০ বজাত হাওৰাৰ পৰা শৰাইঘাট এক্সপ্ৰেছত গুৱাহাটী আহি পালো। বহুত ভাল লাগিল এই দীঘলীয়া যাত্ৰাটো। এই যাত্ৰাৰ প্ৰতিটো ক্ষণৰ স্মৃতি আজীৱন মনত থাকিব। ১১:০০ বজাত আমি কলেজ আহি ছাৰহঁতক লগ ধৰিলো আৰু আজিৰ পৰাই অন্ত পৰিল আমাৰ এই যাত্ৰা। প্ৰথমে মোক এই শিবিৰলৈ নিৰ্বাচন কৰাৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সংগঠক ধ্ৰুৱ দাস আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যসূচী বিষয়া অসীম ৰঞ্জন শৰ্মা ছাৰদেৱ আৰু সহঃকাৰ্যসূচী বিষয়া এডৱাৰ্ড ষ্টেডী এন্. চাংমা ছাৰদেৱক মই অলেখ ধন্যবাদ জনাইছো। তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ, মোক এই শিবিৰলৈ যোৱাৰ সুযোগ দিয়াৰ বাবে। ৰাষ্ট্ৰীয় সেঁৱা আঁচনি গোটলৈ এই শিবিৰৰ নিমন্ত্ৰণ পত্ৰ দিয়াৰ বাবে 'অসম NYP'ৰ সম্পাদক কিশোৰ কুমাৰ কলিতালৈ ধন্যবাদ।

এই শিবিৰলৈ যাবলৈ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে অনুমতি প্ৰদান কৰাৰ বাবে মহোদয়ৰ ওচৰত আমি সকলোৱে চিৰকৃতজ্ঞ। ■

# সপোন

**।। শিখা বৰুৱা ।।**
সহঃ অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ

চকু মেলি দেখা সপোন আৰু চকু মুদি দেখা অৰ্থাৎ টোপনিত দেখা সপোন এই দুই ধৰণৰ সপোনৰ মাজত আমাৰ জীৱনৰ দিন ৰাতিবোৰ এটা এটাকৈ পাৰ হৈ গৈ আছে। আমাৰ জীৱনৰ শেষ নিশ্বাসটোলৈ ইহঁত আমাৰ সংগী। জীৱনৰ অন্তত ইহঁতবোৰো চাগে পঞ্চভূতত বিলীন হৈ যায়।

DREAM – 'It's a mental phenomenon occuring during sleep in which images, emotions and thoughts are experienced with a sense of reality.'। সাধাৰণতে টোপনিৰ পাঁচটা stage আছে। সেইকেইটা হ'ল — stage 1, stage 2, stage 3, stage 4 আৰু REM (Rapid Eye Movement) stage। ইয়াৰ ভিতৰত আমি কেৱল REM stageত হে সপোন দেখোঁ। এটা কেঁচুৱাই টোপনিৰ ৫০ শতাংশ REM stageত কটায়।



আনহাতে এজন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে মাত্ৰ ২০ শতাংশহে REM stageত কটায়। যদিহে এই stageটো সম্পূৰ্ণ হোৱাৰ আগতেই আমি টোপনিৰ পৰা সাৰ পাওঁ তেন্তে সেই সপোনবোৰ আমি স্মৰণ কৰিবলৈ সক্ষম হওঁ। আমি দেখা সপোনবোৰ কি হ'ব বা কেনেকুৱা হ'ব সেইবোৰ কোনো বিশেষ কাৰকৰ ওপৰত নিৰ্ভৰ নকৰে। কিন্তু সেইবোৰ কেনেবাকৈ হ'লেও কোনোবাখিনিত আমাৰ জীৱনৰ সৈতে জড়িত হৈ থাকে। কেতিয়াবা ভয় লগা, কেতিয়াবা দুখ লগা আৰু কেতিয়াবা ভাল লগা হয় এই সপোনবোৰ।

কিন্তু ইয়াতেই জানো শেষ সপোনৰ অৰ্থ। REM-stage ৰ বাদেও কিছুমান ভিন্ন সপোনেৰে আমাৰ জীৱনবোৰ পৰিপূৰ্ণ হৈ আছে। সেই সপোনবোৰ দেখিবলৈ আমাক Sleeping stage ৰ দৰকাৰ নাই। দৰকাৰ হয় এটা মনৰ মনটোৰে আমি ভৱিষ্যতৰ কিছুমান কথা ভাবোঁ বা কল্পনা কৰোঁ। কিছুমান মানুহে হয়তো কথাখিনি থূলমূলকৈ কল্পনা কৰে আৰু কিছুমানে বিস্তৃতভাৱে কৰে। এইটো নিৰ্ভৰ কৰে মানুহগৰাকীৰ ব্যক্তিত্ব আৰু চিন্তাশক্তিৰ ওপৰত। এই সপোনবোৰৰ মানদণ্ড বা বৈশিষ্ট্য বা সৌন্দৰ্য ব্যক্তিবিশেষে ভিন ভিন হয়। কেতিয়াবা বিবেকৰ আওকাণ কৰি মনৰ তুলিকাৰে ভুল সপোন কিছুমান আঁকি পেলাও। তেতিয়াই আমাৰ জীৱনৰ ছবিখনত খেলি-মেলিবোৰৰ সৃষ্টি হয় আৰু কেতিয়াবা নিজৰ অৱহেলা আৰু অন্যমনস্কতাৰ বাবে কিছুমান সপোন আধৰুৱাকৈ অংকিত হৈ ৰয় বা অংকন নোহোৱাকৈ হৃদয়তে থাকি যায়। নিৰ্দিষ্ট সময়খিনি পাৰ হৈ যোৱাৰ পিছত আৰু সেই সপোনবোৰক বাস্তৱ ৰূপ দিব নোৱাৰি।

এহাল দম্পতীৰ যুগ্ম জীৱনৰ মিঠা সপোনটোৱে এদিন পৃথিৱীৰ কোলাত কান্দিলে। এই সফল সপোনটোৱে তেওঁলোকৰ হৃদয়ত সুখ-আনন্দৰ জোঁৱাৰ তুলিলে। আনন্দত আত্মহাৰা হ'ল নিজৰ সন্তানটিক কোলাত তুলি লৈ। সপোনৰ এই বাস্তৱৰূপে সিঁচিব ধৰিলে আৰু বহুতো নতুন সপোনৰ বীজ। কিন্তু তেওঁলোকৰ সেই সফল সপোনটিয়ে ভাগি-চিগি চূৰমাৰ কৰি পেলালে আন কোনোবাৰ সপোনক। নাতি ল'ৰা এটা পোৱাৰ স্বপ্নত মগ্ন থকা আইতাজনীৰ সেই সপোন যেন

....মধুৰে জীৱনজোৰা সাধনাৰে এগৰাকী নামজ্বলা সংগীতশিল্পী হোৱাৰ কল্পনা কৰিছে। ৰামে আকৌ অতি সোনকালে জনপ্ৰিয়তা অৰ্জন কৰাৰ অৰ্থে কেনেকৈ এটা বিতৰ্কিত গান গাব পাৰে তাকেই ভাবিছে। এজনী ছোৱালীয়ে এটা ধনী পৰিয়ালৰ ল'ৰাৰ সৈতে বিয়া হৈ বিলাসী জীৱন কটোৱাৰ কল্পনা কৰিছে। আনজনীয়ে আকৌ নিজৰ যত্ন আৰু কষ্টৰে এগৰাকী স্বাধীন আৰু চহকী নাৰী হোৱাৰ সপোন দেখিছে। ...

ক'ৰবাত হেৰাই গ'ল। হেৰুওৱাৰ বেদনাত তেওঁ ভাগি চুৰমাৰ কৰিবলৈ আৰম্ভ কৰিছে বোৱাৰীয়েকৰ বৈবাহিক জীৱনৰ সপোনবোৰ। বোৱাৰীগৰাকী কিন্তু বিষণ্ণ হৈ পৰা নাই তেওঁৰ সপোন ভগাৰ দুখত। কিয়নো তেওঁ এতিয়া ব্যস্ত হৈ পৰিছে তেওঁৰ কন্যা সন্তানটিক শিক্ষা-দীক্ষা আদিৰে এগৰাকী উপযুক্ত নাৰী হিচাপে গঢ় দিয়াৰ সেই নতুন সপোনটোৰ সৈতে। লাহে লাহে তাই ডাঙৰ হ'বলৈ ধৰিলে। এখন ভাল স্কুল বিচাৰি তাইৰ নামভৰ্তি কৰালে। তাই কেতিয়াবা ভালকৈ পঢ়া শুনা নকৰিলে, পৰীক্ষাত কম নম্বৰ পালে তেওঁলোকে তাইক গালি পাৰে, মাৰ-ধৰ কৰে কাৰণ তেওঁলোকে সপোন দেখিছে। এটা ডাঙৰ সপোন। নিজৰ সন্তানটিক ভৱিষ্যতে এগৰাকী দক্ষ চিকিৎসকৰ ৰূপত দেখাৰ সপোন। এনেকৈয়ে ভিন ভিন সপোনৰ মাজেৰে দিনবোৰ বাগৰি গৈ থাকিল। এদিন তাই গাভৰু হ'ল। তাইৰ মন-গহনত ফুলিব ধৰিলে এজোপা প্ৰেমৰ ৰঙা গোলাপ। তাইৰ হৃদয়ৰ দুৱাৰ খুলি সোমাই গৈ একেবাৰে নিভৃততম কোণত থিতাপি ল'লে কোনোবা এজন। দুয়ো প্ৰেমিক-প্ৰেমিকাই মিলি দেখিব ধৰিলে ভৱিষ্যতৰ কিছুমান ৰঙা-নীলা সপোন। কিন্তু কেতিয়াবা নিজানত তাই উচুপে তাইৰ সপোন ভগাৰ দুখত। হৃদয়ৰ আপোনজনৰ বাবেই তাই পিছুৱাই আহিবলগীয়া হৈছে এগৰাকী অভিনেত্ৰী হ'বলৈ গৈ থকা পথটোৰ পৰা। ল'ৰালিৰ পৰা দেখি অহা সেই হেঁপাহৰ সপোনটো হেৰাই যাব ধৰিছে সময়ৰ সোঁতত। তেওঁ তাইক বৰ আৱেগিকভাৱে কয় কল্পনাৰ পটত তেওঁ অংকন কৰা সেই নাৰী গৰাকীৰ কথা। তেওঁ তাইক বৰ ভালপায়। বহুত মৰম কৰে। প্ৰত্যেকটো কথাতে তেওঁ তাইক সহযোগ কৰে। কেৱল মাত্ৰ সেই পথেৰে তেওঁ তাইক কেতিয়াও যাব দিব নোৱাৰে। অভিনয়ত হ'লেও তাই আন কাৰোবাৰ পত্নী বা প্ৰেয়সী হোৱাটো তেওঁৰ কোমল হৃদয় খনে কোনোপধ্যে সহ্য কৰিব নোৱাৰে। হয়টো সেয়া Over Possessiveness তেওঁৰ । কিন্তু তাই দুয়োৰে হেজাৰটা সপোন ভগাৰ আশংকাত নিজৰ হেঁপাহৰ সপোনটি বিসৰ্জন দিলে। এদিন মাক-বাপেকে তাইৰ এই সম্পৰ্কৰ কথা গম পালে। খঙত অগ্নিশৰ্মা তেওঁলোক। কাৰণ তেওঁলোকে কল্পনা কৰা জোঁৱায়েক জনৰ দৰে এইজন ল'ৰা নহয়। সেইজন উচ্চ শিক্ষিত; শকত দৰমহাৰ চাকৰিয়াল দেখনিয়াৰ ইত্যাদিৰে অলংকৃত আছিল। কিন্তু এইজনৰ যে সেইবোৰ একোৱেই নাই। আৰম্ভ হ'ল প্ৰেমিক-প্ৰেমিকাৰ সপোন আৰু পিতৃ-মাতৃৰ সপোনৰ মাজত তুমুল যুদ্ধ। শেষত, পিতৃ-মাতৃৰ সপোনটিয়ে পিন্ধিলে বিজয়ৰ মুকুট। আইনা ভগাৰ দৰে ভাগি-চিগি থান-বান হৈ গ'ল দুয়োৰে হেঁপাহৰ হাচ্‌নাহানাৰ দেশৰ আলফুলীয়া সপোনবোৰ। সপোনৰ ভগা টুকুৰাবোৰে আঘাত হানিলে দুয়োৰে জৰ্জৰিত হৃদয় দুখনত। বেদনাত ছটফটাই দিনে-নিশাই কান্দিছে দুয়ো। কিন্তু তাইৰ সেই ঘাঁবোৰত নতুন নতুন কিছুমান সপোনে দৰৱ সানিব ধৰিলে। তাইৰ স্বামী আৰু নতুন ঘৰখনক লৈ কিছুমান ধুনীয়া সপোন দেখিবলৈ ল'লে তাই। কিন্তু টকা-পইচা, সা-সম্পত্তি, শিক্ষা-দীক্ষাৰে পৰিপূৰ্ণ হৈ থকা সেই স্বামী গৰাকীৰ আৰু তেওঁৰ পৰিয়ালৰ সপোন আছিল ন কইনাৰ মাকৰ ঘৰৰ সম্পত্তিৰে তাতোকৈ বেছি ধনী হৈ বিলাসী জীৱন কটোৱাৰ। সেই সপোন পূৰণ নোহোৱাৰ যন্ত্ৰনাত সিহঁতে থান-বান কৰিবলৈ আৰম্ভ কৰিছে ন-বোৱাৰীৰ আলফুলীয়া নতুন সপোনবোৰ। সিহঁতৰ অসহনীয় অত্যাচাৰৰ পৰা মুক্তি পোৱাৰ সপোন দেখি বিবেকশূণ্য হৈ তাই এদিন বাচি ল'লে আত্মহননৰ পথ আৰু তাইৰ সেই পথে ভাঙি পেলালে বহুতো আত্মীয়ৰ সপোন।

এয়া মাথোঁ এটা উদাহৰণহে। এনেকৈয়ে পৰিয়ালবোৰৰ প্ৰত্যেক সপোন প্ৰত্যেকৰে সুখ-দুখৰ লগত জড়িত হৈ থাকে। এটা পৰিয়ালৰ মান-মৰ্যাদা, সুখ-দুখ সেই পৰিয়ালৰ বা আত্মীয়-কুটুম্বৰ সপোনবোৰৰ ওপৰত প্ৰত্যেক্ষ বা পৰোক্ষভাৱে নিৰ্ভৰ কৰে। কিবা এটা কল্পনা কৰা বুলিয়েই সেইটো যে সফল হ'বই লাগিব তেনে একো কথা নাই। কেতিয়াবা পৰিবেশ এটা সুস্থ ৰখা বা কাৰোবাৰ সুখ-দুখৰ স্বাৰ্থত সেই সপোন দিঠক হোৱাৰ আগতেই মন-মস্তিষ্কৰ পৰা মচি পেলাব লাগে। কোনোবাৰ জীৱনত পূৰণ হোৱা সপোনবোৰ আপোনাৰ জীৱনত পূৰণ নহ'বও পাৰে। হয়তো কিছুমানে সেইবোৰ সপোনৰ কথা ভবাও নাই। এই ধৰক কাইলৈ মই ৰেষ্টোৰাত বন্ধু-বান্ধৱীৰ সৈতে এসাঁজ জুতি লগাই খোৱাৰ কথা ভাবিছো। আপুনি অলপতে মুকলি হোৱা সেই ধুনীয়া Mall টোলৈ গৈ বজাৰ কৰাৰ কথা ভাবিছে আৰু ৰাজপথৰ ভিক্ষাৰী কেইটাই কেনেবাকৈ কিবা অলপ খাবলৈ পোৱাৰ সপোন

দেখিছে, সেই অঘৰী কণ-কণ ল'ৰা-ছোৱালীকেইটাই ৰাজপথত থকা ডাষ্টবিন কেইটাত কাইলৈ কিবা ভাল বস্তু বিচাৰি পোৱাৰ কল্পনা কৰিছে। মই উচ্চ শিক্ষা শেষ কৰি বিদেশত সংস্থাপন এটা লৈ তাত নিগাজীকৈ থকাৰ কথা ভাবিছো। আপুনি নিজৰ দেশৰ এগৰাকী সৱল ৰাজনৈতিক নেতা হৈ সমাজ কল্যাণ কৰাৰ সপোন দেখিছে, আগে-পিছে দেহৰক্ষক লৈ বুলেটপ্ৰুফ গাড়ীত ভ্ৰমণ কৰাৰ কল্পনা কৰিছে। হৰিয়ে আকৌ ৰাজনৈতিক নেতা নোহোৱাকৈ সমাজ সেৱক হোৱাৰ সপোন দেখিছে। মধুৱে জীৱনজোৰা সাধনাৰে এগৰাকী নামজ্বলা সংগীতশিল্পী হোৱাৰ কল্পনা কৰিছে। ৰামে আকৌ অতি সোনকালে জনপ্ৰিয়তা অৰ্জন কৰাৰ অৰ্থে কেনেকৈ এটা বিতৰ্কিত গান গাব পাৰে তাকেই ভাবিছে। এজনী ছোৱালীয়ে এটা ধনী পৰিয়ালৰ ল'ৰাৰ সৈতে বিয়া হৈ বিলাসী জীৱন কটোৱাৰ কল্পনা কৰিছে। আনজনীয়ে আকৌ নিজৰ যত্ন আৰু কষ্টৰে এগৰাকী স্বাধীন আৰু চহকী নাৰী হোৱাৰ সপোন দেখিছে। সীতায়ে আকৌ ভৱিষ্যতে দুখীয়া-নিচলাক সহায় কৰি নিজে এটা সাধাৰণ জীৱন যাপন কৰাৰ কথা ভাবিছে। আলেকজেণ্ডাৰ গ্ৰাহাম বেলে এটা টেলিফোন আৱিষ্কাৰৰ কথা ভাৱিছিল। মহামানৱ মহাত্মা গান্ধীয়ে এখন স্বাধীন ভাৰতৰ কল্পনা কৰিছিল। ওছামা বিন লাডেনে আকৌ আমেৰিকা ধ্বংস কৰাৰ সপোন দেখিছিল।

এয়া মাথোঁ কিছুমান সপোনৰ ৰং আৰু সেই ৰঙৰ গাঢ়তা আৰু সমন্বয়ৰ উদাহৰণহে। এনেকুৱা কৌটি-কৌটি সৰু-ডাঙৰ, ভাল-বেয়া, মিঠা-তিতা সপোনেৰে মানৱ জীৱন পৰিপুষ্ট হৈ আছে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে মানুহৰ দৈনন্দিন জীৱনৰ কাৰ্যকলাপবোৰ কাৰোবাৰ নহয় কাৰোবাৰ সপোনৰ সৈতে জড়িত। ৰাতিপুৱা বিছনা এৰিয়ে হাতত লোৱা সেই সঁজুলিবিধনো আমাৰ হাতলৈ কেনেকৈ আহিল? কিয়নো বা কোনেনো সৃষ্টি কৰিলে এই টুথব্ৰাছডাল? সেয়াও কাৰোবাৰ সপোনৰেই ফল। এই যে পৃথিৱীৰ চুকে-কোণে থকা বন্ধু-বান্ধৱী, আত্মীয়-স্বজনৰ সৈতে ছেকেণ্ডতে যোগাযোগ কৰিব পাৰোঁ, কিতাপ এখন হাতত লৈ পঢ়িব পাৰিছো বা কিতাপৰ পৃষ্ঠা লুটিয়াই থকাতকৈ গুগুলত বিষয়টো ব্ৰাউজ কৰিয়েই তাৰ বিষয়ে পঢ়িবলৈ পাইছো, যাওঁ বুলিয়েই উৰি যাব পাৰিছো এখন ৰাজ্যৰ পৰা আন এখন ৰাজলৈ ইত্যাদি। পৃথিৱীৰ প্ৰতিটো বস্তুৱেই কাৰোবাৰ সপোনৰ ফলশ্ৰুতি মাথোঁ। সপোন অবিহনে পৃথিৱীখন শূণ্য হৈ পৰিব। আমি সকলোৱেই সপোন দেখিব লাগে। সেইবুলি গছত গৰু উঠা সপোনেৰে মনটোক ব্যতিব্যস্ত কৰি তুলিব নালাগে। এটা সপোন পূৰণ নহ'ল বুলিয়েই থমকি ৰোৱাটো অনুচিত। তাতকৈ আন আন সপোনবোৰ পূৰণ কৰিবলৈ আগতকৈ অধিক চেষ্টা আৰু কষ্ট কৰাটোহে প্ৰকৃত মানুহৰ পৰিচয়। সেই অদৃশ্য শক্তিটোৱে যদি আমাক এই কল্পনা কৰিব পৰা, সপোন দেখিব পৰা শক্তিটো নিদিলেহেঁতেন, তেন্তে আপুনি আজি মোৰ এই প্ৰৱন্ধটি পঢ়িবলৈ নাপালেহেঁতেন। আপুনি এনেকৈ শুই বা বহি থাকিবলৈ নাপালেহেঁতেন। আপুনি আপুনি নহ'লেহেঁতেন আৰু মই মই নহ'লোহেঁতেন। সকলোবোৰ বেলেগ হ'লহেঁতন। কিন্তু কি হ'লহেঁতেন সেয়া আমাৰ সপোনৰো আগোচৰ। ভাবিলে কি অদ্ভুত লাগে নহয়নে বাৰু?

যি হওঁক, আমি দৈনন্দিন জীৱনত কেনে ধৰণৰ সপোন দেখোঁ, সেয়া আমাৰ মন-ব্যক্তিত্ব আৰু চৌপাশৰ পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰে যদিও সেয়া আমি নিয়ন্ত্ৰণ কৰিবও পাৰো। গতিকে আমি প্ৰত্যেকেই যদি নিজৰ পৰিয়াল, আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়া, সমাজ বা দেশৰ হিত চিন্তা কৰি সপোনবোৰ দেখোঁ আৰু সেই সপোনবোৰক বাস্তৱ ৰূপ দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰো তেন্তে পৃথিৱীত হত্যা-হিংসা, লুণ্ঠন, হাই-কাজিয়া, দুৰ্নীতি ইত্যাদি বহু পৰিমাণে কমি যাব আৰু আপোনাৰ বা মোৰ জীৱনৰ ছবিখন সকলোৰে বাবে হৈ ৰ'ব এখন আদৰ্শ ছবি। ■



# নাটক

**চৰিত্ৰসমূহ** — (১) **মেঘালী** (মূল নায়িকা, দশম শ্ৰেণীৰ ছাত্ৰী), (২) **নয়না** (মেঘালীৰ বান্ধৱী), (৩) **মিতালী** (মেঘালীৰ বান্ধৱী), (৪) **জুৰি** (মেঘালীৰ বান্ধৱী), (৫) **ৰিমা** (মেঘালীৰ বান্ধৱী), (৬) **ডাক্তৰ**, (৭) **গাঁওবুঢ়া**, (৮) **পদুমী** (ৰিমাৰ মাক), (৯) **মেঘালীৰ মাক**

# এন্ধাৰৰ পৰা পোহৰলৈ

।। **নমিতা দাস**।।
স্নাতক তৃতীয় যাণ্মাসিক, (কলা শাখা)

### ১ ম দৃশ্য

*(সময় আবেলি। গাওঁৰ ৰাস্তাৰ কাষৰ ডাঙৰ আঁহত এজোপাৰ তল। ৰিমা আৰু মিতালীৰ প্ৰৱেশ। দুয়োৰে ইফালে সিফালে চাই আছে।)*

মিতালী ঃ ৰিমা নয়নাহত দেখোন আহিয়ে পোৱা নাই।

ৰিমা ঃ দেউতাক ঘৰত আছে চাগে। ঐ এটা কাম কৰো দে, আমি আঁচবোৰ টানি থওঁ।
(দুয়োৰে মাটিত আঁচ টানিবলৈ ধৰে।)

মিতালী ঃ ঐ ৰিমা আজি যে তোক গণিতৰ চাৰে মাৰিছিল মোৰ বৰ ভয় লাগিছিল জানা।

ৰিমা ঃ মাৰ নাখাম নে? যাওঁতে সেই ডাইনীজনীক দেখা পোৱা নাছিলো জানো।

মিতালী ঃ অ' তাইক দেখা পালে কিবা নহয় কিবা এটা হবই।

ৰিমা ঃ ঐ মিতালী কিমাননো ৰৈ থাকিবি, আমিয়েই খেলো আহ।

মিতালী ঃ অ তই থিকেই কৈছ।

ৰিমা ঃ মই প্ৰথম মাৰিম।

মিতালী ঃ ইহ... কিয় হব মই মাৰিম। কালিও তই মাৰিছা আজি মই মাৰিম।

ৰিমা ঃ বাৰু মাৰ।
( মিতালীয়ে কুট্ কুট্কৈ খেলিবলৈ ধৰে। আঁচ এডালত ভৰি পৰে। ৰিমাই চিঞৰিবলৈ ধৰে। )

ৰিমা ঃ এ... এ... আউট আউট...

মিতালী ঃ ঐ ৰিমা বৰ সোনকালে আওঁত হলো আৰু অলপ সময় খেলো দে না।

ৰিমা ঃ নহব নহব তই আউট হৈছা এইবাৰ মই মাৰিম।

মিতালী ঃ দে মাৰ মাৰ, কিন্তু চাবিচোন তইও সোনকালেই আউট হবি।
( মিতালীয়ে ৰিমাক গুটিটো দিয়ে। ৰিমাই খেলিবলৈ ধৰে। ৰিমাই পৰি যায়, ভৰিখন মোচোকা খাই কান্দিবলৈ ধৰে। এনেতে মেঘালীৰ প্ৰৱেশ। )

মিতালী ঃ ঐ নপৰিবি না...? চাচোন এই ডাইনীজনী ইয়ালৈকে আহিছে। ৰাতিপুৱাই ৰাতিপুৱাই দেখিছো যেতিয়া আজিৰ দিনটো এনেকৈয়ে পাৰ হব।

ৰিমা ঃ আয়ে মোৰ ভৰিখন গ'ল, ইমান বিষাইছে। ঐ ডাইনী তই বাহিৰলৈ কিয় ওলাই আহিছা? ঘৰৰ ভিতৰত সোমাই থাকিব নোৱাৰা?

মিতালী ঃ অ' তোক দেখিয়েই মানুহৰ কিবা নহয় কিবা বিপদ হবই।

ৰিমা ঃ গতিকে তই মানুহৰ মাজলৈ নাহিবি, কোনোবা দিন কাটি দুচেও কৰিব চাবি।

মিতালী ঃ কি চাই আছা...? ঘৰলৈ যা আৰু শুন মাৰ-বাপেৰ হালক আৰু গাওঁৰ মানুহখিনিক যদি অলপ শান্তি দিব বিচাৰিছা তেন্তে তই এই গাওঁৰ পৰা ওলাই যাবি।

ৰিমা ঃ নহলে গাঁৱৰ মানুহে তোক কোনোবাদিনা মাৰি পেলাব। এজনী ডাইনীৰ কাৰণে এখন গাওঁ ধ্বংস হব দিব নোৱাৰি।

মেঘালী ঃ হ'ব মনে মনে থাক। মই তহতে ভবাৰ দৰে কোনো ডাইনী নহয়। ময়ো তহঁতৰ দৰেই এজনী ছোৱালী।

মিতালী ঃ ই... তাইৰ কথা চাচোন। তাই বোলে আমাৰ দৰেই ছোৱালী। ঐ তই যদি আমাৰ দৰেই ছোৱালী তেন্তে তোক দেখিলে মানুহৰ কিয় অমংগল হয়?

ৰিমা ঃ আৰু শুন আজিৰ পৰা যাতে আৰু তোক দেখা নাপাওঁ। এতিয়া ঘৰলৈ যা।

মেঘালী ঃ মই যাবলৈ অহা নাই। মই তহঁতৰ লগত খেলিবলৈহে আহিছো।
( ৰিমা আৰু মিতালীয়ো হাঁহে )

ৰিমা ঃ (ঠাট্টাৰ সুৰত) ঐ মিতালী মোক কিন্তু মেঘালীয়ে বৰ হুৰুৱালে দে। (হাহে) ভূতেও বোলে মানুহৰ লগত খেলে।

মেঘালী ঃ ছিঃ থু... মোৰ আজি এই মানুহ নামৰ জাতিটোক ঘিণ লাগিছে। ইমান নিষ্ঠুৰ হ'ব পাৰেনে? মানুহেই মানুহক ভূত বুলি, ডাইনী বুলি সন্দেহ কৰে। ছিঃ... (বিৰক্তিৰে)

মিতালী ঃ ঐ ৰিমা এইৰ সাহসটো দেখোন দিনক দিনে বাঢ়িয়ে গ'ল।

ৰিমা ঃ কি হ'ল এতিয়া দেখোন তাই নিজৰ পৰিচয় নিজে দিলে। তাই যদি সঁচাকৈয়ে মানুহ হ'লহেতেন তেতিয়া তাই মানুহক ঘিণ নকৰিলে হৈ। ইয়াতে প্ৰমাণ হ'লে দেখোন তাই

সচাকৈ ডাইনী।

মেঘালী ঃ অ, অ মোক সঁচাকৈয়ে ডাইনী লম্ভিছে কিন্তু তহতৰ দৰে সমাজত অভিনয় কৰিবলৈ নহয়। কি হ'ল অলপ আগতে দেখোন ভৰিখন পাৰিবই পৰা নাছিলি, ইমান সোনকালে ভাল হ'লনে?

ৰিমা ঃ ঐ মিতালী এই দেখোন আমাৰ মূৰৰ ওপৰ পালে। ৰ তোক আজি...

( দুয়োয়ে মেঘাৰ গালৈ শিলগুটি দলিয়াব ধৰে আৰু ভয়তে মেঘা পলায়। )

মিতালী ঃ ঐ ৰিমা গাওঁৰ মানুহৰ লগত আলোচনা কৰি কিবা কৰিবই লাগিব। দিনক দিনে গাওঁখনৰ বিপদ বাঢ়িহে গৈছে।

ৰিমা ঃ অ তই থিকেই কৈছা। কিন্তু এতিয়া কি কৰিবি ঘৰলৈ যাওঁ বল।

মিতালী ঃ অ' আজি আৰু ক'ত খেলিবি ইহঁত কেইজনীও আহিয়েই নাপালে। ব'ল।

(দুয়ো যাবলৈ ওলায়। এনেতে নয়না আৰু জুৰিৰ প্ৰৱেশ)

নয়না ঃ ৰিমা তহঁত যাবলৈ ওলালিয়ে নেকি?

ৰিমা ঃ নহলে কি কৰিবি? ইমান দেৰিৰ পৰা ৰৈ আছো। আমাৰ কি বেলেগ কাম নাই নেকি?

জুৰি ঃ কাম নাই বুলি কোনে ক'লে, কিন্তু আমিহে জানো কিয় আহিব পৰা নাছিলো।

নয়না ঃ ওঁ মাহতে ঘৰৰ পৰা ওলাবই নিদিয়ে কোনোবা বোলে ডাইনী ওলাইছে। মাঁইৰো যে কথা আৰু...।

জুৰি ঃ আজিৰ এই বিজ্ঞানৰ দিনত এইবোৰ কথা বিশ্বাস কৰেনে কোনোবাই।

মিতালী ঃ বিশ্বাস নকৰিবি... এবাৰ লগ পালেহে গম পাবি। যিয়ে তাইক লগ পাই তাৰ কিবা নহয় কিবা বিপদ হবই।

নয়না ঃ ও তঁহতো দেখিছো সেই একে পানীৰে মাছ। বাৰু সেইবোৰ বাদ দে আহ আমি খেলো।

ৰিমা ঃ নাই নাই মই আজি খেলাত নাই।

জুৰি ঃ খেলাত নাই মানে...? না তোকো আজি ডাইনীয়ে দেখা দিলে?

মিতালী ঃ দেখা দিলে মানে পিছে নেৰা হৈছে।

ৰিমা ঃ ৰাতিপুৱাই দেখিছিলো স্কুলত খালো ছাৰৰ মাৰ আৰু এতিয়া খেলিব আৰম্ভ কৰিছো মাত্ৰ আহি পাইছে নহয় ডাইনীজনী আৰু পৰি ভৰিখন মোচোকা খালে। ইমান বিষাইছে ভৰিখন।

নয়না ঃ (ঠাট্টাৰ সুৰত) আয়ৈ মোৰ...! বেছিকৈ আঘাত পালি নেকি?

ৰিমা ঃ লগ পোৱা নাইটো, আনৰ কথা ক'ত বিশ্বাস কৰিবি।

নয়না ঃ তহঁতৰ কথা বতৰা শুনি মোৰ এনে লাগিছে তহঁত মোৰ বান্ধৱী নহয় আইতাহে। বাৰু এতিয়া কচোন তহঁতে সন্দেহ কৰা সেই দুৰ্ভগীয়া ছোৱালীজনী কোন?

মিতালী ঃ কোননো হ'ব আৰু ... মেঘালী।

জুৰি ঃ কি মেঘালীক তহঁতে ডাইনী বুলি সন্দেহ কৰিছ?

নয়না ঃ তহঁত বলিয়া হোৱা নাইতো। তহঁতে কেনেকৈ ভাবিব পাৰিলি সেই সহজ সৰল ছোৱালীজনীক ডাইনী বুলি...?

জুৰি ঃ আৰু তহঁতে কেতিয়াবা ডাইনী দেখা পাইছ? বুজি পোৱা ডাইনী কি?

ৰিমা ঃ দেখা নাই কিন্তু মা-দেউতাহঁতে কোৱা শুনিছো। এই বস্তুটো যিখন গাওঁতে থাকে সেই গাওঁখন হেনো ধ্বংস হয়।

নয়না ঃ তহঁতে মিছাতে এই ছোৱালীজনীক মানসিক ভাৱে আঘাত কৰিছ। ইয়াত ডাইনী বুলি কোনো বস্তু নাই। এয়া মানুহৰ মনৰ অন্ধবিশ্বাস।

ৰিমা ঃ মিতালী ব'ল এতিয়া ঘৰলৈ যাওঁ। ইহঁতৰ লগত কথাৰ চুপুতি মাৰি থাকোতে মোৰ ভৰিখন ছিঙিয়েই থাকিব।

মিতালী ঃ ব'ল ব'ল।

( মিতালী আৰু ৰিমাৰ প্ৰস্থান )

জুৰি ঃ ঐ তহঁত ক'লৈ যা ৰচোন ৰ।

নয়না ঃ ঐ ৰিমা, ঐ মিতালী (চিঞৰে)। কাইলৈ মন্দিৰৰ পথাৰলৈ আহিবি তাতেই খেলিম।

জুৰি ঃ ঐ নয়না তই খেলাৰ কথাহে ভাবিছ, ইফালে মেঘাৰ কি হ'ব?

নয়না ঃ অ' কথাটো ভাবিবলগীয়া কিন্তু এতিয়া কি কৰা যায়।

জুৰি ঃ শুনিছো গাওঁৰ ৰাইজে হেনো মাৰিব পেলাব। সোনকালে কিবা এটা উপায় উলিয়াব লাগিব।

নয়না ঃ ঐ জুৰি বলচোন আমি মেঘাক বিচাৰি যাওঁ।

জুৰি ঃ বল।

*( দুয়োৰে প্ৰস্থান )*

## ২ য় দৃশ্য

*(ৰিমাহঁতৰ ঘৰৰ চোতাল। ৰিমা আৰু মিতালীৰ প্ৰৱেশ। ৰিমাই লেকেচিয়াই লেকেচিয়াই আহে।)*

মিতালী ঃ খুৰী ও খুৰী, খুৰী ...

( ৰিমাৰ মাক পদুমীৰ প্ৰৱেশ )

পদুমী ঃ ও মিতালী আহ আহ। (ৰিমাৰ ফালে চাই) ৰিমা কি হ'ল ভৰিখনত, কেনেকৈ হ'ল, কত গৈছিলানো?

মিতালী ঃ খুৰী বেছি চিন্তা কৰিব নালাগে। ভৰিখনত অলপ মোচোকা খাইছে।

ৰিমা ঃ ইহ... বেছি চিন্তা কৰিব নালাগে... মইহে গম পাইছো কি হৈছে?

মিতালী ঃ তেনেহলে খুৰী ৰিমাক এবাৰ ডাক্তৰৰ ওচৰতে লৈ যাওঁক।

পদুমী ঃ তুমি থিকেই কৈছো। কিন্তু এনেকুৱা হ'ল কেনেকৈ?

মিতালী ঃ আমি দুয়ো খেলি আছিলো, এনেতে আহি পালে নহয় সেই..

পদুমী ঃ (তপৰাই) ডাইনীজনী...

ৰিমা ঃ অ...

পদুমী ঃ তহঁতক মই কিমান ক'ব লাগে, খেলিবলৈ যাব নালাগে, বাহিৰলৈ নাযাবি। নাই মোৰ কথা ক'ত শুনিবি। মই কৈছো নহয় এই ডাইনীজনীয়ে গাওঁখন ধ্বংস কৰিহে এৰিব। ভাগ্য ভাল ভৰিখনহে মোচোকা খালে, কোনোবাদিনা কিবা ডাঙৰ বিপদ হ'ব।

ৰিমা ঃ মা কথা কৈয়ে থাকিবি না মোক ডাক্তৰৰ ওচৰলৈ লৈ যাবি। বিষত ৰব পৰা নাই।

পদুমী ঃ মিতালী ভিতৰলৈ আহচোন। ৰিমাক ডাক্তৰৰ ওচৰলৈ লৈ যাওঁ।

মিতালী ঃ নাই খুৰী, মই ঘৰলৈয়ে যাওঁ। ৰিমা মই আহো, ভালকৈ যাবি।

ৰিমা ঃ বাৰু যোৱা।

(মিতালীৰ প্ৰস্থান)

পদুমী ঃ ৰিমা তই ৰ অলপ সময় মই পইচাৰ বেগটো লৈ আহো।

(পদুমীৰ প্ৰস্থান। হাতত এটা বেগ লৈ আকৌ প্ৰৱেশ। দুয়ো এখোজ দুখোজকৈ গৈ থাকে। হঠাৎ ৰিমা থমকি ৰয়।)

পদুমী ঃ কি হ'ল ৰিমা? এনেকৈ থিয় হৈ থাকিলি যে। খোজ কাঢ়িব নোৱাৰিবি নেকি?

ৰিমা ঃ নাযাও মই।

পদুমী ঃ নাযাওঁ মানে... ! তই কি ক'ব বিচাৰিছা?

ৰিমা ঃ মই নাযাওঁ বুলি কৈছো নহয় নাযাও। ব'ল ভিতৰলৈ।

পদুমী ঃ ৰিমা অকৰামি নকৰিবি চোন, নগ'লে কেনেকৈ ভাল পাবি আৰু বেছি দেৰি নকৰো নহয়। সৰু বাবাও অকলে আছে।

(ৰিমাই পদুলিৰ ফালে আঙুলিয়াই দিয়ে। মেঘালীৰ প্ৰৱেশ।)

পদুমী ঃ হে ভগৱান! এই ডাইনীজনী দেখোন আমাৰ ঘৰলৈকে আহিছে হে হৰি! কোনোবাৰ আজি বিপদ নহলেই ৰক্ষা। দেউতাৰাও আজি ৰাতিপুৱাই ওলাই গৈছে।

মেঘালী ঃ (ভয়ে ভয়ে) খুৰীদেউ ৰিমাৰ ভৰিখন...

পদুমী ঃ চুপ থাক। তই আৰু এটা শব্দও নকবি। ওলাই যা...

মেঘালী ঃ নহয় খুৰীদেউ ৰিমাই খেলি থাকোতে হঠাৎ পৰি ভৰি খনত আঘাত পালে সেয়ে ভাল পালে নে নাই তাৰেহে খবৰ ল'বলৈ আহিছো।

ৰিমা ঃ তই মোৰ খবৰ লবলৈ আহিছা নে আমাৰ ঘৰখন ধ্বংস কৰিবলৈ আহিছা জনা আছে...।

মেঘালী ঃ ৰিমা কি কৈছা এইবোৰ মই ঘৰ ধ্বংস কিয় কৰিম? মোৰ কিনো ক্ষতি কৰিছা মই যে তেনেকুৱা কৰিম।

(পদুমীয়ে মেঘাক ইংগিতেৰে মনে মনে থাকিবলৈ কলে।)

পদুমী ঃ তোৰ কাৰণে এই গাওঁখনৰ শান্তি নোহোৱা হৈছে। গাওঁখনত এটাৰ পিছত এটা বিপদ। মা-দেউতাৰাহতঁকো ৰাইজে এঘৰীয়া কৰিলে একমাত্ৰ তোৰ কাৰণে।

মেঘালী ঃ গম পাওঁ। মোকো ঘৰৰ পৰা বাহিৰ কৰি দিছে। বাইদেউহঁতৰ ঘৰতে আছো।

পদুমী ঃ বাইদেউৰাহঁতৰ ঘৰত থাকি কি লাভ কৰিলি তই? তই যোৱাৰ পিছতে বাইদেউৰা আৰু ভিনদেউৰা গাড়ী এক্সিডেন্টত ঢুকাল। বাছিল মাথো কণমানি শিশুটো। সেই শিশুটোৰ কি অৱস্থা তই ভাবি চাইচনে?

মেঘালী ঃ কিয় মই আপোনালোকৰ দৰে মূৰ্খ বুলি ভাৱিছে নেকি? শিশুটিক মই ডাঙৰ কৰিম।

ৰিমা ঃ মা এই দেখোন আমাক মূৰ্খ বুলি ক'লে কি চাই আছা দুচাট মান লগাই দিব নোৱাৰা।

মেঘালী ঃ (খঙত) ৰিমা...

(ৰিমাৰ মাকে মেঘাক চৰ মাৰে। থেলা মাৰি পেলাই দিয়ে)

পদুমী ঃ ৰিমা যাচোন দা খন লৈ আহ। আজি এইক কাটি দুচেও কৰিম।

( ৰিমাই দা আনিব যাব ওলায়। পৰি যায়। মেঘাই থিয় হৈ হাঁহিবলৈ ধৰে )

পদুমী ঃ চাচোন ভুতুনী তই কেনেকৈ হাঁহিছে...।

মেঘালী ঃ এজনী ছোৱালীক হত্যা কৰিবৰ কাৰণে ইমান স্ফুৰ্তি। পাহৰিয়ে গৈছিল তাইৰ যে এখন ভৰিৰ নট এটা ঢিলা হৈ আছে।

পদুমী ঃ গলিনে তই? ৰ' তোক আজি সঁচাকৈয়ে কাটিম। দাখন ক'ত...

( পদুমী ভিতৰলৈ যায়। মেঘা দৌৰি পলায় )

ৰিমা ঃ মা পলাল পলাল...

( হাতত দা লৈ পদুমীৰ প্ৰৱেশ )

পদুমী ঃ ক'লৈ গলি তই ... আজি তই পলাই সাৰিলি আজিৰ পৰা যদি আৰু কেতিয়াবা এনেকুৱা ঘটনা ঘটে তোক ৰেহাই দিয়া নহব। (ৰিমাৰ হাতত ধৰি) মাজনী বল ভিতৰলৈ। আজি আৰু ডাক্তৰৰ ওচৰত নাযাও। ক'ত বা ঘটে থিক নাই।

( *ৰিমা আৰু মাকৰ প্ৰস্থান*)

## ৩ য় দৃশ্য

*( কোলাত এটি সন্তান সহ মেঘালীৰ প্ৰৱেশ। এখোজ দুখোজকৈ আহি আহি ৰাস্তাৰ কাষৰ গছজোপাৰ তলত বহে। কথাপাতি পাতি জুৰি আৰু নয়নাৰ প্ৰৱেশ। নয়না হঠাৎ থমকি ৰয়।)*

জুৰি ঃ কি হ'ল নয়না হঠাৎ ৰৈ গ'লি যে? তয়ো ছোৱালীজনী বৰ অদ্ভুত দেই, কেতিয়া কি কৰা ধৰিবই নোৱাৰি।

নয়না ঃ (মেঘাৰ ফালে আঙুলিয়াই) সৌৱা চোৱাচোন ...

জুৰি ঃ ও এয়া দেখোন মেঘা। ইয়াত অকলে অকলে কি কৰি আছে। ঐ বলচোন বল তাইৰ ওচৰলৈ।

(জুৰি আৰু নয়না মেঘাৰ ওচৰলৈ আহে। নয়নাই মেঘাৰ গাত ধৰে।)

নয়না ঃ মেঘা... (মেঘাই থিয় দিয়ে)

জুৰি ঃ মেঘা ইয়াত অকলে অকলে কি কৰিছা? এইটো বাইদেউৰাৰ কেঁচুৰাটো দেখোন।

(মেঘাই মনে মনে থাকে)

নয়না ঃ কি হ'ল মেঘা একো কোৱা নাই যে?

মেঘালী ঃ (দুখোজমান পিছুৱাই গৈ) কোন তহঁত? কিয় আহিছা? গুচি যা ইয়াৰ পৰা গুচি যা।

নয়না ঃ জুৰি এই দেখোন আমাক চিনিয়েই পোৱা নাই?

জুৰি ঃ বেচেৰিয়ে মনৰ দুখত কি কয় নিজে গম পোৱা নাই চাগে। মেঘা আমি তোৰ বান্ধৱী জুৰি আৰু নয়না। এইফালে আহচোন।

মেঘালী ঃ তহঁত মোৰ বান্ধৱী? নহয় এই পৃথিৱীত মোৰ বান্ধৱী মা, দেউতা কোনো নাই। আছে মাথো এই কেঁচুৰাটি। এই কেঁচুৰাটিয়ে মোৰ সকলো। এই পৃথিৱীত মানৱ নাই। দানৱেৰে ভৰি আছে, মানুহ থাকিবলৈ ঠাই নাই। তহঁত মোৰ কোনো নহয়, গুচি যা ইয়াৰ পৰা গুচি যা... (কেঁচুৰাটিক সাৱতি ধৰি কান্দিবলৈ ধৰে। জুৰিয়ে সান্ত্বনা দিবলৈ ওলাই)

নয়না ঃ জুৰি কান্দক দে। বেচেৰিয়ে বৰ কষ্ট পাইছে। কান্দিলে চাগে তাইৰ মনটো অলপ পাতল লাগে। কান্দক দে...

জুৰি ঃ মেঘা তই কিয় এনেকুৱা কৰিছা? তই ভাগি পৰিব নোৱাৰা মেঘা, তই, তই প্ৰতিবাদ কৰিব লাগিব। ক মেঘা তই আমাক সহায় কৰিবি না। তোক আমি এই বিপদৰ পৰা উদ্ধাৰ কৰিব বিচাৰো।

মেঘালী ঃ তহঁতে মোক বিপদৰ পৰা ৰক্ষা কৰিব আহিছা না খন্তেকৰ বাবে সান্ত্বনা দিবলৈ আহিছ নাজানো। কিন্তু তহঁতক লগ পাই এনে লাগিছেময়ো যেন এই পৃথিৱীৰ অংশীদাৰ।

নয়না ঃ মেঘা তই মিছাতে ইমান চিন্তা কৰিছ। আমি একেলগেই উমলি জামলি সৰুৰ পৰা ডাঙৰ হ'লো এতিয়া আমাক এৰি থৈ ক'ত বেলেগ পৃথিৱীত যোৱানো। তই আমাৰ লগতেই থাকিব লাগিব।

মেঘালী ঃ কিন্তু নয়না মোৰ যে এই পৃথিৱীত থকাটো অসম্ভৱ হৈ পৰিছে। মানুহৰ এই অৱহেলাত মই কেনেকৈ জীয়াই থাকিম? গতিকে মই ভাৱো, মই মানুহৰ পৰা অলপ আঁতৰত থকাই ভাল।

জুৰি ঃ মেঘা কিয় তেনেকৈ ভাৱিছা, আমি কিবা এটা কৰিম নহয়।

মেঘালী ঃ কথা এটা কওঁ বেয়া নাপাবি। আচলতে মোৰ মানুহ নামৰ জাতিটোলৈ ঘৃণা উপজিছে। ঘিণ কৰিবলৈ বাধ্য হৈছো। গতিকে মই জীৱশ্ৰেষ্ঠ প্ৰাণীটোক কেতিয়াবাই ত্যাগ কৰিলো। প্ৰকৃতিৰ গছ-লতিকা, জান-জুৰি অমাত প্ৰাণীবোৰৰ মাজতে মই বিচাৰি পাওঁ মা-দেউতা, ভাই-ভনী সকলোকে। এই জগততে আছে মোৰ অকলশৰীয়া জীৱনৰ বিশ্বাসী লগৰী। নিৰৱতা।

(জুৰি আৰু নয়নাই হাত চাপৰি বজায়।)

জুৰি ঃ বাঃ বাঃ মেঘা।

নয়না ঃ মেঘা তই কিন্তু মনৰ দুখত ধুনীয়া কবিতা মাতি দিলি।

জুৰি ঃ নয়না মই আজিহে বুজিলো আচলতে কবি বিলাকে মানুহৰ পৰা আঁতৰত থাকি কিয় সপোন ৰাজ্যত ঘূৰি ফুৰে।

(তিনিয়োৰে মুখত হাঁহি)

মেঘালী ঃ নয়না কিয় নাজানো মোৰ বৰ ভয় লাগে।

নয়না ঃ ভয় কৰিবলৈ কি আছে মেঘা আমি আছো নহয়। তোক এই জালৰ পৰা মুকলি কৰিমেই।

মেঘালী ঃ সেই কাৰণেইতো ভয় লাগিছে। মোক সহায় কৰোতে যদি তহঁত কিবা বিপদত পৰ।

জুৰি ঃ বুজিছো দে তই তাৰমানে এতিয়াও আমাক বিশ্বাসত ল'ব পৰা নাই।

মেঘালী ঃ এনেকুৱা কথা আৰু কেতিয়াও নকবি জুৰি। তহঁতৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে। কিন্তু তহঁত সফল হবা না নোহোৱা তাতহে সন্দেহ আছে। গতিকে এই সিদ্ধান্ত মনৰ পৰা আঁতৰাই ভাল।

নয়না ঃ তই যি ভাব ভাবি থাক, আমি কিন্তু এই প্ৰতিবাদ কৰিব লাগিব। এতিয়া বল ঘৰা-ঘৰি যাওঁ দেৰি হৈছে।

জুৰি ঃ ওঁ ব'ল ব'ল।

(*তিনিয়োৰে প্ৰস্থান*)

## ৪ৰ্থ দৃশ্য

(*ৰিমাহঁতৰ চোতালত মানুহৰ জুমা জুমি। মানুহ আহি আছে গৈ আছে। ৰিমাৰ মাক আৰু ৰিমা এটা মূৰত বহি আছে। কাষত মেঘাৰ মাক আৰু নয়না*)

মেঘাৰ মাকঃ পদুমী কেনেকৈ হ'লনো ঘটনাটো আগৰ পৰা কিবা গম পাইছিলি না?

পদুমী ঃ নাই কালি ঠিকেই আছিল ৰাতি ১১ মান বজাৰ পৰা খুব জ্বৰ। ৰাতিটো তেনেকৈয়ে গ'ল। ৰাতিপুৱাই ডাক্তৰক মাতি আনিলে। আৰু ৰাতি দাঁত যোৰো কামুৰি ধৰিছিল।

নয়না ঃ খুৰীদেউ আগতেও কেতিয়াবা এনেকুৱা হৈছিল নেকি?

পদুমী ঃ হৈছিল কিন্তু এঘন্টা থাকিলে ভাল হৈ যায়। কিন্তু এইবাৰ কি হ'ল জানো ল'ৰাটোৰ। যোৱাকালি আবেলি ডাইনীজনী আহিছিল নহয়।

নয়না ঃ সেইকাৰণেই ল'ৰাটোৰ বেমাৰ হ'ল নেকি... (বিৰক্তিৰ

সুৰত) আপোনালোকৰো কথা আৰু।

মেঘালীৰ মাক ঃ অ... গাঁওৰ ৰাইজে তাইক কোনোবাদিনাই মাৰি পেলাব লাগিছিল। তাইক মাৰি নেপেলালে গাঁওখন এদিন শূণ্য হৈ যাব।

নয়না ঃ (আচৰিত হৈ) খুৰীদেউ আপুনি তাইৰ মাকজনী হৈ তেনেকৈ কৈছে?

মেঘালীৰ মাকঃ তুমি ভুল ভাবিছা নয়না। তাই আমাৰ ছোৱালী নহয়। তাইক আমি কোনোবা দিনাই ত্যাগ কৰিছো। আমাৰ যে মেঘালী নামৰ এজনী ছোৱালী আছিল আমি পাহৰি গৈছো।

(এনেতে ঘৰৰ ভিতৰৰ পৰা ডাক্তৰ এজন ওলাই আহে। সকলোৱে মনে মনে থাকে।)

পদুমী ঃ ডাক্তৰ ছাৰ, ডাক্তৰ ছাৰ ল'ৰাটোৰ কি হৈছে? সি ভাল পাবনে? ছাৰ সি মাত দিছেনে?

ডাক্তৰ ঃ খুৰীদেউ, আপুনি ধৈৰ্য্য ধৰকচোন। খুৰীদেউ ল'ৰাজনৰ অসুখটো হঠাৎ হৈছে যদিও এই অসুখটো বহুত পুৰণি। আপোনালোকে হয়তো গম পাইছে।

পদুমী ঃ কি অসুখ ছাৰ আমি দেখোন গমেই নাপাওঁ।

ডাক্তৰ ঃ ল'ৰাজনৰ আগতেও এনেকুৱা হৈছিল নে?

পদুমী ঃ মাজে মাজে জ্বৰ উঠে কিন্তু এঘন্টামান থাকিয়েই ভাল হৈ যায়।

ডাক্তৰ ঃ ডাক্তৰৰ ওচৰলৈ নিনিয়া নেকি?

পদুমী ঃ নিনিও।

ডাক্তৰ ঃ সেইটোৱেইটো আপোনালোকৰ ভুল। বেমাৰ হ'লে বেছি দিনলৈয়ে থাকক বা সোনকালেই ভাল হওঁক ডাক্তৰক দেখাই ল'ব লাগে। আপোনালোকে দেখিলেই নহয় তাৰ পৰিণাম কি হ'ল।

পদুমী ঃ ছাৰ আপুনি কি কব বিচাৰিছে?

ডাক্তৰ ঃ (অলপ সময় ৰয়) ক্ষমা কৰিব খুৰীদেউ। ল'ৰাজনক মই বচাব নোৱাৰিলোঁ।

পদুমী ঃ কি ক'লে কি ক'লে ছাৰ... (কান্দে। হঠাৎ চিঞৰি উঠিল) এই সকলোবোৰ সেই ডাইনীজনীৰ কাৰণেই হৈছে।

(গাওঁৰ গাওঁবুঢ়াই মাত দিয়ে।)

গাওঁবুঢ়া ঃ মই ইমানদিনে ধৈৰ্য্য ধৰিলো কিন্তু আজি আৰু ন'হ'ব আজি কিবা এটা কৰিবই লাগিব। ৰাইজ কি কৰা যায়?

সকলোৱে ঃ তাইক মাৰি পেলাব লাগে...

গাওঁবুঢ়া ঃ সকলো মোৰ লগত আছেনে?

সকলোৱে ঃ অ আছো আছো।

গাওঁবুঢ়া ঃ তেতিয়াহ'লে ইয়াত ৰৈ থাকি লাভ নাই। বলক তাইক বিচাৰি যাওঁ।

(নয়না আৰু ডাক্তৰক বাহিৰে সকলোৱে গাওঁবুঢ়াৰ পিছে পিছে মেঘালীক বিচাৰি যায়। নয়নাই সকলোকে বাধা দিবলৈ চেষ্টা কৰে কিন্তু তাইৰ কথা কোনেও গুৰুত্ব নিদিলে। হঠাৎ এনেকুৱা কাণ্ড ডাক্তৰ আচৰিত হয়।)

নয়না ঃ ছাৰ ছাৰ তাইক বচাওক ছাৰ আপোনাক হাত যোৰ কৰিছো তাই বচাওঁক নহলে সকলোৱে তাইক মাৰি পেলাব...

ডাক্তৰ ঃ ৰ'বাচোন ৰবা, কি হ'ল ভালকৈ কোৱাচোন, হঠাৎ ৰাইজৰ মানুহবোৰ এনেকৈ... আৰু তুমিয়ো...

নয়না ঃ ছাৰ গাওঁৰ ৰাইজে এজনী ছোৱালীক ডাইনী বুলি সন্দেহ কৰে। গাওঁখনৰ কিবা হলেই তাইৰ কাৰণে হোৱা বুলি সন্দেহ কৰে। ল'ৰাটোৰ মৃত্যুও তাইৰ কাৰণেই হোৱা বুলি সন্দেহ কৰি তাইক মাৰিবলৈ গৈছে। ছাৰ তাই ডাইনী নহয় ছাৰ, তাই ডাইনী নহয়...

ডাক্তৰ ঃ কথাটো বৰ বেয়া হৈছে দেখোন। গাঁৱৰ গাঁওবুঢ়া নাই নেকি?

নয়না ঃ গাওঁবুঢ়া...? তাইক মাৰি পেলাবলৈ কোৱা পিশাচটোৱেই গাওঁবুঢ়া।

ডাক্তৰ ঃ What...?

নয়না ঃ ছাৰ আমাৰ হাতত সময় বৰ কম, কিবা এটা কৰি তাইক বচাওক।

(জুৰিৰ প্ৰৱেশ।)

জুৰি ঃ (ফোপাই ফোপাই) নয়না ও নয়না তই ইয়াতে আছা, এইফালে মেঘাক মাৰিবলৈ গোটেই ৰাইজ উঠি পৰি লাগিছে। কি কৰিবি এতিয়া...

ডাক্তৰ ঃ তোমালোকে চিন্তা নকৰিবা মই আছো নহয়। বলাচোন ব'লা...।

*(তিনিয়োৱে প্ৰস্থান।)*

## ৫ম দৃশ্য

*(মেঘালীয়ে কেঁচুৰাটিক সাৱতি ধৰি ৰাস্তাৰে দৌৰি আছে। মাজে মাজে পিছলৈ ঘূৰি চাই, পিছে পিছে টাঙোন টোকোন লৈ গাঁৱৰ ৰাইজ। মেঘা আৰু ৰাইজৰ মাজত দুৰত্ব নিচেই কম। এনেতে সন্মুখৰ পৰা নয়না, জুৰি আৰু ডাক্তৰ আহি মেঘা আৰু ৰাইজৰ মাজত থিয় দিয়ে।)*

গাওঁবুঢ়া ঃ তাইৰ আগৰ পৰা আঁতৰ হ তহঁত। আমাক বাধা দিবলৈ তহঁত কোন? এই কণ কণ ছোৱালীবোৰ ৰাইজৰ বিৰুদ্ধে মাত মাতিবলৈ আহিছ। আঁতৰ হ...

সকলোৱে ঃ আঁতৰ হ, আঁতৰ হ...

নয়না ঃ চাওঁক বৰদেউতা আমি সৰু হ'ব পাৰো কিন্তু আপোনালোকৰ দৰে মুখা পিন্ধা ভদ্ৰলোক নহয়।

জুৰি ঃ সৰু মনৰ ডাঙৰ মানুহ হোৱাতকৈ ডাঙৰ মনৰ সৰু মানুহ হোৱাটো বেছি ভাল।

ডাক্তৰ ঃ খুৰা আপুনি গাওঁবুঢ়া, কিন্তু গাওঁবুঢ়া হৈ জানো নিজৰ দায়িত্ব পালন কৰিছে?

গাওঁবুঢ়া ঃ অ' মই মোৰ দায়িত্বই পালন কৰি আছো। এজনী

ছোৱালীৰ কাৰণে গাওঁখন ধ্বংস হৈ যাব দিব নোৱাৰো মই।

ডাক্তৰ ঃ আপুনি কেনেকৈ ভাবিলে এই ছোৱালীজনীৰ কাৰণে গাওঁখন ধ্বংস হোৱা বুলি।

গাওঁবুঢ়া ঃ ভাবিলো মানে? ভাৱিবলৈ বাধ্য হৈছো। তুমিয়েই দেখোন নিজ চকুৰেই দেখিলা কেনেকৈ ল'ৰাজনৰ মৃত্যু হ'ল।

ডাক্তৰ ঃ ল'ৰাজনৰ মৃত্যু ছোৱালীজনীৰ কাৰণে হোৱা নাই নহয়। মাক-দেউতাকৰ ভুলৰ কাৰণে আজি এই পৰিস্থিতি হ'ল।

গাওঁবুঢ়া ঃ তহঁতক আকৌ কৈছো, ভালে ভালে তাইৰ আগৰ পৰা আঁতৰ হ ন'হলে...

( মেঘাৰ কাষত এখন দা আছিল। তাই দাখন হাতত লৈ আগুৱাই আহে। )

মেঘা ঃ আহ তহঁতে মোক হত্যা কৰিবি? আহ আগুৱাই আহ কাৰ সাহস আছে, মোৰ মঙহ মই নিজে কাটি বৰভোজ পাতিম। তহঁত দানৱবোৰে খোৱাহি আহ। কাৰ সাহস আছে নিজৰ মঙহেৰে ভোজ পাতিবলৈ। আগুৱাই নাহ কিয়?

( মেঘাৰ কালমুৰ্তি দেখি এজন এজনকৈ মানুহ নোহোৱা হ'ল। ৰ'ল মাত্ৰ গাওঁবুঢ়া )

মেঘা ঃ ইমান দিনে মই মনে মনে আছিলো, মানুহে কৰা অত্যাচাৰ সহ্য কৰি আছিলো কিন্তু আজি মোৰ মনলৈ সাহস আহিছে। আজি হয় মৰিম নহয় মাৰিম।

গাওঁবুঢ়া ঃ ঐ ছোৱালী আমাৰ লগত গোটেই ৰাইজ আছে, তহঁত চাৰিজনীয়ে আমাৰ লগত ৰণ কৰিবি নেকি?

(গোটেই ছোৱালীয়ে হাঁহে আৰু গাওঁবুঢ়াই চাৰিওপিনে ঘূৰি থাকে। )

নয়না ঃ ৰাইজ, ৰাইজ আছে... আপুনি এপাক ঘূৰি চাওঁকচোন...

জুৰি ঃ আপোনাৰ লগত ৰাইজ আছে নে কোন আছে...

(গাওঁবুঢ়াই ইফালে সিফালে ঘূৰি চায়। মুখত ভয় দেখিবলৈ পোৱা যায়। )

গাওঁবুঢ়া ঃ তহঁতে দেখোন কালীমূৰ্তি ধৰিলি, মোক যাবলৈ দে, যাবলৈ দে, তহঁতে মোক ক্ষমা কৰি দে...

( গাওঁবুঢ়াই সুযোগ লৈ তৎক্ষণাৎ পলায়। গোটেই কেইজনীৰে মুখত হাঁহি )

নয়না ঃ মেঘা তই কিন্তু সঁচাকৈ কালমূৰ্তি ধৰিলি দেই আমাৰ ভয় লাগি গৈছিল।

ডাক্তৰ ঃ তোমালোকৰ সাহস দেখি সঁচাকৈ মই বৰ আনন্দিত হৈছো। আজিকালি অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব পৰা ছোৱালী পাবলৈ টান। সকলো মহিলাৰ বাবে তোমালোক এক প্ৰেৰণাৰ উৎস। বাৰু তোমালোকে কি পঢ়ি আছা পিছে?

জুৰি ঃ দশম শ্ৰেণীত বাইদেউ। এয়া নয়না বৰুৱা, মই জুৰি শৰ্মা আৰু এয়া মেঘালী দত্ত।

ডাক্তৰ ঃ আৰু এই কেঁচুৱাটো?

নয়না ঃ গাওঁৰে ৰাইজে মেঘালীক ডাইনী বুলি সন্দেহ কৰি তেওঁলোকৰ ঘৰখনক এঘৰীয়া কৰে আৰু তেতিয়া মাক-দেউতাকে মেঘাক ঘৰৰ পৰা উলিয়াই দিয়ে আৰু তেতিয়া মেঘাই বাইদেউকৰ ঘৰত আশ্ৰয় লৈছিল কিন্তু দুৰ্ভাগ্যৱশত কেইদিনমানৰ পিছত বাইদেউক-ভিনদেউকৰ গাড়ী দুৰ্ঘটনা এটাত মৃত্যু হ'ল বাছিল মাথো এই কেঁচুৱাটি।

ডাক্তৰ ঃ বৰ দুখ লগা ঘটনা। কিন্তু এতিয়া এই কেঁচুৱাটিৰ কথা কি ভাৱিছা?

মেঘালী ঃ কিয় মই আছো নহয়, মই ডাঙৰ কৰিম।

জুৰি ঃ মেঘা তই কিন্তু আমাৰ লগত স্কুল যাব লাগিব।

ডাক্তৰ ঃ কিয় তুমি স্কুলত নোযোৱা নেকি?

জুৰি ঃ গৈছিল কিন্তু কেইদিনমান হ'ল যোৱা নাই।

মেঘালী ঃ মই স্কুলত নাযাওঁ। মই স্কুলত গ'লে এই সন্তানটিৰ কি হ'ব।

ডাক্তৰ ঃ কিয় তোমাৰ মা আছে নহয়।

(মেঘাৰ মাকে কান্দি কান্দি আহে)

মেঘাৰ মাক ঃ মেঘা ও মেঘা তই ঘৰলৈ ব'ল তোক মই নিবলৈ আহিছো। মেঘা ব'ল ঘৰলৈ ব'ল...

মেঘালী ঃ (আঁতৰি গৈ) নাযাওঁ মই ঘৰলৈ তোমালোকে মোক ঘৰৰ পৰা উলিয়াই দিছিলা। ইমান দিনে পাহৰিয়েই গৈছিল। এজনী যে ছোৱালী আছে।

মেঘাৰ মাক ঃ মেঘা তই আমাক মাফ কৰি দে এই কেঁচুৱাটিৰ কথা ভাৱি তই ঘৰলৈ ব'ল। ডাক্তৰ ছাৰ মেঘাক ঘৰলৈ উভতাই আনক...

ডাক্তৰ ঃ ৰবচোন, খুৰীদেউ আপুনি অধৈৰ্য্য নহ'ব। মেঘা তুমি ঘৰলৈ যোৱা অন্ততঃ এই কেঁচুৱাটিৰ কথা ভাৱি। তোমাৰ জীৱনৰ ভৱিষ্যতৰ কথা ভাৱি। ভৱিষ্যতৰ সোণালী বাটে তোমাক ৰিঙিয়াই মাতিছে। তুমি তালৈ যোৱা, তুমি পঢ়া শুনা কৰা। তুমি ৰাইজক দেখুৱাই দিয়া যিখন ৰাইজে তোমাক ডাইনী বুলি সন্দেহ কৰিছে সেই ৰাইজে তোমাক লৈ এদিন গৌৰৱ অনুভৱ কৰিব।

মেঘালী ঃ ছাৰ...

ডাক্তৰ ঃ অ' মেঘা পঢ়া-শুনা কৰি ৰাইজক দেখাই দিয়া।

মেঘালী ঃ (অলপ সময় মনে মনে থাকি) অ' বাইদেউ মই পঢ়িম। মই পঢ়া-শুনা কৰি ডাঙৰ মানুহ হম, ৰাইজক দেখুৱাই দিম। এদিন এই ৰাইজে মোক আদৰি ল'বই লাগিব। মই তেওঁলোকক বাধ্য কৰাম।

( সকলোৰে মুখত আনন্দৰ ভাৱ। মেঘাৰ কোচৰ পৰা কেঁচুৱাটি মেঘাৰ মাকে লৈ সাৱতি ধৰি কান্দে। মেঘাৰ চকুত চকুপানী।)

( আঁৰ কাপোৰ পৰে। )

## কথোপকথন শিতান

# হৰেকৃষ্ণ ডেকাৰ সৈতে এখন্তেক...



***হৰেকৃষ্ণ ডেকা*** *(১৯৪৩) এগৰাকী কবি, চুটি গল্প লিখক, আৰু কবিতাৰ সমালোচক। ছাত্ৰাৱস্থাৰ পৰাই কবিতা আৰু গল্প লিখাত মনোনিৱেশ কৰা ডেকা ছাৰে 'ৰামধেনু যুগ'তে নিজৰ সাহিত্যিক প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। ভাৰতীয় পুলিচ সেৱাৰ বিষয়া হৰেকৃষ্ণ ডেকাই অসম আৰক্ষী মহাপ্ৰধান (DGP) হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। বৰ্তমান সময়তো তেওঁ সাহিত্য জগতৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।*
*দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ তৰফৰ পৰা আমি গৈছিলোঁ ছাৰৰ সৈতে কিছু মত বিনিময় কৰিবলৈ। আহক পঢ়ো ছাৰৰ জীৱনৰ বিভিন্ন কথাবোৰ।*

**প্ৰশ্ন ঃআপুনি কবিতা লিখিবলৈ কেতিয়া আৰম্ভ কৰিছিল? তাৰ বিষয়ে অলপ জনাব ছাৰ।**

**উত্তৰ ঃ** মই কবিতা লিখিবলৈ আৰম্ভ কৰিলোঁ ৬০ৰ দশকৰ পৰা। কাৰণ ১৯৫৯ চনত মই মেট্ৰিক পাছ কৰিলোঁ। তাৰপিছত কটন কলেজলৈ আহিলোঁ। তাৰ আগতে কবিতা বুলি ক'লে বহুত আগৰে পৰাই লিখিছিলোঁ, মানে পদ্য আৰু ছাত্ৰ অৱস্থাত থাকোতে কিন্তু আধুনিক কবিতা লিখিবলৈ আৰম্ভ কৰিছোঁ মেট্ৰিক পাছ কৰি উঠি। মই তেতিয়া কবিতা এটা লিখিছিলো উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত থাকোতে। (তেতিয়া আমাৰ আই. এ বুলি কৈছিল 1st year, 2nd year) সেই সময়ত কেইটামান কবিতা লিখাৰ পিছত এটা কবিতা মোৰ আধুনিক কবিতা হিচাপত লিখা যেন ভাব হ'ল আৰু ৰামধেনুত দিব পৰা যায় বুলি ভাবিলোঁ। কিন্তু নিজে দিবলৈ সাহস নহ'ল। তেতিয়া তিনিচুকীয়াত মোৰ ছাৰ এজন আছিল, তেৰো কবিতা লিখে; চুজাউদ্দিন আহমেদ তেওঁৰ নাম। তেওঁৰ কবিতা তেতিয়া ৰামধেনুত প্ৰকাশ পাইছিল। তেতিয়া মই ছাৰক দেখালো যে ছাৰ "এই কবিতাটো ৰামধেনুত দিব পৰা যায় নেকি?" তেওঁ ক'লে — "অ, ভাল হৈছে দি দিয়া।" তেতিয়া মই কলোঁ "মই নিদিওঁ আপুনিয়ে দিয়ক আপোনাৰ বন্ধু হয় বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য, আপুনিয়েই চিঠি এখন লিখি দিয়ক।"

তাৰপিছত মই বিদ বুলি ভবা নাছিলো যদিও তেওঁ দিছিল আৰু তাৰ পিছত প্ৰকাশিত হৈ ওলাইছিলোঁ কবিতাটো। কবিতাটোৰ নাম আছিলে 'সাগৰত সূৰ্যাস্ত'।

**প্ৰশ্ন ঃ ছাৰ কিমান চনৰ ঘটনা আছিল এইটো?**

**উত্তৰ ঃ** ৬০ চনতে ওলাইছিল ৰামধেনুত। সেয়া ৬০ চনৰ কথা।

**প্ৰশ্ন ঃ ছাৰ সেই সময়ত তদানীন্তত সমসাময়িক কবিসকলৰ স'তে আপোনাৰ কাব্য সৃষ্টিৰ সমলসমূহত কেনেধৰণৰ পটভূমি আছিল?**

**উত্তৰ ঃ** আমাৰ সময়ত বুলি ক'লে আমি আধুনিক জীৱনৰ কবিতা লিখা বুলি ক'ব লাগিব। তাৰোপৰি মোৰ নগৰত জন্ম, মই ডাঙৰ দীঘল হৈছো নগৰত, গতিকে নগৰৰ চেতনাটো মোৰ খুব বেছি আছিল। কিন্তু আন আন প্ৰায়ভাগ কবি সেইসময়ত গাঁৱৰ পৰা অহা আছিল অথবা তেওঁলোকৰ জন্ম গাঁৱত হৈছিল। সেইবাবে তেওঁলোকৰ কবিতাত গাঁৱৰ আৰু চহৰৰ মাজৰ যিটো দোদুল্যমান অৱস্থা আছিল তাৰ প্ৰভাৱ বেছিকৈ পৰিছিল। কিন্তু মই মূলতঃ নগৰীয়া কবি আছিলোঁ। সেইবাবে মোৰ কবিতাত নগৰীয়া meta phoreৰ প্ৰভাৱ আছিল। উদাহৰণস্বৰূপে মোৰ এটা কবিতাত লিখিছিলোঁ 'এটা চিনাকি ষ্টেচন, বাৰ বছৰ পিছত' সেইটোতো আৰু গাঁৱৰ হ'ব নোৱাৰে।

কবিতাটো মই যিটো ষ্টেচনৰ ওপৰত লিখিছিলোঁ ষ্টেচনটো মই বাৰ বছৰ পিছত দেখিছিলোঁ। গতিকে এটা যুগৰ পিছত মই ষ্টেচনটোত যিবোৰ পাৰ্থক্য দেখিছিলোঁ কবিতাটোত মই সেইখিনি কথা ৰূপ দিবলৈ চেষ্টা কৰিছোঁ। কিন্তু পিছলৈ মই গাওঁবোৰ ঘূৰিছো, বিভিন্ন ঠাই ঘূৰিছো পিছলৈ মোৰ কবিতাত গাঁৱৰ পটভূমি সোমাই পৰিছিল।

**প্ৰশ্ন ঃ ছাৰ "অসমীয়া আধুনিক কবিতাত আপোনাৰ কাব্যশৈলীৰ এটি বিশেষ কাব্যধাৰা থকা বুলি আমি অনুভৱ কৰোঁ।" — এই সম্পৰ্কত আপোনাৰ মতামত কি?**

**উত্তৰ ঃ** ক'বলৈ গ'লে কবিয়ে নিজমুখে এই কথাটো কোৱা টান। কিন্তু মই বেলেগ বেলেগ সময়ত বেলেগ বেলেগ কাব্যশৈলীৰ

ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিছোঁ। গতিকে মই কেতিয়াও ক'ব নোখোজো যে মই এটা বিশেষ ধৰণৰ শৈলীৰ সৃষ্টি কৰিছোঁ। মই বেলেগ বেলেগ সময়ত বেলেগ বেলেগ পৰীক্ষা নিৰীক্ষা কৰিছোঁ বুলিহে ক'ম।

**প্ৰশ্ন ঃছাৰ, আপুনি এগৰাকী প্ৰশাসনীয় দিশৰ দক্ষ আৰক্ষী বিষয়া। কিন্তু আপোনাৰ সাহিত্য জগতখনতো বিশেষ স্থান আৰু দখল আছে। এই দুয়োটা দিশৰ কোনটোৱে আপোনাৰ জীৱনত বিশেষভাৱে প্ৰভাৱান্বিত কৰে বুলি আপুনি ভাৱে?**

**উত্তৰ ঃ** মই প্ৰশাসনীয় বিষয়া হোৱাৰ আগতেই সাহিত্য চৰ্চা কৰিছিলোঁ। আৰু আৰক্ষী বিষয়া হিচাপে মোৰ যিটো বৃত্তি আছিল তেতিয়াও মই আন্তৰিকতাৰে আৰু দায়বদ্ধতাৰে নিজৰ কৰ্তব্য পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু বৃত্তিটোৰ বাবে মই নিজৰ ভিতৰত থকা সাহিত্য চৰ্চাক বাদ দিয়া নাছিলো। মই প্ৰায়েই সময় উলিয়াই লৈছিলোঁ গতিকে মই মোৰ বৃত্তিটোৰ সৈতে মোৰ সাহিত্যিক জীৱনক তুলনা নকৰো কিয়নো বৃত্তিটোৱে মোক বহুত সমল দিছে। মোৰ অভিজ্ঞতা বঢ়োৱাত সহায় কৰিছে। গতিকে মই যেতিয়া সেই বৃত্তিটোত আছিলোঁ সিও মোৰ বাবে বহুত গুৰুত্বপূৰ্ণ আছিল আৰু তাৰ লগে লগে সাহিত্যও মোৰ বাবে বহুত গুৰুত্বপূৰ্ণ আছিল।

**প্ৰশ্ন ঃআপোনাৰ কবিতাত ফ্ৰয়েদীয় মনঃস্তত্বৰ বিশেষ প্ৰয়োগ দেখা যায়। যিটো প্ৰভাৱ আপোনাৰ কবিতাত সূক্ষ্মানুভূতিৰে আৰু সাৱধানতাৰে প্ৰয়োগ হোৱা বুলি ক'ব পাৰি। ছাৰ, এই সম্পৰ্কত আপুনি অকণমান বুজাই ক'ব নেকি?**

**উত্তৰ ঃ** ক'বলৈ গ'লে ফ্ৰয়েদীয় মনঃ স্তত্বৰ প্ৰভাৱ কবিতাত আনো বুলি আনা নাযায়। সকলো কবিৰে একোটা সচেতন দিশ আছে আৰু এটা অচেতন দিশ (unconsious) দিশ থাকে। আৰু বহুত বস্তু আমাৰ সেই অচেতন মনৰ পৰা আহে। আৰু ফ্ৰয়েডে যিবোৰ কথা কৈছিল, যিটো অচেতন মনৰ ওপৰত গুৰুত্ব দিছিল, সেইবাবে মই মোৰ কবিতাত আনিবলৈ চেষ্টা কৰিছোঁ। মোৰ ভাবত আমাৰ দেখা জগতখনতকৈ আৰু নেদেখা জগতখন বহুত বেছি গভীৰ (deep), আৰু তাৰ সেই গভীৰ কথাবোৰ প্ৰকাশৰ চেষ্টা মই কৰিছোঁ। মই তোমালোকক এই বিষয়ে বহলাই ক'ব নোৱাৰিম, কিন্তু এইখিনিতে ক'ব পাৰিম যে আমাৰ মনৰ ভিতৰৰ জগতখনৰ পৰা সমল লৈ তাক কবিতাত ব্যৱহাৰ কৰিলে কবিতাই বিশেষ ধৰণে সমৃদ্ধ হৈ ৰূপ পাই বুলি মই ধাৰণা কৰোঁ।

**প্ৰশ্ন ঃছাৰ, বিশ্ব সাহিত্যৰ তুলনাত অসমীয়া সাহিত্যত ফ্ৰয়েদীয় মনঃস্তত্বৰ ব্যৱহাৰৰ দিশটোক আপুনি কি ধৰণে চাই?**

**উত্তৰ ঃ** চোৱা, বিশ্ব সাহিত্যই হওঁক অথবা অসমীয়া সাহিত্য, আধুনকতাৰ সাহিত্যৰ ওপৰত, আধুনিকতাৰ ওপৰত ফ্ৰয়েদীয় মনঃস্তত্বৰ বিশেষ ডাঙৰ প্ৰভাৱ আছে। কিয়নো আধুনিক গল্প বা কবিতাত লিখকসকলে বাহিৰৰ জগতখনৰ লগতে নিজৰ মনৰ গভীৰ চেতনাৰ জগতখনলৈও গুচি যায়। গতিকে চেতনা জগতৰ পৰা মানুহৰ আভ্যন্তৰীণ ভাববোৰ ওলাই পৰিবই।

এতিয়া বিশেষভাৱে গল্পত চেতনাশ্ৰূত ধাৰা এটা ব্যৱহৃত হ'ব ধৰিছে। আমাৰ মনত নানা ভাৱৰ সোঁত অহৰহ বৈ থাকে। কথা কওঁতে আমি নিজকে সংগম কৰি কওঁ। যেতিয়া আমি চেতন মনৰ ওপৰত control এৰি দিম তেতিয়া সি যিধৰনে ওলাই পৰিব তাক stream of consiousness বুলি কয় বা চেতনাশ্ৰুত। এইটো আধুনিক সাহিত্যত খুব ব্যৱহাৰ হৈছে। ঠিক তেনেদৰে কবিতাত একক উক্তি, ধৰণৰ বিভিন্ন কায়দা-কৌশল আছে। গতিকে বিশ্ব সাহিত্যৰ প্ৰভাৱ অসমীয়া সাহিত্যত ভালেখিনি পৰিছে।

**প্ৰশ্ন ঃ ছাৰ আমাৰ দৰে কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত সাহিত্য সৃষ্টি কেনেকৈ সম্ভৱ হয়। ভাল চিন্তা হ'লেও তাক কেনেকৈ পঠনৰ যোগ্য হিচাপে লিখিত ৰূপ দিব পৰা যায়? এই বিষয়ৰ ওপৰত অকনমান পৰামৰ্শ দিব বিচাৰিব নেকি?**

**উত্তৰ ঃ** সাহিত্য সৃষ্টিৰ বাবে তোমালোকে ভাষাটো পোন প্ৰথমে ভালদৰে জানিব লাগিব। যিহেতু সাহিত্য ৰচনা কৰা হয় ভাষাৰ মাধ্যমেৰে, গতিকে ভাষাটোৰ ওপৰত ভাল দখল নাথাকিলে ভাল সাহিত্য কেনেকৈ সৃষ্টি হ'ব। গতিকে ভাষা জ্ঞান ভাল লাগিব। শব্দ এটা ভাল ভাণ্ডাৰ লাগিব। আকৌ, প্ৰত্যেক লেখকৰে এটা সুকীয়া ধৰণ আছে। গতিকে সেই বিশেষ সুকীয়া শৈলী বা style এটা কেনেকৈ গঢ়িব পাৰি তাৰ বাবে অনুশীলন কৰিব লাগিব। তোমালোকে আন লিখকৰ প্ৰভাৱ পৰি লিখিলেও নিজস্বভাৱে এটা style সৃষ্টি কৰিবলৈ চেষ্টা কৰা উচিত। যিদৰে আমি কিছুমান লিখকক বিদ্ৰোহী কবিৰূপে চিনি পাওঁ, কিছুমানক খুব ৰোমাণ্টিক কবি হিচাপে — এইবিলাকক ইংৰাজীত একোটা attitude বুলি কোৱা হয়। বা অসমীয়া ক'ব গ'লে মেজাজ। ইয়াৰ ওপৰিও যথেষ্ট পৰিমাণে অনুশীলন আৰু অভিজ্ঞতাও লাগিব। যিমানেই অভিজ্ঞতা বাঢ়িব, সমলৰ পৰিমাণো বেছি হ'ব। তদুপৰি অধ্যয়নৰো বহুত দৰকাৰ ইয়াৰ জৰিয়তে বৰ্তমান অৱস্থাত সাহিত্য কোনদিশে বেছি সক্ষম বা আনকথাত 'Trendy' সেই কথাৰ উমান পোৱা যায়। ইয়াক বাদে ভাষা ব্যৱহাৰৰ বিভিন্ন কাৰিকৰী দিশ বা লিখা এটা 'টেকনিক' সন্দৰ্ভতো জ্ঞান ল'ব লাগিব।

**প্ৰশ্ন ঃৰাজনীতিৰ সৈতে মানুহৰ সম্পৰ্কক আপুনি কি ধৰণে চায়? ৰাজনীতি এটা এৰাই চলিব পৰা বিষয় বুলি আপুনি ভাবেনে?**

**উত্তৰ ঃ** Man is a Political Animal বুলি তাহানিতে কৈ থৈছিল। আমি যিয়েই নকৰো ৰাজনীতিৰ ভিতৰত থাকিয়েই কৰো। আমাৰ দৈনন্দিন জীৱনৰ সৈতে খাপ খুৱাকৈ সমাজৰ যিটো আন্তঃগাৰ্থনিৰ ভিতৰত আছো সেয়াটো ৰাজনীতিৰ ভিতৰতেই পৰে। আমি সমাজত থাকিবলৈ হ'লে ৰাজনীতি লাগিবই, ন'হলে ক'ত থাকিম। সমাজত ঘটি থকা প্ৰত্যেকটো ঘটনাকে প্ৰত্যেকজনে একোটা নিজস্ব দৰ্শন, আদৰ্শ বা বিশ্বাসেৰে চাইছে। ইয়াৰ মাজত মিলাপ্ৰীতি বাঢ়িছে অথবা সংঘৰ্ষ হৈছে। গতিকে ৰাজনীতিৰ পৰা কোনো আঁতৰি থাকিব

নোৱাৰে। কিন্তু, সক্ৰিয় ৰাজনীতি বা দলীয় ৰাজনীতিৰ পৰা তুমি আঁতৰি থাকিব পাৰা। গতিকে সাহিত্যিক হ'বলৈ দলীয় ৰাজনীতি নকৰাকৈ থাকিব পাৰি কিন্তু ৰাজনৈতিকভাৱে সচেতন নোহোৱাকৈ থাকিব নোৱাৰি।

**প্ৰশ্ন ঃনতুন প্ৰজন্মৰ কবিসকলৰ ভৱিষ্যৎ সম্পৰ্কে আপুনি কিমান আশাবাদী?**

**উত্তৰ ঃ** পুৰণি কবিতাত যিদৰে ভাল-বেয়া আছিল নতুন কবিতাটো একেদৰে ভাল বেয়া আছে। কেইজনমান ভাল কবি ওলাইছে মই দেখিছো। তেওঁলোকে চৰ্চা কৰি আছে; যিসকলে ভাষাটো ভালদৰে আয়ত্ব কৰিছে তেওঁলোকে ভাল কবিতা লিখিব পাৰিছে। গতিকে ইয়াক লৈ মই আশাবাদী কিয়নো আমাৰ ভাষাটোক আমি সমৃদ্ধ কৰিব লাগিব।

**প্ৰশ্ন ঃআপুনি উত্তৰ ৰামধেনু যুগৰ এগৰাকী ভাবোদ্দীপক আৰু দায়বদ্ধ লেখক সকলৰ ভিতৰত অন্যতম। গল্পকাৰ হিচাপেও আপোনাৰ বিশেষ স্থান আছে।**

**উত্তৰ ঃ** মই গল্প বহুত লিখিছোঁ। তাৰ মাজত 'বন্দীয়াৰ গল্প'টো শ্ৰেষ্ঠ বুলি বহুতে ক'ব খোজে। কিন্তু মই নিজকে শ্ৰেষ্ঠ বুলি একোকেই ধাৰণা নকৰোঁ। ধাৰণা কৰিলে মই লিখিব নোৱাৰা হৈ যাম। যদি মই ভাবি লওঁ মই মোৰ শ্ৰেষ্ঠ গল্পটো লিখিলোঁ, তাৰপিছত আকৌ নোলাবই নহয়। গতিকে, মই গল্প বা কবিতাৰ ক্ষেত্ৰত নিজেই শ্ৰেষ্ঠ নিৰ্বাচন নকৰোঁ। মই সদায় নতুনকৈ আগৰটোতকৈ পৃথক গল্প এটা লিখাৰহে চেষ্টা কৰোঁ। সেইবাবে গল্প, কবিতা দুয়োটা ক্ষেত্ৰতে পাৰ্যমানে পৰীক্ষা-নিৰীক্ষা কৰো।

**প্ৰশ্ন ঃঅসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰখনলৈ আপুনি কি ভাবে?**

**উত্তৰ ঃ** অসমীয়া গল্প সাহিত্যত বহুতো উচ্চমানৰ গল্প আছে। তাৰ কিছুমানটো বিশ্ব সাহিত্যৰ লগতো তুলনীয়। কিন্তু দুৰ্ভাগ্যক্ৰমে অসমীয়া সাহিত্যৰ অনুবাদ খুব কম আৰু অনুবাদবোৰো উচ্চস্তৰৰ নহয়গৈ।

এতিয়া 'গোলাম' নামৰ গল্পটোৱে মোৰ দৃষ্টিত বিশ্ব সাহিত্যৰ যিকোনো ঠাইৰ সাহিত্যতে সন্মানীয় স্থান পাব। এইটো ভবাটো ভুল হ'ব যে অসমীয়া গল্প সাহিত্যত সৌৰভ চলিহাই (?) শেষ। তেওঁ বহুত ভাল গল্প লিখিছে আৰু তাৰ পিছত অসমীয়া গল্প বুলিবলৈ একো নাই। এইটো ভাবিলে সাহিত্যৰ ক্ষতি হয় বুলি ভাবো। আমি যদি ভাবি লওঁ তেওঁৰ পিছত আৰু কোনো নাই তেতিয়া আমি আন আন সাহিত্যিকক খুব অন্যায় কৰা হ'ব বুলি মোৰ অনুভৱ হয়। কিয়নো এনে কৰিলে তেওঁৰ পিছৰ আটাইবোৰ সাহিত্যৰ ভূমিকাক বা অৱদানক অগ্ৰাহ্য কৰা যেন হয়। আৰু এনে হোৱাটো ঠিক কথা নহয়। এতিয়া সময়ৰ লগে লগে নতুন নতুন অভিজ্ঞতাৰে পৰিপূৰ্ণ নতুন নতুন লেখা আহিব। এতিয়া প্ৰযুক্তিৰ বহুতো বিষয় বা সমলো সাহিত্যৰ মাজত সোমাই পৰিছে। গতিকে আমি নতুন গল্প সাহিত্যকলৈ, নতুন গল্পকাৰক লৈ আশাবাদী হোৱা উচিত।

**প্ৰশ্ন ঃছাৰ আপুনি ঈশ্বৰ বিশ্বাস কৰেনে?**

**উত্তৰ ঃ** মই কোনো এটা বিশেষ ধৰ্মত বিশ্বাস নকৰোঁ। মই কোনো ধৰ্মৰে অনুগামী নহয়। এতিয়া মোৰ ঘৰত হিন্দু ধৰ্ম পালন কৰা হয়, গতিকে সাজিক ভাৱে মই সকলো ধৰ্মকেই সমান দৃষ্টিৰে চাওঁ কিন্তু ব্যক্তিগতভাৱে মই জানো এটা নিৰ্দিষ্ট ধৰ্মত বিশ্বাস নকৰোঁ। পুৰণি মঠ মন্দিৰ দেৱালয় দেখিলে মই ভক্তিৰে মূৰ দোওৱা অভ্যাস নাই কিন্তু তাৰ স্থাপত্য-ভাস্কৰ্য্যৰ প্ৰতি মোৰ আগ্ৰহ আছে। ধৰ্মৰ মাজেৰে প্ৰতিফলন ঘটা সংস্কৃতিৰ প্ৰতি মোৰ আগ্ৰহ আছে। কিন্তু আনকো মই ধৰ্ম পালন কৰাত বাধা আৰোপ নকৰোঁ। ঈশ্বৰ বুলিলে মই এটা মূৰ্তি বা কোনো এটা নিৰ্দিষ্ট বস্তুত বিশ্বাস নাৰাখো কিন্তু প্ৰকৃতিৰ মাজত আমাৰ পৰা অদৃশ্য এটা ৰহস্য মূলক শক্তি আছে বুলি মোৰ বিশ্বাস আছে। কিন্তু সেয়া ভগৱান বুলি মই ক'ব নোখোজো।

**প্ৰশ্ন ঃআত্মসন্তুষ্টিয়ে সৃষ্টিত ক্ষতি কৰে বুলি আপুনি ভাবেনে?**

**উত্তৰ ঃ** নিশ্চয় কৰে। ইয়ে সৃষ্টিৰ প্ৰক্ৰিয়াটো ৰুদ্ধ কৰি পেলায়।

**প্ৰশ্ন ঃকবিতা এটা নিৰ্মাণ নে সৃষ্টি প্ৰক্ৰিয়া? কবিতা এটা নিৰ্মাণ কেনেদৰে সম্ভৱ হৈ উঠে?**

**উত্তৰ ঃ** কবিতা এটা সম্পূৰ্ণ হোৱাত এই দুয়োটা কথাই প্ৰয়োজনীয়। তোমাৰ অভিজ্ঞতা হ'ল, অভিজ্ঞতাৰ লগে লগে অনুভূতি হ'ল, তাৰপিছত তাৰ লগত তোমাৰ কল্পনাৰ মিলন হ'ল। যেতিয়া এই সৃজনী প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'ল তেতিয়া তোমাৰ চেতন মনলৈ আহিল। অৰ্থাৎ এই সৃজনী প্ৰক্ৰিয়াটো অৱচেতন মনতেই সংঘটিত হৈ চেতন মনলৈ আহিল। তাৰপিছত সেই বাস্তৱ অভিজ্ঞতাটোৰ লগত কল্পনাৰ মিলন হৈ তোমাৰ মনলৈ উকমুকাই দিলে আৰু তোমাৰ মনলৈ কিবা নতুন এটা ভাৱ আহিল। তাৰপিছত এই ভাবটো ভাষাৰে প্ৰকাশ কৰিব যাওঁতে যিখিনি শব্দৰ বাধা-বিঘিনি আহিল সেইখিনিয়েই নিৰ্মাণ। গতিকে নিৰ্মাণ প্ৰক্ৰিয়াটোৰ বাবে তোমাৰ ভাষাটোৰ ওপৰত জ্ঞান মজবুত লাগিব।

**প্ৰশ্ন ঃআপোনাৰ প্ৰিয় নদী এখন?**

**উত্তৰ ঃ** সকলো অসমীয়াৰ দৰে মোৰ প্ৰিয় নদী লুইত।

**প্ৰশ্ন ঃআপোনাৰ আৰক্ষী জীৱনত এনেকুৱা ঘটনা ঘটিছে নেকি যাৰ বাবে আপুনি নিজৰ ইচ্ছাৰ বিৰুদ্ধে চলিবলগীয়া হৈছিল বা সততাক পৰিহাৰ কৰিবলগীয়া হৈছিল?**

**উত্তৰ ঃ** নাই ঠিক তেনেকুৱা একো হোৱা নাই। আৰক্ষী জীৱনত পিছে মোৰ ওপৰত চাপ বহুত পৰিছিল। তোমালোকক তেনেকুৱা এটা কাহিনী মই ক'ব পাৰোঁ।

তোমালোকৰ তেতিয়া জন্মই হোৱা নাই। যেতিয়া অসমত আন্দোলন হৈছিল। এবাৰ সেই আন্দোলনৰ সময়ত গুৱাহাটীত পাইপ লাইন বন্ধ কৰা হৈছিল। প্ৰতিবাদকাৰীসকলে ধৰ্ণা দিছিল তেজ দিম তেল নিদিওঁ এনেকুৱা ধৰণে। তেতিয়া চৰকাৰৰ ফালৰ পৰা হুকুম আহিল যে এই পাইপ লাইন বন্ধটো ভাঙি দিব লাগে। এতিয়া চৰকাৰৰ হুকুম পালন কৰিবলৈ গৈ মই সেইখিনি ঠাইত কাৰ্ফিউ

জাৰি কৰাৰ সিদ্ধান্তলৈ আহিলোঁ। তেতিয়া চৰকাৰৰ ফালৰ পৰা গোটেইখন গুৱাহাটী (?)তে কাৰ্ফিউ দি দিলে। তেতিয়া আমি কাৰ্ফিউ লগাবলৈ আৰক্ষী মোতায়েন কৰিব লগা হয় কিন্তু আমাৰ তেতিয়া আৰক্ষী বাহিনীত ইমানখিনি আৰক্ষীয়ে নাই। কিন্তু এতিয়া দিলে যেতিয়া কৰ্তব্য কৰিবাই লাগিব। চৰকাৰৰ ফালৰ পৰা জনোৱা হ'ল যে চৰকাৰে আৰ্মী (সৈন্য) প্ৰেৰণ কৰিব। তাৰপিছত আমি খুব ৰাতিপুৱাই গৈ মানুহখিনিক উঠাই দিলো। কিন্তু তাৰ পিছৰ অৱস্থাত আৰ্মীয়ে কাৰ্ফিউটো control কৰিব নোৱাৰিলে। ঠাইখিনি হাজাৰ হাজাৰ মানুহেৰে ভৰি পৰিল। কাৰ্ফিউ ভাঙি বহুত হাজাৰ হাজাৰ মানুহ ওলাই আহিল। তেতিয়া কমলেশ্বৰ বৰা ডি.চি আছিল। সেইখিনি সময়ত আমাৰ ওপৰত খুব চাপ পৰিছিল ওপৰৰ পৰা যে এইখিনিত প্ৰতিবাদ বন্ধ কৰিব লাগে। মানুহবোৰক আঁতৰাই পঠিয়াব লাগে। সেইখিনি সময়ত যদি আমি বল প্ৰয়োগ কৰি আঁতৰাব চেষ্টা কৰো ৰক্তাক্ত পৰিস্থিতি এটা গ'লহেঁতেন। এনেতে, এঠাইত ডি.চি আৰু মই পৰি গলোঁ। আৰু আমাৰ সন্মুখত শ শ মানুহ আহি ৰৈ গ'ল। তেতিয়া আমাৰ আৰক্ষী বাহিনীৰ কনিষ্টবল কেইজনমানে ঠিয় কৰাই দিলে। আৰু আমাৰ সন্মুখত থকা প্ৰতিবাদকাৰীৰ দলটোৱেও আমাৰ ওচৰত আহি আক্ৰমণ কৰিবলৈ চেষ্টা কৰা নাছিল মোৰ সন্মুখত সেইখিনি সময়ত সেই সময়ৰ অজস্ৰ গণ্য মান্য মানুহ। সাহিত্যিক-বুদ্ধিজীৱিৰে ভৰি আছিল। ওপৰৰ পৰা তেতিয়া আমাৰ ওপৰত ভীষণ চাপ যে যেনে-তেনে প্ৰতিবাদকাৰীসকলক আঁতৰাই পঠিয়াব লাগে। প্ৰয়োজন হ'লে বল প্ৰয়োগ কৰি হ'লেও ঠাইখিনি মোকলাব লাগে। তেতিয়া ডি.চি আৰু মই আলোচনা কৰিলো যে বল প্ৰয়োগ কৰিলে ইয়াতে বহুত মানুহ নিহত আৰু আহত হ'ব কিন্তু যিটো উদ্দেশ্য লৈ বল প্ৰয়োগ কৰা হ'ব সেই উদ্দেশ্যটোৱেই সফল নহ'ব। আৰু কাৰ্ফিউটো ইতিমধ্যে ভাগিছেই। গতিকে কাৰ্ফিউটো এতিয়া ধৰি ৰখাৰ কোনো প্ৰয়োজন নাই। তেতিয়া মই ডি.চি.ক সুধিলোঁ; আপুনি চৰকাৰক সুধিব লাগিব নেকি?

তেওঁ ক'লে, নোসোধো, কিয়নো সুধিলেটো নিদিবই, ডি.চি হিচাপে মোৰ সেইখিনি ক্ষমতা নিশ্চয় আছে কাৰ্ফিউটো মই উঠাই দিম। এনেদৰে আমি কাৰ্ফিউটো উঠাই দিলো কিয়নো তেতিয়া মোৰ সন্মুখত থকা সাহিত্যিক বা আন গণ্য মান্য ব্যক্তিসকলৰ ওপৰত লাঠীচাৰ্জৰ বাবে হুকুম দিয়াটো মোৰ পক্ষে অসম্ভৱ আছিল। যদিও আমাৰ ওপৰত খুব চাপ আছিল আমি নিজৰ চেতনাৰেহে কামটো কৰিলোঁ। এই কাৰ্য্যৰ বাবে পিছলৈ আমাক নিলম্বিত কৰা পৰ্যায় পাইছিলগৈ পিছত যেনিবা সেই সময়ৰ গৱৰ্ণৰ জন ভাল আছিল তেওঁ আমাৰ পৰিস্থিতিটো বুজি আমাক নিলম্বিত হোৱাৰ পৰা ৰক্ষা কৰিলে। এনেকুৱা ধৰণৰ বহুত অভিজ্ঞতা মই বহুতো কাকতে পত্ৰই লিখিছোঁ।

**প্ৰশ্ন ঃ ছাৰ জীৱনক লৈ আপোনাৰ অনুভৱ কেনেকুৱা?**

**উত্তৰ ঃ** জীৱন বুলি ক'লে সেইটো যে পাইছো। গতিকে মই জীৱনটোৰ প্ৰতি কৃতজ্ঞ। কিয়নো মই এই জীৱনটো উপভোগ কৰিব পাৰিছোঁ। মইটো জন্ম নহবও পাৰিলোহেঁতেন। এই বিচিত্ৰ জৈৱ প্ৰক্ৰিয়াৰ মাজেৰে মই যে আহিছো, পৃথিৱীখন যে দেখিছোঁ। গতিকে জীৱনটো মোৰ বাবে এটা বৰ ডাঙৰ সম্পদস্বৰূপ।

**প্ৰশ্ন ঃ ছাৰ আপোনাৰ এটা বিখ্যাত কবিতা 'সমুদ্ৰ-ভীতি'। ছাৰ কবিতটোৰ সৃষ্টিৰ আঁৰৰ কাহিনীটো অলপ জনাব নেকি?**

**উত্তৰ ঃ** কবিতাটো মই যিমানদূৰ মনত আছে খুব বেছি ভৱা-চিন্তা কৰি লিখা নাছিলোঁ। সাগৰৰ প্ৰতি মোৰ খুব এটা আগ্ৰহ আছিল তেতিয়া। সাগৰ নেদেখাকৈ সাগৰত সূৰ্যাস্তৰ কথা লিখিলোঁ। কিন্তু সাগৰ সম্পৰ্কে ধাৰণা এটা সৰুৰ পৰাই মোৰ মনত আছিল, কিয়নো সৰুতে দেউতাই ৰামায়ণত যেতিয়া পঢ়িছিল তেতিয়া সাগৰৰ বৰ্ণনাখিনি খুব ভাল পাইছিলোঁ। আকৌ হোষ্টেলত থাকোঁতে চিনেমা এখন চাইছিলোঁ। চিনেমাখন ইংৰাজী চিনেমা আছিল। ভালদৰে বুজি পোৱা নাছিলো যদিও চাইছিলো আৰু। তেতিয়া মনে মনেই চাইছিলোঁ, ঘৰৰ পৰা তেতিয়াটো অনুমতি নিদিছিল। চিনেমাখন কিবা পৌৰাণিক কাহিনীৰ ওপৰত আছিল, নামটো মই পাহৰিলো। আৰু চিনেমাখনত আছিল বিশাল এখন সাগৰ। আগতে সাগৰ সম্পৰ্কত শুনিহে আছিলোঁ তেতিয়াহে পৰ্দাত সেই বিশাল সাগৰখন দেখিছিলোঁ। প্ৰথমতে, জাহাজবোৰ দেখিলো জাহাজবোৰ গৈ আছে তাৰপিছত যেতিয়া দেখিলো বিশাল সাগৰৰ বুকুত জাহাজবোৰ কিদৰে সৰু হৈ পৰে। মই আচৰিত হৈ পৰিছিলোঁ। সেই ছবিখনে বহুদিনৰ পৰা মোৰ মনত বাহ বান্ধি আছিল। আৰু দেউতাৰ ৰামায়ণ পঢ়োতে দিয়া বৰ্ণনাখিনি। এনেদৰে এই দুয়োটা ভাব মিলি 'সাগৰত সূৰ্যাস্ত' লিখিলো। তাৰ আগতে মই ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত বুলি কবিতা এটা লিখিছিলোঁ।

তাৰপিছত সমুদ্ৰ-ভীতি কবিতাটোৰ বাবে অনুপ্ৰেৰণা পালো এনেধৰণে যে মোৰ এই কবিতাবোৰ ইমানবোৰ লেখা কিমানদিনলৈ থাকিব। এদিনটো নোহোৱা হৈ যাব বুদবুদৰ লেখিয়াকৈ। তেতিয়া মই সাগৰখনক মহাকালৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিলোঁ। সাগৰৰ যিদৰে পাৰ নেদেখি, এটা অসীমৰ উৎস হিচাপে মই সাগৰখনক চালোঁ। মই ভাবিলোঁ মোৰ এই কালৰ বুকুত কৰা সৃষ্টি এই মহাকালৰ বুকুত ক'ত থাকিব। এই যে সৃষ্টি হেৰাই যোৱা ভয়তো ইয়াৰ সমলবোৰ মোৰ সাগৰৰ পৰাই আহিল। বা মই আনিব খুজিছিলোঁ। পিছত মই ভয়তো অতিক্ৰম কৰিছোঁ। তাৰপিছত মই বুজিলো চিৰকাল গৰ্ভৱতী, সাগৰ চিৰদিন নিৰ্বিকাৰ ভাবে সৃষ্টি কৰি গৈ আছে। গতিকে সাগৰক লৈ মোৰ ভয় কৰাৰ কোনো প্ৰয়োজন নাই। এনেকৈয়ে মই কবিতাটো লিখাৰ প্ৰেৰণা পাইছিলোঁ।

**প্ৰশ্ন ঃছাৰ আপোনাৰ লেখক জীৱনক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰা আপোনাৰ এজন প্ৰিয় সমালোচক কোন হ'ব?**

**উত্তৰ ঃ** মোৰ প্ৰিয় সমালোচক বুলি মই ড° হীৰেণ গোহাঁইৰ নামেই ল'ব খুজিম। মই পঢ়ি থকা কালতেই যেতিয়া মই কিছু কবিতা লিখা আৰম্ভ কৰিলোঁ, তেতিয়াই হীৰেণ গোহাঁইদেৱে এটা প্ৰৱন্ধ লিখিছিল

অতীত আৰু অত্যাধুনিক। সেইটো তেওঁ, নীলমণি ফুকন আৰু আগৰ তেতিয়াৰে সময়ৰ তিনিজন নতুন প্ৰজন্মৰ কবিক সাঙুৰি বহুখিনি কথা লিখিছিল। সেই সময়ৰ সেই তিনিজন কবিৰ মাজত আছিলোঁ মই, হীৰেন্দ্ৰনাথ দত্ত, আৰু ভবেন বৰা। তেতিয়া মই নিজেই নাজানো কি লিখি আছিলোঁ কিন্তু তেওঁ আমাৰ ওপৰত যি সম্ভাৱনা দেখাৰ ইংগিত দিলে সেই ঘটনাটোৰ পিছত কিছু আত্ম প্ৰত্যয় হ'ল মোৰ। তাৰ পিছত মই লিখি যাব পাৰিম বুলি ডাঙৰ প্ৰেৰণা পাইছিলো। ইয়াৰ ওপৰিও ভবেন বৰা এসময়ত মোৰ বন্ধু আছিল, তেওঁৰ সৈতে কবিতা সম্পৰ্কে মোৰ বহুত আলোচনা হৈছিল। হীৰেন দত্তৰ সৈতেও মোৰ বহুত আলোচনা হৈছিল। তেওঁ মোৰ শিক্ষাগুৰু যদিও তেওঁৰ সৈতে মোৰ বন্ধুত্বপূৰ্ণ সম্বন্ধ এটা আছিল। তাৰ বাদে কবি হিচাপে মই যিগৰাকী ব্যক্তিৰ সৈতে এতিয়াও ঘনিষ্ঠ হৈ আছোঁ তেওঁ হৈছে নীলমণি ফুকন। তেওঁ এতিয়াও মোক ডাঙৰ অনুপ্ৰেৰণা দি থাকে। আৰু খুব সচেতনভাৱে তেওঁ মোক অনুকৰণ নকৰিবলৈ চেষ্টা কৰিছিলোঁ। মই তেওঁৰ দৰে লিখিব ধৰিম বুলিয়েই মই তেওঁক অনুকৰণ কৰাৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা চলাইছিলোঁ। কিয়নো তেওঁ মোৰ এজন প্ৰিয় কবি। এই লোকসকলে মোক মোৰ লেখক জীৱনত বহু অনুপ্ৰেৰণা যোগাইছিল।

**প্ৰশ্ন ঃছাৰ, কম বয়সীয়া ছাত্ৰ আৰু সীমিত জ্ঞানৰহৈও আপোনাক ইমান সময় প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰি ৰখাৰ ধৃষ্টতা কৰিলোঁ। আপোনাৰ বাবে আমি আজি আমাৰ শেষ প্ৰশ্নটো সুধিব খুজিছোঁ।**

**উত্তৰ ঃ** অলপ হাঁহি। আকৌ আছে নেকি প্ৰশ্ন। বাৰু সোধা।

**প্ৰশ্ন ঃছাৰ সাম্প্ৰতিক সময়টো কেনেকুৱা। আৰু এই সময়টোত আমাৰ নিচিনা কলেজীয়া ছাত্ৰ-ছাত্ৰীক লৈ আপুনি কিমান আশাবাদী ? চেমিষ্টাৰ চিষ্টেম আৰু দেশৰ নানা আহুকলীয়া পৰিস্থিতিৰ মাজত আপুনি আমাক কেনেধৰণে আগবাঢ়ি যোৱাটো বিচাৰে ?**

**উত্তৰ ঃ** সাম্প্ৰতিক সময়ৰ সমাজখন বৰ এটা সুস্থিৰ প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ি গৈ থকা নাই। সমাজখনত এতিয়া অহৰহ পৰিৱৰ্তন ঘটি আছে; নানান প্ৰযুক্তিৰ ব্যৱহাৰ হৈছে, নানা আদৰ্শৰ উদ্ভাৱণ হৈছে। গতিকে ইমান এটা পৰিৱৰ্তনৰ অৱস্থাত সমাজখন এটা স্থিৰ পৰ্যায়লৈ এতিয়াও অহা নাই। ইয়াক আমি এটা চাকনৈয়া হিচাপে ধৰিব পাৰোঁ, আমি এতিয়া এটা চাকনৈয়াৰ মাজেৰে আগবাঢ়ি গৈ আছোঁ। আমাৰ সন্মুখত এতিয়া এখন স্থিৰ বিশ্ব নাই, আমাৰ সমাজখনৰ সন্মুখত এক পৰিৱৰ্তনশীল বিশ্ব আছে। আৰু এই পৰিৱৰ্তনৰ প্ৰক্ৰিয়া ক্ৰমশ বাঢ়ি গৈ আছে। গতিকে এই অস্থিৰ পৰিস্থিতিত থাকিয়েই আমি আমাৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ আহৰণ কৰিব লাগিব। অতীতক আমি ব্যৱহাৰ কৰিব লাগিব বৰ্তমানৰ প্ৰয়োজনত।

ইয়াৰ ওপৰি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য মোৰ ভাব হয় যে, তোমালোকৰ শিক্ষা ব্যৱস্থাটোৰ ওপৰত পটকৈ সাধাৰণতে মই মাত মাতিব নোৱাৰো। ইয়াৰ বাবে শিক্ষা বিভাগে নিজাববীয়াকৈ ব্যৱস্থা ল'ব লাগিব। কিন্তু চেমিষ্টাৰ চিষ্টেমৰ এটা ভাল ফল এইটো যে ইয়ো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিয়মানুবৰ্তিতা বঢ়াইছে। ছাত্ৰ-ছাত্ৰীসকল নিয়মীয়া হৈছে। কিন্তু বেয়া দিশটো হৈছে যে ছাত্ৰ-ছাত্ৰীসকলে ভাটৌৰ দৰে পঢ়িছে। Parrot learning ধৰণৰ। আগৰটো পাহৰি পিছৰটো গঢ়িছে এনেকুৱা এটা প্ৰৱণতাৰ সৃষ্টি হৈছে। এইটো এটা বৰ ভাল হোৱা বুলি মই নাভাবো। কিন্তু, আজিকালি ডিগ্ৰী নহ'লেতো নহয় গতিকে ইয়াৰ বাবে প্ৰতিকাৰ হিচাপে ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ পদক্ষেপ ল'ব লাগিব। তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সজাগ হ'ব পাৰিব লাগিব। কাৰণ ছাত্ৰ-ছাত্ৰীসকল এখন দেশৰ মানৱ সম্পদ। ছাত্ৰ-ছাত্ৰীয়ে এটা কথা ভালদৰে শিকি ল'ব লাগিব যে এই ব্যৱস্থাটোৰ মাজত থাকিও তেওঁলোকে অন্ততঃ যিখিনি শিক্ষা লাভ কৰিলে সেইখিনি যাতে কোনো পধ্যে অপচয় নহয়। তেওঁলোকে চাকৰিৰ পিছত ঘূৰি ফুৰিলেই নহ'ব আন ফালেৰেও নিজৰ নিজৰ শিক্ষাগত অভিজ্ঞতাক ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। আজিকালি বহুত ধৰণৰ Line আছে। নিজৰ Productivity কিদৰে বঢ়াব পাৰি তাত গুৰুত্ব দিব লাগিব। আৰু প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীসকলে ভাল Educational councelling ল'ব লাগিব। আজিকালি সেইবোৰে এই councellingৰ সংখ্যা বাঢ়িব লাগিছে কিয়নো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিজক লৈ বিভ্ৰান্তি বাঢ়িছে। ইয়াকে বাদে ছাত্ৰ-ছাত্ৰী হিচাপে তেওঁলোকে আমাৰ দেশখন সম্পৰ্কে, দেশৰ সামাজিক, ৰাজনীতিক, আৰ্থিক আদি দিশৰ প্ৰতি সজাগ হ'ব লাগিব। ক'ত কি ঘটিছে খবৰ ৰাখিব পাৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে মূল্যবোধৰ সঠিক জ্ঞান ল'ব লাগিব, সাম্প্ৰদায়িকতা, জাতিভেদ ইত্যাদি এৰাই চলিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ অৰিহনাই হৈছে দেশখনৰ অৰিহনা। এনেধৰনে আগবাঢ়িলে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত নিশ্চয় সফলতা লাভ কৰিব পাৰিব বুলি মই ভাবোঁ।

**শেষত ঃ ছাৰ আপুনি ডেৰ ঘন্টা ধৰি ইমানখিনি সময় আমাক দিলে, এইখিনি সময়ৰ বাবে আপোনাক অযুত ধন্যবাদ। আপোনাৰ সু-স্বাস্থ্য আৰু আপোনাৰ লেখনিসমূহ অমৰ হওঁক এয়াই আমাৰ কাম্য। ধন্যবাদ ছাৰ।**

**ছাৰ ঃ** তোমালোককো বহুত ধন্যবাদ।

এনেকৈয়ে আমি ছাৰৰ সৈতে ডেৰ ঘন্টা সময় অতিবাহিত কৰাৰ সৌভাগ্য ঘটিছিল। ইয়াত থকাখিনিক বাদেও ছাৰে আমাক কৈছিল তেওঁৰ জীৱনৰ কিছুমান পাহৰিব নোৱাৰা অভিজ্ঞতা।■

---

**সাক্ষাৎকাৰটো যুগুতালে ঃ দীপাংকৰ দাস, হিৰকজ্যোতি নাথ আৰু ভাৰ্গৱ দাসে**

# গোলাপ ৰাভাৰ সৈতে এখন্তেক...



*__গোলাপ ৰাভা__ অসমৰ শৰীৰ চৰ্চাৰ জগতখনৰ এক সুপৰিচিত নাম। এইগৰাকী প্ৰতিভাসম্পন্ন ক্ৰীড়াবিদে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় তথা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছে। মিষ্টাৰ ৱৰ্ল্ড আৰু মিষ্টাৰ ইউনিভাৰ্ছ গোলাপ ৰাভাক লৈ দক্ষিণ কামৰূপ অঞ্চলে গৌৰৱবোধ কৰিব পাৰে, কিয়নো ৰাভা বকোৰ সু-সন্তান। এইগৰাকী ক্ৰীড়াবিদৰ সৈতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদক __ৰঞ্জন হাজৰিকাই__ দক্ষিণ পটৰ বাবে কৰা কথোপকথনৰ সম্পাদিত ৰূপ আগবঢ়োৱা হ'ল।*

**প্ৰশ্ন ঃ পোনতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ তৰফৰপৰা আপোনাক আন্তৰিক অভিনন্দন জনাইছোঁ।**

**উত্তৰ ঃ** ধন্যবাদ।

**প্ৰশ্ন ঃ আপোনাৰ প্ৰেৰণাৰ উৎস কি ?**

**উত্তৰ ঃ** আচলতে প্ৰেৰণা বুলি কথা নাই। প্ৰথমতে শৰীৰ চৰ্চা মোৰ জীৱনত আকস্মিকভাৱে সোমাই পৰাৰ নিচিনা হৈছে। ব্যায়াম মই আগৰ পৰাই কৰি ভাল পাইছিলোঁ। কিন্তু প্ৰতিযোগিতা যে কৰিম সেইটো ভবা নাছিলোঁ। আগতে মোৰ ফিটনেচটো বেয়া আছিল, সেয়ে অলপ ফিট দেখাবৰ কাৰণে আকস্মিকভাবে সোমাই পৰিলোঁ। পিছত এদিন ছাৰে জোৰ কৰি প্ৰতিযোগিতাত সোমাই দিলে ২০০৩ত। কিন্তু তাত মই বৰ বেয়াকৈ পৰাজিত হৈছিলোঁ। পৰাজিত হোৱাৰ পিছৰ পৰাই মই ভালকৈ প্ৰতিযোগিতা কৰিম বুলি মন স্থিৰ কৰিছিলি।

**প্ৰশ্ন ঃ আপুনি এতিয়ালৈ অৰ্জন কৰা সন্মানসমূহৰ বিষয়ে অৱগত কৰাব।**

**উত্তৰ ঃ** বৰ্তমানলৈ মই মিষ্টাৰ বকো, মিষ্টাৰ গুৱাহাটী ইউনিভাৰছিটি, জুনিয়ৰ কামৰূপ, জুনিয়ৰ অসম, মিষ্টাৰ আছাম, মিষ্টাৰ কামৰূপ, মিষ্টাৰ ইণ্ডিয়া ৰাণাৰ্ছ আপ, মিষ্টাৰ লুইত, মিষ্টাৰ দৰং, মিষ্টাৰ ইণ্ডিয়া (৭০ কিলোগ্ৰাম), মিষ্টাৰ ইণ্ডিয়া কম্পিটিশ্যন অৱ দ্যা চেম্পিয়ন অভাৰল, মিষ্টাৰ এচিয়া অভাৰল, মিষ্টাৰ ৱৰ্ল্ড অভাৰল আৰু মিষ্টাৰ ইউনিভাৰ্ছ খিতাপ লাভ কৰিছোঁ।

**প্ৰশ্ন ঃ উঠি অহা নৱপ্ৰজন্মক লৈ আপুনি কিমান আশাবাদী (শৰীৰ চৰ্চাৰ ক্ষেত্ৰখনত) ?**

**উত্তৰ ঃ** উঠি অহা নৱপ্ৰজন্মক মই এটাই কথা ক'ব খুজি যে শৰীৰ চৰ্চাৰ ভৱিষ্যত এতিয়া বহুত ভাল আৰু যদি তেওঁলোকে ইয়াক কেৰিয়াৰ হিচাপে ল'ব বিচাৰে ল'ব পাৰে, কাৰণ এইটো বহুত ভাল এটা ফিটনেচ উদ্যোগ হিচাপে গঢ় লৈ উঠিছে আৰু ইয়াতে কৰ্ম সংস্থানৰ সুবিধা আছে। আজিকালি জিম বহু ঠাইতে আছে, সেয়ে প্ৰশিক্ষক হিচাপে বহু ল'ৰা-ছোৱালীয়ে নিজৰ উপাৰ্জনৰ পথ বাচি ল'ব পাৰে। তাৰ উপৰিও বহুত অতিৰিক্ত উপাৰ্জন আছে। আজিকালি বহুত ফিটনেচৰ সৈতে জড়িত ব্যৱসায়িক প্ৰতিষ্ঠান আহিছে, আহিলাসমূহৰ প্ৰতিষ্ঠান আছে, সেয়ে ইয়াৰ ভাল ভৱিষ্যৎ আছে। আগতে ইয়াত এনে সুবিধা নাছিল, এইটো ময়ো মানি লওঁ।। এতিয়া ক্ৰমান্বয়ে সকলো ভালৰ ফালে আহি আছে আৰু মই ভাবো এইটো সকলোৰে দৃষ্টিত পৰিছে আৰু চৰকাৰৰ দৃষ্টিতো আহিছে, সেয়ে এইটো আৰু ভাল পৰ্যায়লৈকে যাব বুলি মই ভাবো।

**প্ৰশ্ন ঃ আপোনাৰ জীৱনত ঘটা কিছু ভাল আৰু বেয়া অভিজ্ঞতা।**

**উত্তৰ ঃ** ভাল বেয়া সকলোতে থাকে, প্ৰতিযোগিতাত জয়লাভ কৰি অহাৰ পিছত যি মানুহৰ মৰম পোৱা যায়, মানুহে যেনেদৰে আমাক লৈ গৌৰৱ কৰে, স্ফূৰ্তি কৰে তাৰ লগত আচলতে একোৰে তুলনা নাই। মই ভাবো মানুহৰ জীৱনত এইটো এটা সকলোতকৈ ডাঙৰ সফলতা আৰু এটা সকলোতকৈ ডাঙৰ সন্তুষ্টি, ইয়াতকৈ ডাঙৰ আৰু একো পৃথিৱীত হ'ব নোৱাৰে। মানুহে বহুত পইচা অৰ্জন কৰে, বহুত ক্ষমতাশীল হয়। কিন্তু মানুহৰ যিখিনি আশীৰ্বাদ তাৰ নিচিনা ডাঙৰ সফলতা একো হ'ব নোৱাৰে। ইয়াক সকলোতকৈ ডাঙৰ মানসিক সন্তুষ্টি ডাঙৰ বুলি ভাবো মই। আৰু ঋণাত্মক আছে কিবা-কিবি। কেতিয়াবা নেতিবাচক মন্তব্য আহি যায় আৰু সেইবিলাক মন্তব্যই মোক বহুত সহায় কৰিছে। মোৰ লক্ষ্য পূৰণ কৰিব পাৰিছোঁ, কাৰণ মই জানো সেই নেতিবাচক মন্তব্য দিয়া মানুহজনে যদি মই খেল হাৰি আহো তেতিয়াহ'লে এইধৰণৰ মন্তব্য দিয়াটো তেওঁৰ আৰু বাঢ়িব। তেওঁ সমালোচনা কৰাৰ কাৰণে সুযোগ পাব। সেইখিনি তেওঁক সুযোগ দিব বিচৰা নাই কাৰণে অনুশীলন কঠোৰ কৰিলো আৰু সেইকাৰণে হয়তো মই কিবা এটা কৰিবৰ বাবে সক্ষম হৈ আছো এতিয়ালৈকে।

**প্ৰশ্ন ঃ আপোনাৰ জীৱনত শৰীৰ চৰ্চাৰ ভাৱ মনলৈ কেতিয়াৰপৰা আহিল।**

**উত্তৰ ঃ** আগতেই ক'লো আচলতে মোৰ শাৰীৰিক গঠনটো বহুত বেয়া আছিল, তাৰ কাৰণে ইয়াত আহিলোঁ। তাৰ পিছত কিছু কথা আছে,

ধৰক মই মেট্ৰিকৰ পিছত মই ব্যৱসায় কৰিছিলোঁ সৰু-সুৰা, তেতিয়া আমাৰ ইয়াত ব্যৱস্থাবিলাক অলপ বেলেগ আছিল। মানুহজন অলপ স্বাস্থ্যবান নহ'লে ব্যৱসায় কৰাত সমস্যা হয়। সেয়ে মই শৰীৰ চৰ্চা আৰম্ভ কৰিলোঁ।

**প্ৰশ্ন ঃ আপোনাৰ শৰীৰ চৰ্চা আৰু জীৱন কেনেকুৱা ?**

**উত্তৰ ঃ** এতিয়া শৰীৰ চৰ্চা মোৰ জীৱন হৈ পৰিছে। শৰীৰ চৰ্চাৰে মই চলি আছো আৰু ইয়াৰ অবিহনে কিজানি মই জীয়াই থাকিব নোৱাৰিম। এইটো মোৰ আজি এটা Passion আৰু মনলৈ আহি আহি থাকে মই আৰু বেছি ভাল কৰিব লাগিব। যদি মই একো নকৰো তেতিয়া যিখিনি উঠি অহা নতুন শৰীৰ চৰ্চাবিদ আছে সিহঁত চাগে হতাশ হৈ যাব, সিহঁতে হয়তো শুদ্ধ এটা পথ বিচাৰি নাপাব। মই শৰীৰটো এনে এটা পৰ্যায়লৈ নিব বিচাৰো, য'ত পথ সকলোৰে বাবে মুকলি হৈ যায়। সকলোৰে শৰীৰ চৰ্চা কৰি নিজৰ আৰু অঞ্চলৰ নাম কৰিব পাৰিব আৰু তাৰ পৰা উপাৰ্জন কৰি ঘৰ চলাব পাৰিব।

**প্ৰশ্ন ঃ Mr. World খিতাপ অৰ্জন কৰি আপোনাৰ কেনেকুৱা অনুভৱ ?**

**উত্তৰ ঃ**এইটো আচলতে বহুত ডাঙৰ সপোন আছিল মোৰ। তেনেকুৱা বহুত ডাঙৰ সপোন এটা পূৰণ হ'ল। মোৰ লক্ষ্য আছিল মিষ্টাৰ ইণ্ডিয়া খিতাপ। শৰীৰ চৰ্চা লক্ষ্য নাছিল। যেতিয়া শৰীৰ চৰ্চাত সোমালো তেতিয়া লক্ষ্য আছিল মিষ্টাৰ অসম। এয়া হোৱাৰ পিছত লক্ষ্য কৰি ল'লো মিষ্টাৰ ইণ্ডিয়া। এয়া হোৱাৰ পিছত আৰু লক্ষ্য বাঢ়ি গ'ল। আকাংক্ষাটো তেতিয়া মিষ্টাৰ এচিয়ালৈকে গ'ল, পিছত মিষ্টাৰ ৱৰ্ল্ড। আচলতে মই ভৱা নাছিলো মিষ্টাৰ ৱৰ্ল্ড হ'ম বুলি। এবাৰ মূৰত সোমাই গ'ল। কিছুমানে মোক কথা শুনাইছিল খেলটো সিমান আগবঢ়াব নোৱাৰো বুলি। মই ভাবিলো যে যিমানবোৰ খিতাপ আছে, গোটেইবোৰে মই ল'ম। মই লৈ থ'মে। মই ভাবি থৈছো যে এনেকুৱা এটা লক্ষ্য বনাই থম য'ত সমগ্ৰ খিতাপ থাকে। মিষ্টাৰ ৱৰ্ল্ড হোৱাৰ বাবে বহুত ভাল লাগিল। সেই কাৰণে মই আৰু প্ৰেৰণা পাইছো যে ইউনিভাৰ্ছৰ খিতাপো ল'ব পাৰিম। তাৰ পিছত আৰু কিছুমান খিতাপ আছে। সেইকেইটাও ল'বৰ বাবে মই চেষ্টা কৰিম। তাৰ উপৰিও ৱৰ্ল্ড, ইউনিভাৰ্চ আৰু এচিয়া— এইকেইটা মই ৫/৬ বছৰ খেলি যাম। যিমান পাওঁ সেইকেইটা খিতাপ জমা হৈ থাকিব মোৰ।

**প্ৰশ্ন ঃ বৰ্তমান সময়ত শৰীৰ চৰ্চাৰ প্ৰয়োজন আছেনে ?**

**উত্তৰ ঃ** প্ৰকৃততে শৰীৰ চৰ্চাক সকলো ক্ৰীড়াৰে মাতৃ আখ্যা দিয়া হয়। বৰ্তমান শৰীৰ চৰ্চা মানুহৰ জীৱন শৈলীত পৰিণত হৈছে। আপোনালোক লক্ষ্য কৰিব খাদ্যৰ ক্ষেত্ৰত চিকিৎসকলেও ভুল কৰে, শিক্ষিত মানুহেও ভুল কৰে। সেয়ে খাদ্যাভ্যাস সম্পৰ্কে জ্ঞান লাভ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। মানুহ এনে কিছুসংখ্যক ৰোগত আক্ৰান্ত হয়, চিকিৎসকেও ধৰিব নোৱাৰে। আমি যদি এটা খাদ্যৰ তালিকা দৈনিক অনুসৰণ কৰো, শৰীৰ চৰ্চা নকৰা লোকসকলেও ৯৯ শতাংশ ৰোগৰ পৰা আঁতৰি থাকিব পাৰে। বৰ্তমান দেখা যায় যুৱ প্ৰজন্মই তীব্ৰ গতিত দায়িত্বহীনভাৱে গাড়ী চলায়, সেয়া দুচকীয়াই হওঁক বা চাৰিচকীয়াই হওঁক। এনে সাংস্কৃতিক অনুষ্ঠান নাই, য'ত সুৰাপান নকৰাকৈ আছে। এইবোৰ এক অস্বাস্থ্যকৰ, অসহজ পৰিৱেশৰ সৃষ্টি কৰে। সেয়ে পৰিয়াল সহিতে বহুতে অনুষ্ঠানসমূহ উপভোগ কৰিবলৈ নাযায়, লাজ কৰে। সেয়ে আমি এই যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলে যাতে নিজৰ শৰীৰটোক মৰম কৰে, এই শিক্ষা জিম বা ব্যায়ামাগাৰৰ জৰিয়তে দিবলৈ চেষ্টা কৰো। শৰীৰৰ বাবে অপকাৰী, সমাজৰ বাবে ক্ষতিকাৰক বেয়া বস্তুবোৰ গ্ৰহণ নকৰিবলৈ শিক্ষা দিওঁ। চেষ্টা কৰি আছো যিমানদূৰ পাৰো। যদি সকলোৰে জনা হয় যে কি খাদ্য গ্ৰহণ কৰিলে শৰীৰটোৰ ক্ষতি হয়, কেনেকৈ চৰ্বীবিহীন ভাৱে থাকিব পাৰি, কি খালে শৰীৰটো পেশীবহুল হয়, কি খালে শক্তি বৃদ্ধি হয়, তেন্তে আমাৰ সমাজখন এখন স্বাস্থ্যসন্মত সমাজ হ'ব আৰু প্ৰতিগৰাকী ব্যক্তি দায়িত্ব সম্পন্ন নাগৰিক হ'ব। সেয়ে মই ভাবো সমাজত শৰীৰ চৰ্চাৰ প্ৰয়োজন আছে।



**প্ৰশ্ন ঃ শৰীৰ চৰ্চা প্ৰত্যেক মানুহে কৰাটো বিচাৰেনে আপুনি ?**

**উত্তৰ ঃ** প্ৰত্যেক মানুহে কৰাতো বিচাৰো বুলি নহয়, দৈনন্দিন কাৰ্যকলাপত প্ৰত্যেক মানুহৰ শৰীৰ চৰ্চা হৈয়ে থাকে। মানুহ এজনে যদি খোজকাঢ়ি যায় সেইটোও শৰীৰ চৰ্চাত পৰে। গাড়ীৰ তেল শেষ হ'লে ঠেলিলে এটা শৰীৰ চৰ্চাত পৰি যায়। আমি

যদি খৰি ফালো, কোৰ মাৰো এইবোৰো শৰীৰ চৰ্চাত পৰি যায়। শৰীৰ চৰ্চাটো অইন একো নহয়, দৈনন্দিন কামবোৰ যদি মানুহৰ ব্যায়াম বুলি ভাবি লয়, সেইটোৱে শৰীৰ চৰ্চা। বেলেগ একো নাই। দৈনন্দিন জীৱনত মানুহে শৰীৰ চৰ্চা কৰিয়ে আছে, প্ৰয়োজন বুলি নহয়। এয়া মানুহৰ দৈনন্দিন জীৱনত চলিয়ে থাকে।

**প্ৰশ্ন ঃ এখন সৰু গাঁৱৰ পৰা ওলাই আহি শৰীৰ চৰ্চা জগতখনত খোজ পেলাই ইমান ডাঙৰ সন্মান অৰ্জন কৰা এই যাত্ৰা সম্পৰ্কে কিছু কথা ?**

**উত্তৰ ঃ** এইটো মোৰ এটা সপোন আছিল। আগতে কৈছো আমাৰ গাঁওখন বহুত পিছপৰা। মানুহে চিনি পোৱাটো দূৰৰে কথা, এটা সময়ত এনেকুৱা আছিল যে এসাজ ভাত খালে পিছদিনা খাব পাৰিম নে চিন্তা কৰিব লাগে। এনেকুৱা দিন আছিল য'ত বিদ্যুতৰ ব্যৱস্থা নাছিল। তেতিয়া কেৰাচিন কিনাৰ বাবে মানুহৰ পইচা নাথাকে। আমি তেনেকুৱা দিন দেখা পাইছোঁ। মানুহে খৰি পাহাৰৰ বহুত দূৰৰপৰা আনি বিক্ৰী কৰি তাৰ পিছত ভাত খায়। এতিয়াতো বহুতখিনি উন্নতি হ'ল, ল'ৰাবোৰেও কামত লাগিল। এসময়ত মানুহে যদি চাৰিআলিৰপৰা আমাৰ গাঁৱত সোমায় মানুহৰ স্বতঃস্ফূৰ্ত মন্তব্য আহে—এইপিনে সোমাইছে মানে "মদ খাব গৈছে"। এনেকুৱা এটা বেয়া নাম আছিল গাঁওখনৰ। এতিয়া সেইবোৰ নাইকিয়া কৰিবলৈ মই চেষ্টা কৰি আছো যাতে মানুহে গাঁওখন এইবাবেই চিনি পায় যে ইয়াত ভাল শৰীৰচৰ্চাবিদ আছে।

**প্ৰশ্ন ঃ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়লৈ আপোনাৰ বাৰ্তা।**

**উত্তৰ ঃ** দক্ষিণ কামৰূপ মহাবিদ্যালয়খন আচলতে মোৰ পৰিয়ালৰ দৰে, নিজৰ ঘৰৰ দৰে লাগে। মহাবিদ্যালয়লৈ গ'লে কেতিয়াও এনেকুৱা নালাগে যে এখন মই বেলেগ ঠাইত আহিছোঁ। মানুহখিনি বন্ধুত্বসুলভ, মোক জানে আৰু মই বহুবাৰ আহিছো। শৰীৰ চৰ্চা প্ৰতিযোগিতা পাতিলে বা কিবা হ'লেও মাতে। এবাৰ যাব নোৱাৰিলো গতিকে ল'ৰাখিনিয়ে মাতি থাকে আৰু ক'ৰবাত দেখা পালেও মাত দিয়ে। মোৰ এনেকুৱা নালাগে যে বেলেগ ঠাইত আহিছোঁ। নিজৰ ঘৰৰ দৰে। মোৰ বহুত পুৰণি শৰীৰ চৰ্চাবিদ বন্ধু আছিল। সিহঁতেও এইখন কলেজৰপৰাই ওলোৱা। সিহঁতে শৰীৰ চৰ্চা এতিয়া কৰি থকা নাই যদিও মোৰ বহুত ভাল বন্ধু। আমাৰ ইয়াৰো বহুত ল'ৰা-ছোৱালী আছে তাৰপৰা পঢ়ি অহা। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ যি পৰিৱেশ আছে এইটো মই আগতে ক'তো দেখা নাছিলোঁ। এতিয়া বাৰু অলপ হৈছে সকলো ঠাইত। সেই ধাৰাটো মহাবিদ্যালয়খনত আগৰ পৰাই আছিল আৰু এতিয়ালৈ চলি আছে, এইটো বহুত ভাল কাম আৰু মই ভাবো তাতে যিখিনি ল'ৰা আছে সেইখিনি ল'ৰাও উঠি আহিব। পিছলৈকে কলেজৰো নাম হ'ব আৰু নিজৰ কেৰিয়াৰটোও ভাল কৰিব। আৰু যিখিনি শিক্ষক আছে মোৰ নিজা মানুহৰ দৰে। বহুত ভাল লাগে। পৰিৱেশটো ভাল লাগে।

**প্ৰশ্ন ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনা ?**

**উত্তৰ ঃ** মই খেলি যাম। যিমানখিনিলৈকে মোৰ শৰীৰটোৱে সহায় কৰে। তাৰ পিছত যদি খেলাৰ অৱসৰ গ্ৰহণ কৰো তেতিয়া সমাজৰ কিবা এটা কৰিবলৈ বিচাৰিম। যি কৰিলে সমাজৰ ভাল হয়। এনেকুৱা বহুত ধৰণৰ পৰিকল্পনা আছে সেইখিনি কাৰ্যকৰী কৰাৰ বাবে চেষ্টা কৰিম। ■

## জৰ্জ চাণ্ডাৰছ

ইংৰাজী সাহিত্যৰ খ্যাতনামা লিখক জৰ্জ চাণ্ডাৰছে তেওঁৰ 'লিংকেন ইন দ্য বাৰ্ডো' গ্ৰন্থখনৰ বাবে ২০১৭ চনৰ মেন বুকাৰ বঁটা লাভ কৰিছে। চাইৰাকাছ ইউনিভাৰচিটিৰ অধ্যাপক চাণ্ডাৰছে একেধাৰে চুটি গল্প, প্ৰৱন্ধ, উপন্যাসিকা, শিশু উপযোগী লেখা আৰু উপন্যাস ৰচনা কৰি আহিছে। ১৯৫৮ চনৰ দুই ডিচেম্বৰত জন্ম লাভ কৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক প্ৰভাৱশালী সাহিত্যিক গৰাকীৰ লেখাসমূহত ভোগবাদৰ অযৌক্তিকতা, ব্যৱসায়িক জীৱনৰ সংস্কৃতি আৰু গণ মাধ্যমৰ ভূমিকাৰ বিষয়ে বিস্তৃত তথা বিশ্লেষণাত্মক বৰ্ণনা পোৱা যায়। বহু সমালোচকে চাণ্ডাৰছৰ সৃষ্টিসমূহত ব্যংগাত্মক ৰস বিচাৰি পায় যদিও একে সময়তে তেওঁ নৈতিকতা আৰু দৰ্শনৰ সৈতে জড়িত বিষয়সমূহৰো অৱতাৰণা কৰি অহা বুলি স্বীকাৰ কৰিছে। তেওঁৰ লেখাসমূহত কৌতুকপূৰ্ণ কৰুণ ৰসৰো শক্তিশালী উপস্থিতি পৰিলক্ষিত হয়। বৌদ্ধ দৰ্শনৰ দ্বাৰা শেহতীয়াকৈ প্ৰভাৱিত হোৱা চাণ্ডাৰছ চিত্ৰনাট্যকাৰ হিচাপেও সুপৰিচিত। তেওঁৰ বৰ্ণাঢ্য সাহিত্যিক জীৱনত চাণ্ডাৰছে বহুতো বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

# ‘বকুল ফুলৰ দৰে’
## গ্ৰন্থ পঢ়াৰ আনন্দ

**হীৰকজ্যোতি নাথ**
স্নাতক তৃতীয় যাণ্মাসিক, অৰ্থনীতি বিভাগ

২০১৪-১৫ চনৰ কথা। তেতিয়া মই দশম শ্ৰেণীৰ ছাত্ৰ। মাহটো শেষ নহওঁতে কিতাপৰ দোকানত আদি এটাই প্ৰশ্ন, “দাদা - ‘বাৰ-ওঠৰ’ খন কেতিয়া আহিব?” সেই সময়ছোৱাত ‘বাৰ-ওঠৰ’ত ড° মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’ নামৰ উপন্যাসখন ধাৰাবাহিকভাবে প্ৰকাশিত হৈছিল। সেই সময়ত মই উপন্যাস খুব কমহে পঢ়িছোঁ। চুটি ৰচনাসমূহ মোৰ প্ৰিয় আছিল। সেই সময়ত উপন্যাসখনৰ প্ৰথম খণ্ডটো প্ৰকাশ পোৱা আলোচনীৰ সংখ্যাটো মোৰ লগত নথকাৰ বাবে পঢ়িব নোৱাৰিলোঁ। কিন্তু দ্বিতীয় খণ্ডটো পঢ়াৰ পিছত উপন্যাসখনৰ কথাবোৰে মোক বাবে বাৰে প্ৰথম খণ্ডটো পঢ়াৰ বাবে উদ্বাউল কৰি তুলিছিল। ‘বকুল ফুলৰ দৰে’ উপন্যাসখন পঢ়াৰ পিছত উপন্যাসৰ প্ৰতি পূৰ্বতে থকা মোৰ অনীহা দূৰ হৈছিল। এটা খণ্ড পঢ়াৰ পিছত আনটো খণ্ডৰ বাবে এমাহ অপেক্ষা কৰিবলৈও মোৰ উৎসুক মনটোৱে আন্দোলন কৰি তুলিছিল।



- I lost my father who was a 1976 batch APS officer to terrorist bullets in September, 1998 at Guwahati. He was SP, Bureau of Investigations( Economic Offences), Assam at that time. I was in the final year of my Masters in English Literature from Hindu College, Delhi University when this occurred. I was hoping to pursue a life of academics. But I had three siblings, my younger brother was in his third year of Engineering in REC, Jalandhar; my second younger brother was in class V and my sister was in class I. So I came back to Assam to support my mother. I sat for the APSC examination that same year and got selected. And here I am.

- **Your journey so far as a woman officer in this male dominated profession….**

- During training we are taught that an officer is an officer-he/she has no religion, no caste, and no gender. We try to follow that. But in reality, people do carry the baggage of societal upbringing, prejudices of generations etc. Personally I feel if you are steadfast in believing yourself to be a hardworking professional and a good human being, the message gets through. One might be brushed off in the beginning for being a woman in a male dominated organization but no longer. Ultimately your work counts. As you can see the needs of the hour are changing and there are a lot of women in important positions in the organization.

  There are of course a lot of pitfalls like in any other profession, one has to take each incident as a lesson and learn from it. And support from the family is an absolute must since the job entails work hours 24/7, seven days a week.

  My journey in the organization has been full of ups and downs like life usually is. My work is one of the things that gives me a place in society, a chance to serve its people and doing what I believe in i.e. trying to make things right in case they are wrong, apart from of course giving me a source of livelihood to support my family. My work has also helped me in becoming more responsible, disciplined, independent, fearless and a caring human being. The very nature of our work gets us in daily interactions with people which I think makes one more emphatic to the human condition.

- **Please say a few words of inspiration to our students**…

- Believe that you are the best. Believe that you are unconquerable and undefeatable. Each one of you is unique and has a special quality which no one else has. Nurture that and you will

never look back. Each one of us has the strength in us to do what the universe meant us to do. Our job is to discover our calling and follow that with full sincerity. No work is unworthy. Do whatever you do with your heart and soul. You will surely find happiness and success. Having said that, success is a relative term. If you are happy doing what you do, then you have already found success.

---




## MAYURI KALITA

Mayuri Kalita, started **Yogatree**, in 2011, in Bangalore. Its is a space created for practising yoga regularly under close supervision. Yogatreee offers regular and authentic practice of multiple styles of traditional yoga in a clean, calm, quiet, simple yet thoughtful environment.

*In Conversation with Mayuri Kalita....*

- **As I have learnt, you are into yoga after a life threatening accident. How did the idea come to you ?**

- I have always been inclined towards physical exercises to keep the body fit and been into yoga, though not in a very structured way. After the accident, as I was slowly recovering and trying to get back to my normal life, the regular day to day activities started feeling like a huge task. Just to give you an idea - changing clothes were a challenge due to very restricted movements in arms and neck, crossing the roads were extremely difficult due to the fear ingrained in the mind, travelling in a car seemed impossible as I used to feel like screaming and crying - a result of the deep trauma, both physical and mental. It was very evident that until and unless I do something to bring in the change, I will get stuck with a broken body and spirit.

  With the kind of injuries I had - 14 broken ribs, a completely dismantled arm, a compressed cervical spine, a body constantly aching and paining, a head injury with 60 stitches and a mind constantly fearful and traumatised, regular Gym was not an option for me. So, I started yoga. I was aware of the healing qualities of yoga mostly from reading in books, it was time to actually try it, it was time to check if it really works, it was time to turn the theory into practice.

  Here I would like to mention and emphasise that its very important to practice under the guidance and supervision of a teacher with proper knowledge of the subject, its important to continue the practice regularly for prolonged period. For me it took 1 year of consistent practice to see 20% improvement in my physical and mental condition ! But it didn't take much longer to move from 20% to 100% ..... that's the beauty of Yoga. When it starts working, it works like magic.

- **Tell us something about Yogatree**

‣ Yogatree is almost 8 years old now, started in 2011, in Bangalore, a brainchild of me and my husband Sanjeeb. It's a space created for likeminded people to practice yoga regularly. When I was ready to start my yoga studio, I wanted a few specific things to be a part of that space - clean, calm, quiet, simple yet thoughtful interior that reminds a person more of a temple rather than a noisy gym, a space to sit down and introspect, rather than pulling out mobile and checking whatsapp ! Its a space where all our senses start quietening through soothing aroma, calming music and every member is encouraged to come in touch with his/her own true self. Now, it has become a community that enjoys each others company in a very positive environment, while doing one hour of daily yoga practice, under the guidance of well trained teachers.

At present, we offer regular and authentic practice of multiple styles of traditional yoga. We also do therapy yoga sessions for people with specific needs. Personally,as a yoga teacher, I am very passionate about the healing capacity of regular and proper yoga practice. So, in Yogatree, we offer specifically designed sessions for people with back pain, knee pain, depression, PCOD, asthma, and many similar issues.

- **What are the different prospects you see in this field for the interested people ?**

‣ In recent times, yoga has become very popular world wide, specially the physical asana practice part has caught the attention of the western world widely. And after the re-introduction of it by our honourable prime minister Shri Narendra Modi in 2014, yoga is gaining popularity day by day in all parts of the World.

According to media reports, the estimated value of global yoga industry is around $80 billion. In India, the value of wellness industry has crossed Rs.85000/- crore. The number of people practising yoga in US has increased from 17 million in 2008 to 37 million in 2015 , and this number is expected to increase to 55 million by 2020.

So opportunities are growing for anyone interested to come into this field. Today, an Yoga teacher can find employment in schools, colleges, various medical institutions, even in corporate offices, resorts, sports institutions, rehabilitation centres, along with all the fitness studios and yoga centres across the globe. In a June 2017 report of The Trade Association, its highlighted that there is a shortage of around 3 lakhs of yoga teachers in India, against the current requirement of 5 lakhs. I think that tells a lot.

And with the increase in the number of yoga practitioner, there has been a lots of growth in the sales of yoga related products and this itself is a lucrative business opportunity. With the increased awareness and heightened focus on health and prevention, Yoga is slowly becoming the part of everyones daily life, across all sections of the society. So, in a way, only the sky is the limit. ■



# মহাবিদ্যালয়ৰ ভিতৰৰ চ'ৰা



# দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
## ২০১৭-২০১৮ ইং বৰ্ষ

| | | |
|---|---|---|
| সভাপতি | ঃ | অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা |
| ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক | ঃ | উপাধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| কোষাধ্যক্ষ | ঃ | দেবেন্দ্ৰ শৰ্মা |
| সভাপতি | ঃ | বিকি শৰ্মা |
| উপ সভাপতি | ঃ | অপৰাজিতা দৈমাৰী |
| সাধাৰণ সম্পাদক | ঃ | হিৰকজ্যোতি দাস |
| সহঃ সাধাৰণ সম্পাদক | ঃ | হিৰকজ্যোতি কলিতা |
| সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ | ঃ | ভবিতা দস |
| তত্বাৱধায়ক | ঃ | ড° গাৰ্গী চক্ৰবৰ্তী |
| সম্পাদক, সাংস্কৃতিক বিভাগ | ঃ | লিনা দাস |
| তত্বাৱধায়ক | ঃ | অনুজ কলিতা |
| সম্পাদক, ক্ৰীড়া বিভাগ | ঃ | ৰঞ্জন হাজৰিকা |
| তত্বাৱধায়ক | ঃ | প্ৰশান্ত কলিতা |
| সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ | ঃ | হীৰকজ্যোতি নাথ |
| তত্বাৱধায়ক | ঃ | সৌৰভ জ্যোতি শৰ্মা |
| সম্পাদক, ছাত্ৰ জিৰণী কোঠা | ঃ | ধ্ৰুৱজ্যোতি নাথ |
| তত্বাৱধায়ক | ঃ | ড° জ্ঞানেন্দ্ৰ উপাধ্যায় |
| সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা | ঃ | অৰ্চনা দাস |
| তত্বাৱধায়ক | ঃ | ইলোৰা চৌধুৰী |
| সম্পাদক, শৰীৰ চৰ্চা বিভাগ | ঃ | যুগল কুমাৰ |
| তত্বাৱধায়ক | ঃ | উৎপল দাস |
| সম্পাদক, সমাজ সেৱা বিভাগ | ঃ | ৰণজিৎ কলিতা |
| তত্বাৱধায়ক | ঃ | অসীম ৰঞ্জন শৰ্মা |

# নৱাগত আদৰণী সভা

# অধ্যক্ষৰ আদৰণী ভাষণ

## দক্ষিণ কামৰূপ মহাবিদ্যালয়, মির্জা

### দিনাংক ঃ ইং ২৫ আগষ্ট, ২০১৮ (শনিবাৰ)

শ্ৰদ্ধাভাজন আজিৰ নৱাগত আদৰণী সভাৰ মুখ্য অতিথি অসম উচ্চ শিক্ষা সঞ্চালকালয়ৰ শিক্ষাধিকৰ্তা, মাননীয়া শ্ৰীযুতা গীতিমণি ফুকন ডাঙৰীয়ানী, সন্মানিত অতিথি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° গুৰুপ্ৰসাদ খাটনিয়াৰ মহাশয়, বিশিষ্ট অতিথি পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীযুত প্ৰণৱ কলিতা মহোদয়, আমাৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ৰবীন গোস্বামীদেৱ আৰু সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত নিৰোদ কুমাৰ দাস ডাঙৰীয়া, আমন্ত্ৰিত শিল্পী অতিথি বিশিষ্ট কণ্ঠশিল্পী ৰাকেশ ৰিয়ান, আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া, সন্মানীয় অধ্যাপক-অধ্যাপিকাবৃন্দ, কৰ্মচাৰীবৃন্দ, মৰমৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকল, মাননীয় সংবাদসেৱীসকল আৰু মহাবিদ্যালয়ৰ শুভাকাংক্ষী বৃহত্তৰ দক্ষিণ কামৰূপৰ শ্ৰদ্ধাৰ ৰাইজ। আৰম্ভণিতে আপোনালোক সদৌটিকে এই মহান অনুষ্ঠানটিলৈ স্বাগত সম্ভাষণ জনাইছোঁ। আপোনালোকৰ উপস্থিতিয়ে মহাবিদ্যালয় পৰিয়ালটিক উৎসাহিত আৰু আনন্দিত কৰিছে।

আজি ২০১৮-১৯ বৰ্ষৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, স্নাতক প্ৰথম যাণ্মাসিক আৰু স্নাতকোত্তৰ প্ৰথম যাণ্মাসিক আৰু বিভিন্ন বিভাগত নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয় পৰিয়ালৰ তৰফৰপৰা আনুষ্ঠানিকভাৱে আদৰণী জনোৱা এটা শুভ দিন। সেয়েহে পোনতেই মই সমূহ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয় পৰিয়ালৰ হৈ আনুষ্ঠানিকভাৱে আদৰণী জনালোঁ। তোমালোকৰ ভৱিষ্যৎ জীৱন উজ্জ্বল আৰু মধুৰ হোৱাৰ কামনা কৰিলোঁ।

উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু সুধীবৃন্দ, দক্ষিণ কামৰূপ মহাবিদ্যালয় বৃহত্তৰ দক্ষিণ কামৰূপৰ এখনি অগ্ৰণী তথা উচ্চ শিক্ষাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান। ১৯৬১ চনত জন্মলাভ কৰা এই মহান অনুষ্ঠানটিৰ কলেৱৰ দিনক দিনে বাঢ়ি গৈ আছে। গুণগত আৰু পৰিমাণগত উভয় দিশতে এই পৰিসৰ বৃদ্ধিয়ে মহাবিদ্যালয়খনিৰ ঐতিহ্য বহন কৰিছে। সেয়েহে এই ছেগতে আজিৰ এই মঞ্চৰ পৰা আমাৰ সকলোৱে মৰমৰ মহাবিদ্যালয়খনিৰ ঐতিহ্য ৰক্ষা কৰিবলৈ নৱাগত আৰু পুৰণি সমূহ ছাত্ৰ-ছাত্ৰীকে আহ্বান জনালোঁ।

এইখিনিতে শ্ৰদ্ধাৰ অতিথিবৃন্দ, ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞাতাৰ্থে (ইং ২৪/০৮/২০১৮ তাৰিখ পৰ্যন্ত) আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰিমাণগত দিশটো জনাব বিচাৰিছোঁ —

| শ্ৰেণী | শাখা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ | কলা | ৫০৮ |
| উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ | বিজ্ঞান | ৩২২ |
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ | কলা | ৬৩২ |
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ | বিজ্ঞান | ৩১১ |
| স্নাতক প্ৰথম যাণ্মাসিক | কলা | ৮৬৬ |
| স্নাতক প্ৰথম যাণ্মাসিক | বিজ্ঞান | ৩৪৯ |
| স্নাতক তৃতীয় যাণ্মাসিক | কলা | ৭৬০ |
| স্নাতক তৃতীয় যাণ্মাসিক | বিজ্ঞান | ২৬৪ |
| স্নাতক পঞ্চম যাণ্মাসিক | কলা | ৬৫৬ |
| স্নাতক পঞ্চম যাণ্মাসিক | বিজ্ঞান | ২৩৮ |
| স্নাতক প্ৰথম যাণ্মাসিক | বাণিজ্য | ৫৯ |

| | | |
|---|---|---|
| স্নাতক তৃতীয় ষাণ্মাসিক | বাণিজ্য | ৬৩ |
| পি.জি.ডি.চি.এ. প্ৰথম ষাণ্মাসিক | —— | ৪০ |
| পি.জি.ডি.চি.এ. দ্বিতীয় ষাণ্মাসিক | —— | ৭০ |
| বি. ভ'ক. প্ৰথম ষাণ্মাসিক | —— | ৩৫ |
| বি. ভ'ক. তৃতীয় ষাণ্মাসিক | —— | ২৮ |
| বি. ভ'ক. পঞ্চম ষাণ্মাসিক | —— | ৬৫ |
| স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ | —— | ৪০ |
| স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ | —— | ৩৩ |
| স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ | —— | ১০ |
| বি. এম. চি. প্ৰথম ষাণ্মাসিক | —— | ০৭ |
| বি. এম. চি. তৃতীয় ষাণ্মাসিক | —— | ০৯ |
| বি. এম. চি. পঞ্চম ষাণ্মাসিক | —— | ০৫ |
| **সৰ্বমুঠ** | | **৫৩৭৪** |

আমাৰ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটি অধ্যয়ন কেন্দ্ৰ আছে। এই কেন্দ্ৰটিত B.A., B.Com., B.B.A., B.C.A., B.M.C., M.A., M.S.W., M.B.A., D.E.L.Ed. আদি বিষয় অধ্যয়নৰ সুবিধা আছে। ইয়াত সম্প্ৰতি ৭১০ গৰাকী ছাত্ৰ-ছাত্ৰী আছে। এই বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ মহাবিদ্যালয়খনি ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ সহযোগ অবিহনে অকল অধ্যক্ষ, শিক্ষক আৰু কৰ্মচাৰীয়ে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এই মহান অনুষ্ঠানটি নিজৰ বুলি জ্ঞান কৰি, সকলো গঠনমূলক কাম-কাজতে শৃংখলা আৰু নিয়মানুৱৰ্তিতাৰে ছাত্ৰ-ছাত্ৰীসকলে সু-ৰুচিৰ পৰিচয় দি মহাবিদ্যালয়ৰ গৌৰৱ অক্ষুণ্ণ ৰখাত আগভাগ ল'ব লাগিব।

এইখিনিতে ২০১৮ ইং বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে দাঙি ধৰিব বিচাৰিছোঁ —

| **শ্ৰেণী** | **অৱতীৰ্ণ পৰীক্ষাৰ্থীৰ সংখ্যা** | **উত্তীৰ্ণৰ সংখ্যা** | **উত্তীৰ্ণৰ হাৰ** | **প্ৰথম বিভাগ/প্ৰথম শ্ৰেণী** |
|---|---|---|---|---|
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা) | ৫৭৯ | ৫৫৪ | ৯৫.০৭ | ১৩৮ |
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান) | ৩৩৫ | ৩১৫ | ৯৪.০০ | ১৮৫ |
| স্নাতক চূড়ান্ত পৰীক্ষা (কলা) | ৬২২ | ৪০৫ | ৬৫.১১ | ১৬৬ |
| স্নাতক চূড়ান্ত বৰ্ষ (বিজ্ঞান) | ২৩৩ | ১৩৫ | ৫৭.৯৩ | ৬৪ |
| স্নাতকোত্তৰ, অসমীয়া ৩৯ | ৩৯ | ১০০.০০ | ১০ | |

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী লাভ কৰিছে অসমীয়া বিভাগৰ ২৯ জন, ইংৰাজী বিভাগৰ ৪ জন, ৰাজনীতি বিজ্ঞান বিভাগৰ ২৯ জন, অৰ্থনীতি বিভাগৰ ২২ জন, শিক্ষা বিভাগৰ ৪৩ জন, দৰ্শন বিভাগৰ ৩২ জন, বুৰঞ্জী বিভাগৰ ২ জন, পদাৰ্থ বিজ্ঞান বিভাগৰ ১৯ জন, ভূগোল বিজ্ঞান বিভাগৰ ৫ জন, ৰসায়ন বিজ্ঞান বিভাগৰ ৯ জন, প্ৰাণী বিজ্ঞান বিভাগৰ ১৮ জন, উদ্ভিদ বিজ্ঞান বিভাগৰ ১২ জন আৰু গণিত বিভাগৰ ৬ জন।

উল্লেখযোগ্য যে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ তাপস কলিতাই ৰসায়ন বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। তাপস কলিতাক মই ধন্যবাদ দিয়াৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

ছাত্ৰ-ছাত্ৰীসকল, আমাৰ মহাবিদ্যালয়ৰ ফলাফল উন্নত বুলি গৌৰৱবোধ কৰিছোঁ যদিও ইয়াতকৈও আৰু অধিক উন্নত ফলাফল আমাৰ কাম্য। কিয়নো সম্প্ৰতি প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ যুগত তিষ্ঠি থাকিবলৈ হ'লে শিক্ষাৰ্থীসকলে উন্নত ফলাফল লাভ কৰিবলৈ তৎপৰ হ'বই লাগিব। নৱাগতসকল, তোমালোকৰ এই মহান অধ্যয়নৰ ক্ষেত্ৰখনত সহায় কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাবৃন্দ তোমালোকৰ লগত সদায় আছে। উন্নত ফলাফলৰ বাবে লাগিব তোমালোকৰ একান্ত প্ৰচেষ্টা।

মোৰ কাৰ্যকালৰ বিগত বছৰবোৰত আমাৰ মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ যথাসম্ভৱ উন্নয়ন কৰা হৈছে। ইতিমধ্যে নতুন বিজ্ঞান ভৱন

মুকলি কৰা হৈছে। একেদৰে পুথিভঁৰালৰ নৱ-নিৰ্মিত ভৱনটিও অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰা হৈছে। আজি আমি প্ৰথমবাৰৰ বাবে নিৰ্মীয়মান প্ৰেক্ষাগৃহত নৱাগত আদৰণী সভা অনুষ্ঠিত কৰিছোঁ। এয়া আমাৰ বাবে গৌৰৱৰ বিষয়। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ সৎব্যৱহাৰ কৰি উপকৃত হ'লে আমি নথৈ আনন্দিত হ'ম। ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনিৰ পৱিত্ৰতা ৰক্ষা কৰি ঐতিহ্য তথা গৌৰৱ অক্ষুণ্ণ ৰখাত সহায় কৰিবলৈ আহ্বান জনালোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ সম্পদৰাজি নিজৰ বুলি জ্ঞান কৰি মহাবিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিব বুলি আশা কৰিলোঁ।

পুনৰবাৰ নৱাগতসকলক আদৰণি জনাই সভাত উপস্থিত সমূহ অতিথি, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ ৰাইজক মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ ভাষণৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ সহকাৰে —
**ড° ৰমেশ চন্দ্ৰ কলিতা**
*অধ্যক্ষ*
*দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা*

# ANNUAL ACTIVITY REPORT OF N.S.S. UNIT FOR THE YEAR – 2017-18

## DAKSHIN KAMRUP COLLEGE, MIRZA

## *IN CAMPUS ACTIVITIES*

| Sl. No | Date | Occasion | Venue | Total Volunteer |
|---|---|---|---|---|
| 1 | 03-05-17 | H.S. 2nd Year (Arts) Admission | D.K. College | 5 |
| 2 | 04-05-17 | H.S. 2nd Year (Science) Admission | D.K. College | 5 |
| 3 | 05-06-17 | World Environment Day | D.K. College | 20 |
| 4 | 16-06-17 | H.S. 1st Year (Science) Admission | D.K. College | 15 |
| 5 | 19-06-17 | H.S. 1st Year (Arts) Admission | D.K. College | 15 |
| 6 | 21-06-17 | International Yoga Day | D.K. College | 35 |
| 7 | 21-06-17 | B.Sc. 1st Semester Admission | D.K. College | 35 |
| 8 | 23-06-17 | B.A. 1st Semester Admission | D.K. College | 25 |
| 9 | 23-07-17 | Blood Donation Camp | D.K. College | 8 |
| 10 | 24-07-17 | Meeting of Sepcial Camp at Adopted Village | D.K. College | 17 |
| 11 | 26-07-17 to 30-07-17 | Special Camp at Adopted Village | D.K. College | 35 |
| 12 | 15-08-17 | Independent Day | D.K. College | 7 |
| 13 | 18-07-17 | General Meeting | D.K. College | 146 |
| 14 | 20-07-17 | One Day Camp for College Fresher's Social | D.K. College | 147 |
| 15 | 22-08-17 | College Fresher's Social | D.K. College | 110 |
| 16 | 04-09-17 | Dakshin Kamrup Media Organisation 5th Foundation Day | D.K. College | 22 |
| 17 | 05-09-17 | Teacher's Day | D.K. College | 81 |
| 18 | 24-09-17 | 48th N.S.S. Foundation Day | D.K. College | 70 |
| 19 | 25-09-17 | Swach Bharat Rally | D.K. College | 55 |
| 20 | 02-10-17 | Gandhi Jayanti | D.K. College | 43 |
| 21 | 11-11-17 | General Meeting of Teacher's | D.K. College | 13 |
| 22 | 14-11-17 | Foundation Day of College | D.K. College | 21 |
| 23 | 21-01-18 | Saraswati Puja | D.K. College | 22 |
| 24 | 26-01-18 | Republic Day | D.K. College | 8 |
| 25 | 19-01-18 | College Week | D.K. College | 35 |
| 26 | 27-01-18 | N.S.S. Wall Magazine | D.K. College | 10 |
| 27 | 28-01-18 | One Day Camp | D.K. College | 34 |
| 28 | 16-02-18 | Cultural Programme by News 18 Assam | D.K. College | 11 |
| 29 | 28-02-18 | Science Day | D.K. College | 9 |
| 30 | 08-03-18 | International Woman's Day | D.K. College | 7 |
| 31 | 07-06-18 | General Meeting | D.K. College, Mirza | 47 |
| 32 | 10-06-18 | One Day Camp | D.K. College, Mirza | 20 |

| | | | | |
|---|---|---|---|---|
| 33 | 14-06-18 | B. Sc.Admission | D.K. College, Mirza | 14 |
| 34 | 21-06-18 | H.S.1st Year (Science) Admission | D.K. College, Mirza | 30 |
| 35 | 25-06-18 | H.S. 1st Year (Arts) Admission | D.K. College, Mirza | 27 |
| 36 | 24-07-18 to 28-07-18 | Special Camp at Adopted Village | D.K. College, Mirza | 60 |
| 37 | 20-08-18 | General Meeting | D.K. College, Mirza | 119 |
| 38 | 20-08-18 | NYP Special Meeting | D.K. College, Mirza | 20 |
| 39 | 25-08-18 | Fresher's Social | D.K. College, Mirza | 106 |
| 40 | 15-09-18 | NYP Special Meeting | D.K. College, Mirza | 52 |
| 41 | 24-09-18 | N.S.S. Foundation Day | D.K. College, Mirza | 52 |
| 42 | 29-09-18 | Swachata Abhiyan | D.K. College, Mirza | 45 |
| 43 | 29-09-18 | Surgical Strike Day | D.K. College, Mirza | 45 |

## *OUT SIDE THE CAMPUS ACTIVITIES*

| Sl. No | Date | Occasion | Venue | Total Volunteer |
|---|---|---|---|---|
| 1 | 21-05-17 | Anti Tobacco Walkathon Rally | B. Baruah College | 19 |
| 2 | 21-06-17 | National Integration Camp | RUPA, Arunachal Pradesh | 05 |
| 3 | 05-07-17 | National Integration Camp | Joura, M.P. | 06 |
| 4 | 13-07-17 | One Day Camp | Shahid Bhaban, Mirza | 07 |
| 5 | 22-07-17 | Bharat Yatra Rally | Gauhati University | 16 |
| 6 | 30-09-17 | Sankardev Tithi | Rampur | 17 |
| 7 | 25-11-17 | International Children's Festival | Madhya Pradesh | 37 |
| 8 | 22-11-17 | State Level Convention | Gauhati University | 07 |
| 9 | 07-02-18 | Dr. S.N. Subba Rau's 90th Birthday | Sankardev Kalakhetra | 10 |
| 10 | 13-02-18 | National Integration Camp | Maharastra | 15 |
| 11 | 17-03-18 | Adventure Camp | Nagaon | 08 |
| 12 | 04-04-18 | National Integration Camp | Sikkim | 09 |
| 13 | 21-04-18 | National Integration Camp | Rajasthan | 06 |
| 14 | 23-05-18 | National Integration Camp | Madhya Pradesh | 10 |
| 15 | 20-06-18 | Rabha Divash | Mirza | 12 |
| 16 | 19-09-18 | Tithi of Sankardev | Rampur | 30 |
| 17 | 22-09-18 | Blood Donation Camp | D.K. Girl's College | 10 |
| 18 | 28-09-18 to 30-09-2018 | N.S.S. Mega Camp | Gauhati University | 03 |

***The Report is prepared by –***



**Dhruba Das**
Organizer, N.S.S. Unit

# বিভাগীয় প্ৰতিবেদন



## বিকি শৰ্মা
### সভাপতি

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সুৱৰিছোঁ নিজৰ প্ৰাণ বলিদান দি দেশ ৰক্ষা কৰা প্ৰতিগৰাকী শ্বহীদক। শ্ৰদ্ধাৰে সুৱৰিছোঁ সেইসকল মহান ব্যক্তিক যিসকলৰ উমৈহতীয়া পৰিশ্ৰম, চিন্তাধাৰা আৰু সাধনাৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপৰ এই জাকত জিলিকা মহাবিদ্যালয় 'দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা'ৰ জন্ম হৈছিল। ২০১৬ চনত দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ 'চেন্টাৰ ফ'ৰ মিডিয়া ষ্টাডিজ'ৰ প্ৰথম ষাণ্মাষিকত নামভৰ্তি কৰি মহাবিদ্যালয়ৰ চৌহদত পোন প্ৰথমবাৰৰ বাবে ভৰি দিছিলো। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰিৱেশ, ছাত্ৰ-ছাত্ৰীৰ সমাগম, মালিয়াটা পাহাৰে মোক আকৰ্ষিত কৰিছিল। পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰী বৃন্দৰ মৰমে মোক আপ্লুত কৰিছিল।

মহাবিদ্যালয়ে মোক দিয়া মৰম, মোৰ কৰ্মৰ জৰিয়তে ঘুৰাই দিব বিচাৰিছিলো যদিও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত অন্তভূক্ত হ'ম বুলি ভবা নাছিলো। কিন্তু অসমৰ এখন আগশাৰীৰ প্ৰতিষ্ঠান, মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰি, ছাত্ৰ একতা সভাৰ দ্বিতীয় গৰাকী সভাপতি ৰূপে এটি দায়িত্বশীল পদত মোক অধিষ্ঠিত কৰোৱাৰ বাবে মই চিৰকৃতজ্ঞ। শপত গ্ৰহণ অনুষ্ঠানৰ কাৰ্যসূচীৰ মাজেৰে, মোৰ কাৰ্যকালৰ সমূহ কাম-কাজ নিয়াৰিকৈ তথা নিষ্ঠাৰে পালন কৰিম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

**প্ৰতিষ্ঠা দিৱস ঃ** ছাত্ৰ একতা সভাৰ সভাপতিৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে পৰৱৰ্তী কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা অবিভক্ত কামৰূপ জিলা ভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত নিমন্ত্ৰিত মহাবিদ্যালয় সমূহৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। দিনজুৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই কাৰ্যসূচী আবেলি সমাপ্ত হয় আৰু লগতে ফলাফল সমূহ ঘোষণা কৰা হয়। উক্ত প্ৰতিযোগিতাখন প্ৰতিবছৰে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় কিন্তু এই বেলি স্নাতক যান্মাসিক পৰীক্ষাৰ কাৰ্যসূচীৰ বাবে প্ৰতিযোগিতাখন কিছু আগুৱাই দি ৪-১১-২০১৭ ইং তাৰিখে অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয়ত মোৰ দ্বিতীয়টো কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ৫৭ তম মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এই বছৰো ১৪ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণী স্বৰূপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে পতাকা উত্তোলন তথা বন্তি প্ৰজ্বলন কৰি দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰে।

**সৰস্বতী পূজা ঃ** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা প্ৰতিবছৰে আমাৰ মহাবিদ্যালয়ত উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। মোৰ কাৰ্যকালত সৰস্বতী পূজা ২২-০১-২০১৮ তাৰিখে পালন কৰা হয়। পূজাৰ কিছুদিন পূৰ্বৰে পৰা আয়োজন, নিমন্ত্ৰণ আদিত ব্যস্ত থকা হৈছিল। পূজাৰ আগৰদিনা মণ্ডপসজ্জা, চাফ-চিকুণ কৰা লগতে 'মা' সৰস্বতীৰ মূৰ্তি অনা আদি কাম কাজত ৰাতি প্ৰায় ২ বজালৈ ব্যস্ত আছিলো। উল্লেখযোগ্য যে, পূজাৰ দিনা মহাবিদ্যালয়ত যথেষ্ট ভিৰ দেখা গৈছিল 'মা' সৰস্বতী দেৱীৰ চৰণত আশিস বিচাৰিছিল। পূজাৰ অন্তত প্ৰসাদ হিচাপে খিচিৰি বিতৰণ কৰা হৈছিল। উক্ত দিনটো সকলোৱে উলহ-মালহেৰে উদ্‌যাপন কৰো।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ**

বিগত বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। ২০১৭-১৮ বৰ্ষৰ ২৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰী, ২০১৮ লৈ ৫ দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচী হিচাপে ২৯ তাৰিখে পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে পতাকা উত্তোলন কৰে। এইবেলি মহাবিদ্যালয় সপ্তাহ কিছু অন্যতম ৰূপত দেখিবলৈ পোৱা গৈছিল। ছাত্ৰ-ছাত্ৰীৰ ব্যাপক যোগদানে আমাক সকলোকে আনন্দিত কৰিছিল। এইবেলি মহাবিদ্যালয়ৰ সপ্তাহৰ অন্যতম

কাৰ্যসূচী বা প্ৰতিযোগিতা আছিল আন্তঃ বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰা। এই সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাই ব্যাপক সাফল্য লাভ কৰে। অসমৰ কৃষ্টি-সংস্কৃতি সমূহ শোভাযাত্ৰাত দাঙি ধৰা হয়। তাৰ পিছত অনুষ্ঠিত কৰা হয় বিভিন্ন প্ৰতিযোগিতা। বিভিন্ন বিভাগ সমূহৰ সম্পাদক-সম্পাদিকা সমূহে খেল-ধেমালিৰ লগতে, সাংস্কৃতিক, সাহিত্য, তৰ্ক ইত্যাদি বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সভাপতি হিচাপে মই এই সকলো প্ৰতিযোগিতাসমূহ তদাৰকৰ দায়িত্ব পালন কৰিছিলো। এইবেলি মহাবিদ্যালয় সপ্তাহৰ সমূহ প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ ভিৰ পৰিলক্ষিত হৈছিল আৰু তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জনাইছো। পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত মহাবিদ্যালয়ৰ অন্তিম দিন ২-০২-১৮ শুক্ৰবাৰে বঁটা বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত প্ৰতিযোগিতাৰ বিজয়ী সমূহক পুৰষ্কৃত কৰা হয়। সভাত সভাপতিৰ আসন গ্ৰহণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে। সভাত শ্ৰীযুত ৰবীন গোস্বামীদেৱে মুখ্য অতিথিৰ স্থান গ্ৰহণ কৰে। এই সভাত সন্মানীয় অতিথি শ্ৰীযুত প্ৰণৱ কলিতা (বিধায়ক, পলাশবাৰী সমষ্টি), শ্ৰীযুত ধনেশ্বৰ কলিতা (প্ৰাক্তন উপাধ্যক্ষ)ৰ লগতে শ্ৰীযুত নিৰোদ কুমাৰ দাস উপস্থিত থাকে। অতিথি সকলে বিজয়ী সকলক বঁটা প্ৰদান কৰে লগতে নিজৰ ভাষণৰ জৰিয়তে ছাত্ৰ জীৱনত প্ৰয়োজনীয় ভিন্ন উপদেশ প্ৰদান কৰে। আবেলি এই বঁটা বিতৰণী সভাৰ সমাপ্তি ঘটাৰ লগে লগে মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচীৰ অন্ত পৰে।

এইবেলি মহাবিদ্যালয় সপ্তাহৰ অন্যতম আকৰ্ষণ আছিল মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস বনাম মহাবিদ্যালয়ৰ ছাত্ৰীৰ মাজত হোৱা ক্ৰিকেট খেলখন। খেলত দঃ কাঃ মহাবিদ্যালয়ৰ ছাত্ৰীয়ে জয়লাভ কৰে। লগতে মহাবিদ্যালয়ৰ অধ্যাপক বনাম ছাত্ৰ একতা সভাৰ মাজতো এখনি প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হয়।

অন্য বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ 'চেন্টাৰ ফ'ৰ মিডিয়া ষ্টাডিজে' — 'Explora' সংযোগ সেঁতু নামে এখনি প্ৰদৰ্শনীৰ আয়োজন কৰে। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ছবি, ফটোগ্ৰাফ, আৰ্হি, ইত্যাদি তাত প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়, যত উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষুৰ লগতে সংগীত পৰিচালক ইবচন লাল বৰুৱাদেৱ। মহাবিদ্যালয়ৰ সপ্তাহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ বায়টেক হাবে এখনি বিজ্ঞান আৰ্হি প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ব্যাপক ৰূপত সাফল্য লাভ কৰিছে আৰু তাৰ আঁৰত থকা সমূহ ব্যক্তিক তথা ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জনাইছো। লগতে বিভাগীয় সম্পাদক সমূহে নিজৰ বিভাগৰ প্ৰতিযোগিতা সমূহ নিয়াৰিকৈ চলাই নিয়াৰ বাবে ধন্যবাদ জনাইছো।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ অন্তিমটো কাৰ্যসূচী আছিল নৱাগত আদৰণী সভা। এইবেলি নৱাগত আদৰণী সভা ২৫ আগষ্ট, ২০১৮ শনিবাৰে অনুষ্ঠিত কৰা হয়। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ নৱাগত সকলক আদৰণী জনোৱাৰ বাবে উক্ত দিনা দিনজুৰা কাৰ্যসূচীৰে সভাখন অনুষ্ঠিত কৰা হয়। পুৱা অনুষ্ঠানৰ কাৰ্যসূচীস্বৰূপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে পতাকা উত্তোলন কৰে। তাৰ পৰৱৰ্তী কাৰ্যসূচী ক্ৰমে ড° আম্বেডকাৰৰ মূৰ্তিত মাল্যাৰ্পণ, NSS ফলকত বন্তি প্ৰজ্বলন, শ্বহীদ তৰ্পন, ড° মামনি ৰয়ছম গোস্বামী বাইদেউৰ মূৰ্তিত মাল্যাৰ্পণ, অংকুৰ প্ৰাচীৰ পত্ৰিকা, জোনাকী উন্মোচন, প্ৰতিষ্ঠাপক অধ্যক্ষ গজেন্দ্ৰ নাথ ঠাকুৰীয়াদেৱৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ আদি কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই বেলি মহাবিদ্যালয় নৱাগত আদৰণী সভা মহাবিদ্যালয়ৰ নৱ নিৰ্মিত প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয় আৰু অনুষ্ঠানৰ আৰম্ভণিৰ পূৰ্বে প্ৰেক্ষাগৃহৰ দ্বাৰ মুকলি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে। ইয়াৰ পিছতেই আৰম্ভ হয় ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। দিনৰ ১.৩০ বজাৰ পৰা আৰম্ভ হয় মুকলি সভাখন। সভাখনৰ সভাপতিৰ আসন গ্ৰহণ কৰে ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে, অনুষ্ঠানত সন্মানিত অতিথিৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° গুৰুপ্ৰসাদ খাটনিয়াৰ উপস্থিত থাকে। সভাত বিশিষ্ট অতিথি ৰূপে শ্ৰীযুত প্ৰণৱ কলিতা (বিধায়ক, পলাশবাৰী সমষ্টি), শ্ৰীযুত ৰবীন গোস্বামী (সভাপতি দঃ কাঃ মহাবিদ্যালয় পৰিচালনা সমিতি) আৰু শ্ৰীযুত নিৰোদ কুমাৰ দাসদেৱে। নৱাগত আদৰণী সভাত এইবেলি আমন্ত্ৰিত শিল্পী অতিথি হিচাপে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ান উপস্থিত থাকে। তেখেতৰ সংগীত অনুষ্ঠানে সকলোকে আপ্লুত কৰে আৰু এনেদৰে অনুষ্ঠানটো সুকলমে অনুষ্ঠিত হৈ যায়।

**সামৰণি ঃ** দক্ষিণ কামৰূপ মহাবিদ্যালয়ে মোক আৰম্ভণিৰে পৰাই যথেষ্ট মৰম দি আহিছে। সুদূৰ ওদালগুৰি জিলা টংলাৰ পৰা আহি মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত জয়যুক্ত হোৱাটো কঠিন আছিল যদিও ভাইটি-ভন্টি, দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীৰ অশেষ কষ্টৰ অন্তত মই জয়লাভ কৰিছিলো আৰু সকলোকে এই ছেগতে মোক এই সুবিধা প্ৰদান কৰাৰ বাবে ধন্যবাদ জনাইছো। বিপ্লৱ তালুকদাৰ, মনোজ ঠাকুৰীয়া, অসীম ৰঞ্জন, ৰাকেশ, শ্ৰীতিষ্মিতা, দেৱশ্ৰী, হিমাশ্ৰী, কুকি, ধৰিত্ৰী, দৰ্শনা, ইন্দ্ৰানী, কৰন আদি সমূহ বন্ধু-বান্ধৱীৰ লগতে মহাবিদ্যালয়ৰ ১ নং ছাত্ৰাবাসৰ সমূহ আৱাসীক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এইছেগতে মই মোৰ সমস্ত কাৰ্যকালছোৱাত পৰামৰ্শৰে বাট দেখুওৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা তত্বাৱধায়ক ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰদেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ত বিভিন্ন সময়ত মোক সহায় সহযোগিতা আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰ একতা সভাৰ সমূহ প্ৰতিনিধিক মই এই ছেগতে শলাগিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত দোষ-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*

*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন



## অপৰাজিতা দৈমাৰী

**উপ-সভাপতি**

সমগ্ৰ দক্ষিণ কামৰূপৰ ভিতৰত অন্যতম এক উজলি উঠা শিক্ষাৰ কেন্দ্ৰস্থল হৈছে — 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'।

প্ৰতিবেদনৰ পাতনি মেলাৰ আৰম্ভণিতে মই সেই সকল চিৰনমস্য ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো- যিসকল ব্যক্তিয়ে নিঃস্বাৰ্থমনে দেশপ্ৰেমত প্ৰাণ আহুতি দিয়াৰ লগতে শিক্ষাৰ মেৰুদণ্ডৰূপে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৃষ্টি কৰি থৈ গৈছে। এইসকল মহান ব্যক্তিৰ বাবে দক্ষিণ কামৰূপ মহাবিদ্যালয় উজলি উঠা শলিতা গছিৰ দৰে জ্বলি আছে।

মহাবিদ্যালয়লৈ এক নতুনত্ব অনাৰ প্ৰয়াসেৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ-একতা সভাৰ উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিছিলো। নভৰা সপোন এটা হঠাৎ সফল হ'ল। এই গুৰুত্বপূৰ্ণ পদত মোক অধিষ্ঠিত কৰাই সেৰা আগবঢ়াবলৈ সুবিধাকণ দিয়াত সমূহ ভাইটি-ভন্টি, দাদা-বাইদেউ, বন্ধু-বান্ধৱীলৈ মই মোৰ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো। মই তথা আমাৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ নামত সেৱা আগবঢ়াওঁতে হয়তো ভুল-ত্ৰুটি থাকি গৈছে। তাৰ বাবে আমি মহাবিদ্যালয় পৰিয়ালবৰ্গৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। আশা কৰো যাতে নৱনিৰ্বাচিত ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ সন্মান বজাই ৰাখে।

বৰ্তমান যান্ত্ৰিক যুগত মানুহে সুস্থ-সবল পৰিৱেশ বিচাৰে। কিয়নো এনে পৰিৱেশতহে মানুহ আগুৱাব পাৰে। মহাবিদ্যালয়ৰ যুৱ প্ৰজন্মই যাতে সৰল বাতাবৰণ আনিব পাৰে তাৰ প্ৰতি দায়িত্বশীল হ'ব লাগে।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ** অইন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। সেই পবিত্ৰ দিনটো পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হৈছিল। দিনযোৰা বিভিন্ন কাৰ্যসূচীৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ সামৰণি মৰা হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ কৰাৰ মঞ্চ স্বৰূপ মহাবিদ্যালয় সপ্তাহ হৈছে আমাৰ দ্বিতীয় কাৰ্যসূচী। অইন বেলিৰ দৰে এই বেলিও ২৯-১-২০১৮ ইং তাৰিখৰ পৰা ২-২-২০১৮ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। ড° ৰমেশ চন্দ্ৰ কলিতা ছাৰদেৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয় সপ্তাহ শুভাৰম্ভ কৰে। বিভিন্ন প্ৰতিযোগিতাৰে মহাবিদ্যালয় সপ্তাহ কাৰ্যসূচীৰ অন্ত পৰে।

**সৰস্বতী পূজা ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত সৰস্বতী পূজা উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। উক্ত দিনটোত মহাবিদ্যালয়ৰ লগতে অইন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আহি শ্ৰীশ্ৰী মা সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ অন্তিম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা। ভৱিষ্যতৰ আশা, সপোন, উজ্জীৱিত কৰি তুলিবলৈ অহা সমূহ নৱাগতক আদৰণী জনোৱাৰ উদ্দেশ্যে ২২ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে পতাকা উত্তোলন কৰে। বিভিন্ন ধৰণৰ বাৰে ৰহণীয়া কাৰ্যসূচীৰে সভাখন আগবঢ়াই লৈ যোৱা হয়। নৱাগত আদৰণী সভাৰ নিমন্ত্ৰিত অতিথি আছিল বিশিষ্ট শিল্পী ৰাকেশ ৰিয়ান।

সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*জয় আই অসম*

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়"।*

# বিভাগীয় প্ৰতিবেদন



## হিৰকজ্যোতি দাস

**সাধাৰণ সম্পাদক**

**সোঁৱৰণীৰ আঁত ধৰি ঃ** প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মই দেশ মাতৃৰ বাবে শ্বহীদ হোৱা প্ৰতিগৰাকী মহান অনুভৱৰ বীৰ-বীৰঙ্গনাক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। মূৰ দোৱাই প্ৰণিপাত জনাইছো। প্ৰতিগৰাকী মহৎ মণিষীক, যিসকলৰ সুকৰ্মই অসম জননীৰ ভাষা সাহিত্য সংস্কৃতি বিশ্বৰ দৰবাৰত চিনাকী কৰি দি আমাক এৰি থৈ গ'ল।

শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেই মহান ব্যক্তিসকলক যিসকলৰ উমৈহতীয়া আৰু একান্তিক প্ৰচেষ্টাৰ ফলত গঢ় লৈ উঠিছিল এই ঐতিহ্য মণ্ডিত আৰু গৌৰৱময় দক্ষিণ কামৰূপ মহাবিদ্যালয়। হে মান্যবৰ, আপোনাসৱৰ চেষ্টাৰ ফলতেই আজি আমাৰ মহাবিদ্যালয়ৰ পঞ্চাশ বছৰীয়া বৰ্ষপূৰ্তিৰ গৌৰৱ উজ্জ্বল সোণালী ইতিহাসবোৰ উজ্জীৱিত হৈ উঠিছে। স্মৃতিৰ পৰশত আজিও আপোনালোক আমাৰ অন্তৰত জীপাল হৈ আছে।

এই অৰ্দ্ধ শতবৰ্ষৰ সফলতা গৰকা মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে দায়িত্বশীল পদত মোক অধিষ্ঠিত কৰাই মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ দিয়াৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ, বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। নিৰ্বাচনৰ পিছত উপাধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰদেৱে মহাবিদ্যালয়ৰ সকলো নীতি-নিয়ম লগতে মোক শপতবাক্য পাঠ কৰাইছিল। সেইদিনাৰে পৰাই অতি নিষ্ঠা আৰু সাহসেৰে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াইছিলোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণী**

**প্ৰতিষ্ঠা দিৱস ঃ**

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ৫৭ তম প্ৰতিষ্ঠা দিৱস আৰু প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হৈছিল অবিভক্ত কামৰূপ জিলাভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। বিগত বছৰবোৰৰ দৰে এইবছৰো পতাকা উত্তোলন, শ্বহীদ তৰ্পন, ড° আম্বেদকাৰৰ মূৰ্তিত মাল্যাৰ্পণ। এন.এছ.এছ.ৰ ফলকত মাল্যাৰ্পণ, মামণি ৰয়ছম গোস্বামীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু প্ৰতিষ্ঠাক অধ্যক্ষ স্বৰ্গীয় গজেন্দ্ৰ নাথ ঠাকুৰীয়াদেৱৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ পালন কৰা হয় আৰু সন্ধিয়া পতাকা অৱনমন আৰু বন্তি প্ৰজ্বলন কাৰ্য্যসূচীৰে প্ৰতিষ্ঠা দিৱসটি সামৰণি মৰা হয়।

**সৰস্বতী পূজা ঃ**

বিগত বছৰটোৰ দৰে এইবেলিও ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ২৯ জানুৱাৰী, ২০১৮ ৰ পৰা ২ ফেব্ৰুৱাৰী ২০১৮ লৈ পাঁচদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্য্যসূচী হিচাপে ২৯ তাৰিখে পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পাছতেই মহাবিদ্যালয়ৰ অন্যতম আকৰ্ষণ হিচাপে আছিল বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰা। এই সাংস্কৃতিক শোভাযাত্ৰাই ব্যাপক সাফল্য লাভ কৰে। অসমৰ কৃষ্টি-সংস্কৃতি সমূহ শোভাযাত্ৰাত দাঙি ধৰা হয়। তাৰ পিছত বিভাগীয় সম্পাদকসকলক বিবিধ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাত যৎপৰোনাস্তি সহায়ৰ হাত আগবঢ়াওঁ। মহাবিদ্যালয় সপ্তাহৰ যিসকল শ্ৰেষ্ঠ প্ৰতিযোগী, তেওঁলোকক ০২-০২-১৮ ইং তাৰিখে বঁটা বিতৰণী সভাত বঁটা প্ৰদান কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় মুকলি সভা। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা ছাৰদেৱে। মুখ্য অতিথি হিচাপে থাকে শ্ৰীযুত ৰবীন গোস্বামী (সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি), সন্মানীয় অতিথি হিচাপে থাকে শ্ৰীযুত প্ৰণৱ কলিতা (বিধায়ক, পলাশবাৰী সমষ্টি) আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শ্ৰীযুত নিৰোদ কুমাৰ দাসদেৱ (উপদেষ্টা, সদৌ কামৰূপ জিলা ছাত্ৰ

সন্থা)। এই সকল মহান ব্যক্তিৰ উপস্থিতিয়ে সকলোকে উৎসাহিত কৰে আৰু ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ আন্তৰিকতাৰে পালন কৰা হয়।

**সৰস্বতী পূজা ঃ** (২২-০১-১৮) প্ৰতিবছৰৰ দৰে এইবেলিও সৰস্বতী পূজা উলহ-মালহেৰে উদ্‌যাপন কৰা হয় আৰু ৰাতিপুৱাৰে পৰা মহাবিদ্যালয়ৰ ভিতৰচ'ৰা আনন্দময় পৰিৱেশে বিৰাজ কৰা দেখা যায়। পুৰা ব্ৰাহ্মণে বেদীত দেৱীৰ প্ৰতিমা স্থাপন কৰি মন্ত্ৰ ধ্বনিৰে পূজা আৰম্ভ কৰে। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰী মা সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰি গুৰু-শিষ্যবৃন্দই মাৰ আশীৰ্বাদ গ্ৰহণ কৰে।

**নৱাগত আদৰণী সভা ঃ**

আটাইৰে হেঁপাহৰ নৱাগত আদৰণী সভা অনুষ্ঠান। এইবেলিও নৱাগত ছাত্ৰ-ছাত্ৰীৰ আদৰণীৰ অৰ্থে নৱাগত আদৰণী সভাখন দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। ২৫-০৮-১৮ ইং তাৰিখ শনিবাৰে অনুষ্ঠিত আদৰণী সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা ছাৰে। ইয়াৰে লগতে উপস্থিত থাকে সন্মানীয় অতিথি হিচাপে ড° গুৰুপ্ৰসাদ খাটনিয়াৰ (শৈক্ষিক পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়), বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰণৱ কলিতা (বিধায়ক, পলাশবাৰী সমষ্টি), শ্ৰীযুত ৰবীন গোস্বামী (সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি), শ্ৰীযুত নিৰোদ কুমাৰ দাস (উপদেষ্টা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা) আৰু নিমন্ত্ৰিত শিল্পী অতিথি হিচাপে উপস্থিত থাকে শ্ৰীযুত ৰাকেশ ৰিয়ান। তেখেতসকলৰ তত্বগধূৰ ভাষণে ছাত্ৰ বন্ধুসকলক বৰকৈয়ে আপ্লুত তথা উৎসাহিত কৰে। অনুষ্ঠানটোত শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে আমাক বিশেষ ধৰণে সহায়-সহযোগিতা আগবঢ়ায়।

**ধন্যবাদেৰে কৃতজ্ঞতা ঃ**

পোন প্ৰথমে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যিসকলে মোক জয়যুক্ত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুবিধাকণ আগবঢ়ালে। এইখিনিতে মই প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ পৰা প্ৰতিটো ক্ষণতে মোৰ লগত থাকি সকলো ধৰণে সহায় কৰা মোৰ দাদা স্বৰূপ সৰ্বশ্ৰী অঞ্জনজ্যোতি দাস, নিৰোদ কুমাৰ দাস, পৃথিৱী দাস, মানস প্ৰতিম বৰা, হিমাংশু দাস, বিকি, মানস, ৰমেন, দিৱজ্যোতি, দেৱজিৎ, হৃষিকেশ, সমীৰণ, দ্বীপমণি, ইন্দ্ৰজিৎ, কমল আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এইখনিতে মই মোৰ সমস্ত কাৰ্যকালৰ উৎসাহ পৰামৰ্শৰ বাট দেখুওৱা পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ চৌহদ উজলাই ৰখাত সদায় আগভাগ লোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সংগঠক ডাঙৰীয়াৰ লগতে প্ৰতিগৰাকী স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকালৈ মোৰ আন্তৰিক আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে বিভিন্ন দিহা-পৰামৰ্শেৰে মোক সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় সম্পাদক-সম্পাদিকালৈ মোৰ কৃতজ্ঞতা জনালোঁ।

**সামৰণি ঃ**

শেষত, দক্ষিণ কামৰূপ মহাবিদ্যালয়ে এনেদৰে জ্ঞানৰ পোহৰ বিলাই থাকক, সমাজ তথা দেশৰ বাবে সুযোগ্য নাগৰিক সৃষ্টি কৰি থাকক আৰু শিক্ষাৰ এক নতুন দিগন্ত সৃষ্টি কৰক তাৰেই কামনা কৰিলোঁ। প্ৰতিবেদনখনিত যদি কিবা নক'বলগীয়া কথা কৈ দিয়া গ'ল তাৰ বাবে আৰু মোৰ কাৰ্যকালছোৱাত অজানিতে হোৱা অনাকাংক্ষিত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*

*"জয়তু ছাত্ৰ একতা সভা"*

# বিভাগীয় প্ৰতিবেদন



## হিৰকজ্যোতি কলিতা

### সহঃ সাধাৰণ সম্পাদক

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় স্বাৰ্থৰ খাতিৰত প্ৰাণ আহুতি দিয়া মহান ব্যক্তিসকলক মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। যিসকল মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমেৰে দক্ষিণ কামৰূপ মহাবিদ্যালয় শিক্ষাৰ জ্ঞানমন্দিৰৰূপে গঢ়ি তুলিলে — য'ত আজি হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ সমাগম হয় জ্ঞান পূজাৰীৰ ৰূপত, এই সুযোগতে সেইসকল মহান ব্যক্তিলৈ মোৰ অশেষ শ্ৰদ্ধা আৰু ভক্তি জ্ঞাপন কৰিলোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ দৰে এক গুৰুত্বপূৰ্ণ পদত জয়যুক্ত কৰাই ছাত্ৰ-ছাত্ৰীৰ বাবে সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ ডিকেচিয়ানলৈ তথা বন্ধু-বান্ধৱীসকললৈ মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ** ঃ মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ১৪ নৱেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ৫৬ তম্ প্ৰতিষ্ঠা দিৱস উৎযাপন কৰা হয়। ইয়াৰ পিছতেই অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত মোক যিখিনি দায়িত্ব অৰ্পণ কৰা হৈছিল, সেই সকলো দায়িত্ব সুচাৰুৰূপে পালন কৰাত যিখিনি বন্ধু-বান্ধৱীয়ে মোক সহায়-সহযোগিতা আগবঢ়াইছিল, এই চেগতে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইয়াৰ পিছতেই শ্ৰীশ্ৰী সৰস্বতী পূজাখন সুচাৰুৰূপে পালন কৰা হয়। পৰৱৰ্তী সময়ত নৱাগত আদৰণী সভাখন সুচাৰুৰূপে হৈ যায়। উপস্থিত থাকে জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ান।

প্ৰতিবেদনৰ শেষত মোৰ এবছৰীয়া কাৰ্যকালত সকলো দিশতে সহায়-সহযোগ কৰা মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় লগতে ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ আৰু বন্ধু-বান্ধৱী সকলোকে পুনৰবাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ আৰু অনিচ্ছাকৃত কাৰণত হ'ব পৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*
*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন



**ভবিতা দাস**

**সাহিত্য আৰু**
**আলোচনী বিভাগ**

ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ লগত জন্মলগ্নৰে পৰা জড়িত হৈ থকা লোক সকলক মই পাতনিতে শ্ৰদ্ধাৰে সুঁৱৰিছো।

২০১৭-১৮ বৰ্ষৰ নিৰ্বাচনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিপুল সঁহাৰিত সৰ্বাধিক ভোটত জয়ী হৈ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মজিয়াত সোমাই পৰিছিলো আৰু মূৰ পাতি লৈছিলো মহাবিদ্যালয়ৰ সাহিত্য সমাজৰ উন্নতিৰ দায়িত্ব। লগতে 'দক্ষিণ পট'ৰ ৪৬ তম সংখ্যাৰ সম্পাদকৰ দায়িত্ব লাভৰ ফলত যথেষ্ট উৎসাহী হৈ পৰিছিলো। এখন সুন্দৰ আলোচনী ছাত্ৰ সমাজৰ হাতত তুলি দিম বুলি মনতে থিৰাং কৰিছিলো।

নিৰ্দিষ্ট সময়ত আলোচনী এখন প্ৰকাশ কৰি উলিওৱা সম্ভৱপৰ হৈ পৰে তেতিয়া, যেতিয়া লেখক-লেখিকা সকলে উচিত সময়ত লিখনিসমূহ জমা দিয়ে। কাৰণ প্ৰয়োজনীয় লিখনিৰ অবিহনে আলোচনী এখন প্ৰকাশ কৰাতো সম্ভৱ নহয়।

**কাৰ্যকালৰ চমু আভাষ** ঃ প্ৰতিষ্ঠা দিৱস, মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণী সভা, আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আদি কাৰ্যকালৰ কিছু উল্লেখযোগ্য কাৰ্যসূচী।

২৯ জানুৱাৰী, ২০১৮ বিশাল সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ ২ ফেব্ৰুৱাৰী, ২০১৮ লৈ, ৫ দিনীয়া কাৰ্যসূচীৰে। প্ৰথমদিনা ছাত্ৰ একতা সভাৰ মুখ্য প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' উন্মোচন কৰা হয়। ইয়াৰ লগে লগে আৰম্ভ হয় সাহিত্য, শিল্পকলা আৰু ফটোগ্ৰাফীৰ বিভিন্ন প্ৰতিযোগিতা। সাহিত্য বিভাগৰ বিভিন্ন কাৰ্যসূচী চলাই নিয়াৰ বাবে মোক সহায় কৰা মোৰ শ্ৰদ্ধাৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়ক ড° গাৰ্গী চক্ৰৱৰ্তী বাইদেউৰ লগতে শ্ৰদ্ধাৰ সুনীল তালুকদাৰ ছাৰ, মানস প্ৰতিম ছাৰ, এড্‌ৱাৰ্ড ষ্টেডী এন চাংমা ছাৰৰ লগতে অন্যান্য বিচাৰক মণ্ডলীৰ পৰাও অশেষ সহায় লাভ কৰো।

নৱাগত আদৰণী সভাৰ কাৰ্যসূচীসমূহ সুন্দৰকৈ পালন কৰা হয়। নৱাগত আদৰণী সভাৰ আৰম্ভণিতে ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' উন্মোচন কৰা হয়।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ** ঃ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ মধ্য মণ্ডলপ বাচনি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ সোণাপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। সাহিত্য, কলা, সাংস্কৃতিক, বক্তৃতা সকলো ক্ষেত্ৰতে আমাৰ মহাবিদ্যালয়ে ভাল ফলাফল লাভ কৰিছিল। কাৰ্টুন প্ৰতিযোগিতাত চিন্ময় কুমাৰ দাসে দ্বিতীয় স্থান লাভ কৰি গুৱাহাটী মহাবিদ্যালয়ত কাৰ্টুন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল।

ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ ৯ ফেব্ৰুৱাৰী ২০১৮ ৰ পৰা ১১ ফেব্ৰুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত কৰা হৈছিল। দেশ-বিদেশৰ বিভিন্ন লিখকৰ সান্নিধ্য লাভ কৰাৰ ফলত আমাৰ মহাবিদ্যালয় অংশ গ্ৰহণকাৰী সকলৰ বহু লাভ হৈছিল।

**প্ৰতিবেদনৰ ইতিৰেখাৰ দুআষাৰ** ঃ মহাবিদ্যালয়ৰ সম্পাদক হিচাপে সকলোৰে সহায়ত মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰিবলৈ পাই মই সুখী অনুভৱ কৰো।

কাৰ্যকালৰ সময়ছোৱাত মোক সহায়, পৰামৰ্শ, সাহস, অনুপ্ৰেৰণা দি উৎসাহৰ বাট দেখুওৱা শ্ৰদ্ধাৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা, উপাধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া মহোদয়, তত্বাৱধায়ক

ড° গাৰ্গী চক্ৰবৰ্তী বাইদেউৰ লগতে সম্পাদনা সমিতিৰ সমূহ সদস্যক মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। ইয়াৰ লগতে মোৰ শ্ৰদ্ধাৰ মেধীছাৰ, সমূহ শিক্ষক আৰু অনা শিক্ষক কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ, ৰাষ্ট্ৰীয় সেৱা আচঁনি গোটৰ সমূহ সদস্যবৃন্দক হৃদয়ৰ পৰা অশেষ ধন্যবাদ জনাছোঁ।

মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰা সকলো অংশগ্ৰহণকাৰী আৰু 'দক্ষিণ পট' ৪৬ তম সংখ্যক প্ৰকাশৰ বাবে লিখনী আগবঢ়োৱা (নিৰ্বাচিত আৰু অনিৰ্বাচিত হোৱা) সকলো লিখককে ধন্যবাদ জনাইছোঁ।

মোৰ কাৰ্যকালত মোক উৎসাহ, সহযোগিতা, পৰামৰ্শৰে ভৰাই তোলা মোৰ অতিকে আপোন বন্ধু-বান্ধৱীসকলৰ কথা কব লাগিব। তোমালোকে মোৰ জীৱনত প্ৰেৰণা আগবঢ়াইছা। অৰুণা, ডিম্পী, বনশ্ৰী, মাধু, চিন্ময়ীবা, চিন্ময়, কল্প আদি কৰি মোৰ সমূহ বন্ধু-বান্ধৱীক বহুত বহুত ধন্যবাদ। মোৰ এই কাৰ্যকালত মই কিমান দূৰ সফল হৈছো এয়া আপোনালোকে জনাব। অজানিতে কৰা ভুলৰ কাৰণে মোক ক্ষমা কৰি দিব। আমাৰ মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি কৰিলো।

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*

*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন



**ৰঞ্জন হাজৰিকা**
**ক্ৰীড়া বিভাগ**

*"জ্ঞান শূন্য আঁতি পশু পক্ষী জাতি এ...*
*তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।*
*আকে জাতি হৰি শৰণ পখিলো এ...*
*আমাক তুমাৰো তেজিতে উচিত নয়।।*

*— মাধৱদেৱ*

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ শ্ৰম আৰু সৎ সাহসৰ বলত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ জন্ম হৈছিল সেই সকল মহান ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। স্মৃতিৰ পৰশত আজিও আপোনালোক আমাৰ অন্তৰত জীপাল হৈ আছে।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা দিনৰে পৰা মই দেখি আহিছো যে আমাৰ মহাবিদ্যালয়ৰ ক্ৰীড়াৰ ক্ষেত্ৰত বহুতো প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী আছে যদিও ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ ক্ষেত্ৰৰ পৰা সা-সুবিধাবোৰ পোৱা দেখা পোৱা নাছিল। যোৱা কেইবছৰৰ পৰা আমাৰ মহাবিদ্যালয় খেল-ধেমালিবোৰ লাহে লাহে নোহোৱা হৈ গৈছে। সেয়েহে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগটো আগুৱাই লৈ যোৱাৰ বাবে ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ খেল সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিছিলো। মনৰ হেঁপাহ আৰু ক্ৰীড়া ক্ষেত্ৰত প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীসকলৰ বিকাশৰ লক্ষ্যৰে মই দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মূৰ দাঙি থিয় হৈছিলো। নিৰ্বাচনত খেল বিভাগৰ দৰে এক গধুৰ দায়িত্বশীল পদত যোগ্য বুলি ভাবি বিজয়ী কৰি লগতে এই বৰ্ষৰ সৰ্বাধিক ভোট লাভ কৰাৰ গৌৰৱকণো অনুভৱ কৰিছিলো। সেয়েহে, সমূহ মহাবিদ্যালয়ৰ দাদা-বাইদেউ, ভাইটি-ভন্টি তথা মোৰ সতীৰ্থসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। এইখিনিতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ আগৰ পৰাই সকলো সময়তে দিহা পৰামৰ্শ দিয়া, মোৰ সকলো ক্ষণতে সহায় কৰা মোৰ ভাতৃ ভাস্কৰ দা, নিপন দা, নয়ন দা, বিপ্লৱ দা, জিতু দা, সৰ্বেশ্বৰ দা, হিৰক দা, অখিল দা, পংকজ দা, বন্ধু টিংকু, ৰাকেশ, মৃগাংক, পল্লৱ, হৃদয়, ৰাজীৱ, ৰন্টু, ধনজিৎ আৰু বান্ধৱী মধুস্মিতা, বৰ্ণালী, মৃদুস্মিতা, প্ৰীতি, কস্মিতা, জুনমণি, মণিকা বা, ধৃতি, মৰ্জিনা, জিন্তি, জুতিকা, অলি বা, কৰবী বা, প্ৰীঞ্চি বা, ৰঙিলী বা, তৃষ্ণা বা আটাইকৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

*শত সহস্ৰ প্ৰণামো তোমাক*
*জ্বলিছিল তাহানিতে বন্তি গছিত তোমাৰ*
*জাউতি যুগীয়া সাহিত্য সৃষ্টি*
*তোমাৰ জ্ঞানৰ পোহৰ বিলাই*
*দিলে মুকুতিৰ দিশ*

**প্ৰতিষ্ঠা দিৱস** ঃ (১৪-১১-২০১৭) মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ৫৭ তম প্ৰতিষ্ঠা দিৱস। এই বছৰৰ প্ৰতিষ্ঠা দিৱসৰ পিছত পৰীক্ষা হোৱা বাবে দ্বিতীয় বাৰ্ষিক ড° ভূপেন হাজৰিকা দেৱৰ স্মৃতিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখন আগতীয়াকৈ অনুষ্ঠিত কৰিব লগা হৈছিল। অবিভক্ত কামৰূপ ভিত্তিত আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনত বিভিন্ন মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা দেখা গৈছিল। এটি উৎসৱমুখৰ পৰিৱেশে সেই দিনটো

বিৰাজমান কৰিছিল। প্ৰতিষ্ঠা দিৱসৰ দিনাখন মহাবিদ্যালয়ত পুৱাৰে পৰা এটা আনন্দদায়ক পৰিৱেশ আছিল কিয়নো সেইদিনাই আমাৰ পঢ়াশালীখন প্ৰতিষ্ঠা হৈছিল প্ৰতিজন নৱপ্ৰজন্মক জ্ঞানৰ পোহৰলৈ বিলাবলৈ। সেইদিনা সন্ধিয়া মহাবিদ্যালয়ত আতচবাজিৰে বন্তিৰ পোহৰেৰে মহাবিদ্যালয়খন পোহৰাই তুলিছিল। কেতিয়াও পাহৰিব নোৱাৰা দিন।

**মহাবিদ্যালয় সপ্তাহ** ঃ অইন বেলিৰ দৰে এইবেলিও বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল ইং ২৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ। এই পাঁচদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে পতাকা উত্তোলনৰ জৰিয়তে। তাৰ পিছত N.S.S ফলকত বন্তি প্ৰজ্বলন, ড° আম্বেদকাৰৰ মূৰ্তিত মাল্যাৰ্পণ, শ্বহীদ তৰ্পন, মামণি ৰয়চম গোস্বামী বাইদেউৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, প্ৰাচীৰ পত্ৰিকা অংকুৰ উন্মোচন, সেৰাজ্যোতি উন্মোচন আৰু আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় গজেন্দ্ৰ নাথ ঠাকুৰীয়াদেৱৰ আৱক্ষ মূৰ্তিত মাল্যদান কৰা হয়। লগতে এইবাৰ পুনৰ সাংস্কৃতিক শোভাযাত্ৰা শুভাৰম্ভ হোৱাৰ পিছত প্ৰতিটো বিভাগৰ বিভাগীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। বিগত বৰ্ষৰ দৰে মোৰ বিভাগৰ (খেল/ Games and Sports) তৰফৰ পৰাও বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। দলীয় প্ৰতিযোগিতা ক্ৰিকেট, ফুটবল, ভলীবল অনুষ্ঠিত কৰা হৈছিল। সময়ৰ অসুবিধাৰ বাবে আকৌ ফুটবল আৰু ক্ৰিকেট খেলখন আগতিয়াকৈ ২০ জানুৱাৰীৰ পৰা অনুষ্ঠিত কৰা হৈছিল যিহেতু প্ৰতিযোগিতাৰ সংখ্যা এইবেলি বেছি হৈছিল। ক্ৰিকেট খেলখনত বিজয়ী দল হৈছে স্নাতক চতুৰ্থ ষান্মাষিক (বিজ্ঞান শাখা) আৰু ফুটবল খেলখনত বিজয়ী দল উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)। ছাত্ৰসকলৰ সহযোগত কেবাবছৰো স্থগিত হৈ থকা ফুটবল খেল এই আকৌ অনুষ্ঠিত কৰি সাহস বাঢ়িছিল। আনহাতে এইবেলি ভলীবল খেলখনতো প্ৰতিযোগীৰ আগ্ৰহ দেখিবলৈ পোৱা গ'ল। ভলীবল খেলখন সন্ধিয়া সময়ত অনুষ্ঠিত হৈছিল। বিজয়ী দল স্নাতক ষষ্ঠ ষান্মাষিক (কলা শাখা)। লগতে অনুষ্ঠিত কৰা অন্য খেলসমূহ হ'ল — ল'ৰা-ছোৱালী উভয়েৰে দৌৰ, গধুৰ বস্তু নিক্ষেপ, হাই জাম্প, লং জাম্প ইত্যাদি। ২০১৭-১৮ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ ল'ৰাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছিল অপূৰ্ব মালী আৰু ছোৱালীৰ শ্ৰেষ্ঠা খেলুৱৈৰ সন্মান লাভ কৰিছিল জোনমণি ৰাভাই। মই এই প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰি ইয়াক সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মোক শ্ৰদ্ধাৰ তত্বাৱধায়ক শ্ৰীযুত প্ৰশান্ত কলিতা ছাৰদেৱে, অধ্যাপক অনুজ কলিতা ছাৰদেৱ, অধ্যাপক উৎপল দাস ছাৰদেৱ, অধ্যাপক মানবেন্দ্ৰ কলিতা ছাৰদেৱে। লগতে মোৰ বন্ধু হিতেন্দ্ৰ, কুলদ্বীপ, জুমন, দিব্যজ্যোতি, ভাৰ্গৱ, ধনজিৎ, দেৱজিৎ আৰু বিশেষভাৱে মোৰ কাৰ্যকালৰ মহাবিদ্যালয় সপ্তাহৰ সকলো কামতে মোৰ ভাতৃস্বৰূপ ছাত্ৰ একতা সভাৰ সদস্য যুগল, হীৰকজ্যোতি, ধ্ৰুৱ, হীৰকক মনত পৰে, কিয়নো খেল পথাৰৰ সকলোবোৰ কামতে মোক সহায় কৰিছিল। তাৰবাবে তেওঁলোকক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। তদুপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অইন বছৰতকৈ এই বছৰত বেছি সংখ্যক খেলৰ প্ৰতি আগ্ৰহ আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মোক যি ধৰণে সহায় আগবঢ়ালে তাৰ বাবে মই তেওঁলোকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহত ক্ৰীড়া বিভাগৰ বিশেষ আকৰ্ষণ** ঃ বিগত কেবাবছৰত চলি অহা মহাবিদ্যালয় সপ্তাহত বিশেষ আকৰ্ষণ ক্ৰিকেট খেল ৩০-১-১৮ ইং তাৰিখ মঙ্গলবাৰে ছাত্ৰ একতা সভা বনাম শিক্ষক গোটৰ মাজত প্ৰীতি ক্ৰিকেট খেল। মহাবিদ্যালয় সপ্তাহত আগৰ পৰা চলি অহা প্ৰীতি খেলখন সকলোৱে চাবলৈ বৈ থাকে। প্ৰীতি খেলখনৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে। লগতে মহাবিদ্যালয়ৰ নতুন জাৰ্চী, বিশেষভাৱে সজোৱা জাৰ্চীজোৰ তেওঁ মুকলি কৰে। খেলখনৰ বিজয়ী হয় শিক্ষক গোট।

কেবা বছৰৰ পিছত মোৰ কাৰ্যকালৰ মহাবিদ্যালয় সপ্তাহত ল'ৰাৰ ফুটবল খেলখন অনুষ্ঠিত কৰা হৈছিল। লগতে এই বছৰৰ ক্ৰীড়া বিভাগৰ বিশেষ আয়োজন (৩০-২-১৮) ছোৱালীৰ ক্ৰিকেট খেল। ছোৱালীৰ প্ৰীতি খেলখন ছাত্ৰী নিবাস আৰু মহাবিদ্যালয়ৰ সাধাৰণ ছাত্ৰীৰ মাজত হৈছিল। এই খেলৰ বহুত প্ৰচাৰ হৈছিল বাবে বিভিন্ন ধৰণৰ দৰ্শকৰ ভিৰ দেখিবলৈ পোৱা গৈছিল। এইখেল খনৰ মাজে মাজে সংগীত অনুষ্ঠান হৈছিল। সংগীত অনুষ্ঠানত মোৰ দাদা অসীম দা আৰু আচিফৰ সংগীতে পৰিৱেশটো সুন্দৰ কৰিছিল। আৰু এই চেগতে তেওঁলোকক ধন্যবাদ জনালো। লগতে খেলখনৰ প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্ব দিয়া বন্ধু দিপাংকৰ আৰু দিক্ষিতা বাইদেউক ধন্যবাদ জনালো। প্ৰচাৰৰ বাবে লিখি দুযাৰি —

*ল'ৰা মানুহৰ ক্ৰিকেট খেল চাই ভাগৰি পৰিছে নেকি?*
*তেন্তে আহক*
*ডি. কে. কলেজলৈ*
*ছোৱালীৰ ক্ৰিকেট খেল প্ৰতিযোগিতা...*

এনেকৈয়ে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

**সৰস্বতী পূজা** ঃ মহাবিদ্যালয় সপ্তাহৰ আগতে অৰ্থাৎ ২২ জানুৱাৰী তাৰিখে সৰস্বতী পূজা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বাবে যো-জা চলায় থকা অৱস্থাতে ছাত্ৰ একতা সভাৰ সদস্যসকলে বিদ্যা দেৱী সৰস্বতী আইৰ বন্দনাৰ বাবে যা-যোগাৰ কৰিছিল। সেইদিনা পুৱাৰে পৰা এটি সুন্দৰ পৰিৱেশ আছিল। ছাত্ৰ একতা

সভাৰ বিষয়ববীয়া হিচাপে মোৰ ওপৰত থকা দায়িত্ব সমূহ পালন কৰিবলৈ চেষ্টা কৰিছিলো। সৰস্বতী পূজাৰ এইবেলি বিশেষ আকৰ্ষণ ৰভাথলীৰ কাষতে সজা খেৰৰ গেটটো আটক ধুনীয়াকৈ বনোৱা হৈছিল। সেইদিনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত প্ৰসাদ আৰু খিচিৰি বিতৰণ কৰিছিল আৰু এনেকৈয়ে পূজাৰ দিনটোৰ প্ৰতিটো মুহূৰ্তই উপভোগ কৰিলো।

**নৱাগত আদৰণি সভা** ঃ সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু দক্ষিণ কামৰূপ মহাবিদ্যালয় আৰু তাৰ ভিতৰত বিশেষভাৱে ৰৈ থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীক আদৰণী জনোৱাৰ উদ্দেশ্য অনুষ্ঠিত কৰা নৱাগত আদৰণী সভালৈ। আমাৰ কাৰ্যকালৰ ২৮ আগষ্ট ২০১৮ ইং তাৰিখ শনিবাৰে নৱাগত আদৰণী সভা অনুষ্ঠিত কৰিছিলো। অইন বেলিৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভিৰ পৰিলক্ষিত হৈছিল। আৰু সকলোৰে সহযোগত নৱাগত আদৰণী সভাৰ কাৰ্যসূচীবোৰ সুকলমে পাৰ হৈ গৈছিল। এইবাৰ আমাৰ মহাবিদ্যালয়ৰ নৱনিৰ্মিত ড° সুধাকণ্ঠ প্ৰেক্ষাগৃহৰ ভিতৰতে অনুষ্ঠিত হৈছিল। ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ গীত-মাত, নৃত্যৰে সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভ হয়। নৱাগত আদৰণী সভাৰ অতিথি আছিল বিশিষ্ট কণ্ঠ শিল্পী ৰাকেশ ৰিয়ান। সন্মানিত ড° গুৰু প্ৰসাদ খাটনিয়াৰ (শৈক্ষিক পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়)। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ছাৰ-বাইদেউ, কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ সদস্য সকলৰ অশেষ কষ্টৰে নৱাগত আদৰণী সভাখন পাৰ হৈ গৈছিল।

**মহাবিদ্যালয়ৰ বাহিৰত হোৱা প্ৰতিযোগিতাসমূহ** ঃ খেল সম্পাদক হিচাপে মই মোৰ বিভাগটোক আগুৱাই লৈ যাবলৈ মহাবিদ্যালয়ৰ বাহিৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা সমূহতো ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰাৰ বাবে লৈ গৈছিলো। এইখিনিতে মই ছাত্ৰসকলক এটি কথা অৱগত কৰাও যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল খেলখনৰ বাবে সম্পাদক হিচাপে মোৰ আশা আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল খেলখনত অংশগ্ৰহণ কৰিব পাৰিম বুলি খবৰটো পাই মই খেলুৱৈ সকলক আখৰা আৰম্ভ কৰাইছিলো। খেলুৱৈ সকলৰ বহুত ইচ্ছা আছিল কিন্তু এইক্ষেত্ৰত অধ্যক্ষ মহোদয়ে অনুমতি প্ৰদান নকৰাৰ বাবে মই এই খেলখনত অংশ গ্ৰহণ কৰিব নোৱাৰিলো। গতিকে মই অন্য খেলসমূহ মহাবিদ্যালয়ৰ বাহিৰত খেলিবলৈ লৈ গৈছিলো। ইয়াৰ ভিতৰত মোৰ প্ৰথম কাৰ্যসূচী আছিল ২০১৭ ইং বৰ্ষৰ দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ বাৰ্ষিক ক্ৰীড়া সন্থাৰ গ্ৰাম্য ষ্টেডিয়ামৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰা খেলত অংশ গ্ৰহণ কৰিবলৈ। অংশগ্ৰহণ কৰা খেলসমূহ হ'ল — খো-খো (ল'ৰা), খো-খো (ছোৱালী), কাবাদী, ভলীবল, এথেলেটিক আৰু মাৰ্চপাষ্টত। ইয়াৰ প্ৰায়খেলতে পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। ইয়াৰে ভিতৰত — খো-খো ল'ৰাৰ দ্বিতীয় শ্ৰেষ্ঠ দ'ল, খো-খো ছোৱালীৰ দ্বিতীয় শ্ৰেষ্ঠ দল আৰু মাৰ্চপাষ্টত তৃতীয় স্থান লাভ কৰিছিলো। এই খিনিতে দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ খেলসমূহ খেলিবলৈ গৈ আমাৰ মহাবিদ্যালয়ৰ বাবে এটা সুন্দৰ ফলাফলৰ বাবে খেলুৱৈ সকলক মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

ইয়াৰ পিছত আমাৰ মহাবিদ্যালয়ৰ ক্ৰিকেট দলটোৱে Namecare Group Premier League Cricket Tournament খনত অংশ গ্ৰহণ কৰিবলৈ গৈছিলো। এই খেলখনতো আমাৰ দলটোৱে লাব কৰে শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ ৩০,০০০.০০ টকা আৰু ট্ৰফী। এই খেলখনৰ দলটোক মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

ইয়াৰ পিছত মই আমাৰ মহাবিদ্যালয়ৰ ১৫ জনীয়া ল'ৰাৰ ভলীবল দলটো গুৱাহাটী মহাবিদ্যালয়লৈ 7th Inter College Teachers & Students' (Boys & Girls) প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে লৈ গৈছিলো।

**মহাবিদ্যালয়ত অনুষ্ঠিত অন্যতম অনুষ্ঠান** ঃ News 18 অসম চেনেল 'শিপা এক সন্ধান', নাট কৰ্মশালা আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা লিখিত আৰু কণ্ঠৰে "ময়েই ডি. কে. কলেজ" শ্ৰব্য চিডি উন্মোচন।

**সামৰণিত দুআষাৰ** ঃ আমি জানো, আমি বুজো সপোন আৰু সভ্যতাৰ এই যাত্ৰাত নৱ প্ৰজন্মৰ শিক্ষাৰ্থীৰ খোজ কেৱল থিয়'ৰি নতুবা পেক্টিকেলৰ চিলেবাছতে সীমাবদ্ধ। পৰিৱৰ্তনৰ বাটচ'ৰা আগুৱাই নিব বিচাৰে, পৰিবৰ্তনৰ বাবে লাগিব প্ৰতিবাদ, লাগিবই সজাগতা। কাৰণ নৱপ্ৰজন্মৰ আৱেগ বুদ্ধি আৰু চিন্তনৰ মাজতেই জীপাল হৈ উঠে সাহিত্য, কলা, ক্ৰীড়া, ৰাজনীতি নতুবা সমাজনীতিৰ অৰ্থ। এনেদৰেই আমাৰে এবছৰীয়া কাৰ্যকালৰ অন্ত পৰে। সকলোৰে মৰম আৰু আশীৰ্বাদ লাভ কৰি মই মনত বহু আশা লৈ কাৰ্য চলাই লৈ গৈছিলো, মোৰ বিভাগটো ভালদৰে পৰিচালিত কৰি বিভাগটো আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত যিমান পাৰো কষ্ট কৰিছিলো। মহাবিদ্যালয়ৰ এবছৰ কাৰ্যকালত কিমান দূৰ সফল হ'ব পাৰিছো মই নাজানো, এই বিষয়ে মই মহাবিদ্যালয়ৰ অধ্যক্ষ, শ্ৰদ্ধাৰ ছাৰ, বাইদেউ তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ এৰিলো।

খেল বিভাগটো আগুৱাই নিয়াৰ বাবে কাম কৰোতে সময়ৰ অভাৱৰ বাবেই হওক বা পুঁজিৰ অভাৱৰ বাবেই হওক, মই কিছুমান উন্নত মানদণ্ডৰ খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ হেঁপাহ আধৰুৱা হৈ থাকিল। পৰৱৰ্তী কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলক খেলৰ প্ৰতি আগ্ৰহী কৰি তুলিব বুলি পৰৱৰ্তী সম্পাদক তথা ছাত্ৰ সভাৰ ওপৰত মই আশা কৰিলো।

মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিয়ে যি

বিশ্বাস আৰু আন্তৰিকতাৰে মোক দায়িত্বভাৰ অৰ্পন কৰিছিল, সেই একে মূল্যৰ দায়িত্ব তথা কাৰ্যৰে মই তেওঁলোকৰ এই মৰম আৰু বিশ্বাসৰ মান ৰাখিব পাৰিলো নে নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ।

অজানিতে হোৱা ভুলৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। ইমান কম সময়ৰ ভিতৰত মহাবিদ্যালয়খনক লৈ থকা আশাবোৰ বাস্তৱত ৰূপায়ণ কৰাতো সহজ নহয় মই যিখিনি কৰিলো সেইখিনি মোৰ সামান্যতম প্ৰয়াসহে।

অৱশেষত মই এটা কথা ক'ব বিচাৰো যে মহাবিদ্যালয়ৰ মান মৰ্যাদা বজাই ৰখাটো ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য। সকলো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়লৈ অহাৰ পিছত এটা কথাই মনত পেলাব লাগে যে "ঘৰত থাকিলে যেনেকৈ অভিভাৱক থাকে তেনেদৰে মহাবিদ্যালয়ত অহাৰ পিছত এজন ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক হৈ পৰে মহাবিদ্যালয়খন।" যদি তুমি অজানিতে কিছু নকৰিবলগীয়া কাম কৰিলা তেতিয়া তোমাৰ আগতে দোষ হয় মহাবিদ্যালয়খনৰ, কাৰণ সকলোৰে শুধিব কোনখন মহাবিদ্যালয়ৰ তুমি, নহলে সাজ-পোছাকজোৰত গম পাব। তেনেস্থলত অভিভাৱক সকললৈ এটাই অনুৰোধ যাতে তেওঁলোকে নিজৰ সন্তানৰ প্ৰতি নজৰ দিয়ে, গতিকে অভিভাৱক সকলৰ সু-দৃষ্টি থাকিলে নিশ্চয় তেওঁলোকে সু পথত অগ্ৰসৰ হোৱাত সহজ হয়। সদৌ শেষত কৰ্তব্য পালনৰ স্বাৰ্থত প্ৰতিবেদনখনিত যদি কিবা নকবলগীয়া কথা কৈ দিয়া হ'ল, জানি নাজানি মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভাৱে কৰা অবাঞ্ছিত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়খন এখন জাকত জিলিকা মহাবিদ্যালয় হৈ থাকে তাৰেই কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*

*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন



## হীৰকজ্যোতি নাথ

### তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

*মোৰ প্ৰতিটো শব্দ, অৰণ্যৰ গম্ভীৰ ভয়াবহতাত*
*মধ্যাহ্নৰ সূৰ্যটোৰ দৰে থৰ...*
*— হীৰুদা*

২০১৭ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত একেখন মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ যেতিয়া অৰ্থনীতি বিভাগত নামভৰ্ত্তি কৰিছিলো এইটো কেতিয়াও ভবা নাছিলো যে মই এদিন সেইখন মহাবিদ্যালয়ৰে ছাত্ৰ একতা সভাৰ সদস্য হ'ম। যদিওবা তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ লগত জড়িত প্ৰতিযোগিতা সমূহত মই অংশগ্ৰহণ কৰিছিলো আৰু দুৰ্বলতাও সেই বিভাগটোৰ প্ৰতি আৰম্ভণিৰ পৰাই আছিল তথাপিও ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো শুভাকাংক্ষী, সহপাঠী, বন্ধু-বান্ধৱী তথা অগ্ৰজ-অনুজ সকলৰ দ্বাৰা উৎসাহিত হৈ হঠাতে লোৱা এটা সিদ্ধান্ত আছিল। আৰু এখোপ আগবাঢ়ি এই উৎসাহৰ মূল উৎস এই বিভাগৰে পূৰ্বৰ সম্পাদকত্ৰয় দাদা-বন্ধু শ্ৰীতাপস মালী, শ্ৰীহিৰকজ্যোতি চৌধুৰী আৰু শ্ৰীগীতিকা দাস বাইদেউ বুলি ক'লেও বৰ বিশেষ বঢ়াই কোৱা নহ'ব। তেওঁলোকলৈ মোৰ হৃদয়ৰ পৰা অশেষ ধন্যবাদ, মই চিৰদিন আপোনালোকৰ ঋণী।

**সম্পাদক হিচাপে দায়বদ্ধতাৰ এটা বছৰ ঃ** মোৰ কাৰ্যকালৰ আৰম্ভণি মই আশা কৰাতকৈ বহু বেছি ভাল হোৱা বুলি শান্তনা লভো। ভাৰত চৰকাৰৰ 'স্বচ্ছ ভাৰত অভিযান'ৰ লগত সংগতি ৰাখি আয়োজন কৰা মোৰ প্ৰিয় কুইজ প্ৰতিযোগিতাখনৰ দ্বাৰা মোৰ কাৰ্যকালৰ আৰম্ভণি হৈছিল ইং ২৫-০৯-১৭ তাৰিখে। শ্ৰদ্ধাৰ মানস প্ৰতিম বৰুৱা ছাৰে পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাখনৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি আছিল অপূৰ্ব।

মোৰ কাৰ্যকালৰ দ্বিতীয়টো অনুষ্ঠান আছিল অবিভক্ত কামৰূপ জিলা ভিত্তিত আয়োজিত কৰা তৰ্ক প্ৰতিযোগিতাখন। এই প্ৰতিযোগিতাখনে মোৰ এবছৰীয়া কাৰ্যকলাৰ ঘাই উপলব্ধি হৈ আজীৱন সোঁৱৰাই থাকিব। ICAR - National Research Centre on PIG, Rani য়ে আমাৰ মহাবিদ্যালয়ৰ সহযোগত এখন দক্ষিণ কামৰূপ ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আয়োজনৰ ইচ্ছা প্ৰকাশ কৰিছিল। মই ইয়াক দক্ষিণ কামৰূপত সীমাবদ্ধ কৰি ৰাখিব নিবিচাৰি পিছত ইয়াক অবিভক্ত কামৰূপ জিলা ভিত্তিত আয়োজন কৰিছিলোঁ। সমগ্ৰ কামৰূপ জিলাৰ বিভিন্ন মহাবিদ্যালয়সমূহৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েও প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সঁহাৰি জনাইছিল। এখন উন্নত মানৰ তৰ্ক প্ৰতিযোগিতাৰ আমি সকলো সাক্ষী হৈ ৰৈছিলো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰদৰ্শনো আছিল সম্ভাৱনাপূৰ্ণ। ভাতৃপ্ৰতিম পলাশজ্যোতি দাসে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

ইয়াৰ উপৰি, মোৰ বিভাগৰ পৰা ৭২ তম্ স্বাধীনতা দিৱস কুইজ আৰু তৰ্ক প্ৰতিযোগিতাৰ বিশেষভাৱে আয়োজন কৰা হৈছিল। এয়া আছিল মোৰ কাৰ্যকালৰ অন্তিমটো আনুষ্ঠানিক কাৰ্যসূচী। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ইং ১৩-৮-১৮ তাৰিখে আয়োজন কৰা কুইজ প্ৰতিযোগিতাখনত প্ৰায় ৩০ টা দলে অংশ গ্ৰহণ কৰিছিল আৰু তৰ্ক প্ৰতিযোগিতাখনতো অংশ গ্ৰহণকাৰীৰ সংখ্যা কুৰিৰো অধিক হৈছিল। এয়া বৰ বিশেষ নহ'লেও কাৰ্যকালৰ শেষৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ এনে অভূতপূৰ্ব সহযোগিতাই আশাৰ ৰেঙণি যোগাইছিল আমাক উৎসাহিত কৰিছিল।

**মহাবিদ্যালয় সপ্তাহ ঃ** বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাৰে আৰম্ভ হোৱা এইবাৰৰ মহাবিদ্যালয় সপ্তাহ আছিল বিশেষ আকৰ্ষণীয়। প্ৰতিটো বিভাগৰ পৰা আয়োজন কৰা অন্যান্য প্ৰতিযোগিতাসমূহৰ লগতে তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ পৰাও তৰ্ক, কুইজ, দলীয় আলোচনা, আকস্মিক বক্তৃতা, বাতৰি পৰিবেশন, আঁত ধৰোতা প্ৰতিযোগিতা (Anchoring), বক্তৃতা আদি প্ৰতিযোগিতাৰ আয়োজন

কৰিছিলোঁ। দুই এখন প্ৰতিযোগিতাৰ বাহিৰে (বাহ্যিক কিছুমান কাৰকৰ বাবে) আটাইকেইখন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি আছিল উৎসাহজনক। ইয়াৰ দ্বাৰাই মই মহাবিদ্যালয়ৰ সকলো সম্ভাৱনাপূৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ শুভ-ইচ্ছা আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ** বিগত দুটা বছৰৰ যুৱ মহোৎসৱৰ অভিজ্ঞতাৰ সাক্ষী হৈছিলো যদিও এইবাৰ নিজে সম্পাদক হিচাপে কুৰিজনীয়া দল এটিক নেতৃত্ব দি যি বৰ্ণিল অভিজ্ঞতা লাভ কৰিছিলোঁ সেয়া বৰ্ণনা কৰিবলৈ শব্দৰো নাটনি হ'ব। এইবাৰৰ "আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ"ৰ মধ্য মণ্ডলৰ বাচনি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হৈছিল সোণাপুৰ কলেজত। তিনিদিন সেই মহাবিদ্যালয়খনত থাকি লাভ কৰা অভিজ্ঞতাবোৰ আমাৰ জীৱনৰ সোণালী অংশ। তিনিদিনতে বিভিন্ন প্ৰান্তৰ পৰা অহা আমাৰ সহপাঠীবোৰ আপোন হৈ পৰিছিল। সাংস্কৃতিক, সাহিত্য, কলা, বক্তৃতা সকলোতে আমাৰ মহাবিদ্যালয়ে ভাল ফলাফল দেখাবলৈ সক্ষম হৈছিল (বক্তৃতাত দিপাংকৰ দাসে প্ৰথম স্থান লাভ কৰিছিল)। এইখিনিতে সোণাপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰৰ বন্ধুসুলভ ব্যৱহাৰ, কথা-বাৰ্তা আৰু তেওঁৰ মৰমৰ কথা নকলে কাৰ্যকালৰ প্ৰতিবেদন আধৰুৱা হৈ ৰ'ব।

**মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি ঃ** তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হোৱা হেতুকে অন্যান্য অনুষ্ঠান বা শিক্ষানুষ্ঠানৰ পাৰ্যমানে নিমন্ত্ৰণ ৰক্ষা কৰি প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণৰ বাবে লৈ গৈছিলো মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি কুইজ প্ৰতিযোগিতাসমূহত বিশেষ অসুবিধা নহ'লে মই নিজেই অংশগ্ৰহণ কৰিছিলো। সেই অনুসৰি বাইহাটা চাৰিআলিত অনুষ্ঠিত দুখন আন্তঃ কামৰূপ জিলা ভিত্তি মুকলি কুইজ প্ৰতিযোগিতাত ক্ৰমান্বয়ে তৃতীয় আৰু পঞ্চম স্থান লাভ কৰিছিলো। ইয়াৰ উপৰি ছয়গাওঁ আৰু মিৰ্জাত অনুষ্ঠিত দক্ষিণ কামৰূপ ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি পলাশ আৰু লক্ষ্যধৰৰ দলটিয়ে ক্ৰমে তৃতীয় আৰু দ্বিতীয় স্থান লাভ কৰিছিল আৰু মই নিজে হিমাংশু ৰঞ্জনৰ সৈতে প্ৰথম স্থান লাভ কৰিছিলো। ইয়াৰ উপৰিও বহুতো প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণৰ বাবে লৈ যোৱা হৈছিল আৰু তেওঁলোকে যথেষ্ট ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। এইক্ষেত্ৰত হিমাংশু, অনুপম, ৰিমলি ৰিছা পাঠকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

উল্লেখিত মোৰ বিভাগৰ কাৰ্যসূচীসমূহৰ উপৰিও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অন্যান্য অনুষ্ঠানে যেনে - নৱাগত আদৰণী সভা, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, আমাৰ অৰ্থনীতি বিভাগৰ পৰা আয়োজন কৰা National Seminar, NSS ৰ বিভিন্ন কাৰ্যসূচী আদিত জড়িত হৈছিলো। এই সকলোবোৰৰ পৰা নিজকে নতুনভাৱে সজাব পাৰিছিলো। সকলোবোৰৰ ব্যাখ্যা এই চুটি প্ৰতিবেদনত সম্ভৱ নহ'ব।

**মই আপোনালোকৰ চিৰদিন ঋণী ঃ** মোৰ এবছৰীয়া কাৰ্যকালত কৰা সকলোবোৰ কামৰ সৈতে একেলগে থকা, সৰু বৰ সকলো কাৰ্যতে দিহা-পৰামৰ্শৰে মোক উৎসাহিত কৰি থকা মোৰ শ্ৰদ্ধাৰ ছাৰ তথা মোৰ তত্বাৱধায়ক শ্ৰীসৌৰভজ্যোতি শৰ্মা ছাৰৰ কথা ক'বই লাগিব। ছাৰক মই যেতিয়াই বিচাৰিছিলোঁ সকলো সময়তে সহায় কৰাৰ চেষ্টা কৰিছিল। ধন্যবাদ শব্দটো ছাৰৰ বাবে সীমিত যেন অনুভৱ হয়। ইয়াৰ উপৰি মোৰ প্ৰত্যেকটো অনুষ্ঠানতে ছাৰ দৰে লাগি থকা ব্যক্তিজন হ'ল মোৰ সন্মানীয় মানস প্ৰতিম বৰুৱা ছাৰ। ছাৰ কুইজ অনুষ্ঠানটোৰ পৰিচালক আছিলেই ইয়াৰ বাদেও সৰু বৰ প্ৰত্যেকটো কামতে ছাৰৰ পূৰ্ণ সহযোগিতা লাভ কৰিছিলো। ছাৰ আপোনাৰ ওচৰত মই ঋণী। একেদৰে মোৰ প্ৰত্যেকটো কাৰ্যসূচীতে মোৰ নিয়ন্ত্ৰণ নস্যৎ নকৰি বিচাৰকৰ আসন গ্ৰহণ কৰা শ্ৰদ্ধাৰ গাৰ্গী চক্ৰবৰ্তী বাইদেউৰ কথা নকলে সকলো আধৰুৱা হ'ব। বাইদেউৰ গালিও শুনিছো আৰু তেওঁৰ উৎসাহী কথাও। বাইদেউ আশীৰ্বাদ কৰিব। ঠিক তেনেদৰে শ্ৰদ্ধাৰ জয়ন্ত বৈশ্য ছাৰ, সুনীল তালুকদাৰ ছাৰ, শৈলেন দাস, অসীম ৰঞ্জন শৰ্মা ছাৰ আপোনালোকৰ সহায় সহযোগিতা আৰু সাৰুৱা কথাইও মোক উৎসাহিত কৰিছে। ধন্যবাদ ছাৰ। এই সকলোবোৰৰ মূল শ্ৰদ্ধাৰ অধ্যক্ষ ছাৰৰ কথা ক'বই লাগিব। ছাৰৰ সহযোগিতা অবিহনে সকলো মিছা হ'লহেতেন। ছাৰৰ মই সময় সাপেক্ষে গালিও নোখোৱা নহয়। কিন্তু সেই গালিবোৰে সেইদিনা মোৰ বাবে আশীৰ্বাদ স্বৰূপ হৈছিল যিদিনা আমাৰ বিদায় সভাৰ দিনা সকলোৰে সন্মুখত মোৰ কামৰ আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা মোৰ দায়বদ্ধতাৰ ভূয়সী প্ৰশংসা কৰিছিল। ছাৰকো বহুত বহুত ধন্যবাদ।

শ্ৰদ্ধাৰ মেধী ছাৰ, নয়ন দা, জিতু দাস, আনন্দ দা, ৰমেন দাস, ফণী দাৰ লগতে সমূহ অনা শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে হৃদয়ৰ পৰা অযুত ধন্যবাদ।

এই সুযোগতে মোৰ কাৰ্যকালত মোক উৎসাহ, সহযোগিতা, পৰামৰ্শৰে ভৰাই তোলা মোৰ অতিকে আপোন বন্ধু-বান্ধৱী সকলৰ কথা নকলে সকলো আধৰুৱা হ'ব। তোমালোক মোৰ জীৱনৰ অংশ, মোৰ প্ৰেৰণা। ৰিংকী, ৰিমলী, প্ৰকাশ, মনোজ, পলাশ, ভাস্কৰ, নৱনীতা, অনন্যা, দিক্ষীতা, তৃষ্ণা, অৰ্পনা, হিৰক কুমাৰ, নিখিল আৰু এবাৰ হিৰক দা, গীতিকা বা আপোনালোককে আদি কৰি মোৰ সমূহ বন্ধু-বান্ধৱীক বহুত বহুত ধন্যবাদ।

আপোনালোক সকলোৰে ওচৰত মই চিৰদিন ঋণী।

মোৰ এই এটা বছৰৰ কাৰ্যকালত একো ভুল নোহোৱা বুলি মুখঁইহে ক'ব। আৰু মই নিজে মুৰ্খতাৰ পৰিচয় দিব নিবিচাৰো। মই আপোনালোকক কিমান দিব পাৰিছো বা কিমান সফল হৈছো সেয়া বিচাৰৰ ভাৰ আপোনালোকলৈ এৰিলো। অজানিতে কৰা ভুলৰ বাবে মই ক্ষমা প্ৰাৰ্থী। আপোনালোকৰ মাজৰে এজন বুলি ভাবি ক্ষমা কৰিব। মহাবিদ্যালয়ৰ উত্তৰোত্তৰ আৰু শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ সমাপন কৰিলোঁ।

# বিভাগীয় প্ৰতিবেদন



## অৰ্চনা দাস
### ছাত্ৰী জিৰণী কোঠা

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই দেশমাতৃৰ বাবে শ্বহীদ হোৱা প্ৰতিগৰাকী মহান বীৰ বীৰাংগনাক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। লগতে দক্ষিণ কামৰূপ শিক্ষা জগতৰ প্ৰাণকেন্দ্ৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়খনি যিকেইজন চিৰমনস্য ব্যক্তিৰ ত্যাগৰ বিনিময়ত প্ৰাণ পাই উঠিল, তেওঁলোকলৈ মই মোৰ সেৱা জনাইছোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা কৰি যিসকল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ অশেষ কষ্ট আৰু সহায়ৰ ফলত জয়ী হ'ব পাৰিছোঁ, সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ হিয়া ভৰা মৰম তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**মোক কাৰ্যকালৰ চমু আভাস ঃ** ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিচত মোৰ প্ৰথম কাৰ্যসূচী আছিল ৫৭ তম প্ৰতিষ্ঠা দিৱস ১৪ নবেম্বৰ তাৰিখে। এদিনীয়া কাৰ্যসূচী আছিল যদিও অতি উলহ-মালহেৰে দিৱসটো পালন কৰা হৈছিল।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** অইন বেলিৰ দৰে এইবেলিও 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হৈছিল। ২৮-১-২০১৮ ইং তাৰিখৰ পৰা ২-২-২০১৮ ইং তাৰিখলৈ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উদ্যাপন কৰা হয়। এইবেলিৰ আকৰ্ষণীয় বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই সময়ছোৱাত মোৰ তৰফৰ পৰা আয়োজন কৰা প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ — কইনা প্ৰতিযোগিতা, আল্পনা, পুষ্পসজ্জা, মেহেন্দী আৰ্ট, খোপা বন্ধা, চালাড পৰিৱেশন, সংগীত চকী, কাণি-মুনি খেল আদি।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিনা ছাত্ৰী জিৰণী কোঠাৰ প্ৰাচীৰ প্ৰত্ৰিকা 'অংগনা' উন্মোচন কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে। মই সেইসকল ছাৰ-বাইদেউ তথা বিচাৰকলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ যিসকলে মোৰ প্ৰতিযোগিতা আৰু খেলসমূহত বিচাৰকৰ আসন গ্ৰহণ কৰি খেলসমূহ চলাই নিয়াত সহায় কৰে।

**সৰস্বতী পূজা ঃ** বিগত বৰ্ষৰ দৰে এইবেলিও ২২-১-২০১৮ তাৰিখে অতি উলহ-মালহেৰে সৰস্বতী পূজা উদ্যাপন কৰা হয়। সেইদিনা মহাবিদ্যালয়লৈ পুৱাৰে পৰা বিভিন্ন কলেজৰ ছাত্ৰ-ছাত্ৰী আগমন হৈছিল। লগতে মহাবিদ্যালয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰীসকলে আহি মা সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰিছিল। এই পূজাত থকা দায়িত্বসমূহ আমি অতি নিষ্ঠাৰে পালন কৰিছিলো।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ অন্তিম কাৰ্যসূচী আছিল 'নৱাগত আদৰণী সভা'। হাইস্কুলৰ দেওনা পাৰ হৈ আৰু উচ্চতৰ মাধ্যমিক শিক্ষা গ্ৰহণ কৰি যিসকলে মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিলে তেওঁলোকক আদৰণি জনোৱা উদ্দেশ্যে ২৫-৮-২০১৮ ইং তাৰিখে এই সভাখন অতি উলহ মালহেৰে অনুষ্ঠিত কৰা হয়। নৱাগত আদৰণী সভাত বহুতে নৃত্য-কলা তথা সংগীতৰ জৰিয়তে অংশ গ্ৰহণ কৰে। এই সভাৰ মুখ্য অতিথি হিচাপে সু-শিল্পী ৰাকেশ ৰিয়ানক আমন্ত্ৰণ জনোৱা হৈছিল। এই সভাখন অনুষ্ঠিত হয় প্ৰশাসনীয় ভৱনৰ সন্মুখত নিৰ্মিত 'সুধাকণ্ঠ প্ৰেক্ষাগৃহ'ত।

**কৃতজ্ঞতাৰ শৰাই ঃ** মোৰ কাৰ্যকালছোৱাত সুচাৰুৰূপে সহায় সহযোগিতা আগবঢ়োৱা দক্ষিণ কামৰূপ

মহাবিদ্যালয়ৰ জীৱবিজ্ঞান বিভাগৰ অধ্যাপিকা ইলোৰা চৌধুৰী বাইদেউলৈ আৰু মোক সহায় সহযোগিতা কৰা বন্ধু-বান্ধৱীসকললৈ আন্তৰিক শলাগৰ শৰাই যাচিলোঁ।

এইখিনিতে মই মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰী বান্ধৱীসকলক অনুৰোধ জনাও যে ছাত্ৰী জিৰণী কোঠাটোত আবৰ্জনা নেপেলাই পৰিষ্কাৰ কৰি ৰাখে যেন। কাৰণ পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু শান্তি-শৃংখলতাই মানুহক মহান তথা নিৰোগী কৰে। মোৰ পিছৰ সময়ছোৱাত যিসকল সম্পাদক আহিব এই পদটিত তেওঁলোকলৈ অনুৰোধ জনালো যে 'অংগনা' প্ৰাচীৰ পত্ৰিকাখন যেন প্ৰত্যেক বছৰে উন্মোচন হৈ থাকে আৰু নতুনত্ব আহি থাকে।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে তথা ৰৈ যোৱা কিছুমান কামৰ বাবে মহাবিদ্যালয়ৰ সদৌটি পৰিয়ালৰ ওচৰত ক্ষমা বিচাৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ লগতে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*
*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন



## ধ্ৰুৱজ্যোতি নাথ
### ছাত্ৰ জিৰণী কোঠা

প্ৰতিবেদনৰ আৰম্ভণিতে দক্ষিণ কামৰূপ মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰে পৰা যিসকল মহান ব্যক্তিৰ ত্যাগ, সৎ চিন্তা আৰু কষ্টৰ ফলত এই বৃহৎ শিক্ষানুষ্ঠানখনৰ জন্ম হয় তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ নিৰ্বাচনত জয়ী হৈ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক পদৰ দায়িত্বভাৰ নিজ হাতত তুলি লৈছিলো। এই পদৰ যোগ্য প্ৰাৰ্থী বুলি ভাবি মোক সহায় কৰা সকলোকে কৃতজ্ঞতা যাচিছোঁ।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান** ঃ প্ৰতিষ্ঠা দিৱস, মহাবিদ্যালয় সপ্তাহ, নবাগত আদৰণী সভা, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আদি আমাৰ কাৰ্যকালৰ কিছু উল্লেখযোগ্য কাৰ্যসূচী। সাংস্কৃতি শোভাযাত্ৰাৰ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আৰম্ভ হৈছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাৰ শিতানসমূহ আছিল এনেধৰণৰ — কেৰম, দবা, বেডমিন্টন। ল'ৰা-ছোৱালী উভয়ৰে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিজন অংশগ্ৰহণকাৰী, শ্ৰদ্ধাৰ বিচাৰক আৰু মোক সহায় কৰা সকলো শ্ৰদ্ধাৰ ছাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰী সকলোকে শ্ৰদ্ধা আৰু ধন্যবাদ জনালো। ইয়াৰ লগতে সৰস্বতী পূজা, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, নৱাগত আদৰণি সভাৰ সকলো কাম সুকলমে পাৰ হয়।

**শেষত দুআষাৰ** ঃ মহাবিদ্যালয়ৰ হকে কাম কৰাত সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু তত্ত্বাৱধায়ক ছাৰ, মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউ আৰু অনাশিক্ষক কৰ্মচাৰীবৃন্দক শ্ৰদ্ধা আৰু ধন্যবাদ জনাওঁ। ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে সকলো সময়তে মোক সহায়ৰ হাত আগবঢ়োৱা কাৰণে ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

সদৌ শেষত সম্পাদকৰ ভাৰ লৈ অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*

*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন



**যুগল কুমাৰ**
**শৰীৰ চৰ্চা বিভাগ**

শৰীৰ চৰ্চা বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই চাৰিওদিশ জ্ঞানৰ জিলিকনিৰে জিলিকাই তোলা জ্ঞান-দীক্ষালয় 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'খনৰ সদৌটিলৈ শ্ৰদ্ধা নিবেদিছো।

এই ছেগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৭-১৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মোক সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে সমূহ জেষ্ঠ্য, কনিষ্ঠ ছাত্ৰবন্ধু-বান্ধৱী সকললৈ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্যকালৰ চমু বিৰৰণ —

**বিশ্বকৰ্মা পূজা** ঃ কাৰ্যভাৰ গ্ৰহণৰ পাছত বিশ্বকৰ্মা পূজাখন ব্যায়াম গাৰত অতি উলহ-মালহেৰে গৰিষ্ঠসংখ্যক শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ উপস্থিতিত পালন কৰা হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ** ঃ ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে মোৰ বিভাগটোৰ দেহশ্ৰী, ভাৰোত্তলন, পাঞ্জা (উভয়), ৰছী টনা (উভয়), আৰু কাবাডী (উভয়) প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা। মহাবিদ্যালয় সপ্তাহত বিশেষ আকৰ্ষণ দেহশ্ৰী প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাত বিশেষভাবে আমন্ত্ৰণ জনাইছিলো 'মিষ্টাৰ ইউনিভাৰ্ছ' খিতাপ অৰ্জন কৰা মহাদেৱ ডেকা, 'মিষ্টাৰ ৱৰ্ল্ড' খিতাপ অৰ্জন কৰা গোপাল ৰাভা, 'মিষ্টাৰ অসম' খিতাপ অৰ্জন কৰা ধীৰাজ ৰাজবংশী, 'মিষ্টাৰ কামৰূপ' খিতাপ অৰ্জন কৰা আমাৰ কলেজৰে বিতু দাসক। মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ লগতে গৰিষ্ঠ সংখ্যক স্থানীয়-অস্থানীয় দৰ্শকৰ উপস্থিতিয়ে প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তুলিছিল।

**সৰস্বতী পূজা** ঃ বিগত বছৰৰ দৰে এইবাৰো ২০১৭-১৮ ইং বৰ্ষত সন্মানীয় অধ্যাপক-অধ্যাপিকা, অনা শিক্ষক কৰ্মচাৰী বৃন্দ, বিভাগীয় সম্পাদক-সম্পাদিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহযোগত সৰস্বতী পূজা পালন কৰা হয়। আৰু পূজাখনত মই বৰণ লব পাই নিজকে বহুত ভাগ্যবান বুলি ভাবিছো। সেয়েহে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য সকলক কৃতজ্ঞতা জনাইছো।

**আন্তঃ মহাবিদ্যালয় ভাৰোত্তলন প্ৰতিযোগিতা** ঃ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰা আন্তঃ মহাবিদ্যালয় ভাৰোত্তলন প্ৰতিযোগিতাখন খেলিবলৈ নগাওঁ কলেজলৈ ২ জন খেলুৱৈ লৈ যোৱা হৈছিল। আৰু তাৰে ভিতৰত এজন ৯০ কেজি শাখাত অংশগ্ৰহণ কৰি দ্বিতীয় স্থান ৰূপক পদক পাবলৈ সক্ষম হয় আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। সেয়েহে জ্যোতিষ্মান ভাগৱতীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

**নৱাগত আদৰণী সভা** ঃ মহাবিদ্যালয়ৰ ৰঙীণ আশা-সপোন লৈ পদাৰ্পণ কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ত আদৰণী জনোৱাৰ উদ্দেশ্যে উলহ-মালহেৰে এই সভাখন অনুষ্ঠিত কৰা হয়।

**ব্যায়ামাগাৰ** ঃ ব্যায়ামাগাৰত থকা সকলোবোৰ বস্তু বেয়া হোৱাৰ ফলত মহোদয়ৰ জৰিয়তে বহুখিনি সামগ্ৰী যেনে — Tread Mill, Exercise Bike, Weight Plates আৰু Rod ব্যায়ামগাৰৰ কাৰণে অনা হৈছিল।

**সামৰণি** ঃ প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায় কৰা বিভাগীয় তত্ত্বাৱধায়ক শ্ৰীযুত উৎপল দাস ছাৰ। সেয়েহে ছাৰৰ ওচৰত কৃতজ্ঞতা জনাইছো। আৰু লগতে --- গোটৰ সমূহ সদস্যবৃন্দ আৰু ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সম্পাদক হিৰকজ্যোতি দাস আৰু খেল বিভাগৰ সম্পাদক ৰঞ্জন হাজৰিকালৈ বিভিন্ন দিশৰ পৰা সহায় কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মই কাৰ্যকালৰ সময়ত অজানিতে কৰা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰছো আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*

*"জয়তু ছাত্ৰ একতা সভা।"*

# বিভাগীয় প্ৰতিবেদন




**ৰণজিৎ কলিতা**

**সমাজসেৱা বিভাগ**


প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহৎ ব্যক্তিৰ অপ্ৰাণ চেষ্টা, সৎ সাহস, সৎ চিন্তাৰ কাৰণে দক্ষিণ কামৰূপৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ জন্ম হয় তেওঁলোকক শ্ৰদ্ধাৰে শলাগ লৈছো।

মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছিলো আৰু নিজৰ কৰ্মৰাজিৰে সকলো সমাধান কৰিব চেষ্টা কৰিছিলো।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। তাৰ পিছত ক্ৰমে সৰস্বতী পূজা, বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণী সভা ইত্যাদি।

মোৰ কাৰ্যকালত মোক সহায় কৰা সকলোকে মোৰ কৃতজ্ঞতা জনালো। অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অসীম ৰঞ্জন শৰ্মা ছাৰ, এডৱাৰ্ড ষ্টেডী এন্ চাংমা ছাৰ, মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো। এন. এছ. এছ. গোটৰ সমূহ সদস্য বৃন্দ আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে কৃতজ্ঞতা আৰু ধন্যবাদ জনালো। মোৰ কাৰ্যকালত কিবা ভুল হ'লে ক্ষমা কৰি দিব। এইখিনি কৈয়ে মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

*জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়।"*
*"জয়তু ছাত্ৰ একতা সভা।"*

# PRINCIPAL AND TEACHING STAFF OF OUR COLLEGE

## SESSION : 2017-18

**PRINCIPAL**

**Dr. Ramesh Chandra Kalita**, M.Sc., M.Phil, Ph. D.

**VICE PRINCIPAL**

**Dr. Phanindra Chandra Thakuria**, M.A., M.Phil, Ph. D.

**DEPARTMENT OF ASSAMESE :**

Jugal Ch. Baishya, M.A.(Double)
Dr. Phanindra Ch. Thakuria, M.A., M.Phil., Ph. D.
Sunil Talukdar, M.A. (HoD)
Dr. Niva Thakuria, M.A., M. Phil, Ph.D.
Adward Steady N Sangma, M.A.
Dr. Lakshmi Kalita, M.A. Ph.D.
Manoj Kr. Das, M.A.
John Kr. Kalita, M.A., M. Phil., B.Ed.
Banashree Das, M.A., M. Phil, , B.Ed.
Nabajit Mazumdar, M.A.

**DEPARTMENT OF ENGLISH :**

Jilmil Bora, M.A.
Dr. Gargee Chakraborty, M.A. Ph.D. (HoD)
Dr. Devajit Das, M.A., M.Ed., Ph.D.
Aparna Goswami, M.A.
Sailendra Kumar Das, M.A.
Himangshu Ranjan Das, M.A.
Kakali Das, M.A.

**DEPARTMENT OF ECONOMICS :**

Dr. Debotpal Goswami, M.A. Ph.D.
Dr. Kumud Bhagawati, M.A., Ph.D., B.Ed. (HoD)
Dr. Archana Mali, M.A., Ph.D.
Jonali Nath, M.A., M. Phil.
Chayanika Goswami, M.A.

**DEPARTMENT OF EDUCATION :**

Dr. Indira Saikia, M.A., Ph.D.
Dipika Devi, M.A., B.Ed.
Ashim Ranjan Sarma, M.A. (HoD)
Bhabani Baishya, M.A., M. Phil.
Jagadish Sarma, M.A., B.Ed.
Bhimakshi Das, M.A., B.Ed.
Chandana Sarma, M.A.
Bhupali Kumari, M.A.

**DEPARTMENT OF PHILOSOPHY :**

Anuj Kalita, M.A. M.Phil. (HoD)
Aditi Devi Choudhury, M.A. L.L.B.
Jaba Kalita, M.A., M.Phil.
Shivanee Kumari, M.A., B.Ed.
Puspanjali Baruah, M.A.
Jumi Kalita, M.A.
Namita Choudhury, M.A.

**DEPARTMENT OF HISTORY :**

Jogesh Kr. Kalita, M.A., B.Ed.(HoD)
Dr. Madhuri Saikia, M.A. (Double), PhD
Dhrubajyoti Gogoi, M.A., M. Phil, MCJ.
Mitali Kalita, M.A.

**DEPARTMENT OF POLITICAL SCIENCE :**

Manash Pratim Baruah, M.A.(HoD)
Sourabh Jyoti Sarma, M.A. M.Phil.
Barnali Kalita, M.A.
Sraban Kr. Dihidar, M.A., M.Phil.
Parul Kalita, M.A., B.Ed., L.L.B
Hirak Jyoti Rajbongshi, M.A.

**DEPARTMENT OF MATHEMATICS :**

Pranita Kakati, M.Sc.
Nakul Dev Goswami, M.Sc.
Debendra Sarma, M.Sc. (HoD)
Prasanta Kalita, M.Sc., B.Ed.
Partha Pratim Kalita, M.Sc.
Rabindra Das, M.Sc.

**DEPARTMENT OF CHEMISTRY :**

Arabinda Nath Ray, M.Sc.
Dipu Kumar Das, M.Sc., M.Phil
Dr. Nagendra Sarma, M.Sc. Ph.D. (HoD)
Jayanta Kr. Baishya, M.Sc., M. Phil.
Utpal Das, M.Sc., M.Phil
Manashi Kalita, M.Sc., B.Ed.
Pinku Sarma, M.Sc.

**DEPARTMENT OF BOTANY :**

Karuna Kanta Das, M.Sc. M.Phil. (HoD)
Dr. Durlav Narayan Singha, M.Sc., B.Ed., Ph. D.
Dr. Gargi Chakravarty M.Sc., Ph.D.
Sumi Das, M.Sc.
Swagata Nath, M.Sc.

**DEPARTMENT OF GEOGRAPHY :**

Ashok Kr. Sarma, M.A., M. Phil. (HoD)

Isha Haque Ali, M.A., M. Phil.
Homeswar Das, M.Sc., M. Phil.
Dipika Choudhury, M.A. B.Ed

**DEPARTMENT OF PHYSICS :**

Akhil Ch. Das, M.Sc. (HoD)
Dr. Prabin Ch. Kalita, M.Sc., Ph.D.
Dr. Anjan Buragohain, M.Sc., Ph.D.
Dr. Jnanendra Upadhyay, M.Sc., Ph.D.
Pranjal Das, M.Sc.
Manoj Das, M.Sc.
Ujjwal Baruah, M.Sc.

**DEPARTMENT OF ZOOLOGY :**

Dr. Deepalee Das Chakraborty, M.Sc., Ph. D.
Dr. Namita Sarma, M.Sc., Ph.D. (HoD)
Pabitra Jyoti Kalita, M.Sc., M. Phil.
Dr. Nripendra Kr. Choudhury, M.Sc.,Ph. D.
Ellora Choudhury, M.Sc., M. Phil
Rumi Kalita, M.Sc.
Amilee Konwar, M.Sc.

**DEPARTMENT OF COMPUTER SCIENCE :**

Dhiraj Ch. Das, PGDCA, M.C.A. (HoD)
Gautam Kalita, M.C.A. PGDM
Himadri Goswami, M.Sc.
Sadananda Das, B.Com., PGDCA
Daisy Thakuria, B.A., PGDCA
Dhruba Jyoti Kalita

**CENTER FOR MEDIA STUDIES :**

Dr. Sailen Das, MAMC (HoD) Ph.D
Joyjit Deka, MAMC

**ENVIRONMENTAL STUDIES :**

Bharati Das, M.Sc.
Sumi Kalita, M.Sc.

**B.VOC. COURSE :**

Swarup Jyoti Sarma, M.A.
Parikshit Pachani, M.BA.

**DEPARTMENT OF COMMERCE:**

Bibhash Baran Kalita, M.Com.
Navajit Borah, M.Com.
Tandralim Kashhyap, M.Com, M.Phil.

**DEPARTMENT OF SOCIOLOGY :**

Neetu Kalita, M.A.

**DEPARTMENT OF SOCIOLOGY :**

Mainee Pathak, M.A.

## NON - TEACHING STAFF OF OUR COLLEGE

1. Jatindra Medhi, (S.A.)
2. Mina Kumari Talukdar B.A., (U.D.A)
3. Arup Kr. Das, B.A. (L.D.A.)
4. Hiren Kalita, B.A. B.Ed. (L.D.A.)
5. Kushal Ch. Kalita, B.A. (L.D.A.)
6. Barnali Bora, B.A. (L.D.A.)
7. Ramen Kalita, B.Sc. IT (LDA)
8. Debajit Kalita, B.A.
9. Jitumoni Kalita
10. Parul Das, B.A.
11. Nayanmoni Kalita, M.A., B.Ed.
12. Basanta Kalita, B.A.
13. Kumar Akash, B.A.

**LIBRARY STAFF :**

1. Himadri Mayee Borah, M. Lib. Sc., M.Phil(Librarian)
2. Panchimita Kalita, M. Lib. Sc., (PGDCA) (Asst. Lib.)
3. Pinku Bora, B.A.
4. John Moni Das
5. Parul Das, B.A.
6. Ranadeep Das, B.A.
7. Anjan Parasor Bora, B.A.

**HEALTH**

1. Kalpana Kalita (Nurse)

## BEARER / LAB. BEARER / GRADE IV

1. Jagadish Saloi
2. Hiren Thakuria
3. Jatin Ch. Das
4. Krishna Ram Kaibotra
5. Kanchan Kumari
6. Reena Das
7. Harakanta Das
8. Kalpana Das
9. Dwijen Kalita
10. Nabajit Das
11. Rupdhar Rabha
12. Rajen Das
13. Jiten Kumar
14. Bimal Kalita
15. Phanindra Nath
16. Deben Ch. Das
17. Diganta Medhi
18. Chakradhar Nath
19. Apurba Kaiborta
20. Deepjyoti Das
21. Debo Mali
22. Jonali Kalita
23. Biswajit Baishya
24. Jyoti Partha Das
25. Sankar Das
26. Ananda Das
27. Nayan Das
28. Pallab Mahanta
29. Dhaneswar Mazumdar
30. Rubul Kalita
31. Champak Kumar

**NIGHT CHOWKIDAR :**

1. Bipul Baishya
2. Bipul Das
3. Hemanta Das
4. Simanta Das

**HOSTEL EMPLOYEES :**

1. Dimbeswar Das
2. Daibaki Das
3. Lakshyadhar Kumar

**SECURITY :**

1. Parameswar Das
2. Guneswar Das
3. Babul Das
4. Mukul Das

# RESULT OF H.S. FINAL EXAMINATION (LAST 5 YEARS)

| SUCCESSFUL CANDIDATES IN ARTS | | | | | | |
|---|---|---|---|---|---|---|
| Year | Appeared in Arts | 1st div. | 2nd div. | 3rd div. | Total Successful Candidate | % of Successful Candidate |
| 2014 | 775 | 164 | 264 | 247 | 675 | 87.09% |
| 2015 | 681 | 183 | 226 | 180 | 589 | 86.50% |
| 2016 | 656 | 126 | 242 | 216 | 584 | 89.02% |
| 2017 | 591 | 150 | 209 | 196 | 555 | 92.72% |
| 2018 | 579 | 138 | 236 | 180 | 554 | 95.7% |

| SUCCESSFUL CANDIDATES IN SCIENCE | | | | | | |
|---|---|---|---|---|---|---|
| Year | Appeared in Science | 1st div. | 2nd div. | 3rd div. | Total Successful Candidate | % of Successful Candidate |
| 2014 | 311 | 152 | 97 | 01 | 250 | 80.38% |
| 2015 | 295 | 212 | 75 | 06 | 293 | 99.30% |
| 2016 | 312 | 226 | 60 | 01 | 287 | 92.00% |
| 2017 | 357 | 206 | 125 | 12 | 343 | 96.08% |
| 2018 | 335 | 185 | 124 | 06 | 315 | 94.00% |

# RESULT OF T. D. C. FINAL EXAMINATION (LAST 5 YEARS)

| SUCCESSFUL CANDIDATES IN ARTS | | | | | | |
|---|---|---|---|---|---|---|
| Year | Appeared in Arts | 1st Class/ Division | 2nd Class/ Division | Simple | Total Successful Candidate | % of Successful Candidate |
| 2014 | 417 | – | – | – | 360 | 86.33% |
| 2015 | 568 | – | – | – | 435 | 76.58% |
| 2016 | 689 | – | – | – | 485 | 70.39% |
| 2017 | 683 | 147 | – | – | 444 | 65.00% |
| 2018 | 622 | – | – | – | 405 | 65.11% |

| SUCCESSFUL CANDIDATES IN SCIENCE | | | | | | |
|---|---|---|---|---|---|---|
| Year | Appeared in Arts | 1st Class/ Division | 2nd Class/ Division | Simple | Total Successful Candidate | % of Successful Candidate |
| 2014 | 71 | – | – | – | 55 | 77.46% |
| 2015 | 133 | – | – | – | 96 | 72.18% |
| 2016 | 190 | – | – | – | 135 | 71.05% |
| 2017 | 188 | 65 | – | – | 127 | 67.55% |
| 2018 | 233 | 135 | – | – | 135 | 57.93% |

## STUDENTS SECURING POSITIONS AND HIGHEST MARKS IN 2016-17 (IN OUR COLLEGE)

| Sl. No | NAME | YEAR & COURSE | CLASS/DIVISION | RANK/ DIVISION |
|---|---|---|---|---|
| 1. | Chimpu Kalita | 2018 (B.A.) (Sem. Sys.) | 1st Class in Assamese (1237 marks) | – |
| 2. | Kukee Das | 2018 (B.A.) (Sem. Sys.) | 1st Class in English (1098 marks) (6.8) | – |
| 3. | Ritu Moni Nath | 2018 (B.A.) (Sem. Sys.) | 1st Class in Pol. Science (1380 marks) (8.0) | – |
| 4. | Bhaskar Jyoti Kalita | 2018 (B.A.) (Sem. Sys.) | 1st Class in Economics (1280 marks) | – |
| 5. | Hitumoni Nath | 2018 (B.A.) (Sem. Sys.) | 1st Class in Education (1329 marks) (8.3) | – |
| 6. | Chayamoni Kalita | 2018 (B.A.) (Sem. Sys.) | 1st Class in Philosophy (1364 marks) | – |
| 7. | Majoni Begum | 2018 (B.A.) (Sem. Sys.) | 1st Class History (1074 marks) (6.6) | – |
| 8. | Pinky Das | 2018 (B.A.) (Sem. Sys.) | 1st Class in Geography (1238 marks) | |
| 9. | Tapash Kalita | 2018 (B.Sc.) (Sem. Sys.) | 1st Class in Chemistry (1458 marks) (9.1) | 1st |
| 10. | Aparna Deka | 2018 (B.Sc.) (Sem. Sys.) | 1st Class in Zoology (1469 marks) (9.2) | – |
| 11. | Aminul Islam | 2018 (B.Sc.) (Sem. Sys.) | 1st Class in Botany (1216 marks) | |
| 12. | Barnali Das | 2018 (B.Sc.) (Sem. Sys.) | 1st Class in Mathematics (1168 marks) | – |
| 13. | Abdur Rehman | 2018 (B.Sc.) (Sem. Sys.) | 1st Class in Physics (1383 marks) (8.5) | – |

# AWARD FOR ACADEMIC EXCELLENCE

## (Award from different Trusts)

### Session : 2017-2018

| Sl.No | Name of Award Holder | Name of Trusts | Achievement |
|---|---|---|---|
| 1 |  Kristipurna Mali | Manoj Kalita and Manash Kalita Memorial Trust<br>Donor : Mahesh Kalita & Usha Kalita | Highest Mark in Science<br>H.S. Final Exam, 2017 |
| 2 |  Abhijit Choudhury | | |
| 3 |  Rituparna Das | Niroda Bala Kalita Memorial Trust<br>Donor : Naren Ch. Kalita | Highest Mark in Arts<br>H.S. Final Exam, 2017 |
| 4 |  Aparna Deka | | Highest Mark in B.Sc.<br>Final Exam, 2017 |
| 5 |  Ritumoni Talukdar | Amrit Ch. Thakuria Memorial Trust<br>Donor : Abhaya Thakuria | Highest Mark in B.A.<br>Final Exam, 2017 |
| 6 |  Hitumoni Nath | Bristi Priya Bora Memorial Trust<br>Donor : Dr. Indira Saikia | Highest Mark in Education in<br>B.A. Final Exam, 2017 |
| 7 |  Chimpu Kalita | Relishwa N. Sangma Memorial Trust<br>Donor : Prof. Edward Steady N. Sangma | Highest Mark in Assamese in<br>B.A. Final Exam, 2017 |
| **Award for Best Acting** | | | |
| 9 |  Chintu Moni Borah | Mahendra Adhikary Memorial Trust<br>Doner : Dr. Jahnabi Devi | Best Actor and Actress<br>College Week, 2018 |
| 10 |  Nazbin Sultana | | |

# আলোচনী সম্পাদক আৰু তত্বাৱধায়কসকল

| ইং বৰ্ষ | সম্পাদকৰ নাম | তত্বাৱধায়কৰ নাম |
|---|---|---|
| ১৯৬৯-১৯৭০ | ধীৰেন কুমাৰ দাস | ভাৰত চন্দ্ৰ কলিতা |
| ১৯৭০-১৯৭১ | হাচমত আলী | ধনেশ্বৰ কলিতা |
| ১৯৭১-১৯৭২ | বলেন চন্দ্ৰ কলিতা | ধনেশ্বৰ কলিতা |
| ১৯৭২-১৯৭৩ | সৰ্বানন্দ কলিতা | ধনেশ্বৰ কলিতা |
| ১৯৭৩-১৯৭৪ | নৰ কুমাৰ কাকতি | ধৰ্মেশ্বৰ বড়া |
| ১৯৭৪-১৯৭৫ | ৰমেন মেধি | ধৰ্মেশ্বৰ বড়া |
| ১৯৭৫-১৯৭৬ | প্ৰদীপ কুমাৰ দাস | ধনেশ্বৰ কলিতা |
| ১৯৭৬-১৯৭৭ | জীৰেশ্বৰ দাস | ধনেশ্বৰ কলিতা |
| ১৯৭৭-১৯৭৮ | সুভাষ গোস্বামী | ধনেশ্বৰ কলিতা |
| ১৯৭৮-১৯৭৯ | মুছলিম আলী (ভাঃ প্ৰাঃ) | ধৰ্মেশ্বৰ বড়া |
| ১৯৮০-১৯৮১ | বৈকুণ্ঠ ৰাজবংশী | ধৰ্মেশ্বৰ বড়া |
| ১৯৮১-১৯৮২ | প্ৰদীপ কুমাৰ দাস | ধৰ্মেশ্বৰ বড়া |
| ১৯৮২-১৯৮৩ | হৰিচৰণ দাস | ধনেশ্বৰ কলিতা |
| ১৯৮৩-১৯৮৪ | হিতেশ ঠাকুৰীয়া | প্ৰদীপজ্যোতি মহন্ত |
| ১৯৮৪-১৯৮৫ | দুলাল কলিতা | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৫-১৯৮৬ | ধীৰেণ কুমাৰ | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৬-১৯৮৭ | পংকজলোচন গোস্বামী | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৮৭-১৯৮৮ | ভবেন মহন্ত | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৮৮-১৯৮৯ | হেৰম্ব চৌধুৰী | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৯-১৯৯০ | প্ৰবীণ কুমাৰ দত্ত | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৯০-১৯৯১ | দীনেশ দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল বৈশ্য |
| ১৯৯১-১৯৯২ | দেৱ কুমাৰ পাঠক | ধৰ্মেশ্বৰ বড়া |
| ১৯৯২-১৯৯৩,<br>১৯৯৩-১৯৯৪ | দেৱজিৎ দাস | যুগল বৈশ্য |
| ১৯৯৪-১৯৯৫ | ৰাম কুমাৰ চৌধুৰী | যুগল বৈশ্য |
| ১৯৯৫-১৯৯৬ | বিনোদ কলিতা | ধৰ্মেশ্বৰ বড়া |
| ১৯৯৬-১৯৯৭ | নৃপেন কলিতা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল বৈশ্য |
| ১৯৯৭-১৯৯৮ | কৈলাশ কুমাৰ দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল বৈশ্য |

| ইং বৰ্ষ | সম্পাদকৰ নাম | তত্বাৱধায়কৰ নাম |
|---|---|---|
| ১৯৯৮-১৯৯৯ | শংকৰ মেধি | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৯৯-২০০০ | ভাস্কৰ ৰাভা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল বৈশ্য |
| ২০০০-২০০১ | ৰাজকমল চৌধুৰী | যুগল বৈশ্য<br>ইছাহক আলী |
| ২০০১-২০০২ | ৰাজীৱ ভড়ালী | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>সুনীল তালুকদাৰ |
| ২০০২-২০০৩ | প্ৰশান্ত মেধি | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল বৈশ্য |
| ২০০৩-২০০৪ | ৰুবুল গোস্বামী | এডৱাৰ্ড ষ্টেডী এন্ চাংমা<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৪-২০০৫ | কুমুদ কলিতা | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৫-২০০৬ | অক্ষয়জ্যোতি শৰ্মা | যুগল চন্দ্ৰ বৈশ্য<br>এডৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০৬-২০০৭ | ভবেন দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>সুনীল তালুকদাৰ |
| ২০০৭-২০০৮ | চিন্ময় কলিতা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>এডৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০৮-২০০৯ | দেৱজিৎ মহন্ত | এডৱাৰ্ড ষ্টেডী এন্ চাংমা<br>মানস প্ৰতিম বৰুৱা |
| ২০০৯-২০১০ | নয়নজ্যোতি শৰ্মা | এডৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ইছাহক আলী |
| ২০০১০-২০১১ | আশামণি দাস | মানস প্ৰতিম বৰুৱা<br>সুনীল তালুকদাৰ |
| ২০০১১-২০১২ | নয়নমণি দাস | মানস প্ৰতিম বৰুৱা<br>সুনীল তালুকদাৰ |
| ২০০১২-২০১৩ | ৰতন কলিতা | এডৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ড° নৃপেন্দ্ৰ কুমাৰ চৌধুৰী |
| ২০০১৩-২০১৪ | সুমনজ্যোতি কলিতা | এডৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০০১৪-২০১৫ | বিজিত গোস্বামী | সুনীল তালুকদাৰ<br>ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০০১৫-২০১৬ | চিন্ময় যখৰীয়া | এডৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০১৬-২০১৭ | দেৱজিৎ শৰ্মা | মানস প্ৰতিম বৰুৱা |
| ২০০১৭-২০১৮ | ভবিতা দাস | ড° গাৰ্গী চক্ৰৱৰ্তী |



মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° ৰমেশ চন্দ্ৰ কলিতাদেৱ

## মহাবিদ্যালয় পৰিচালনা সমিতি (২০১৭-১৮ বৰ্ষ)



ৰবীন গোস্বামী
সভাপতি



ড° ৰমেশ চন্দ্ৰ কলিতা
অধ্যক্ষ



প্ৰণৱ কলিতা
বিশেষ নিমন্ত্ৰিত সদস্য



ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
উপাধ্যক্ষ



ড° ধৰণীধৰ মালী
বিশ্ববিদ্যালয় প্ৰতিনিধি আৰু প্ৰাক্তন সভাপতি



ড° যতিন কলিতা
বিশ্ববিদ্যালয় প্ৰতিনিধি



ড° ইন্দিৰা শইকীয়া
শিক্ষক প্ৰতিনিধি



ড° নগেন্দ্ৰ শৰ্মা
শিক্ষক প্ৰতিনিধি



অনিল দাস
দাতা সদস্য



বানেশ্বৰ দাস
অভিভাৱক সদস্য



শচীন কাকতি
অভিভাৱক সদস্য



সবিতা দাস
অভিভাৱক সদস্য



হীৰেণ কলিতা
অনা শিক্ষক কৰ্মচাৰী সদস্য




অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



অধ্যক্ষ আৰু উপাধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অনা-শিক্ষক কৰ্মচাৰীবৃন্দ



অধ্যক্ষ, উপাধ্যক্ষ  আৰু গ্ৰন্থাগাৰিকৰ সৈতে পুথিভঁড়ালৰ কৰ্মচাৰীবৃন্দ



অধ্যক্ষ, উপাধ্যক্ষ আৰু তত্বাৱধায়কৰ সৈতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

# মহাবিদ্যাল সপ্তাহ

## ইং ২০১৭-২০১৮ বৰ্ষ



**যুগল কিশোৰ ৰাভা**
শ্ৰেষ্ঠ গায়ক



**চিন্তু মণি বৰা**
শ্ৰেষ্ঠ অভিনেতা



**নাজবিন চুলতানা**
শ্ৰেষ্ঠা অভিনেত্ৰী



**ঋতু শইকীয়া**
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



**পলাশজ্যোতি দাস**
শ্ৰেষ্ঠ তাৰ্কিক



**নিপু ঠাকুৰীয়া**
শ্ৰেষ্ঠ স্বেচ্ছাসেৱক



**জেউতী দাস**
শ্ৰেষ্ঠা স্বেচ্ছাসেৱিকা



**অপূৰ্ব মালী**
শ্ৰেষ্ঠ খেলুৱৈ



**চিন্ময় কুমাৰ দাস**
শ্ৰেষ্ঠ শিল্পকলা প্ৰতিযোগী



The Patent Office of the Govt. Of India has granted a patent (Patent No.303359) to **Dr. Gargi Chakravarty** Assistant Professor of the Department of Botany, D.K. College, Mirza and to her supervisor Prof. M.C. Kalita of the Department of Biotechnology, Gauhati University. The Patent is granted for a microbial formulation for management of a devastating disease bacterial wilt of the widely consumed brinjal crop. The patented ecofriendly formulation could be a boon to commercial cultivators by reducing their pre harvest loss.

# বিশেষ কৃতিত্ব (পি. এইচডি. অৰ্জন)



**Dr. Sailen Das**
*Topic: Jatra of South Kamrup as means of Mass Communication: A study.*
Year : 2018



**Dr. Joyjit Deka**
*Topic: Role of Print Media in Empowering women in Assam: A Case Study of Guwahati city*
Year : 2018



**Dr. Aditi Devi Choudhury**
*Topic: The Concept of Ecological Self - A Study*
Year : 2018



**Dr. Jonali Nath**
*Topic: Socio-Economic and Demographic Factors Affecting Utilisation of Maternal Health Care Services - A Study in Some Districts in Assam*
Year : 2018

**Dr. Nabajit Mazumdar**
*Topic:* বীৰেন্দ্ৰ কুমাৰ ভট্টচাৰ্য্যৰ উপন্যাসত লোক-সাংস্কৃতিক সমল ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
Year : 2018



# স্মৃতিৰ মিঠা সুবাসৰ দলিচাত ...



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ এক মুহূৰ্ত্ত



মহাবিদ্যালয় সপ্তাহৰ শ্বহীদ তৰ্পণৰ মুহূৰ্ত্ত



নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ এক মুহূৰ্ত্ত



নৱাগত আদৰণী সভাৰ এটি মুহূৰ্ত্তত জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ান



গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত ৰসায়ন বিজ্ঞান বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত শীৰ্ষস্থান অধিকাৰ কৰা তাপস কলিতাৰ সম্বৰ্দ্ধনা



মহাবিদ্যালয় সপ্তাহৰ সৈতে সংগতি ৰাখি আয়োজন কৰা Explora ৰ এটি মুহূৰ্ত্ত




মহাবিদ্যালয় সপ্তাহত প্ৰথমবাৰৰ বাবে আয়োজিত বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰাৰ এটি দৃশ্য



সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণকাৰী একাংশ ছাত্ৰী



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত শিক্ষক একাদশ আৰু ছাত্ৰ একতা সভাৰ মাজত অনুষ্ঠিত প্ৰীতি ক্ৰিকেট খেলৰ বিজয়ী শিক্ষক একাদশ



ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষয়িত্ৰীবৃন্দ




Centre for Media Studiesৰ উদ্যোগত আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৃষ্ঠপোষকতাত আয়োজিত কৰ্মশালাৰ এটি দৃশ্য।



মহাবিদ্যালয় সপ্তাহত আয়োজিত মহিলাৰ প্ৰীতি ক্ৰিকেট খেলত অংশগ্ৰহণকাৰীসকল




বুৰঞ্জী বিভাগৰ Rethinking Colonialism and Globalisation গ্ৰন্থ উন্মোচনৰ এটা দৃশ্য



মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা 'আন্তৰ্জাতিক নাৰী দিৱস' উদ্‌যাপন



মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক নকুল দেৱ গোস্বামীৰ বিদায়ী সভাৰ এটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ আলোচনী বিভাগৰ দ্বাৰা আয়োজিত চিত্ৰকলা প্ৰতিযোগিতাৰ এটি দৃশ্য




মহাবিদ্যালয়ৰ শিক্ষামূলক ভ্ৰমণলৈ যোৱা দলটো




ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয়ৰ গোটৰ দ্বাৰা আয়োজিত বিশেষ শিবিৰৰ এটি দৃশ্য



মহাবিদ্যালয় সপ্তাহত আয়োজিত পুষ্পসজ্জা প্ৰতিযোগিতাৰ এটি দৃশ্য




মহাবিদ্যালয় সপ্তাহত আয়োজিত দেহশ্ৰী প্ৰতিযোগিতাৰ এটি মুহূৰ্ত্ত




ইংৰাজী বিভাগৰ দ্বাৰা বিশ্ব পৰিৱেশ দিৱসত আয়োজিত বক্তৃতা অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ কুমাৰ নাথ




ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত বক্তৃতানুষ্ঠানত নেপালৰ ত্ৰিভুবন বিশ্ববিদ্যালয়ৰ অধ্যাপক চন্দ্ৰ উপাধ্যায়




সাহিত্য চ'ৰা, অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত বক্তৃতা অনুষ্ঠানত ড° নমিতা ডেকা




মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় আলোচনা চক্ৰত ভাষণৰত মুহূৰ্ত্তত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল কুমাৰ হাজৰিকা

# জীৱন











## ডিকেচিয়ানৰ দৃষ্টিৰে...

আলোকচিত্ৰ ঃ গুঞ্জন কলিতা, চিণ্টু ঠাকুৰীয়া, ধৃতিমণি গোস্বামী

# DAKSHIN PAT

